# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখঃ ২২/২/২০২৪ বৃহস্পতিবাৰ

---

**আজি ইংৰাজী ২২-০২-২০২৪ তাৰিখে অসম বিধান সভাৰ নৱ-নিৰ্মিত সদন কক্ষত অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে ৰাতিপুৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-১৬১। আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ,(অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত মুছলমান, জৈন, শিখ, খ্ৰীষ্টান আদি কৰি প্ৰায় ৪০ শতাংশ সংখ্যালঘু লোক আছে। এই বিভাগটোৰ গতিশীলতা একেবাৰে নাই। যোৱা বছৰ ২৭ অক্টোবৰ তাৰিখে এই বিভাগটোত গতিশীলতা অনাৰ বাবে এখন মিটিং কৰা হৈছিল। সেই মিটিঙৰ মাইনোটচ সাপেক্ষে কি কি ব্যৱস্থা লোৱা হ'ল? ইয়াত দেখা যায় যে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত এটকাও আৱণ্টন হোৱা নাই। কিয় হোৱা নাই, এই কথাখিনি স্পষ্টভাৱে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো সত্য নহয় যে এই বছৰ আমাৰ পইচা আৱণ্টন হোৱা নাই। আচলতে, ২০২২-২৩ বৰ্ষত অসম চৰকাৰৰ হাতত থকা ২৭৮ কোটি ২৭ লাখ ৪২ হাজাৰ টকা মোকলাই দিছো আৰু ২০২৩-২৪ বৰ্ষত ১১৬ কোটি ৬৯ লাখ ৯৮ হাজাৰ টকা মোকলাই দিছো। আমাৰ হাতত পইচা নোহোৱা নহয়। আমাৰ যেতিয়ালৈকে হাতত থকা পইচা খৰচ নহয় আৰু যেতিয়ালৈকে ইউ চি দিয়া নহয়, তেতিয়ালৈকে ভাৰত চৰকাৰে পইচা নিদিয়ে। মই জনাব বিচাৰিছো যে আমি এই পইচাখিনি মোকলাই দিয়াৰ পিছত আমাৰ হাতত এক কোটিতকৈ কম টকা আছে। গতিকে আমি এতিয়া নতুনকৈ আঁচনি লৈছো আৰু নতুন আঁচনি আহিব। সকলোতকৈ ডাঙৰ কথাটো হৈছে যে যিসমূহ পি এম জে ভি কেৰ কাম চলি আছে, সেই কামসমূহৰ বিষয়ে যি মাননীয় সদস্য গৰাকীয়ে কৈছে যে আমি গতিশীল নহয়, আমি গতিশীল হৈ আছো আৰু এই বিষয়ে উপায়ুক্তসকলৰ লগত আমি ভি চি কৰি আছো। মই মাননীয় সদস্যসকলক অনুৰোধ কৰিম যে যি কাম চলি আছে, সেই কামসমূহত তেওঁলোকে অলপ গুৰুত্ব দিব লাগে আৰু গুৰুত্ব নিদিয়াৰ বাবে পইচা মোকলাই দিয়াৰ পিছতো বহু আঁচনি অসম্পূৰ্ণ হৈ আছে। এইটো সঁচা নহয় যে ২০২২-২৩ বৰ্ষত আমি পইচা পোৱা নাই। সেই বৰ্ষত আমি ২ শ ৭৮ কোটি ২৭ লাখ ৪২ হাজাৰ টকা আমি Ongoing Scheme ৰ বাবে লাভ কৰিছো আৰু মুকলি কৰি দিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুল বাতিন খণ্ডকাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত চৰ অঞ্চলত ২০০৩ চনত চাৰ্ভে হৈছিল আৰু তাত শিক্ষা, স্বাস্থ্য আৰু যাতায়ত খণ্ডত খুব পুতৌজনক অৱস্থা দেখা গৈছিল। শিক্ষাৰ হাৰ ২০ শতাংশতকৈ কম আছিল আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত ৬০

শতাংশতকৈ অধিক লোক আছিল। আমি যিহেতু আমাৰ ৰাজ্যখনক সৰ্বশ্ৰেষ্ঠ ৰাজ্য বনাব বিচাৰিছো, তেন্তে সকলো অঞ্চলত যদি উন্নতি কৰিব নোৱাৰো, তেনেহ'লে আমাৰ অসমখন উন্নত ৰাজ্য নহ'ব। গতিকে চৰ অঞ্চলৰ আৰ্থ-সামাজিক জৰীপ কৰি সেই অঞ্চলৰ উন্নয়ণৰ বাবে বিশেষ কিবা পদক্ষেপ চৰকাৰে গ্ৰহণ কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে আমাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলত তেওঁলোকৰ আৰ্থ-সামাজিক, স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ আঁচনি পি এম জে ভি কেৰ পৰা লোৱা হৈছে আৰু এতিয়াওঁ আমাৰ ১ লাখতকৈ অধিক আঁচনি অসম্পূৰ্ণ হৈ আছে। যোৱা ২ বছৰত আমাৰ উপাযুক্ত আৰু বিষয়াসকলে কাম কৰি থকাৰ পিছতো ১৪ হাজাৰ আঁচনি বৰ্তমান সময়ত অসম্পূৰ্ণ হৈ আছে। গতিকে আৰ্থ-সামাজিক দিশৰ ক্ষেত্ৰত লক্ষ্য ৰাখি ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত আমি মুখ্য আঁচনিসমূহ যাৰ বিষয়ে মাননীয় সদস্যগৰাকীয়ে সুধিছে, শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে আৰু আদৰ্শ অৰ্থাৎ মডেল ৰেচিডেঞ্চিয়েল স্কুল ২১ খন সংখ্যালঘু অঞ্চলত নিৰ্মাণ কৰিছো আৰু ইয়াৰ কাম চলি আছে। ইয়াৰে ৯ খন স্কুলৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু একোখন স্কুলত ৩০ ৰ পৰা ৩৫ কোটি টকা দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি আপোনাৰ সমষ্টিত থকা টংলা হাইস্কুলখন যদি চায়, সেইখনৰ ১০০ বছৰ হৈছে। কিন্তু সেইখন স্কুলে কেতিয়াও ২ কোটি টকা লাভ কৰা নাই। কিন্তু এই সংখ্যালঘু অধ্যুষিত অঞ্চলত এখন এখন স্কুলত ৩০ ৰ পৰা ৩৫ কোটি টকা দিয়া হৈছে। ইয়াৰে বঙাইগাওঁ স্কুলৰ বাহিৰে বাকী স্কুল সমূহত ৭৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। দ্বিতীয় কথাটো হ'ল- এই আৰ্থ-সামাজিক দিশৰ সকলো কথা আলোচনা কৰিবৰ বাবে আমি প্ৰায় ১ কোটি ৪৬ লাখ টকাকৈ ৪৬ টা সদ্ভাৱনা মণ্ডপ দিছো আৰু বেছিভাগৰে কাম সম্পূৰ্ণ হৈছে। তাৰোপৰিও আমি 32 টা Common Service Centre এই অঞ্চলত দিছো। তাৰোপৰিও সংখ্যালঘু অধ্যুষিত অঞ্চলত খুব ভালকৈ খেতি কৰা হয় আৰু সেই খেতিৰ যাতে ফচল বিক্ৰী কৰিব পাৰে তাৰ বাবে আমি ১০ টা মাৰ্কেট শ্বেড কৰি দিছো। তাৰ বাবে ১০ লাখ টকাকৈ দিয়া হৈছে। ইয়ৰোপৰিও সংখ্যালঘু অধ্যুষিত অঞ্চলত প্ৰত্যেকখন স্কুলতে দুটাকৈ Digital Class Room দিয়া হৈছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, (অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত চৰ অঞ্চলত ২০০৩ চনতেই চাৰ্ভে কৰা হৈছিল। এতিয়া তাত আৰ্থ-সামাজিক চাৰ্ভেটো কৰিব নে নাই, তাৰ উত্তৰ দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য, আপোনাৰ ২টা পৰিপূৰক প্ৰশ্ন হৈ গৈছে। ইয়াৰ উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ে একেলগে দি দিব।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে পি এম জে ভি কেৰ কথা কৈছে, ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত মাননীয় মন্ত্ৰী ডাঙৰীয়াই দিয়া তথ্যমতে ইয়াত কোনোধৰণৰ আৱণ্টন দিয়া হোৱা নাই। তেখেতে খৰচৰ কথা কৈছে, এই খৰচ কৰা হৈছে-২০১৯-২০, ২০২০-২১, ২০২১-২২ চনত যি ধনৰ আৱণ্টন দিয়া হৈছিল সেই বৰ্ষবোৰত খৰচ কৰিব নোৱাৰা ধন ২০২৩-২৪ বৰ্ষত খৰচ কৰিছে। অৰ্থাৎ ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষত পি এম জে ভি কেৰ কোনো ধন অসমত খৰচ কৰা হোৱা নাই আৰু কোনো এখন আঁচনিৰ আৱণ্টন দিব পৰা নাই। যোৱা বিধান সভাত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল

যে উপায়ুক্তসকলে, বিষয়া-কৰ্মচাৰীসকলে কাম নকৰে। তাৰ বাবে তেখেতে নিৰ্দ্দেশ দিছে যে বিধায়কসকলক লৈ প্ৰত্যেকখন জিলাত পি এম জে ভি কেৰ আঁচনিৰ ওপৰত আলোচনা হ'ব। কিন্তু আজিৰ তাৰিখলৈ কোনো আঁলোচনা নহ'ল আৰু বিভাগৰ ফালৰ পৰা কোনোধৰণৰ নিৰ্দ্দেশ নগ'ল। সেইকাৰণে সংখ্যালঘুসকলৰ উন্নয়ণৰ বাবে এই চৰকাৰখন serious নহয়। সংখ্যালঘুসকলৰ উন্নয়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কেনেকৈ ধন আনিব লাগে সেই ক্ষেত্ৰত এই চৰকাৰখনে কোনোধৰণৰ কাম নকৰে। গতিকে আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিম যে আপোনালোকে ইমানদিনে যি কৰিলে, সেইয়া কৰিলে। কিন্তু বৰ্তমান আহি থকা দিনত সংখ্যালঘুসকলৰ উন্নয়ণৰ বাবে কাম কৰিব নে নাই সেই কথা স্পষ্টভাৱে সদনত জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, মই অলপ আগতে এটা উদাহৰণ দিছো সংখ্যালঘু অধ্যুষিত অঞ্চলত ৩০ ৰ পৰা ৩৫ কোটি টকাৰ মডেল স্কুল একোখনকৈ বনাই আছে। গতিকে এই পইচাবিলাক খৰচ কৰোতে অলপ সময় লাগিছে। কাৰণ আমি কৰা নাই। লোক নিৰ্মাণ বিভাগ তথা ঠিকাদাৰ সকলে কাম কৰিছে।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লোক নিৰ্মাণ বিভাগে হাজাৰ হাজাৰ কোটি টকাৰ কাম কৰি আছে। অথচ ৩০ ৰ পৰা ৩৫ কোটি টকাৰ কাম কৰিব নোৱাৰে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩০ কোটি টকাৰ কাম কৰিব নোৱাৰাৰ কথাটো নাহে। সমস্যাটো হৈছে যে বিভিন্ন ক্ষেত্ৰত আমাৰ মাটিৰ ক্ষেত্ৰত সমস্যা হৈছিল। সেয়েহে যেতিয়া মাটি দিব পৰা নাছিল, তাৰ বাবে কিছু কাম দেৰীকৈ আৰম্ভ হৈছে। চিৰাংৰ মাননীয় সদস্য ইয়াত আছে। মই নিজে ব্যক্তিগতভাৱে তেখেতক কৈছো আৰু হাইলাকান্দিৰ উপায়ুক্ত ডাঙৰীয়াকো কৈছো। ........Interruption........

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ পূৰণা কথা, পূৰণা কেছেট বজাই আছে। ........Interruption........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে লোক নিৰ্মাণ বিভাগৰ ওপৰত অনাস্থা আনিছে। যি সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে লোক নিৰ্মাণ বিভাগটো লৈ আছে, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে লোক নিৰ্মাণ বিভাগে কাম কৰিব পৰা নাই। আমাৰ চৰকাৰৰ প্ৰশংসাত কোৱা হৈছে হাজাৰ হাজাৰ দলং, হাজাৰ হাজাৰ ৰাস্তা আৰু কোটি কোটি টকাৰ কাম কৰি আছে, সেইখিনি সময়ত ৩৫ কোটি টকা লোক নিৰ্মাণ বিভাগে কিয় সময় মতে ৰূপায়ণ কৰিব পৰা নাই। এইটো এটা বিচাৰ্য্য বিষয় আৰু ইয়াৰ ওপৰত এটা সদন কমিটিৰ যোগেদি তদন্তৰ নিৰ্দ্দেশ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলপতি ডাঙৰীয়াই যিটো কথা কৈছে যে লোক নিৰ্মাণ বিভাগে কাম

কৰিব নোৱাৰা বুলি মই কোৱা নাই। মই কৈছো যে লোক নিৰ্মাণ বিভাগক দিছে আৰু লোক নিৰ্মাণ বিভাগে ঠিকাদৰক কাম কৰিবলৈ দিছে। কিন্তু ঠিকাদাৰে কাম কৰিব পৰা নাই, কাৰণ মাটিৰ অসুবিধা হৈছে। কৰোবাত মাটি পোৱা নাই কাৰণে কাম কৰিব পৰা নাই। মই ঠিকাদাৰৰ কথা কৈছো। লোক নিৰ্মাণ বিভাগৰ কথা কোৱা নাই। ........Interruption........

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইখিনি এতিয়াৰ কাম নহয়। এইখিনি ৬-৭ বছৰৰ আগৰ কাম। যেতিয়া নজৰুল ইছলাম ডাঙৰীয়া মন্ত্ৰী আছিল। সেইখিনি সময়ৰে কাম। সেইকাৰণে আপুনি অনুগ্ৰহ কৰি এটা তদন্তৰ নিৰ্দ্দেশ দিয়ক।

**শ্ৰী ৰফিকুল ইছলাম,(জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে এটা তদন্ত হ'ব লাগে। বহুত পইচা এতিয়াও বিভাগত পৰি আছে। যিখিনি কাম কৰিছে, building complete হৈছে, এতিয়াও বেলেগ বিভাগত দিয়া নাই। মোৰ তাত ৩০ কোটি টকাৰ building complete হৈ গ'ল। কিন্তু এতিয়ালৈ শিক্ষা বিভাগক দিয়া হোৱা নাই। কিছুমান incomplete কাম আছে। আপোনাৰ ইয়াৰ পৰা তদাৰক কৰা নহয়। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এটা তদন্ত দিব লাগে ...interruptions...

**মাননীয় অধ্যক্ষঃ** হ'ব। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া আমি সকলো ক্ষেত্ৰতে ৰাজনীতি কৰাটো ঠিক নহয়। আমাৰ মাননীয় বিৰোধী দলপতিয়ে ক'লে যে এইবিলাক নজৰুল ইছলাম ডাঙৰীয়া থাকোতে হৈছিল। নজৰুল ইছলাম ডাঙৰীয়া থকা অৱস্থাত সেইবিলাক কি আঁচনি আছিল? ক'ৰবাত ক্লাছৰুম এটা, ক'ৰবাত কিবা, এনেদৰে সৰু সৰু আঁচনি আছিল। কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত আমি একোখন স্কুলত ৩৫ কোটি টকালৈকে দিছো। আমাৰ মাননীয় সদস্যসকলে উদ্বেগ প্ৰকাশ কৰিছে যে এই বছৰৰ কাৰণে আমি কি কৰিম। বৰ্তমানৰ বছৰৰ বাবে আমি ১০ খন মডেল কলেজ ভাৰত চৰকাৰক দিছো। তাৰোপৰি, ১৭ খন Model Residential School নতুনকৈ দিয়া হৈছে। এইবাৰ শিক্ষাত আমি অলপ বেছি গুৰুত্ব প্ৰদান কৰিছো ....interruptions......মই আপোনাৰ উত্তৰটো দি আছো....interruptions....অধ্যক্ষ ডাঙৰীয়া আমাৰ মাননীয় সদস্যগৰাকীয়ে কৈছে যে তেখেতৰ জনিয়াত যিখন স্কুল আছে, সেইখন সম্পূৰ্ণ হৈছে। আনহাতে, মুঠ ৯ খন স্কুল সম্পূৰ্ণ হৈছে। এই ৯ খন স্কুল ল'বলৈ আমি শিক্ষা বিভাগক অনুৰোধ কৰিছো আৰু তাৰ বাবে তেওঁলোকক পত্ৰ দিয়া হৈছে। গতিকে, শিক্ষা বিভাগেও এই ৯ খন স্কুল ল'ব, তাত Principal, Teacher, students আদিৰ ব্যৱস্থা হ'ব ....interruptions....

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** ৬-৭ বছৰ ধৰি আধৰুৱা হৈ আছে ...interruptions....

**মাননীয় অধ্যক্ষঃ** হ'ব। মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে। কোন কেইখন হোৱা নাই, specific দি দিব। মন্ত্ৰী ডাঙৰীয়া, আপুনি এইটো তদন্ত কৰিব যে কোন কেইখন হ'বলৈ বাকী আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ)** ঃ অধ্যক্ষ ডাঙৰীয়া, ইয়াত যি কেইখন স্কুল আছে, সেই সম্পৰ্কত আমাৰ মাননীয় সদস্যসকলে জানে.....interruptions.... এক মিনিট......interruptions.....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** তেখেতে যিখিনি কথা কৈছে, তাৰ ৰিজাল্ট ওলোৱা নাই । আমাক ৰিজাল্ট লাগে.....interruptions.....

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ)** ঃ ৰিজাল্ট

লাগে হয় .......interruptions....... আমি দিল্লীত পঠিয়াইছো ..... ...interruptions.....

**মাননীয় অধ্যক্ষঃ** আপোনালোকে কোৱাৰ পিছত তেখেতে তত্বাৱধান কৰিব। সকলোৱে কৈ থাকিলে মন্ত্ৰীয়ে কেনেকৈ উত্তৰ দিব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ এখন স্কুল সম্পূৰ্ণ হৈছে বিশ্বনাথ চাৰিআলিত, এখন বৰচলাত, এখন বেজেৰাত, এখন জনিয়াত, এখন বৰক্ষেত্ৰীত, এখন কলগাছিয়াত........interruptions.....

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)ঃ** মন্ত্ৰী ডাঙৰীয়াই এবাৰ কৈ দিয়ক সেই আঁচনিসমূহ কিমান বছৰ আগৰ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, (মন্ত্ৰী, সংখ্যালঘু কল্যাণ ও উন্নয়ণ ইত্যাদি বিভাগ) ঃ** এইবিলাক তিনি বছৰ আগৰ। আপোনালোকে কংগ্ৰেছৰ গুণ গান গাই লাভ নাই ইয়াত। বেছিকৈ ক'লে মই কংগ্ৰেছৰ কথা ক'ব লাগিব ..........interruptions.....

( সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষঃ** Question No.161 is already over. Now, Question No. 162. Hon'ble Member Shri Hitendra Nath Goswami.

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা, ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ( যোৰহাট)ঃ** অধ্যক্ষ ডাঙৰীয়া, প্ৰশ্নৰ (ক) অংশৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে নিয়মীয়া শিল্পী সন্মান আৰু বাৰ্ষিক শিল্পী সন্মান মানে কি বুজাব বিচাৰিছে? দ্বিতীয়তে, প্ৰশ্ন (ঘ) ৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই স্পষ্টকৈ কৈছে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ঢোলৰ যাদুকৰ, গণশিল্পী, মঘাই ওজা বঁটা এই পৰ্যন্ত প্ৰৱৰ্তন কৰা হোৱা নাই। আজি যিহেতু বিভাগীয় মন্ত্ৰী নাই, সেইকাৰণে এই ক্ষেত্ৰত মই সংসদীয় পৰিক্ৰমা মন্ত্ৰীকে কৈছো যে ২০০৭ চনৰ ২ জানুৱাৰী, ২০১৫ চনৰ ১৭ মাৰ্চ তাৰিখে অসমৰ বাতৰি কাকতত প্ৰকাশ হোৱা বাতৰি এটাৰ প্ৰতি মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ২০০৭ চনৰ ২ জানুৱাৰীত অসমীয়া প্ৰতিদিন কাকতত-' সৰুপায় ওজাক মঘাই ওজা বঁটা- নৱবৰ্ষৰ আৰম্ভণিৰ দিনটোতে মঘাই ওজা শিল্পী বঁটাৰে সন্মানিত হ'ল যোৰহাট জিলাৰ তিতাবৰৰ ৰেলেঙী গাঁৱৰ নীৰৱ শিল্পী সৰুপায় ওজা। দ্বিতীয়বাৰৰ বাবে প্ৰদান কৰা এই বঁটাত আছে এখন মানপত্ৰ আৰু নগদ ৫০ হাজাৰ টকা' শীৰ্ষক বাতৰি প্ৰকাশিত কৰে। অসমীয়া খবৰ কাকতেও ঠিক একেই বাতৰি দিলে যে- বিশিষ্ট শিল্পী তথা ঢোলৰ ওজা হিচাপে খ্যাত সৰুপায় ওজাক ৰাজ্য চৰকাৰে মঘাই ওজা সোঁৱৰণী শিল্পী বঁটা প্ৰদান কৰে। দৈনিক অসম কাকতত প্ৰকাশ পায় যে সৰুপায় ওজাক মঘাই বঁটা প্ৰদান আৰু আসাম ট্ৰিবিউনেও একেটা তাৰিখত একে বাতৰিকে প্ৰকাশ কৰিছে। কিন্তু, মঘাই ওজা বঁটা প্ৰদান কৰা নাই বুলি মই (ঘ) ৰ উত্তৰত পাইছো। ইয়ৰোপৰি মই আপোনালোকক আকৌ জনাব বিচাৰিছো যে ২০১৫ চনতো এই বঁটাটো repeat হৈছিল। হাজৰিকা ডাঙৰীয়া নিজেও আছিল। তেতিয়া অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশ পাইছিল যে যোৰহাটত মঘাই ওজাৰ প্ৰতিমূৰ্তি উন্মোচন কৰি বৰেণ্য ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা জনাই মুখ্যমন্ত্ৰী গৰাকীয়ে সমাগত ২০১৬ চনৰ মাৰ্চত শতবৰ্ষ পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত বৰ্ষজোৰা কাৰ্য্যসূচীৰে শতবৰ্ষ উদ্‌যাপন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁৰ স্মৃতি ৰক্ষাত অহা দুমাহৰ ভিতৰত পুনৰ মঘাই ওজা বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰে। একেটা কথা মই জনমভূমি কাকততো পাইছো যে প্ৰসংগক্ৰমে গণশিল্পী নামত অসম চৰকাৰে ইতিমধ্যে

প্ৰদান কৰা আৰু বৰ্তমানে বন্ধ হৈ থকা মঘাই ওজা বঁটা এই বছৰৰ পৰা পুনৰ প্ৰচলন কৰাৰ ব্যৱস্থা কৰিব। এতিয়া (ঘ)ৰ উত্তৰটো শুদ্ধ নে অশুদ্ধ মই ধৰিব পৰা নাই। দুটা বাতৰিৰ কথা মই ইতিমধ্যে ক'লো আৰু আমাৰ প্ৰাক্তন সাংস্কৃতিক মন্ত্ৰী বিস্মিতা গগৈয়ে কিবা প্ৰসংগত কালি মোক এই কথাটো কৈছিল । সেইকাৰণে কথাটো আচলতে কি মই স্পষ্টকৈ জানিব পাৰিলে ভাল হয়।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ হাতত থকা তথ্য অনুসৰি এই বঁটাটো কোনোবা এটা সংস্থাই প্ৰদান কৰিছিল। মোক বিভাগৰ পৰা জনোৱা মতে এই বঁটাটো অসম চৰকাৰৰ বঁটা নাছিল। আপুনি বাতৰিটো আৰু অলপ ভালকৈ যদি পঢ়িলে হয়। আমাৰ চৰকাৰী ৰেকৰ্ডত এই বঁটাটো অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ পৰা দিয়াৰ কোনো উল্লেখ নাই। এনেকুৱা হয়তো হ'ব পাৰে যে কোনোবা এটা সংস্থাই বঁটা দিছিল আৰু তাৰ্লৈ মুখ্যমন্ত্ৰী মহোদয়ক মাতিছিল। সেইটো বিচাৰ্যৰ বিষয়, সেইটো চিন্তা কৰি চাব লাগিব। আমাৰ চৰকাৰে দিয়া বঁটাখিনিৰ নাম আমি তেখেতৰ প্ৰশ্নৰ উত্তৰত দিছো। যেনে- ৰাষ্ট্ৰীয় পৰ্যায়ত দিয়া বঁটাসমূহ ক্ৰমে শ্ৰীমন্ত শংকৰদেৱ বঁটা, মাধৱদেৱ বঁটা, ছ্যু-কা-ফা বঁটা আৰু বীৰ চিলাৰায় বঁটা প্ৰতি তিনি বছৰৰ মূৰে মূৰে, আজান পীৰ বঁটা, ফকৰুদ্দিন আলী আহমেদ স্মাৰক বঁটা, কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বঁটা গোপীনাথ বৰদলৈ বঁটা, কালীচৰণ ব্ৰহ্ম বঁটা প্ৰতি দুবছৰৰ মূৰে মূৰে দি আছো। তাৰ পিছত প্ৰতি বছৰে ৰাজ্যিক পৰ্যায়ত দিয়া বঁটা ক্ৰমে শিল্পী বঁটা, বিষ্ণুৰাভা বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি বছৰে, নটসূৰ্য্য ফণী শৰ্মাবঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি বছৰে, সাহিত্যাচাৰ্য্য অতুল চন্দ্ৰ হাজৰিকা বঁটা ৰাজ্যিক পৰ্য্যায়ত তিনি বছৰৰ মূৰত ড° ভৱেন্দ্ৰ নাথ শইকীয়া বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰত, বীৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, অমল প্ৰভা দাস বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, চন্দ্ৰ প্ৰভা শইকীয়ানী বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, গণেশ চন্দ্ৰ গগৈ বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰত, মামনি ৰয়চম গোস্বামী বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, চৈয়দ আব্দুল মালিক বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰত, সতী সাধিনী বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰত, আহমদ আলী বাচকান্দি বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনিবছৰে, শোণিতকোঁৱৰ গজেন্দ্ৰ বৰুৱা বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি দুবছৰত, শিল্পী সৈনিক ব্ৰজনাথ শৰ্মা বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনিবছৰে, গীতি কবি পাৰ্ৱতী প্ৰসাদ বৰুৱা বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, বীৰ ৰাঘব মৰাণ বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, বিজু ফুকন বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি দুবছৰত, সতী ৰাধিকা বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি তিনি বছৰে, ভীমবৰ দেউৰী বঁটা ৰাজ্যিক পৰ্য্যায়ত প্ৰতি দুবছৰত এনেদৰে মুঠৰ ওপৰত ৩০ টা বঁটা অসম চৰকাৰৰ Cultural Department এ বিভিন্ন শ্ৰদ্ধেয় ব্যক্তি সকলৰ মাজত প্ৰদান কৰি আহিছো। গতিকে মই পুনৰবাৰ কৈছো যে আমাৰ বিভাগৰ হাতত তথ্য নাই মঘাই ওঝা বঁটা দিয়া। মাননীয় সদস্য গৰাকী খুব সন্মানীয়, তেখেত এগৰাকী খুব গুৰুত্বপূৰ্ণ ব্যক্তিৰ কথা ইয়াত উপস্থাপন কৰিছে। মই বিভাগক এই বিষয়টো বিবেচনা কৰিবলৈ অনুৰোধ জনাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এক মিনিট সময় বিচাৰিছো। সদনৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে মানুহজনৰ ১০০ বছৰ হৈ গ'ল। বহুতে তেখেতৰ বিষয়ে নাজানে। গণশিল্পী মঘাই ওঝাই ঢোল বাদ্যক সমাজ পৰিৱৰ্তনৰ এক হাতিয়াৰ হিচাপে ব্যৱহাৰ কৰি সমাজত চলা শোষণ, নিষ্পেষণ, অন্যায় অবিচাৰৰ বিৰুদ্ধে সৰল চহা ভাষাত ঢোলৰ যাদুৰে

গণচেতনা প্ৰাণৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছিল। এনে এজন শিল্পীৰ নামত পূৰ্বে প্ৰৱৰ্তিত বঁটাটো, যিহেতু মই কাগজখিনি আপোনাক দিম, মুখ্যমন্ত্ৰী ডাঙৰীয়াই দিবলৈ দিছে কাৰণে মই দিম, আমাৰ চৰকাৰৰ তৎকালীনভাৱে মঘাই ওঝাৰ স্মৃতি দিৱসত পুনৰ প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত মই দৃঢ় ভূমিকা গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিম। অহা ১৫ মাৰ্চত তেখেতৰ বাৰ্ষিকী হয়। লগতে মই লোকশিল্পী মঘাই ওঝাই অসমৰ সাতাম পুৰুষীয়া লোক বাদ্য ঢোলৰ যাদুকৰ ৰূপে অসমতে নহয়, সমগ্ৰ ভাৰতবৰ্ষত খ্যাতি অৰ্জন কৰিছিল। ১৯৫৫ চনৰ পৰা ১৯৫৮ চনৰ সময়ছোৱা আছিল ঢোল শিল্পৰ স্বৰ্ণযুগ। ঢোল লোকবাদ্যৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱাৰ সময়ত মঘাই ওঝাই সঙ্গ লাভ কৰিছিল কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, হেমাঙ্গ বিশ্বাসৰ দৰে মহান শিল্পী সকলৰ। আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত ঢোল শিল্প প্ৰদৰ্শনৰ বাবে তেওঁ নিমন্ত্ৰিত হৈছিল, কিন্তু পাৰপত্ৰ নোপোৱাৰ বাবে তেওঁ যাব নোৱাৰিলে। মই সেইটো কাৰণে মন্ত্ৰী ডাঙৰীয়াক এইটোৱে ক'ব বিচাৰিছো যে এনে এজন ব্যক্তিৰ যিহেতু মই এসময়ত দিয়াৰ কথাটো দেখিলো, কালিও পেপাৰখিনি চালো, গতিকে যিয়ে নহওক আজি ঢোল অসমৰ মূল বস্তু, আমাৰ বিহু সংস্কৃতিৰ মূল আৰু তেৰেঁই সেই ঢোলৰ যাদুকৰ হৈছিল সেই সময়ত। সেইকাৰণে মই বিচাৰিছো যে অসম চৰকাৰে এই কথাটো consider কৰিব লাগে আৰু দিলে মই সুখী হ'ম। ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** সন্মানীয় সদস্য গৰাকীয়ে আৰু এটা প্ৰশ্ন শুধিছিল শিল্পী পেঞ্চনৰ ওপৰত। মই এইটো আপোনালোকক জনাব বিচাৰিছো -অসম চৰকাৰৰ সাংস্কৃতিক পৰিকল্পনা বিভাগে Assam Award of Pension to Artist and special pension to their families, Rules 1987 ৰ ভিত্তিত প্ৰতি বছৰে অসমৰ কলা সংস্কৃতিৰ জগতলৈ অতুলনীয় অৱদান আগবঢ়োৱা ব্যক্তি সকলক প্ৰতি বছৰে ১৭ জানুৱাৰী তাৰিখে ----interruption-----

**মাননীয় অধ্যক্ষ ঃ** হ'ব। মঘাই ওঝাৰ কথাটো কওক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই আকৌ কৈছো মাননীয় সদস্য গৰাকীয়ে যিটো বিষয় আনিছে মঘাই ওঝাৰ বিষয়ে সেইটো যথেষ্ট গুৰুত্বপূৰ্ণ। আমি বিবেচনা কৰিম। মই আকৌ কৈছো এই মূহুৰ্তত চৰকাৰীভাৱে বঁটা দিয়াৰ তথ্য আমাৰ হাতত নাই। কিন্তু নিশ্চয়কৈ আমি গুৰুত্ব সহকাৰে বিবেচনা কৰিম বুলি মই সদনক আশ্বস্ত কৰিছো।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ ফালৰ পৰা শিল্পী সকলক পেঞ্চন দিয়া হৈছে। কিন্তু যেতিয়া পেঞ্চন দিয়া শিল্পী সকলৰ তালিকা ঘোষণা কৰা হয়, তেতিয়া দেখা যায়,সময়ে সময়ে বিতৰ্ক হয়। সমালোচনাও হয়। উপযুক্তসকলে বাচনি নাপায়। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিম যে শিল্পী সকলক যেতিয়া পেঞ্চন দিয়া হয়, তেতিয়া বাচনি কেনেকৈ কৰে? যিমান শিল্পী সকলক বিগত সময়ত পেঞ্চন দিয়া হৈছে তাতকৈ সেই সংখ্যা আৰু অধিক কৰিব নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, যোৱা তিনিটা বছৰত যিসকল শিল্পীয়ে বঁটা পাইছে সেই শিল্পী সকলৰ ওপৰত কোনো ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ আজিলৈকে কোনো সক্ষম হোৱা নাই। মই ঠিক তেনেদৰে Sports pension ৰ কথা কওঁ যোৱা তিনি বছৰে যিসকলে Sports pension পাইছে, এতিয়া কোনো Sports organizer য়ে পইচা নাপায়। মই যিহেতু পৰোক্ষভাৱে Sports ৰ লগত জড়িত, গতিকে মই খবৰ ৰাখো, মই অসম

অলিম্পিকৰ vice president. ------interruption-----

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে বেলেগ কথা কৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া, এইটো আপোনাৰ প্ৰশ্ন নহয়। Don't behave like that. Sit down.

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া,জাকিৰ হুছেইন ডাঙৰীয়াই প্ৰশ্ন আনিছে আৰু মই তাৰ উত্তৰ দি আছো, তেখেতৰ গাত কি লাগিল?

**মাননীয় অধ্যক্ষ ঃ** Please no argument.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Pension দিয়া শিল্পীৰ সংখ্যা বঢ়াব লাগে। আৰু কেনেকৈ বাচনি হয় সেইটোৰে লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এইটোৰে কৈছো যে আজিৰ পৰা ৩০ বছৰ আগতে National Games খেলা player য়ে কোনো বঁটা পোৱা নাছিল , কোনো পেঞ্চন পোৱা নাছিল। এইখন চৰকাৰে দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে যোৱা তিনি বছৰত কোনো ধৰণৰ খেলিমেলি হোৱা নাই বুলি মই এই সদনক আশ্বস্ত কৰিছো আৰু পেঞ্চন দিয়া শিল্পীৰ সংখ্যা ভৱিষ্যতে বঢ়োৱাৰ কথা চেষ্টা কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী আমিনুল ইছলাম, জ্যেষ্ঠ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় নাই, এতিয়া মোৰ প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে নতুনকৈ প্ৰাদেশীকিৰণ কৰা বিদ্যালয় সমূহৰ ভিতৰত ১৫ খন জিলাত ৩৭ খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে শিক্ষক হোৱা নাই। কিন্তু মই ভাৱো এইটো সংখ্যাটো সঠিক নহয়। কাৰণ মই এখন ব্লকতে দেখুৱাব পাৰিম যে এখন ব্লকতেই কমন হিচাপে upper primary school ত সকলোতে ৩ জনকৈ শিক্ষক লোৱা হৈছে, কিন্তু ক'ৰবাত ১৫০, ১৮০ বা ২০০ ৰ ওপৰত ছাত্ৰ-ছাত্ৰী আছে। অসমত মোৰ বোধৰে এইটো কেইবাশ হ'ব বা হাজাৰৰ ওপৰত হ'ব। ইয়াত মাত্ৰ ৩৭ খন বিদ্যালয় বুলি দেখুৱাইছে। মই কৈছো বাদ পৰি থকা বিদ্যালয়সমূহৰ বাকী শিক্ষকসকলক কেতিয়া প্ৰাদেশীকিকৰণ কৰা হ'ব? ইয়াত কোৱা কৈছে যে বাদ পৰি থকা নাই। চৰকাৰে কৈছে ছাত্ৰ সংখ্যা অনুপাতে ৩৭ খন বিদ্যালয়ত শিক্ষক দিয়া নাই। তাৰমানে বাকীখিনি বাদ পৰি আছে। আকৌ তলত লিখিছে যে বাদ পৰি থকা নাই। চৰকাৰে এইবিলাক কি পৰস্পৰ বিৰোধী উত্তৰ দি আছে। বাকী শিক্ষক সকলক যে ল'ব বিচৰা নাই, এই কথাটো মোক বুজাই দিব লাগে। সেইকাৰণে হয়তো আজি অহা নাই। যিহেতু তেখেতে বেবেৰিবাং উত্তৰ দিছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো তেখেতে বুজাত ভুল কৰিছে। বাদ পৰি আছে মানে আমাৰ এতিয়াও শিক্ষক কৰবাত কৰবাত কম আছে। Rationalisation হওক বা নতুনকৈ নিযুক্তি দি হওক শিক্ষকৰ নিযুক্তি দিয়া হৈছে। কিন্তু প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াটো এতিয়া আৰু নাই। মই clearly ক'ব খুজিছো, আৰু প্ৰশ্ন আছে, ২০১৭ চনত last আমাৰ Provincilization Act খন গৃহীত হৈছিল আৰু গোটেই প্ৰক্ৰিয়াটো ২০২১ চনত সম্পূৰ্ণ হৈছিল। গতিকে প্ৰাদেশীকৰণ প্ৰক্ৰিয়া আৰু কতো বাকী নাই। কিন্তু মই এইটো অস্বীকাৰ নকৰো যে ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ সংখ্যা এতিয়াও কম। তাৰকাৰণে আমি নিম্ন প্ৰাথমিকত ৩,৮০০, উচ্চ মাধ্যমিকত ১৭৫০ মুঠ ৫৫৫০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। একেধৰণে মাধ্যমিক

পৰ্য্যায়ত মুঠ ৮,৯৮০ টা শিক্ষকৰ পদৰ বিজ্ঞাপন দিয়া হৈছে। ইয়াৰে ৭,৪৫৪ টা graduate teacher আৰু ১৫২৬ টা post graduate teacher. গতিকে খালী থকাৰ কথাটো আমি অস্বীকাৰ নকৰো। কিন্তু প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াৰে আৰু পূৰণ নহয়। আমাৰ যি চাকৰি দিয়াৰ নতুন প্ৰক্ৰিয়া যে তেওঁলোকৰ qualification, merit এইবিলাক চাই মুঠৰ ওপৰত প্ৰায় নিম্ন প্ৰাথমিকত ৩,৮০০, উচ্চ মাধ্যমিকত ১৭৫০ মুঠ ৫৫৫০ টা পদৰ নিযুক্তি প্ৰক্ৰিয়া চলি আছে। একেধৰণে মাধ্যমিক পৰ্য্যায়ত মুঠ ৮,৯৮০ টা শিক্ষকৰ পদৰ বিজ্ঞাপন দিয়া হৈছে। এই নিযুক্তিসমূহ যেতিয়া হ'ব এই স্কুল সমূহৰ খালী থকা পদসমূহ পূৰণ কৰা হ'ব। গতিকে মই আকৌ কৈছো, প্ৰাদেশীকৃত প্ৰক্ৰিয়াৰে নহয়, নতুন নিযুক্তিৰ প্ৰক্ৰিয়াৰে এই খালী হৈ থকা পদসমূহ পূৰণ কৰা হ'ব। অধ্যক্ষ ডাঙৰীয়া, আৰু এটা কথা কৈ থওঁ আমাৰ কিছু কিছু সমস্যা আছে, কিছু কিছু সমস্যা মানে এতিয়া আমি ৰোষ্টাৰ মেইন্টেইন কৰিব লাগে, আমাৰ ৩ হাজাৰ পদ এচ টি হিল্চৰ কাৰণে খালী আছে। তাত আমি আবেদনকাৰী নাপাওঁ। গতিকে সেইখিনি আকৌ বেলেগক দি দিবও নোৱাৰো। কাৰণ আমাৰ যিটো সংবিধানৰ নিয়ম যে এচ টি হিল্চক দিব লাগিব এচ টি প্লেইন্চক দিব লাগিব, চিডিউল কাষ্টক দিব লাগিব ও বি চি ক দিব লাগিব। গতিকে এচ টি হিল্চৰ ৩ হাজাৰ পদ আমি পূৰণ কৰিব পৰা নাই, তাৰ কাৰণে আমাৰ হয়তো বহু দিনলৈকে অসমত এই শিক্ষকৰ সংখ্যা কমি থাকিব। গতিকে তাৰ কাৰণে আমি কাম কৰিবলৈ চেষ্টা চলাই আছো।

**শ্ৰীআমিনুল ইছলাম (ধিং, জ্যেষ্ঠ) ঃ** অধ্যক্ষ মহোদয়, ইয়াত কিন্তু এটা কথা আমি দেখিছো যে বহুত বিদ্যালয়ত যি খিনি বিষয় সকলোৰে পঢ়াব নোৱাৰে যেনেকৈ বিজ্ঞান, হিন্দী, আৰবীক এই পদ বোৰো লোৱা হোৱা নাই। এইটো বাকী শিক্ষকে নোৱাৰে। গতিকে সেই বিষয় কেইটাৰ পাঠদানে হৈ থকা নাই। দ্বিতীয়তে, তাত যি সকলক টিউটৰ কৰা হ'ল, টিউটৰ যি সকলৰ ৫০ শতাংশ মাৰ্ক্চ আছিল বা প্ৰফেচনেল Qualification সম্পূৰ্ণ হ'ল তেওঁলোকক ২ বছৰ ধৰি ভেৰিফিকেচনৰ নামত ঘুৰাই আছে আজিলৈকে টিউটৰক ৰেগুলাৰ কৰা হোৱা নাই। ৰাইজৰ দাবী হ'ল যে তেওঁলোকক টিউটৰৰ পৰা যদি শিক্ষক কৰিলে হয় যি সকল qualified তেনেহলে তেওঁলোকে responsibility লৈ পঢ়াব পাৰিলেহেতেন। আৰু অলপমান আসোঁৱাহ আছে।

**माननীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰীআমিনুল ইছলাম (, ধিং, জ্যেষ্ঠ) ঃ** সেই আসোঁৱাহ খিনি দূৰ কৰিবলৈ এই amendment act. 2017 এই এক্ট খন এমেণ্ডমেন্ট কৰাৰ কাৰণে, চৰকাৰে আগত কৈছিল যে আমি এমেণ্ডমেন্ট কৰি সেই খন কৰি লম।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্নটো কৰক।

**শ্ৰীআমিনুল ইছলাম (ধিং, জ্যেষ্ঠ) ঃ** এমেণ্ডমেন্টটো চৰকাৰে কৰিব লাগে বুলি আমাৰ দাবী, এইটোৱে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমাৰ যিখন provincialisation Act আছিল তাত কোৱা হৈছিল যে ১০ বছৰ কমেও চাকৰি কৰিব লাগিব এখন স্কুলত আৰু তেওঁলোকৰ Qualification থাকিব লাগিব। কিন্তু কিছু কিছু ক্ষেত্ৰত দেখা গ'ল যে কিছু ব্যক্তিৰ যি খিনি Qualification থাকি ব লাগে সেই Qualification নাই। কিন্তু unsympathetic ground সেই সকলকো আমি টিউটৰ হিচাপে নিযুক্তি দিলো আৰু আমি কলো যে আপোনালোকে পৰৱৰ্তী সময়ত কোনোবাই বি এড লৈ আহক ডি এল এড লৈ আহক আৰু যি যি ডিগ্ৰী লৈ আহে সেই ডিগ্ৰী খিনি লৈ আহক আপোনালোকক টিউটৰৰ পৰা শিক্ষকলৈকে উন্নীতকৰণ কৰা হ'ব।

সেই প্ৰক্ৰিয়াৰে চলি আছে। এখেতে যিটো কৈছে দুবছৰ সেইটো চলি থকা নাই সেইটো মিছা, আমাৰ হাতত যি তথ্য আছে যি সকলে তেওঁলোকৰ Qualification উন্নীতকৰণ কৰিছে আৰু আহি বিভাগক কৈছে চৰকাৰক কৈছে যে মই ডি এল এড ললো, মই বি এড ললো গতিকে মোক টিউটৰৰ পৰা শিক্ষকলৈ উন্নীতকৰণ কৰিব লাগে। আমি পৰ্য্যায়ক্ৰমে অধ্যক্ষ ডাঙৰীয়া, কৰি আছো।

**মাননীয় অধ্যক্ষ** ঃ ইয়াৰ পিছত ড° ৰফিকুল ইছলাম ডাঙৰীয়া।

**ড° ৰফিকুল ইছলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰ দিছে কিন্তু ২০১৩ চনত যি স্কুল সমূহ প্ৰাদেশীকৃত কৰিলো ১-১-২০০৬ condition দি ১-১-২০০৬ ৰ আগত যেতিয়া বিদ্যালয় সমূহ প্ৰতিষ্ঠা কৰে তেতিয়া চৰকাৰৰ ফালৰ পৰা recognition দিয়া concurrence দিয়া হয় পাৰ্মিচন দিয়া হয়, এই নিয়ম অনুযায়ী তাত শিক্ষক নিযুক্তি হৈছিল। কিন্তু পিছত ২০১৩ চনত সেই বিদ্যালয় সমূহ মোটামুটি ঠিক ঠাক লৈছে, কিন্তু ২০১৭ ৰ যিটো Provicialization Act হয় ২০১৩ ৰ এক্ট মতে নহয়। সেই শিক্ষক সকল যি সকল department ৰ সকলো নিৰ্দেশনা মানি তেখেত সকলে appointed হৈ বহুত দিন কাম কৰি আছিল এক পক্ষীয়ভাৱে সেই সকলৰ বহুত শিক্ষকক বাদ পেলোৱা হ'ল। L.P, M.E, High school, Higher Secondary কলেজলৈকে বহুত শিক্ষকৰ পদ বাদ পৰিল sectional teacher হওক issue dateৰ কাৰণে হওঁক হিন্দী আৰবী সংস্কৃত শিক্ষকে হওঁক, additional teacher য়ে হওঁক, concurrence ৰ কিছুমান বাহানা দোহাই দি এনেকুৱা বহুত শিক্ষকৰ পদ বাদ পৰিল। কিন্তু 2013 ত যি Provincialization Act কৰিলে সেই অনুপাতেও যদি ২০১৭-১৮ ৰ এক্টটো হ'ল হেতেন হাজাৰ হাজাৰ শিক্ষক সোমাই গ'লহেতেন সেইটো নকৰি এক পক্ষীয়ভাৱে এইটো কৰা হ'ল। গতিকে ইয়াতে যে কৈছে amendment নহ'ব, ইয়াত মন্ত্ৰী ডাঙৰীয়া আছে Parliamentary Affairs Minister, চৰকাৰৰ লগত আপুনি আলোচনা কৰি সেই সকল মানুহৰ লগত injustice কৰা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো কৰক।

**ড° ৰফিকুল ইছলাম** ঃ sympathetical ground নহয়, তেখেত সকলে ২০/২৫ বছৰ কাম কৰিছে, চৰকাৰে আইন বান্ধি দি আইন মতে তেখেত সকলে appointed হৈ ২০ বছৰে নিজৰ পেটত গামোছা বান্ধি তেখেত সকলে কাম কৰিছে। এতিয়া আমি একপক্ষীয়াভাৱে আইন বনাই তেখেত সকলক চাটাই কৰিছো এইটো উচিত হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো কৰক।

**ড° ৰফিকুল ইছলাম** ঃ গতিকে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই সদনৰ পৰা জনাইছো আপোনাৰ যোগেদি এই matterটো seriously চিন্তা কৰি আইন amendment কৰি সেই সকল শিক্ষকে আজিও বিদ্যালয়ত কাম কৰি আছে, সেই বিদ্যালয় সমূহৰ আইন amendment কৰি তেখেত সকলক লব লাগে। আৰু যি সকলে condition fulfill কৰিলে আপুনি কৈছে process চলি আছে হয় সেই সকলক অতি সোনকালে শিক্ষক হিচাপে নিযুক্তি দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী)** ঃ এমেণ্ডমেন্টৰ কথাটো এই মুহূৰ্তত অহা নাই, গতিকে বিবেচনা এই মুহূৰ্তত কৰিব পৰা নাযায়, কিয়নো এইখন বিধান সভাতে এই বিষয়ে আইন আহিছিল আমি সকলোৰে যিখিনি ব্যক্তি তেতিয়াও আছিলো আজিও আছো, আমি জানো যে আমিয়ে এই আইন গ্ৰহণ কৰিছিলো আইন পাছ হৈছিল। গতিকে আইন মতে কামখিনি হৈ আছে, বে-আইনি ভাৱে

একো হোৱা নাই। গতিকে আইন মতে কাম হৈ থকাৰ কাম খিনি কৰাৰ পিছত আমি শিক্ষক নিযুক্তি প্ৰক্ৰিয়াটো আমি বন্ধ কৰা নাই। এই মুহূৰ্ততো প্ৰায় ১৫ হাজাৰ শিক্ষকৰ নিযুক্তিৰ প্ৰক্ৰিয়া চলি আছে। কিন্তু শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰে শিক্ষক য'ত নাই তাত শিক্ষক গৈ থাকিব, কিন্তু যি সকল আইনৰ আওতাত নপৰে তেওঁলোকৰ বাবে বাৰে বাৰে আইনখন সলনি হৈ থাকিব বা এমেণ্ডমেন্ট হৈ থাকিব লাগিব বুলি মই ব্যক্তিগত ভাৱে নাভাৱো। মই অৱশ্যে Education Minister নহয়, মই সংসদীয়া পৰিক্ৰমা মন্ত্ৰী হিচাপে ইয়াত উত্তৰ দি আছো, কিন্তু মই মোৰ ব্যক্তিগত অভিমত প্ৰকাশ কৰিছো যে আমাৰ বিভাগে এতিয়া প্ৰায় ১৫ হাজাৰ চাকৰিৰ কাৰণে application লৈছে appointment ৰ প্ৰক্ৰিয়া চলি আছে, গতিকে য'ত য'ত শিক্ষক নাই তাত শিক্ষক দিয়া হ'ব। গতিকে এই মুহূৰ্তত এমেণ্ডমেন্টৰ প্ৰশ্ন নাই।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। পৰৱৰ্তী প্ৰশ্ন১৬৪। শিবু মিশ্ৰ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীশিবু মিশ্ৰ, (লামডিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি আমাৰ সন্মানীয় শিক্ষা মন্ত্ৰী ইয়াত যদিও নাই, সংসদীয় পৰিক্ৰমা মন্ত্ৰী উপস্থিত আছে, তেখেতৰ দৃষ্টিগোচৰ কৰিব খুজিছো মই মোৰ লামডিং সমষ্টিৰ ৪ খন জি পিৰ অলপ অলপ সীমা লৈ এটা বৃহত্তৰ অঞ্চল পুৰাণ কাকি জি পি, একটংকাকি জি পি, থাইস্কপাৰৰ জি পি আৰু টংগিয়া জি পি ৰ মাজৰ এটা অংশত ২০০৬ ত সৰ্বশিক্ষাৰ যোগেদি EGA Center স্থাপন কৰা হৈছিল। ২০১০ চনত ২৩ খন এই EGA Center বিলাক প্ৰাথমিক বিদ্যালয়লৈ ৰূপান্তৰ হৈছিল। এই ২৩ খন এল পি স্কুল, ওচৰত কোনো এম ই স্কুল, হাইস্কুল নাই, বিশেষকৈ এল পি ৰ পৰা এম ই, আমাৰ পুৰাণ কাকিত এম ই স্কুল আছে এল পিৰ পৰা দুৰত্ব কমেও ৮ ৰ পৰা ১০ কি.মিটাৰ, একটংকাকি আমাৰ সাম্প্ৰোজান এম ই স্কুল আছে, এল পি ৰ পৰা কমেও ৮ ৰ পৰা ১০ কি.মিটাৰ, থাইস্কপাৰৰ যি দেওলাংচু এম ই স্কুল ৮ ৰ পৰা ১০ কি.মিটাৰ, টংগিয়া জি পিৰ ইন্দ্ৰজয়ন্তী এম ই স্কুল কমেও ৮ ৰ পৰা ১০ কি.মিটাৰ দূৰত্ব। এই এল পি ৰ পৰা এম ই লৈ যি দূৰত্ব, সেই দূৰত্ব হোৱাৰ কাৰণে বহুত কণ কণ ছাত্ৰ-ছাত্ৰীয়ে পাঠদানৰ পৰা বঞ্চিত হৈছে তেওঁলোকৰ অভিভাৱকে এম ই স্কুললৈ প্ৰেৰণ নকৰে। কাৰণ এটা বহুত দীঘলীয়া ৰাস্তা অতিক্ৰম কৰিব লাগে যিকোনো মুহূৰ্তত কিবা এটা ঘটি যোৱাৰ সম্ভাৱনা থাকে তাৰ কাৰণে আপোনাৰ যোগেদি আমাৰ সন্মানীয় মন্ত্ৰীক অনুৰোধ থাকিল এই বিষয়টো খুব sensitive বিষয়। ৯০ শতাংশ এচ টি বসবাস কৰা মানুহ, গতিকে মই তাৰ কাৰণে ভাৱো আমাৰ যি এল পি স্কুল আছে মাটিৰ কালি বহুত আছে, তাত যদি কেইখনমান এম ই আৰু হাইস্কুল upgradation কৰা হয় তেনেহলে আমাৰ ৰাইজ বহু খিনি উপকৃত হ'ব। মন্ত্ৰী মহোদয়ে এটা ভাল উত্তৰ দিব বুলি মই আশাৰে অনুভৱ কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে যি কেইটা কথা কৈছে সেইকেইটা গুৰুত্বপূৰ্ণ। আমাৰ বিভাগেও স্বীকাৰ কৰে যে তেখেতৰ সমষ্টিৰ এই কামখিনিত গুৰুত্ব দিব লাগে। সেই গুৰুত্ব সহকাৰে আমি লামডিং সমষ্টিত ৫ খন নিম্ন প্ৰাথমিক বিদ্যালয় উচ্চ প্ৰাথমিক পৰ্য্যায়লৈ উন্নীত বা upgrade কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। এই বিদ্যালয় কেইখন হ'ল মিলনপুৰ প্ৰাথমিক বিদ্যালয়, চাইখিদি প্ৰাথমিক বিদ্যালয়, বৰগাওঁ প্ৰাথমিক বিদ্যালয়, মইনালচং প্ৰাথমিক বিদ্যালয় আৰু কৃষ্ণনগৰ প্ৰাথমিক বিদ্যালয়। এই Lower Primary স্কুল কেইখন আমি Upper Primary স্কুললৈ upgrade কৰিছো। আৰু যদি তেখেতৰ সমষ্টিত কৰিব লগা

আছে নিশ্চয়কৈ আমি গুৰুত্ব সহকাৰে কৰিম বুলি কথা দিছো।

**শ্ৰীশিবু মিশ্ৰ, (লামডিং)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰী মহোদয়ে কোৱা মতে এই ২৩ খন যে এল পি স্কুল ইয়াৰ অন্তৰ্ভূক্ত হৈছে নেকি ?

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আপোনাৰ সমষ্টিৰ খিনিৰ নাম আপোনাৰ মনত থাকিব চাগে। মই নাম কেইটা আকৌ কৈ দিছো মিলনপুৰ প্ৰাথমিক বিদ্যালয়, চাইখিদি প্ৰাথমিক বিদ্যালয়, বৰগাওঁ প্ৰাথমিক বিদ্যালয়, মইনালচং প্ৰাথমিক বিদ্যালয় আৰু কৃষ্ণনগৰ প্ৰাথমিক বিদ্যালয়। এই Lower Primary স্কুল কেইখন আমি Upper Primary স্কুললৈ, উচ্চমাধ্যমিক পৰ্যায়লৈ upgrade কৰিছো। আপোনাৰ সমষ্টিৰ আপুনি জানিব। আৰু যদি কিবা আছে নিশ্চয়কৈ আমি গুৰুত্ব সহকাৰে কৰিম বুলি কথা দিছো।

**শ্ৰীশিবু মিশ্ৰ, (লামডিং) ঃ য'ত এল পি স্কুল হৈছে তাত যদি এম ই আৰু হাই স্কুল কৰা যায় তেতিয়া ৩ হাজাৰৰ ওপৰ আমাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব।**

**মাননীয় অধ্যক্ষ ঃ হ'ব, ঠিক আছে, আপুনি কথা পাতি ল'ব।**

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি বিষয়টো গুৰুত্ব সহকাৰে লৈছো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ১৬৫ সুৰেন ফুকন।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী সুৰেন ফুকন,(ডিগবৈ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ১৯৬৩ চনতে স্থাপন কৰা ডিগবৈ সমষ্টিৰ টিংৰা ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বাণিজ্য আৰু বিজ্ঞান শাখা খোলাৰ কাৰণে আবেদন কৰিছিলো। বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা উত্তৰটো পাইছো, আৰু দিছে বিবেচনাধীন বুলি। এতিয়া কথাটো হ'ল ডিগবৈ সমষ্টিৰ বৃহৎ এটা অঞ্চল হ'ল টিংৰাই মৌজা, আৰু টিংৰাই মৌজাৰ এক মাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ হ'ল টিংৰাই ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু তাত গ্ৰাম্য অঞ্চল চাহ বাগিচাৰে পৰিপূৰ্ণ এটা বৃহৎ অঞ্চল। সেই বিদ্যালয়খনৰ প্ৰায় ৯০ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰী। এই ছাত্ৰ-ছাত্ৰী সকলে ডিগবৈ লৈ যাবৰ কাৰণে প্ৰায় ১৫ ৰ পৰা ২০ কিঃ মিঃ হয় আৰু মাকুমলৈ যাবৰ কাৰণে ২৫ কিঃ মিঃ হয় ডুমডুমাত পঢ়িবলৈ হ'লে ২৫ কিঃ মিঃ হয়। গতিকে আৰ্থিকভাবে দুৰ্বল গ্ৰাম্য অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলে যোৱাত কিছু অসুবিধা আছে। সেয়ে সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী আৰু আমাৰ যি সকল অভিভাৱক আছে তেওঁলোকে টিংৰাই ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়খনত বিজ্ঞান আৰু বাণিজ্য শাখাটো উন্নীতকৰণৰ কাৰণে আবেদন কৰি আহিছে। আৰু ইয়াত বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই বিবেচনাধীন বুলি উত্তৰ দিছে। মই আশা ৰাখিছো এইটো কাৰ্য্যকৰী হ'ব লাগে, চৰকাৰৰ ওচৰত আৰু মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত অনুৰোধ মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে টিংৰাই ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় খন কলা শাখাটো আছে ইতিমধ্যে ২০২১ চনত উন্নীতকৰণ কৰা হৈছিল, এতিয়া বাণিজ্য আৰু বিজ্ঞান শাখাটো কাৰ্য্যকৰী হ'ব লাগে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুযায়ী বহনসম ছাত্ৰ-ছাত্ৰী থকা প্ৰতিখন উচ্চতৰ মাধ্যমিক বা হায়াৰ ছেকেণ্ডাৰী স্কুলত কলাৰ লগতে বাণিজ্য আৰু বিজ্ঞান শাখা পৰ্যায়ক্ৰমে খোলা হ'ব। পৰ্যায়ক্ৰমে আৰু বহনসম ছাত্ৰ-ছাত্ৰী সংখ্যা অনুযায়ী ইয়াৰ বাবে গাইড লাইন প্ৰস্তুত কৰি থকা হৈছে, অধ্যক্ষ ডাঙৰীয়া আমি ফিজিবিলিটি ৰিৰ্প'ট চাওঁ আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, আন্তঃগাঁথনি, পৰীক্ষাগাৰৰ সুবিধা এই গোটেই বিলাক চাই

পৰ্য্যায়ক্ৰমে কলাশাখা থকা যি সমূহ হায়াৰছেকেণ্ডাৰী স্কুল সেই সমূহক বাণিজ্য আৰু বিজ্ঞান শাখালৈ কিছু আমি সংযোজিত কৰাৰ কাৰণে প্ৰচেষ্টা চলাইছো। মাননীয় অধ্যক্ষ ডাঙৰীয়া, আনকি মোৰ সমষ্টি জাগীৰোড হায়াৰছেকেণ্ডাৰীটো সেই একে সমস্যা। তাতে বাণিজ্য শাখাটো এনেয়ে চলি আছে প্ৰভিঞ্চিলাইজ নহয়। গতিকে এইটোও কৰিব নোৱাৰো নতুনকৈ কেতিয়াবা হয়তো ব্যৱস্থা ল'ব বুলি মই মাজে মাজে শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰি থাকো। যিকি নহওঁক সন্মানীয় সদস্যগৰাকীৰ প্ৰশ্নটো অত্যন্ত গুৰুত্বপুৰ্ণ টিংৰাই ৰজনীকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালযত ইউ ডাইচৰ তথ্যমতে ৭০০ ছাত্ৰ-ছাত্ৰী আছে। গতিকে এই স্কুল খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেছি সেয়ে এই স্কুলখনত নতুনকৈ শাখা খোলাৰ প্ৰয়োজন আছে। গতিকে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত ইয়াত বিজ্ঞান আৰু বাণিজ্য শাখা খোলাৰ বাবে প্ৰচেষ্টা চলাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১৬৬ ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দৃষ্টিগোচৰ কৰিব খুজিছো আমাৰ যিবিলাক Autonomous Council আছে অসমত বিশেষকৈ আমাৰ তিতাবৰত ঠেঙাল কছাৰী Autonomous Council আছে। এই Council য়ে এতিয়ালৈকে কামখিনি ঠিক মতে কৰা যেন লাগে। যিমানখিনি জনগোষ্ঠীটোৰ কাম কৰিছে, উন্নয়নো হৈছে। কিন্তু এই দিশত মোৰ এটা ক'ব লগা কথা আছে, যে আমাৰ পঞ্চায়তত যিবোৰ কাম হয় এই পঞ্চায়তৰ কামবিলাকত যিটো gravelling ৰ কাম থাকে, তাত gravelling টো নকৰি direct paver block লগাবলৈ কোৱা হয়। এতিয়া আমাৰ তিতাবৰত থকা বহুতো ৰাইজে মোক কৈছে যে, চাৰ আপুনি এইটোৰ এটা ব্যৱস্থা কৰক। আমক gravelling ৰ পৰিবৰ্তে আমাৰ এইটো paver block কৰি কামটো একেবাৰে permanent nature ৰ হ'ব লাগে। এইটো কৰিব নেকি? ২য়তে মই এতিয়া উত্তৰটো পাইচো, তাত বিধায়ক জন আৰু এম পি জন পদেন সদস্য হিচাপে থাকে। কিন্তু এতিয়ালৈকে মই কোনো ধৰণৰ তেনেকুৱা নিমন্ত্ৰণ পোৱা নাই। সেয়েহে চৰকাৰে এটা বিহীত ব্যৱস্থা কৰিব নেকি যাতে বিধায়ক জনক হওক বা এম পি জনক তেওঁলোকে আমাৰ যিজন প্ৰধান সচিব আছে, তেওঁ এখন চিঠি লিখি আমাক যদি মাতে সেই মিটিং বিলাকত গলে আমি কিছুমান কথা ৰাইজৰ হকে আমাৰ ক'ব লগা এটা ব্যৱস্থা থাকে। গতিকে এইটো চৰকাৰে ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো gravelling কৰি ৰাস্তাৰ ওপৰত paver block কৰাৰ কথা কৈছে, সেইটো ব্যৱস্থা আমি পুঁজি সাপেক্ষে ল'ম। ২য়তে তেখেতৰ যিটো পৰিপূৰক প্ৰশ্ন সেইটো হৈছে অধ্যক্ষ ডাঙৰীয়া Autonomous Council মানে Autonomy আমি Autonomous Council অসমত আমি কাক দিওঁ? ট্ৰাইবেল সকলক দিওঁ আৰু তেখেতৰ অঞ্চলত ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ আছে। অধ্যক্ষ ডাঙৰীয়া মোৰ অঞ্চলটো তিৱা স্বায়ত্ত শাসিত পৰিষদ আছে, তাৰ মেম্বাৰ মই নহয়। কিন্তু আমাৰ চৰকাৰৰ গাইডলাইন মতে সেই এৰিয়াৰ বিধায়ক আছে, তেওঁলোক তাত মেম্বাৰ হ'ব। গতিকে এই মূহুৰ্তত আমি আমাৰ non-Tribal সকলক তাৰ পদেন সদস্য দিম নে নিদিম এই বিষয়ে বিবেচনা কৰা হোৱা নাই। যিহেতু Autonomous, অধ্যক্ষ ডাঙৰীয়া মই আকৌ কৈছো, Autonomous ৰ অৰ্থটো আমি সকলোৱে বুজো, তেওঁলোকক আমি Autonomoy দিছো, Autonomoy দি

যদি আমি আকৌ Ex-officio Member হৈ তেওঁলোকৰ ওপৰত যদি নাকী লগাবলৈ যাওঁ, তেওঁলোকৰ এই Autonomous System টোৰেই কৰবাত নহয় কৰবাত পৰি যাব। গতিকে এই বিষয়ত, এই মূহুৰ্তত চৰকাৰে চিন্তা কৰা নাই। ভৱিষ্যতত চিন্তা কৰিলে দেখা যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আব্দুৰ ৰচিদ মণ্ডল কিবা ক'ব নেকি?

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিটো কৈছে, Autonomous Actually এইবিলাক 6th Schedule Area ৰ অন্তৰ্গত নহয় কাৰণে তেওঁলোকক literally Autonomous বুলি কোৱা হৈছে, প্ৰকৃত Autonomous, নহয়। এইবিলাক Like Development Council আমাৰ প্ৰশ্নকৰ্তাই যিটো কৈছিল। গোৱালপাৰাত যেনেকৈ আছে ৰাভা হাচং Autonomous Council Literally it is Autonomous but it is realy not Autonomous গতিকে মই ভাবো যে ইয়াত স্থানীয় বিধায়কসকলক তাতে পদেন সদস্য কৰাত পঞ্চায়তৰ নিচিনাই।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, তেখেতৰ প্ৰশ্নটো মই একেআষাৰে নুই কৰিছো। কিয় নুই কৰিছো defintely Autonomous. 6th Schedule নহয়, ঠিক আছে, কিন্তু Autonomous নহয় কথাটো কেনেকৈ আহিল? Autonomous হয়, 6th Schedule নহয়। আপুনি প্ৰশ্নটো এনেকৈ উত্থাপন কৰিছে, আপোনাক ৰাভাসকলে তাতে গালি পাৰিব। সন্মানীয় ৰাভা ব্যক্তিসকলে কালি আপোনাক ক'ব আপুনি কিয় আমাক এনেকৈ অপমান কৰিলে? আমি Autonomoy লৈ আছো। Autonomous আমাৰ চৰকাৰ আছে, আমি নিৰ্বাচনৰে জিকি আছো আৰু আপুনি কৈ দিলে এইখন Autonomous নহয়। এইটো টো ন'হব সেই মানুহখিনিক টো আপুনি অপমান কৰিলে। তিৱা সকলক আপুনি অপমান কৰিলে। এইটো চেন্টেলৰ অৰ্ডাৰ। কিন্তু আপুনি ক'ব নালাগে যে এইটো Autonomous Council নহয়। চাৰ আমি কি কৰিছো, যে তেখেত সকলক সাংবিধানিক মৰ্য্যদা দিব লাগে তাৰ কাৰণে আমি অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ইতিমধ্যে অনুৰোধ জনাইছো। ইতিমধ্যে কেবিনেটত আমি সিদ্ধান্ত লৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছো যে এই কেইখন মান কাউঞ্চিলক অন্ততঃ তিৱা কাউঞ্চিল, মিচিং কাউঞ্চিল, ৰাভা কাউঞ্চিল এই কেইখনক যাতে সাংবিধানিক মৰ্য্যদা দিয়ে তাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা লবলৈ আহ্বান জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** Central Act ৰ অধীনত। ধন্যবাদ, এতিয়া প্ৰশ্ন নং ১৬৭। পোণাকন বৰুৱা।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া,উত্তৰ সদনৰ মেজত ৰখা হৈছে।

**শ্ৰী পোনাকণ বৰুৱা, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰা কেচা চাহপাতৰ নিম্নতম সমৰ্থিত মূল্য। এই প্ৰসংগত মই মাননীয় মন্ত্ৰী মহোদয়ে দিয়া উত্তৰ টো পাইছো, আৰু ইয়াৰ পৰা এটা কথা আমি দেখিবলৈ পাইছো যে অসমত ১২৫৪৮৪ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়ক আছে আৰু ২০২২ বৰ্ষত ৩২৮.৯৯ মিলিয়ন কে জি আৰু ২০২৩ বৰ্ষত ৩১৯.৪৯ মিলিয়ন কে জি চাহপাত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰিছে। কিন্তু আমাৰ কথাটো হ'ল যে ক্ষুদ্ৰ চাহখেতিয়ক সকলে অতি কষ্টেৰে যি চাহ উৎপাদন কৰে সেই চাহৰ প্ৰকৃত দাম তেওঁলোকে পাব পৰা নাই। উৎপাদন মূল্যতকৈ বাগিচাৰ ফেক্টৰীৰ মালিক সকলে যি দাম দিয়ে সেই দাম তেওঁলোকৰ কাৰণে গ্ৰহণযোগ্য হ'ব নোৱাৰে বা হৈ থকা নাই। এই ক্ষেত্ৰত ২০১৫ চনতে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰি ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰাণালয়ে জিলা

উপায়ুক্তৰ জৰিয়তে ক্ষুদ্র চাহ খেতিয়ক সকল, চাহ খেতিৰ মালিক সকল আৰু ভাৰতীয় চাহ বোৰ্ডৰ সহকাৰী সঞ্চালক পৰ্য্যায়ৰ দ্বাৰা জিলা উপায়ুক্ত পৰ্য্যায়ত সমিতি গঠন কৰি দিছিল। তেওঁলোকে আলোচনা কৰি মূল্যটো নিৰ্ধাৰণ কৰিব লাগে। কিন্তু লক্ষণীয় ভাৱে সেইটো কাৰ্য্যকৰী হৈ উঠা নাই। অন্যহাতে ২০২১ চনত পুনৰ ভাৰত চৰকাৰৰ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰণালয়ে আমাক জনোৱা মতে চাহৰ নিম্নতম মূল্যৰ ক্ষেত্ৰত ফেক্টৰী সমূহে যি চাহ উৎপাদন কৰে তাৰ ৬৫ শতাংশ ক্ষূদ্ৰ চাহ খেতিয়কক দাম দিব লাগে আৰু ৩৫ শতাংশ চাহ খেতিৰ মালিক সকলে ৰাখিব লাগে। কিন্তু সেইটো হৈ উঠা নাই। মাননীয় অধ্যক্ষ মহোদয়, মূল কথাটো হৈছে যে অসমত লক্ষ্য লক্ষ্য চাহ খেতিয়কে লাখ লাখ লোকক নিয়োজন কৰি ৰাখিছে। নিজে সংস্থাপিত হৈছে আৰু লাখ লাখ লোকক সংস্থাপিত কৰি ৰাখিছে। অসমৰ গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰিছে। মোৰ প্ৰশ্নটো এইটোৱেই যে যি আইন নিৰ্ধাৰণ কৰা হৈছে সেই আইন বিলাক প্ৰকৃতাৰ্থত কাৰ্য্যকৰী হোৱা নাই। বিভাগীয় মন্ত্ৰী মহোদয় আজি নাই। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে অসমৰ গ্ৰাম্য ক্ষুদ্ৰ চাহ খেতিয়ক সকলক শক্তিশালী কৰিব পৰাকৈ, সকাহ দিব পৰাকৈ, তেওঁলোক উপকৃত হ'ব পৰাকৈ, তেওঁলোকক লাভবান কৰি ৰাখিবৰ কাৰণে ক্ষুদ্ৰ চাহ খেতিয়ক সকলে যি চাহ উৎপাদন কৰে, সেই চাহপাতৰ নিম্নতম মূল্য নিৰ্ধাৰণ কৰিব লাগে আৰু আইনখন সঠিক ভাৱে কাৰ্য্যকৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ চাহ খেতিয়ক সকল অসমৰ চাহ অৰ্থনীতিৰ অত্যন্ত গুৰুত্বপূৰ্ণ অংশ। ক্ষুদ্ৰ চাহ খেতিয়ক সকলক আমি বিভিন্ন সময়ত কেনেকৈ অসম চৰকাৰে সহায় কৰিছো এই বিষয়ে আমি অৱগত যদিও মই সদনত এই বিষয়ে দুআষাৰ ক'ব খুজিছো। মাননীয় অধ্যক্ষ মহোদয়, বিগত ৭ টা বিত্তীয় বৰ্ষত সৰ্ব্বমুঠ ৪১.৫২ কোটি ক্ষুদ্ৰ চাহ খেতিয়কৰ উন্নয়ণৰ বাবে অসম চৰকাৰৰ বিভিন্ন আঁচনিৰ জৰিয়তে যেনে- নতুন মাটিত চাহ খেতি কৰা ৰাজ সাহাৰ্য্য, প্ৰাকৃতিক দূৰ্যোগৰ বাবে সাহাৰ্য্য, কেঁচা চাহ পাত কঢ়িওৱা বাহন ক্ৰয়ৰ বাবে সাহাৰ্য্য, ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰিকৰী প্ৰশিক্ষণকে ধৰি বিভিন্ন কাৰ্য্যসূচীৰ বাবে টোকলাই চাহ গৱেষণা কেন্দ্ৰক সাহ্যৰ্য্য প্ৰদান কৰা হয়। মই এই কাৰণেই বিতং কৈ উল্লেখ কৰিব খুজিছো যে এই প্ৰশ্নটো গুৰুত্বপূৰ্ণ। মাননীয় সদস্য শ্ৰী অখিল গগৈৰ প্ৰশ্নটোৰ উত্তৰ একে। গতিকে মই একেলগে দি যাম। তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ পাৰ্থক্যটো ও মই কম। মই গোটেইখিনি কম। মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে কি কি কৰি আছো সেইটো ক'ব খুজিছো তাৰ পিছত কিয় দামৰ তাৰতম্য সেইটো কৈ আছো। ২০১৭-১৮ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত যোৰহাট টোকলাই চাহ গৱেষণা কেন্দ্ৰ স্থাপন তথা ক্ষুদ্ৰ চাহ খেতিয়কক প্ৰশিক্ষণৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা চাহ সঞ্চালকালয়ৰ যোগেদি মুঠ ২৭ কোটি ১৯ লাখ ৮১ হাজাৰ টকাৰ সাহাৰ্য্য আগবঢ়োৱা হয়। আনহাতে বিত্তীয় বৰ্ষ ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত নতুন মাটিত চাহ খেতি কৰিবলৈ অসম চৰকাৰৰ New Plantation scheme ৰ অধীনত প্ৰতি বিঘাত ৫ হাজাৰ টকাকৈ স্বৰ্ত সাপেক্ষে উচ্চতম ১ লাখ টকা লৈকে সৰ্ব্বমুঠ ৪,৩১০ জন চাহ খেতিয়কক মুঠ ১১ কোটি ৪১ লাখ ৮১ হাজাৰ টকাৰ অনুমোদন দিয়া হয়। ২০১৭ বৰ্ষৰ ফেব্ৰুৱাৰী মাহত অসম চৰকাৰে আয়োজন কৰা Global Investment Summit Advantage Assam ত চাহ সঞ্চালকালয়ৰ তৰফৰ পৰা অংশগ্ৰহণ কৰি ১ কোটি ৮০ লাখ টকা খৰছ কৰা হয়। ২০২০-২১ বিত্তীয় বৰ্ষত প্ৰাকৃতিক দূৰ্যোগৰ সন্মূখীন হোৱা ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চৰ্ত অনুসৰি ২০০০

টকাকৈ ৪৮৩ গৰাকী চাহ খেতিয়কলৈ মুঠ ৯ লাখ ৬৬ হাজাৰ টকা ৰাজ সাহাৰ্য্য আগবঢ়োৱা হয়। ২০২১-২২ আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত .................

**শ্ৰী অখিল গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো বেলেগ, উত্তৰটো বেলেগ দি আছে।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে যোৱা ৭ বছৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে কি কৰিছো এইটো কোৱাটো অপৰাধ নেকি?

..........................................সদনত হুলস্থুল...............................

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নৰে উত্তৰ দি আছে।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰয়োজনীয় প্ৰশ্ন আছে, আপোনানাৰ ৰুলিং নামানিলে আপুনি উলিয়াই দিব লাগে চাৰ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়, আপুনি আপোনাৰ উত্তৰ সম্পূৰ্ণ কৰক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২১-২২ আৰু ২০২২-২৩ বিত্তীয় বৰ্ষত চাহ ৰোপণৰ প্ৰয়োগ নীতিৰ আধাৰত মুঠ ২ কোটি ৬০ লাখ ৮৮,৮৯৫ কোটি টকাৰ ৰাজ সাহাৰ্য্য মুঠ ৪২ টা আত্ম সহায়ক গোটলৈ কেঁচা চাহপাত কঢ়িওৱা গাড়ী প্ৰদান কৰা হৈছে। ২০২২-২৩ বিত্তীয় বৰ্ষত চাহ ৰোপণৰ প্ৰয়োগ নীতিৰ আধাৰত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে ৫ খন জিলালৈ ২৫ লাখ ৩০ হাজাৰ ৯৩২ কোটি টকা প্ৰদান কৰা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি দামৰ কথা কৈছে তাৰ বাবে আমি District Level ত উপায়ুক্তৰ অধীনত এখন কমিটি গঠন কৰিছো। তেওঁলোকে সময়ে সময়ে বহি ৰেটটো ফিক্স কৰে। মাননীয় অধ্যক্ষ মহোদয়, তিনিচুকীয়া আৰু ডিব্ৰুগড়ত এটা পাৰ্থক্য আছে যে তিনিচুকীয়াত কেঁচা চাহ পাত যথেষ্ট পৰমাণে পোৱা যায়। এই variation টো কিয় হৈছে যে চাহ পাতৰ গুণগত মানদণ্ডৰ ওপৰত চাহ পাতৰ মূল্যটো নিৰ্ধাৰণ হয়। দ্বিতীয়তে হ'ল তিনিচুকীয়াত কিয় দাম কম। এই সংক্ৰান্তত মাননীয় বিধায়ক শ্ৰী পোনাকন বৰুৱা ডাঙৰীয়াই যিটো কথা সুধিব বিচাৰিছে যে অৰুণাচলৰ পৰা কেঁচা পাত যথেষ্ট পৰিমাণে আহে। যিটো আমি বন্ধ কৰাতো সম্ভৱ নহয়। যদিও আমি এই কামখিনিৰ কাৰণে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কাৰণে কৰিব লগীয়া কামখিনি কৰি আছো।

**শ্ৰী পোনাকন বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে চাহ উৎপাদন কৰে। কিন্তু উৎপাদনৰ মূল্যতকৈ তেওঁলোকে বজাৰ মূল্য কম পায়। এনে পৰিস্থিতিত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে নিজৰ উৎপাদিত চাহপাত চিঙি পেলাই দিবলগীয়া হয়। গতিকে ক্ষুদ্ৰ চাহ খেতিয়ক সকলক উদ্ধাৰ আৰু ৰক্ষা কৰিব লাগে। কিয়নো চাহপাত উৎপাদন কৰা লোক সকল সম্পূৰ্ণ থলুৱা লোক। গতিকে চাহপাতৰ খেতি কৰা লোক সকলক উদ্ধাৰ কৰাতো আমাৰ দায়বদ্ধতা।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে সেইটো গুৰুত্ব সহকাৰে বিবেচনাধীন হৈ আছে।

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰে বিষয়টো বিবেচনা কৰি আছে।

**শ্ৰী অখিল গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোক এটা প্ৰশ্নৰ উত্তৰ লাগে যে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ চাহপাতৰ মূল্য minimum support price ৩০ টকা হ'ব লাগে আৰু এই কথাটো আজিৰ দিনটোত ঘোষণা কৰা হ'ব নে নহয়।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কালি মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈছিল, কিন্তু মই বছৰটো সঠিক ভাৱে নাজানো। কিন্তু তেখেতৰ মতে ১৯৬৪ চনত MSP দিছিল। কিন্তু যোৱা তিনিটা বছৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ চৰকাৰে

MSP আৰম্ভ কৰিলে। গতিকে MSP আমি সকলোতে কৰিম।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰত ৰত্ন স্বামী নাথৰ ৰিপোৰ্টটো ফাইলৰ পৰা নোহোৱা হৈ গৈছে আৰু MSP দিয়া হোৱা নাই। কেৱল অলপ বেছিকৈহে দিছে। স্বামী নাথৰ ৰিপোৰ্টটো Central website ৰ পৰাই নোহোৱা হৈ গ'ল।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ধান, সৰিয়হ আদিত MSP দিছো আৰু ভৱিষতে চাহ খেতিয়ক সকলকো সহায় কৰিম।

**শ্ৰী অখিল গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ষুদ্ৰ চাহ খেতিয়ক সকলক কেতিয়া MSP দিব? অৰ্থাৎ নুন্যতম চাহ পাতৰ মূল্য কেতিয়া দিব? ইয়াৰ উত্তৰটো মোক লাগে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, MSP কথা এনেই কৈ থাকিলে নহ'ব। কিয়নো MSP ৰ কোনো আইন এতিয়ালৈ তৈয়াৰ হোৱা নাই। MSP ৰ আইনৰ কাৰণে দিল্লীত ঘেৰাও অভিযান হৈ আছে। কেন্দ্ৰীয় চৰকাৰে এতিয়ালৈ MSP ৰ আইনখন তৈয়াৰ কৰা নাই। দিয়া হৈছে, এইটো কেৱল নিৰ্দ্দেশিকা হে। ইয়াৰ বাবে আইন তৈয়াৰ হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এইটো আলোচনা নহয়। গতিকে আপোনালোকে to the point ত কথাখিনি কওঁক।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধানত MSP দিলো। সৰিয়হত এইবছৰৰ পৰা ৫৫০০ টকা MSP দি আছো। MSP নাই দিয়া বুলি মাননীয় সদস্য গৰাকীয়ে কেনেকৈ ক'লে। মই আকৌ ক'ব বিচাৰিছো যে কালি মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই কৈছিল যে আগতে কোনো চৰকাৰ সতৰ্ক নাছিল যে To give MSP, who is giving? Dr. Himanta Biswa Sarma is giving MSP.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন শিকদাৰ। প্ৰশ্ন নং ১৬৮।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে ২০১৭ চনত বেচৰকাৰী শিক্ষানুষ্ঠানৰ শিক্ষক সকলৰ বাবে যি বিজ্ঞাপন দিয়া হৈছিল তাৰ ভিতৰত এতিয়ালৈকে ১১০৯ খন নিম্ন প্ৰাথমিক বিদ্যালয়, ২৩৪ খন উচ্চ প্ৰাথমিক বিদ্যালয় আৰু ৪৪০ খন মাধ্যমিক শিক্ষানুষ্ঠানৰ শিক্ষকৰ পদ এতিয়ালৈকে চৰকাৰী কৰণ কৰা হোৱা নাই। জিলা পৰ্য্যায় আৰু ৰাজ্যিক পৰ্য্যায়ৰ কমিটিয়ে বিভিন্ন কাৰণৰ দোঁহাই দি এই শিক্ষক সকলক চৰকাৰী কৰণ কৰা নাই। গতিকে আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ইমানদিনে যিসকল শিক্ষকে বিনা বেতনে ভেঞ্চাৰ স্কুলত খাটি খাটি অৱসৰ লৈছে আৰু কিছুমান এতিয়াও আছে, তেওঁলোকৰ পদ সমূহ চৰকাৰী কৰণ কেতিয়া হ'ব?

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই উত্তৰটো মই মাননীয় বিধায়ক শ্ৰী আমিনুল ইছলাম(জ্যেষ্ঠ) ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰটো দিছো। এই মূহূৰ্ত্তত কোনো প্ৰভিনচিয়েলাইজেশ্যনৰ কথা আমি বিবেচনা কৰা নাই। আমি New appointment policy ৰ যোগেদি আমি প্ৰায় ১৫ হাজাৰ শিক্ষকক দিছো।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, একেখন বিদ্যালয়ৰ কেইজনমানৰ চৰকাৰী কৰণ হৈছে আৰু কেইজনমানৰ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** Question hour over.

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰুল ৫৬ অধীনত এটা জৰুৰী ৰাজহুৱা গুৰুত্বপূৰ্ণ বিষয় সদনৰ সভা স্থগিত কৰি আলোচনা কৰাৰ বাবে দিব লাগে।

**माननीय अध्यक्ष** ঃ হয়, মই কৈ আছো - শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ পৰা এটা adjournment motion ৰ প্ৰস্তাৱ পাইছো আৰু অখিল গগৈ ডাঙৰীয়াৰো পাইছো আৰু বিষয়টো প্ৰায় একে, শিক্ষা বিভাগৰ পৰীক্ষাৰ সময়ত হৈ থকা পৰিস্থিতিক লৈ। মই সেই notice টো observation কৰিছো, যিহেতু আমাৰ বাজেটৰ ওপৰত আলোচনা চলি আছে, সেইটো adjourn নকৰি, এই বিষয়টো কোনোবা এটা শিতানত সেইটো আলোচনা কৰিব পাৰো আৰু চৰকাৰে ইয়াৰ ওপৰত উত্তৰ দিব।

Parliamentary Practice ত Kaul and Shakdher ৰ Practice and Procedure সপ্তম সংস্কৰণৰ ৫৬২ পৃষ্ঠাত স্পষ্টকৈ উল্লেখ আছে। তাত কোৱা হৈছে যে -

"Adjournment motions are not normally allowed during the Budget Discussions or during the discussion on the Motion of Thanks on President's Address as members have sufficient opportunity to focus the attention of the House to any matter during that discussion"

মানে আমি যিটো বাজেট আলোচনা কৰি আছো, এই বাজেট আলোচনাৰ সময়ত এই বিষয়টো আনিব পাৰে। কিন্তু আমাৰ specific ভাৱে Social Welfare Department ৰ ওপৰত আলোচনা আছে। তথাপিও মই কৈছো যে আপোনালোকৰ এই বিষয়টো সভা স্থগিত প্ৰস্তাৱত নানি বেলেগ শিতানত আনিব পাৰি নেকি। বিশেষকৈ যিহেতু আপোনালোকে notice দিছে, গতিকে ইয়াৰ admissibility ওপৰত দুই লাইন কওঁক।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ দফাটোৰ ওপৰতে কৈছো, আপুনি কৈছে normally নোৱাৰে। কিন্তু এইটো situation abnormal, পৰীক্ষা চলি আছে, এই সময়ত হাঁহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে, অকাশ বতাৰ মুখৰিত হৈ গৈছে, আজি প্ৰতিজন অভিভাৱকে চাই আছে বিধান সভালৈ। গতিকে এইটো normally situation নহয়, adnormal হৈছে। সেয়ে আমি কৈছো যে অন্য সকলো কথা বাদ দি আজি এই কথাখিনি আলোচনা কৰিব লাগে, চৰকাৰে উত্তৰ দিয়ক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি কোৱা কথাটো যথেষ্ট গুৰুত্বপূৰ্ণ। কিন্তু এই বিষয়টো আপুনি উল্লেখ কৰা মতে normally situation ত নহয়, মই স্বীকাৰ কৰিছো। মই এইটো normally বুলি এই কাৰণে ক'ব নিবিচাৰো। যোৱা বাৰো একে ঘটনা হৈছিল আৰু আমি তেতিয়া আলোচনা কৰিছিলো। তেতিয়া CID বিভাগক তদন্ত কৰিবলৈ দিয়া হৈছিল আৰু ইয়াতকৈ বেছি হৈছিল। তেতিয়া সদনত প্ৰতিশ্ৰুতি দিয়া হৈছিল, আমি অধ্যক্ষ জনক এনেকুৱা ধৰণৰ গাফিলতি হৈ থাকে বাবে বাৰম্বাৰ কিয় দিয়া হৈছে, সেই প্ৰশ্ন সুধিছিলো। তেতিয়া কোৱা হৈছিল যে তেওঁৰ গাত দোষ নাই।

এই প্ৰশ্ন কাকতৰ বাবে চেৱাৰ চেয়াৰমেনজন পৰীক্ষা ভালকৈ পতাৰ বাবে দায়বদ্ধ। কিন্তু তেখেতৰ কাৰ্য্যালয়ত যোৱা বাৰ enquiry হৈছিল, যেতিয়া ধেমাজীৰ পৰা ফোন কৰা হৈছিল যে প্ৰশ্ন কাকত লিক হৈছে, তেখেতসকলে সেই ফোন কল পিক্ আপ কৰা নাছিল। মন্ত্ৰী মহোদয়ে ফোন পিকআপ কাৰৰ পিছত enquiry হৈছিল, পৰীক্ষা বন্ধ কৰা হৈছিল, মুখ্যমন্ত্ৰী মহোদয়ৰ twit ৰ পিছত।

এইবাৰ সেইবিলাক হোৱা নাই। কিন্তু যোৰবাৰ Chief Controlar of Examination বাকী সকলক CID য়ে মাতিছিল বুলি কৈছে। তাৰ পিছত তেখেতসকলক কিবা শাস্তিমূলক

ব্যৱস্থা দিয়া হ'ল নে নাই, কোনো উল্লেখ নাই।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথাটো হৈছে এইবাৰ কেনেকুৱা ধৰণৰ ভূল হৈছে। leveling কৰোতে ভূল কৰি দিছে, কিবা খুলিছে, কিবা ওলালে। প্ৰথম দিনা কাৰ্বি আংলংত ইংৰাজীৰ ঠাইত অসমীয়া পঠালে। দ্বিতীয় দিনা Social Science ঠাইত Genenral Science কৰিলে কোকৰাঝাৰত। তাৰ পিছত আকৌ বিলাসীপাৰাৰ গড়কাপ্তাত পুলিছে লাঠি চাৰ্চ কৰিছে ছাত্ৰী আহত হৈছে, হস্পিতাল গৈছে, পৰীক্ষা দিয়াৰ বাবদ। এইটো কেনেকুৱা management । তাৰ পিছত হায়াৰ চেকেণ্ডাৰীটো একে হৈছে ১০ মিটিতৰ ভিতৰত ভাইৰেল হৈছে ছোচিয়েল মিডিয়া গ্ৰুপত গৈছে। কোকৰাঝাৰ জিলাত ইংৰাজীৰ কাৰণে তিনিজন এৰেষ্ট হৈছে । দ্বিতীয় দিনা বাংলা এম এল ভাইৰেল হৈছে। কাছাৰ কলেজলৰ অধ্যাপক আৰু দুইজন ছাত্ৰ এৰেষ্ট হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই বিলাক আমি, বাজেটখন গুৰুত্বপূৰ্ণ, বাজেটত আমি শিক্ষাবিভাগলৈ পইছা নিৰ্ধাৰণ কৰিম। সেই অনুসৰি শিক্ষাবিভাগে কাম কৰিব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, কামটো কেনেকৈ হৈছে। আজি শিক্ষক সকলৰ গোটেই যিটো accountability report তাত আহিছে যে শিক্ষক সকলক মাত্ৰ ১৯ শতাংশ সময় তেওঁলোকৰ teaching & teaching related activity বাকী সময়ছোৱা তেওঁলোকৰ non teaching activity। সেই গতিকে মাননীয় অধ্যক্ষ মহোদয়, এইটো যথেষ্ঠ গুৰুত্বপূৰ্ণ। এইটো Kaul and Shakdher ৰ Practice and Procedure ৰ মতে আপুনি দিব পাৰে, আপোনাক অনুৰোধ কৰিছো এইটো দিয়ক আলোচনাৰ বাবে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হায়াৰ চেকেণ্ডাৰী পৰীক্ষা ১২ ফেব্ৰুৱাৰীত আৰম্ভ হৈছিল। আৰম্ভ হোৱাৰ দিনাই কোকৰাঝাৰ পৰ্বতঝোৰাত ১ ঘন্টাৰ আগতে প্ৰশ্নকাকত ভাইৰেল হ'ল। ইংৰাজী প্ৰশ্নকাকতৰ ফাদিলৰ অভিযোগৰে আৰম্ভ উচ্চতৰ মাধ্যমিকৰ পৰীক্ষা। এইটোৱে হ'ল গোটেই পেপাৰ বিলাক হেড লাইন। হায়াৰ চেকেণ্ডাৰীটো আৰম্ভ হৈছে, আৰম্ভ হোৱাৰ আগতে প্ৰশ্নকাকত ওলাই ভাইৰেল হৈ গ'ল।

দ্বিতীয়তে, মই গোটেই কেইটা নকওঁ, ১৬ ফেব্ৰুৱাৰীত মেট্ৰিক পৰীক্ষ আৰম্ভ হ'ল, সেই দিনাই পূৰ্ব অৰাজক অৱস্থা নহওতে নহ'ল অৰক্ষান, মেট্ৰিকৰ পৰীক্ষা পতাত ব্যৰ্থ চৰকাৰ। মেট্ৰিকৰ প্ৰথম দিনাই ব্যাপক বিসংগতি। হায়াৰ চেকেণ্ডাৰ আৰু মেট্ৰিক জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পৰীক্ষা। এই পৰীক্ষাৰ এদিনো এই বিজেপি চৰকাৰে ভালকৈ আজিলৈকে পাতিব নোৱাৰিলে। যোৱা বাৰে তেনেকুৱা হৈছে আৰু এইবাৰো তেনেকুৱা হ'ল। ....

(.....সদনত হুলুস্থুল... )

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ২, কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন।

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ২৩০ ৰ অধীনত অসম বিধান সভাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ এখন সভা ২১ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে সদনৰ কাৰ্য্যসূচী অন্ত হোৱাৰ লগে লগে অধ্যক্ষৰ কাৰ্য্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়।

সভাই চলিত অধিবেশনৰ সীনিত কাৰ্য্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি অধিবেশনৰ বাবে ইতিমধ্যে নিৰ্দ্ধাৰিত দুটা কৰ্মদিন (ক্ৰমে ২৭ আৰু ২৮ ফেব্ৰুৱাৰী, ২০২৪) হ্ৰাস কৰি ২৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখৰ সদনৰ কাৰ্য্যসূচীৰ অন্তত অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ২২,২৩ আৰু ২৬ ফেব্ৰুৱাৰী তাৰিখে সদন দুয়োবেলা অনুষ্ঠিত কৰিবলৈও সিদ্ধান্ত গ্ৰহণ কৰে। ২২ ফেব্ৰুৱাৰী,

২০২৪ তাৰিখৰ নিৰ্ধাৰিত কৰা কাৰ্য্যসূচী দাবী মঞ্জুৰী সমূহ ভোটদান আৰু বিনিয়োজন বিধেয়কখন পাৰিত হোৱাৰ লগে লগে নিয়ম ৫০ ৰ জাননী এখন আলোচনাৰ বাবে লোৱা হ'ব আৰু সদন বিৰতিহীনভাৱে চলিব। ২৩ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখ শুক্ৰবাৰে সদন পুৱা ১২ বজালৈকে অনুষ্ঠিত কৰি ২ ঘণ্টাৰ বিৰতিৰ অন্তত পুনৰ ২ বজাৰ পৰা আৰম্ভ হ'ব। উক্ত দিনা ২৩ আৰু ২৭ তাৰিখৰ বাবে "সদস্যৰ সময়" কাৰ্য্যসূচীৰ বাহিৰে ইতিমধ্যে নিৰ্ধাৰণ কৰা বে-চৰকাৰী সদস্যৰ আন আন কাৰ্য্যসূচীসমূহ গ্ৰহণ কৰা হ'ব। পূৰ্বৰ কাৰ্য্য উপদেষ্টা সমিতিৰ সিদ্ধান্ত অনুসৰি যোৱা ১৩ আৰু ১৪ ফেব্ৰুৱাৰী তাৰিখে আলোচনাৰ বাবে লোৱা নিয়ম ৫৪, ৩০১ ৰ অধীনৰ জাননী সমূহৰ উপৰিও অহা ২৩ আৰু ২৬ তাৰিখৰ বাবে তালিকাভুক্ত জাননী সমূহ ২৩ আৰু ২৬ ফেব্ৰুৱাৰী তাৰিখে চমু আলোচনাৰ বাবে গ্ৰহণ কৰা হয়। সভাই ২৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে সদনৰ কাৰ্য্যসূচী দুবেলা অনুষ্ঠিত কৰি সদনত ইতিমধ্যে উত্থাপিত হোৱা বিধেয়কসমূহ পাৰিত কৰাৰ বাবে লোৱা হ'ব। আন বিধেয়কসমূহ চমু আলোচনাৰে পাৰিত কৰিবলৈ সিদ্ধান্ত লয়। অহা ২৭ আৰু ২৮ ফেব্ৰুৱাৰী তাৰিখত তালিকাভুক্ত হোৱা প্ৰশ্ন সমূহৰ উত্তৰ অহা ২৬ ফেব্ৰুৱাৰী তাৰিখে সদনৰ মাজত দাখিল কৰা বুলি গণ্য কৰা হ'ব। আশাকৰো এই প্ৰতিবেদনৰ ওপৰত মাননীয় সদনৰ অনুমোদন আছে।

সন্মানীয় সদস্য সকল মই কৈ আছো শুনক, মোৰ কথা যদি নুশুনে আপোনালোকৰ ধৰ্ণা ইয়াত কিহৰ কামত আহিব। Issue টো কোনটো? মই কেনেকৈ জানিম আপোনালোকৰ মাজত কি হৈ আছে ? সেইটো আপোনালোকৰ কথা। The House adjourn for 10 minutes. (১০ মিনিট সময় সদন স্থগিতকৰণৰ পিছত সদন পুনৰ আৰম্ভ আৰু মাননীয় অধ্যক্ষৰ সদনত প্ৰবেশ)

**সভাপতি ঃ** এতিয়া আইটেম নং ৩ ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** ছাৰ এডজৰ্ণমেন্টৰ কথাটো কোৱাৰ পিচতহে কাট মোশ্যনটো আমি কৰিবলৈ বিচাৰিছো ছাৰ ।

সভাপতি ঃ নালাগে, আপোনালোকে কৈ দিলে নহয় । মন্ত্ৰী ডাঙৰীয়াই অলপ কৈ দিয়ক।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, মোৰ কথাটো চিম্পল। এখেতসকলে যিটো কৈ আছে যে, লীক হৈছে বুলি, আছলতে পেপাৰ লীক হোৱা নাই ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** কেলেই হোৱা নাই । আপুনি নাই হোৱা বুলি ক'লে হ'ব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া শুনকছোন ... বহক...... অনাৰেবল মিনিষ্টাৰক আগতে ক'বলৈ দিয়ক ।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, পেপাৰ লীকৰ সংজ্ঞাটো এনেকুৱা , যদি একজাম ৯ টা বজাত হয় ৮.৩০ বজাত ওলাই যায় ....... আপোনালোকৰ শুনিবলৈ ধৈৰ্য্য নাই কিয় ?

(সদনত হুলস্থূল- তীব্ৰ বাদ-বিবাদ )

**মাননীয় অধ্যক্ষ ঃ** প্লিজ .... প্লিজ .. কোনো কথা ৰেকৰ্ডত নাযায় ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম- নং ৩ , ৩০ চেপ্টেম্বৰ২০২৩ ৰ পৰা ৬ অক্টোবৰ, ২০২৩ লৈ আফ্ৰিকাৰ ঘানাত অনুষ্ঠিত হোৱা ৬৪ তম কমনৱেলথ পাৰ্লিয়ামেন্টৰী এচোচিয়েশ্যনৰ সন্মিলনত অসম ৰাজ্যিক চিপিএ ৰ পৰা অংশগ্ৰহণ কৰাৰ যি প্ৰতিবেদন সেইটো মই সদনত দাখিল কৰিলো । এতিয়া আইটেম নং-৪, মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক চোচিয়েল ৱেলফেয়াৰ ডিপাৰ্টমেন্টৰ মঞ্জুৰী প্ৰস্তাৱ কৰাৰ বাবে অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৫ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত ভাৰপ্ৰাপ্ত মন্ত্ৰীক মহিলা আৰু শিশু কল্যাণ শিতানৰ প্ৰশাসনৰ অৰ্থে মুঠ ৩৮৩৮২১.২৪ লাখ টকা মঞ্জুৰ কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই ৩৯ নং মঞ্জুৰীৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আছে, কৰ্ত্তন প্ৰস্তাৱ মই প্ৰথমে দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকলৰ তৰফৰ পৰা উত্থাপন কৰিবলৈ অনুৰোধ জনালো। দেৱব্ৰত শইকীয়া নাই- দিগন্ত বৰ্মন ডাঙৰীয়াই উত্থাপন কৰিব।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই ২০২৪-২৫ চনৰ বাজেটৰ দ্বিতীয়খণ্ডৰ **১২** অংশৰ **৬৮ ৰ** পৰা **১৩৩** পৃষ্ঠাত থকা মহিলা আৰু শিশু কল্যাণ শিতানৰ ৩৯ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ **৩৮৩৮২১.২৪** লাখ টকাৰ **১** টকালৈ হ্ৰাস কৰা হওঁক । অৰ্থাৎ মঞ্জুৰীৰ মুঠ ধনৰ এক টকালৈ হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগীসকলৰ আছিলে । তেখেতসকলে অলপ পিচত আহিব সদনত । সেয়ে এতিয়া মনোৰঞ্জন তালুকদাৰ ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ**২০২৪-২৫ চনৰ বাজেটৰ দ্বিতীয়খণ্ডৰ **১২** অংশৰ **৬৮ ৰ** পৰা **১৩৩** পৃষ্ঠাত থকা মহিলা আৰু শিশু কল্যাণ শিতানৰ ৩৯ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ **৩৮৩৮২১.২৪** লাখ টকাৰ **১** টকালৈ হ্ৰাস কৰা হওঁক । অৰ্থাৎ মঞ্জুৰীৰ মুঠ ধনৰ এক টকালৈ হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ২০২৪-২৫ চনৰ বাজেটৰ দ্বিতীয়খণ্ডৰ **১২** অংশৰ **৬৮ ৰ** পৰা **১৩৩** পৃষ্ঠাত থকা নাৰী আৰু শিশু কল্যাণ শিতানৰ ২৯ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ **৩৮৩৮২১.২৪** লাখ টকাৰ **১** টকালৈ হ্ৰাস কৰা হওঁক । অৰ্থ্যাৎ মঞ্জুৰীৰ মুঠ ধনৰ এক টকালৈ হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** চামচুল হুদা আপোনালোকৰ পৰা কোনোবাই কৰিবনে ?

**শ্ৰীচামচুল হুদা, (বিলাসীপাৰা পূব) ঃ** ২০২৪-২৫ চনৰ বাজেটৰ দ্বিতীয়খণ্ডৰ **১২** অংশৰ **৬৮ ৰ** পৰা **১৩৩** পৃষ্ঠাত থকা মহিলা আৰু শিশু কল্যাণ শিতানৰ ৩৯ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ **৩৮৩৮২১.২৪** লাখ টকাৰ **১** টকালৈ হ্ৰাস কৰা হওঁক । অৰ্থাৎ মঞ্জুৰীৰ মুঠ ধনৰ এক টকালৈ হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া কৰ্তন প্ৰস্তাৱ কেইটা আলোচনাৰ বাবে লোৱা হ'ল শ্ৰীদিগন্ত বৰ্মন ।

**শ্ৰীদিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই ৩৯ নং দাবী মঞ্জুৰীৰ মাননীয় মন্ত্ৰী মহোদয়াই যি দাবী মঞ্জুৰী দিছে তাক আমি এক টকালৈ হ্ৰাস কৰাৰ কথা কৈছো যদিও উদ্দেশ্যটো এইটো নহয় যে বাজেটটো কৰ্ত্তন কৰিব লাগে। কিন্তু আমি এটা ডিভাইচত আনিহে কথাখিনি ক'ব লাগে। অধ্যক্ষ মহোদয়, আজি এই কাট মোশ্যনত সমাজ কল্যাণ বিভাগৰ ওপৰত ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো মাননীয় অধ্যক্ষ মহোদয় এই সমাজ কল্যাণ বিভাগৰ দ্বাৰা আমাৰ বহুখিনি আঁচনি হয় । বিশেষকৈ মহিলা আৰু শিশু কল্যাণ, সামাজিক এৱাৰনেচ , দিব্যাঙ্গ মহিলা আৰু শিশুসকলৰ বিভিন্ন সমস্যা আদি। এই বিভাগৰ ভাৰত চৰকাৰৰ দ্বাৰাও বিভিন্ন আঁচনি আছে। সেই আঁচনিবিলাকো ৰূপায়ণ কৰা হয়। আমি দেখিছো যে অসমত যি ২৩০ টা আইচিডিএচ প্ৰজেক্ট আছে তাৰে ভিতৰত আমি ডাটা পাইছো যে ছয় মাহৰ পৰা

তিনি বছৰ বয়সৰ শিশু ১৪, ৫০,০০৯ টা , তিনি বছৰৰ পৰা ৬ বছৰলৈ ১,৫৬,৯৭০ টা গৰ্ভৰতী মহিলা- ২,৭৭,০০০ গৰাকী কিন্তু এনেধৰণৰ ডাটাবিলাক প্ৰতি মাহতে সলনি হৈ থাকে । এতিয়া কথাটো হৈছে যে, আমাৰ অঙ্গনবাড়ী ৱৰ্কাৰ আৰু হেল্পাৰসকলে এই আঁচনিবিলাকৰ ৰূপায়ণত জড়িত হৈ থাকে লগতে চুপাৰভাইজাৰ খিনিও থাকে। কিন্তু, মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি কিছুমান অভিযোগ পাই থাকো, বিশেষকৈ এইবাৰ আমাৰ অঙ্গনবাড়ী কেন্দ্ৰবিলাকত কিছুমান পেকেট দিয়া হৈছে। ডাইল , খিছিৰি, চুজি, হালোৱা ইত্যাদি দিয়া হৈছে । এই বস্তুবিলাক শিশুসকলে একেবাৰে খাই ভাল পোৱা নাই । কেৱল মোৰ সমষ্টিতে নহয় হয়তো আমাৰ মাননীয় সকলো সদস্যৰ বাবে এই সমস্যাটো হৈছে গতিকে এই সমস্যাটো দূৰ কৰিব লাগে । আগতে যিটো বজাৰৰ পৰা ফ্ৰেছ ডাল খিচিৰি দিয়া হৈছিল মই ভাবো সেইটো দিলেই শিশুসকল উপকৃত হ'ব । এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়াই ব্যৱস্থা ল'ব লাগে । তাৰ ওপৰিও মই এটা বিশেষ কথা ক'ব বিচাৰিছো যে, শেহতীয়া ৰিপোৰ্ট এটা মই পাইছো যে, হিউমেন ট্ৰেফিকিং ইন ইণ্ডিয়া - ২০২৩ । তাত এটা ডাঙৰ কথা কৈছে যে, - The state within India which is the most child trafficking is Assam holding 38 per cent of the nations case. এইটো খুব ডাঙৰ কথা যে, চাইল্ড ট্ৰেফিকিং ভাৰতৰ ভিতৰতে অসমতে আটাইতকৈ বেছি । গতিকে এইটো আমি ৰোধ কৰিব নোৱাৰিলে আমাৰ সমাজখন বেয়ালৈ গতি কৰিব । মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মডেল অংগনবাড়ী চেন্টাৰৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়াই কিছু ব্যৱস্থা লৈছে কিন্তু যিটো হাৰত আমি পাব লাগিছিল পোৱা নাই । কিছুমান বিভিন্ন কাৰণত হয়তো এইবিলাক সম্পূৰ্ণ হোৱা নাই। যিহেতু মাননীয় মন্ত্ৰী মহোদয়া ইয়াত উপস্থিত আছে গতিকে মই ক'বলৈ বিচাৰিছো যে, চাইল্ড ট্ৰেফি কিঙৰ ওপৰত যোৱা ১৩ তাৰিখে বিধায়ক ভাস্কৰ বৰুৱাৰ প্ৰশ্নৰ উত্তৰ দিছিলে যে ২০২১ বৰ্ষৰ পৰা ২০২৩ বৰ্ষলৈ ঘৰৰ পৰা হেৰোৱা শিশুৰ সংখ্যা ৩৭৭৯ টা ইয়াৰ ভিতৰত ৩৪১৯ টা শিশু উদ্ধাৰ কৰা হৈছে কিন্তু এতিয়াও ৪০৭ টা শিশু উদ্ধাৰ কৰিব পৰা নাই । এই শিশুবিলাক ক'ত গ'ল। ইয়াৰ বাবে চৰকাৰৰ সমাজকল্যাণ বিভাগে কি ব্যৱস্থা লৈছে । আজি তেখেতসকলে কৈছে যে, ফাৰ্ষ্ট ট্ৰেক কোৰ্ট কৰা হৈছে বা বিটিআৰতো বিশেষকৈ এন্টি হিউমেন ট্ৰেফিকিং ইউনিট গঠন কৰা হৈছে । স্পেচিয়েল জুভেনাইল পুলিছ ইউনিট গঠন কৰা হৈছে ।

**( মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট )**

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাজতে অংগনৱাড়ী কৰ্মীসকলক অৰুণোদয় আঁচনি দিম বুলি কোৱা হৈছিল। কিন্তু এতিয়ালৈকে পোৱা নাই। তাতোকৈ ডাঙৰ কথা যে আমাৰ দিব্যাংগ সকলৰ বাবে চৰকাৰে ঘোষণা কৰিছিল যে তেখেতসকলক অৰুণোদয় আঁচনিত অন্তৰ্ভূক্ত কৰিব লাগে। কিন্তু মই এখন বাতৰি কাকতত পাইছো যে অৰুণোদয় আঁচনি পূৰ্বৰ ১ লাখ ৬০ হাজাৰ দিব্যাংগৰ ভিতৰত বৰ্তমান ৩০ হাজাৰ দিব্যাংগইহে পাইছে। তাৰ মানে ১ লাখ ৩০ হাজাৰ দিব্যাংগ এতিয়াও অৰুণোদয় আঁচনিৰ অন্তৰ্ভূক্ত হোৱা নাই। এইটো খুব ডাঙৰ কথা। তেখেত সকল যিহেতু আমাৰ সমাজৰ কাৰণে অতি প্ৰয়োজনীয় সেয়েহে মই এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো যাতে এই ৰৈ যোৱা দিব্যাংগ সকলেও যাতে এইখিনি পায়। আমাৰ দিব্যাংগ সকলে ১ হাজাৰ টকাকৈ পাই আছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১২৫০ টকাটো অৰুণোদয়ৰ লগত টেগ কৰি দিব বুলি কৈছিল। কিন্তু এতিয়ালৈকে হোৱা নাই। দিব্যাংগ সকলে মাহিলী যি পইচা পায়, সেইটো অৰুণোদয়ৰ লগত টেগ নকৰি বেলেগকৈ কিছু টকা বঢ়াই দিব পাৰি নেকি? কিছুমানে ৩ হাজাৰ টকাকৈ দিব লাগে বুলি দাবী কৰি আছে। মই ইমান দিব লাগে

বুলি কোৱা নাই। কিন্তু এটা Resonable amount দিব লাগে। যাতে তেওঁলোকে ঘৰ-পৰিয়াল পৰিচৰ্য্যা কৰিব পাৰে। তাৰ বাবে ব্যৱস্থা কৰিব লাগে। চৰকাৰৰ ভাল এখন আঁচনি হৈছে, মডেল অংগনৱাড়ী চেণ্টাৰ। মাননীয় মন্ত্ৰী মহোদয়ে মোৰ তাৰ পৰাও লিষ্ট লৈছে আৰু তাৰ পৰা কিছু অংগনৱাড়ী চেণ্টাৰো দিছে। আমাক বিৰোধী পক্ষক কম দিছে আৰু শাসকীয় পক্ষক বেছি দিছে। সেই বিষয়ে মোৰ ক'বলগীয়া নাই। মই আৰু এটা অনুৰোধ কৰিব বিচাৰিছো যে আৰু বেছি মডেল অংগনৱাড়ী চেণ্টাৰ দিব লাগে। এই ক্ষেত্ৰত শাসক বিৰোধী বুলি বিচাৰ কৰিব নালাগে। কাৰণ এখন ৰাজ্যত উন্নতি হ'বলৈ হ'লে এটা অঞ্চল ভাল হ'ব আৰু বাকীখিনি কমি থাকিব, সেইটো হ'ব নোৱাৰে বা নালাগে। অংগনৱাড়ীৰ কৰ্মী আৰু সহায়িকাৰ মজুৰীৰ ক্ষেত্ৰত বৃদ্ধি কৰি সকাহ দিব লাগে আৰু দিব্যাংগসকলৰো যি মাহিলী ১১ শ টকা আছিল সেইটোও বৃদ্ধি কৰিব লাগে আৰু অন্যান্য সা-সুবিধা যেনে-মডেল অংগনৱাড়ী চেণ্টাৰ সকলো বিধায়ককে সমপৰ্য্যায়ত দিব লাগে যাতে আমি ৰাজ্যখনক আগুৱাই লৈ যাব পাৰো। এই ক্ষেত্ৰত চৰকাৰক ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাই মই মোৰ বক্তব্য সামৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী বিশ্বজিৎ ফুকন ডাঙৰীয়াই কওঁক।

**শ্ৰী বিশ্বজিৎ ফুকন, (সৰুপথাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম চৰকাৰে শিশু আৰু মহিলাক উন্নয়ণৰ জৰিয়তে অসমৰ শিশু আৰু মহিলাৰ সামগ্ৰীক বিকাশৰ বাবে বিশেষকৈ যিসকল সমাজৰ কম উপাৰ্জনৰ ব্যক্তি, যিসকলৰ প্ৰয়োজন অতি বেছি, তেওঁলোকৰ বাবে বিগত সময়ছোৱাত অভূতপূৰ্ব আঁচনি হাতত লৈছে। এই আঁচনিৰ জৰিয়তে অসমত শিশু সকলৰ ভৱিষ্যতৰ বাবে অসম চৰকাৰে কৰা কামখিনিৰ বাবে আমি সকলোৱে প্ৰশংসা কৰিবই লাগিব। অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে ছয় মাহৰ পৰা তিনি বছৰলৈ আৰু তিনি বছৰৰ পৰা ছয় বছৰলৈ যিসকল শিশুক আমি শিক্ষাদান কৰি আহিছো আৰু খাদ্য যোগান ধৰি আহিছো, ইয়াৰ সংখ্যা যদি আমি চাওঁ, তেতিয়াহ'লে দেখা পাম যে তিনি বছৰলৈ প্ৰায় বাৰ লাখ উনত্ৰিশ হাজাৰ এশ চাৰিজন শিশুৱে বৰ্তমান সময়ত অসমৰ অংগনৱাড়ী কেন্দ্ৰসমূহলৈ আহি আছে আৰু তিনি বছৰৰ পৰা ছয় বছৰৰ ভিতৰত যোল্ল লাখ বিশ হাজাৰ ছয় শ সত্তৰ জন শিশু এই বিদ্যালয়লৈ আহি আছে আৰু সৰ্বমুঠ আঠাইশ লাখ উনপঞ্চাশ হাজাৰ এশ চৌসত্তৰ জন শিশুৰ যত্ন সমাজকল্যাণ বিভাগে অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে লৈ আছে। সমাজকল্যাণ বিভাগে যোৱা সময়ছোৱাত প্ৰকৃতাৰ্থত সমাজকল্যাণৰ কাৰণে কাম কৰিছে আৰু ইয়াৰে এটা খুব ভাল উদাহৰণ হ'ল যে মডেল অংগনৱাড়ী কেন্দ্ৰসমূহ। অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেৱৰ বলিষ্ঠ নেতৃত্বত শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানীৰ নেতৃত্বত প্ৰায় দহ হাজাৰ মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে আৰু ইতিমধ্যে প্ৰায় চাৰি হাজাৰ দুশ উনৈশ টা মডেল অংগনৱাড়ী কেন্দ্ৰ হয়তো নিৰ্মাণ হৈ আছে। তাৰে প্ৰথম এক হাজাৰ সম্পূৰ্ণ হৈছে আৰু বাকীখিনি নিৰ্মাণৰ বিভিন্ন পৰ্য্যায়ত আছে। ইয়াৰ কাৰণে ইতিমধ্যে প্ৰায় এক হাজাৰ চৌৱন্ন কোটি টকা অসম চৰকাৰে কেৱল মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে খৰচ কৰিছে। এই মডেল অংগনৱাড়ী কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ ফ্ৰেণ্ডলি ফাৰ্নিচাৰ, শৌচাগাৰ দিয়া হৈছে। জলজীৱন মিচনৰ জৰিয়তে তেওঁলোকক বিশুদ্ধ খোৱা পানীৰ যোগান ধৰা হৈছে। তাত এ পি ডি চি এল পৰা বিদ্যুৎ সংযোগ দিয়া হৈছে। সকলো দিশৰ পৰা এই মডেল অংগনৱাড়ী কেন্দ্ৰ সমূহ এটা ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ উন্নয়ণ কৰা হৈছে। এই মডেল অংগনৱাড়ী কেন্দ্ৰই হওঁক বা বিভিন্ন অংগনৱাড়ী কেন্দ্ৰই হওঁক ইয়াত যিসকল অংগনৱাড়ী কৰ্মী আৰু সহায়িকা আছে, সেই সকলৰ আগতে অৱসৰৰ কোনো উচ্চ বয়স নাছিল।

যেতিয়ালৈকে তেওঁলোক শাৰীৰিকভাৱে সক্ষম হৈ আছিল, যেতিয়ালৈকে তেওঁলোকে কাম কৰিব পাৰিছিল, সেই দিনালৈ অংগনৱাড়ী কেন্দ্ৰলৈ গৈছিল আৰু যিদিনাই তেওঁলোকে যাব নোৱাৰা হৈছিল, কোনো আনুষ্ঠানিকতা নোহোৱাকৈ তেওঁলোকে অংগনৱাড়ী কেন্দ্ৰৰ পৰা বিদায় লৈছিল আৰু যাবৰ সময়তো তেওঁলোকৰ হাতত কোনোধৰণৰ আৰ্থিক সমৰ্থন চৰকাৰৰ তৰফৰপৰা প্ৰদান কৰা হোৱা নাছিল। বৰ্তমান চৰকাৰে এটা বলিষ্ঠ সিদ্ধান্ত লৈছে যে যিবিলাক অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীসকলৰ অৱসৰৰ বয়স ষাঠি বছৰ নিশ্চিত কৰিছে, তেওঁলোকক অৱসৰ কালীন এককালীন সাহাৰ্য্য চাৰি লাখ টকা প্ৰদান কৰা হৈছে। তাৰ লগতে মিনি অংগনৱাড়ী কেন্দ্ৰ কৰ্মী সকলক তিনি লাখ টকা দিয়া হৈছে আৰু যিসকল সহায়িকা বা হেল্পাৰ আছে, তেওঁলোককো দুই লাখ কৈ টকা দিয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এগৰাকী অংগনৱাড়ী কৰ্মীয়ে তেওঁৰ জীৱনত যি সেৱা আগবঢ়াই যায়, তাৰ স্বীকৃতি এই চৰকাৰখনে দিছে আৰু ইয়াৰ ফলস্বৰূপে অংগনৱাড়ী কৰ্মীসকলৰ কাম কৰাৰ হাবিয়াস, ইচ্ছা আৰু কৰ্ম প্ৰেৰণা বৃদ্ধি পাইছে। যেতিয়া নতুনকৈ অংগনৱাড়ী কৰ্মীসকলৰ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হৈছে, এটা স্বচ্ছ আৰু নিকা পদ্ধতিৰ মাজেৰে তেওঁলোকক নিযুক্তি দিয়া হৈছে। পূৰ্বতে কি হৈছিল যে অংগনৱাড়ী কৰ্মীৰ প্ৰয়োজন আছে, গতিকে সেই অঞ্চলৰ প্ৰভাৱশালী ব্যক্তিসকলৰ নিৰ্দ্দেশত, কোনোবা ৰাজনৈতিক নেতাৰ নিৰ্দ্দেশত কাৰোবাৰ জৰিয়তে নিযুক্তি দিয়া হৈছিল। এতিয়া অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী নিয়োগ কৰিবৰ কাৰণে সেই গাওঁখনৰে মহিলা সকলে আবেদন কৰিব পাৰে, সেই গাওঁৰ ভোটাৰ তালিকাত তেওঁলোকৰ নাম থাকিব লাগিব আৰু আবেদন কৰা সকলৰ ভিতৰত পৰীক্ষাৰ পাৰ্চেণ্টেজ যাৰে আটাইতকৈ বেছি, তেওঁকে নিযুক্তি দিয়া হয়। ইয়াত কাৰো কোনোধৰণৰ হস্তক্ষেপ নচলে। স্বচ্ছ আৰু নিকা পদ্ধতিৰ মাজেৰে যোৱা সময়ছোৱাত বহুখিনি অংগনৱাড়ী কৰ্মীক নিযুক্তি দিয়া হৈছে। অসমত আজিৰ তাৰিখত প্ৰায় ৬০,৩৫৬ গৰাকী অংগনৱাড়ী কৰ্মী, ৫৪,৫৪৮ গৰাকী সহায়িকা আৰু ৬১,৮৪৫ টা অংগনৱাড়ী কেন্দ্ৰ আছে। এই অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীসকলৰ পঢ়োৱাৰ মান যাতে উন্নত হয় তাৰ বাবে চৰকাৰে SCERT ৰ জৰিয়তে কৰ্মীসকলক ৬ মহীয়া certificate course দিয়াৰ ব্যৱস্থা কৰিছে। এই certificate course ৰ জৰিয়তে অংগনৱাড়ী কৰ্মীসকলৰ পাৰদৰ্শিতা বৃদ্ধি কৰিব পাৰি। এইখিনিতে মোৰ এটা কথা মনত পৰিছে। যোৱা ১৪ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে 'গাওঁ চলো' অভিযানৰ জৰিয়তে সৰুপথাৰৰ ৰজাপুখুৰী গাঁৱলৈ গৈছিল। সেইদিনা বাৰঘৰীয়া অংগনৱাড়ী কেন্দ্ৰৰ উৎপল বৰা নামৰ ৩ বছৰ ৪ মাহ বয়সৰ ছাত্ৰজনে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সন্মুখত কেইবাটাও কবিতা পাঠ কৰি আৰু কুশল কোঁৱৰৰ জীৱনী কৈ পাৰদৰ্শিতা দেখুৱাইছিল। মাননীয় উপাধ্যক্ষ মহোদয়, যিকোনো ধৰণৰ বে-চৰকাৰী বা চৰকাৰী বিদ্যালয় বা Kidzee ৰ দৰে স্কুলৰ ছাত্ৰ-ছাত্ৰীতকৈ তেওঁৰ যোগ্যতা যে বহুত বেছি, সেইদিনা তাত উপস্থিত থকা লোকৰ লগতে সামাজিক মাধ্যমৰ জৰিয়তে লাখ লাখ মানুহে দেখিছে আৰু এই কথাখিনি প্ৰমাণিত হৈছে। এনে ধৰণৰ উৎকৃষ্ট মানৰ ছাত্ৰ অংগনৱাড়ী কেন্দ্ৰৰ দ্বাৰা উলিয়াই আনিব পৰাৰ বাবে মাননীয় মন্ত্ৰী মহোদয়াক অভিনন্দন জনাইছো। কাৰণ ই এটা success story। অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে আমি এইখিনি কাম কৰিব পাৰিছো। ইয়াৰ লগতে, সমাজ কল্যাণ বিভাগে পোষণ মাহৰ জৰিয়তে শিশু-মাতৃ সকলোৰে যাতে উপযুক্ত পুষ্টি, খাদ্য পায় তাৰ বাবে ব্যৱস্থা কৰিছে। যদি উপযুক্ত ভাৱে খাদ্য নাপায়, শিশুসকলক আমি যদি উপযুক্ত ভাৱে বিকাশত সহায় কৰিব নোৱাৰো তেন্তে শিশুসকলৰ ভৱিষ্যত দিনত স্বাস্থ্য ভাগি পৰিব। যোৱা বছৰ কেইবা লাখ গৰ্ভৱতী মহিলাৰ অংগনৱাড়ী কেন্দ্ৰসমূহত স্বাস্থ্য পৰীক্ষা কৰা হৈছিল। নিয়মিতভাৱে তেওঁলোকৰ চিকিৎসাৰ বাবে যিবিলাক টিকা দিবলগীয়া

হয়, তাৰ বাবে অংগনৱাড়ী কেন্দ্ৰসমূহে বিগত সময়চোৱাত কাম কৰি আহিছে। চাহ-বাগিচা অঞ্চলত খাদ্যৰ সঠিক প্ৰয়োগৰ অভাৱত বহু শিশু অপুষ্টিত ভোগা আমি দেখিবলৈ পাওঁ। এনেধৰণৰ শিশু এজনে অপুষ্টিত ভুগি আমাৰ সমাজত সঠিকভাৱে আগবাঢ়ি যোৱাত যাতে অসুবিধা নহয়, তাৰ বাবে সজাগতাৰ দৰে ডাঙৰ অনুষ্ঠান চাহ-বাগিচা অঞ্চলসমূহত কৰিছে। যোৱা সময়চোৱাত যোৰহাট, গোলাঘাট, শোণিতপুৰ জিলাত সমাজ কল্যাণ বিভাগে চাহ-বাগিচাৰ হাজাৰ হাজাৰ মহিলা আৰু শিশুক লৈ যি সজাগতামূলক সভা কৰিছিল, মই ভাৱো যে এই সভাৰ জৰিয়তে চাহ-বাগিচা অঞ্চলৰ শিশু আৰু মহিলাসকলৰ মাজত শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰত অধিক সজাগতা বৃদ্ধি পাইছে। মাননীয় উপাধ্যক্ষ মহোদয়, সমাজ কল্যাণ বিভাগৰ জৰিয়তে শিশু সকলক উলিয়াই অনাৰ এই মূহুৰ্তত মই ভাৱো যে আমাৰ বাবে কৰ্তন প্ৰস্তাৱৰ কোনো প্ৰাসংগিকতা নাই। আহি থকা দিনবোৰত এই ১০ হাজাৰ মডেল অংগনৱাড়ী কেন্দ্ৰৰ জৰিয়তে ভাৰতবৰ্ষৰ যিকোনো ঠাইৰ লগতে অংগনৱাড়ী কেন্দ্ৰ আৰু সমাজ কল্যাণ বিভাগৰ মান ওপৰলৈ নিব পাৰিব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত অংগনৱাড়ী কৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। ভাৰতবৰ্ষৰ ভিতৰত অসমেই প্ৰথম ৰাজ্য য'ত ৪-৫ খন জিলাত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত অংগনৱাড়ী কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হৈছে। গতিকে মই ভাৱো আহি থকা দিনবোৰত ইয়াক আৰু আগুৱাই লৈ যোৱা হ'ব। প্ৰয়োজন সাপেক্ষে কোনো মহাবিদ্যালয় বা অন্যান্য শিক্ষানুষ্ঠানৰ লগত tie up কৰি ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত, নিৰ্দিষ্ট syllabus ৰ জৰিয়তে প্ৰশিক্ষণ দিব পাৰিলে আমাৰ অংগনৱাড়ী কৰ্মীসকলৰ অধিক বিকাশ হ'ব। উপাধ্যক্ষ মহোদয়, মই এইখিনি কথাকে কৈ সমাজ কল্যাণ বিভাগৰ বিগত সময়চোৱাত যি বিকাশ আৰু উন্নয়ন অসমৰ প্ৰত্যেকখন গাওঁ, চুবুৰীৰ শিশুসকলক খাদ্য আৰু শিক্ষা প্ৰদানৰ জৰিয়তে তেওঁলোকৰ অনানুষ্ঠানিক শিক্ষাৰ শুভাৰম্ভৰ মূহুৰ্তত, শিক্ষাৰ যাত্ৰাত তেওঁলোকক যিদৰে আগবঢ়াই দিয়া হৈছে, ইয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়, এই বিভাগৰ মন্ত্ৰী অজন্তা নেওগ বাইদেউক ধন্যবাদ আৰু কৃতজ্ঞতা জনাই মই মোৰ ক'বলগীয়া সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীমতী শিবামণি বৰা। আপোনাক দলে ৭ মিনিট সময় দিছে।

**শ্ৰীমতী শিবামণি বৰা (বটদ্ৰৱা):** মাননীয় উপাধ্যক্ষ মহোদয়, মহিলা আৰু শিশু উন্নয়ন বিভাগে মুঠ আৱণ্টি ত পুঁজিৰ দুই-তৃতীয়াংশতকৈ অধিক পুঁজি সংহত শিশু উন্নয়ন আঁচনি অৰ্থাৎ ICDSত খৰচ কৰে। ICDS ৰ মূল চালিকা শক্তি হৈছে অংগনৱাড়ী কৰ্মী আৰু অংগনৱাড়ী সহায়িকা। তেওঁলোকক বাদ দি সংহত শিশু উন্নয়ন আঁচনিখনৰ কথা কল্পনাই কৰিব নোৱাৰি। অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সকলে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অতিপাত মূল্যবৃদ্ধিৰ পিছতো সামান্য মাননি লৈ নিষ্ঠাৰে কাম কৰি যাবলগীয়া হৈছে। বিভিন্ন সময়ত চৰকাৰে তেওঁলোকক বিভিন্ন বিভাগৰ কামৰ দায়িত্ব দিয়ে কিন্তু তেওঁলোকে নিষ্ঠাৰে পালন কৰি আহিছে। মাননি বৃদ্ধিৰ বাবে তেওঁলোকে দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে। তাৰ ফলত আঁচনি ৰূপায়ণত ব্যাঘাত জন্মিছে। দুখৰ কথা এই যে মহিলা আৰু শিশু উন্নয়ন বিভাগৰ সঞ্চালকে ২০২৩ চনতে অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলৰ মাননি বৃদ্ধি কৰাৰ বাবে চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছিল কিন্তু আজি পৰ্যন্ত সেই প্ৰস্তাৱ কাৰ্য্যকৰী হোৱা নাই। আমাৰ ভৱিষ্যত প্ৰজন্মৰ স্বাস্থ্য, পুষ্টি, মানসিক বিকাশ, প্ৰাক্-প্ৰাথমিক শিক্ষা আদিৰ দৰে অতি গুৰুত্বপূৰ্ণ কাম কৰ্মী-সহায়িকাসকলে কৰে যদিও Skilled labourতকৈও ন্যূনতম মজুৰী, কম মাননি দিয়াটো অতি দুৰ্ভাগ্যজনক। অমৃত কালত অংগনৱাড়ী

কৰ্মী আৰু সহায়িকাসকলৰ প্ৰাপ্য মাননি বৃদ্ধি কৰাৰ পৰিৱৰ্তে চৰকাৰে হিতাধিকাৰীৰ সংখ্যা বৃদ্ধিতহে ব্যস্ত আছে। সততে কোৱা যায় যে বৰ্তমান অমৃত কাল চলি আছে, অমৃত সৰোবৰ, অমৃত ৰাস্তা, অমৃত যাত্ৰা, সকলোতে অমৃত অমৃত অমৃত। কিন্তু আমাৰ এই অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলে এই অমৃত কালত কি অপৰাধ কৰিলে? তেওঁলোকে এই অমৃত কালৰ যাত্ৰী হ'ব নোৱাৰিলেহেঁতেন নেকি? তেওঁলোকক এই অমৃত কালৰ সহযোগী কৰিব পাৰিলেহেঁতেন নিশ্চয়। যি নহওঁক, সততে মহিলাসকলক লৈয়ে ৰাজনীতি কৰি থাকে। আজি যুগ যুগ ধৰি ৰাজনীতি কৰিয়েই আছে। মহিলাসকলক লৈ যদি ৰাজনীতি কৰেই, তেন্তে এই অমৃত কালত মহিলাসকলক অমৃত কিয় দিব নোৱাৰিলে? ২০২৪-২৫ বৰ্ষৰ বাজেটত ৫০০০টা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰাৰ কথা ঘোষণা কৰিছে। আগৰ দুটা বৰ্ষৰ দৰে এইবাৰো অংগনৱাড়ী কেন্দ্ৰৰ সংখ্যা চৰকাৰক সমৰ্থন কৰা বিধায়ক থকা সমষ্টিত আৰু প্ৰকৃত বিৰোধী সদস্য থকা বিধান সভা সমষ্টিত বেলেগ বেলেগ হ'ব নেকি? আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ সমিতিসমূহ শাসকীয় দলসমূহৰ আৰু অন্যান্য কিছু নিৰ্দিষ্ট বিধায়কৰ recommendation ত গঠন কৰা হয়। অৱশ্যে এনে ধৰণৰ কাম এই চৰকাৰৰ দিনতেই সকলো বিভাগতে হৈছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক সৌ সিদিনা কোৱা দেখিলো যে এতিয়াৰ পৰা উত্তৰ কৰিমগঞ্জ আৰু মঙ্গলদৈ বিধানসভাত উন্নয়ন হব। অসমত ৰাজনীতি আগতে ইমান নিম্ন স্তৰত কৰা হোৱা নাছিলে এইকাৰণে কৈছো যে সমবিকাশ হলেহে ৰাজ্যখনত প্ৰকৃত বিকাশ হব আৰু মাননীয় মুখ্যমন্ত্ৰীক আপোনালোকে কৈয়ে থাকে আৰু সকলোৱে কৈয়ে থাকে আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰত তৃতীয় স্থানত দেখিবলৈ বিচাৰা কিন্তু সমবিকাশ যদি সমানভাৱে যদি চকুৰে নাচায় সমবিকাশ কেনেকৈ হ,ব। আমাৰ ৰাজ্যখনৰ সৰহ সংখ্যক কন্যা শিশু , মাতৃসকল ৰক্তহীনাতাৰ ভোগাটো অতি চিন্তনীয় বিষয় Distribution of Nutrtion food supplementary Nutrition program tution অভিযান আৰু one food program ছোৱালীৰ বাবে আৰু ১৪ বছৰৰ পৰা ১৮ বছৰৰ seheme for adolation girls আদি আচনিসমূক ৰূপায়ন হৈ থকাৰ পিছতো ভৰিষ্যতৰ মাতৃসকলক ৰক্তহীনতাৰ মুক্ত কৰিব নোৱাৰাটো এটা ডাঙৰ ব্যৰ্থতা **বুলিয়ে** কব লাগিব। বিভাগে এই ক্ষেএত জৰুৰী ৰোট গেট তৈয়াৰ কৰিব লাগিব । একে কথাখিনিকে সদনত কেইবাবাৰো কলো তথাপিত্ত কোনো ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। ভৰিষ্যতৰ মাতৃসকল ৰক্তহীনতা ভোগা যিটো পৰিনাম হব এই সম্পৰ্কে অকনমান চিন্তা কৰিবলগীয়া আছে চৰকাৰৰ, কাৰণ ভৰিষ্যতে যদি মাতৃসকল ৰক্তহীনতাত পৰে। তাৰ পৰিণাম কিন্তু অতি ভয়াৱহ হব। মাননীয় অধ্যক্ষ মহোদয় Mission for prvemtion of child moriagr শিতানত ২০০ কৌটি টকা ২০২৩-২০২৪ চনত বাজেটত মঞ্জুৰি দিয়া হৈছিল। **২০২৪ -২৫ বৰ্ষত আকৌ** ৫০ কৌটি টকাৰ মঞ্জুৰি দাখিল কৰিছে । এইক্ষেত্ৰত কেৱল ঘোষণাহে হ'ল নে আন কিবা কাম হ'ব বা হ'ল মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। অধ্যক্ষ মহোদয় মহিলা আৰু শিশু উন্নয়ন বিভাগে ৰূপায়ন কৰি থকা অতি গুৰুত্বপূৰ্ণ আচনিসমূহ যেনে one step crises centre , shaktisadhan , sexual harresment of women in work places, মহিলা সমৃদ্ধি schemes, sghemas for protection og women form domestie violence, নাৰী আদালত প্ৰধানমন্ত্ৰী মাতৃ যোজনা আদি আচনিসমূহ যিদৰে ৰূপায়ণ হ'ব লাগিছিল সেইদৰে ৰূপায়ণ হৈ থকা নাই কাৰণ এই আচনিসমূহৰ বিষয়ে সৰ্বসাধাৰণ ৰাইজে এতিয়ালৈকে ভালকৈ জনাই নাই। কোনো সজাগতাই নাই, কোনো ৰাইজে মানে সজাগতা কাৰণে কোনো পদক্ষে পো লোৱা নাই। এয়া উদাহৰণ স্বৰূপে মাননীয় অধ্যক্ষ মহোদয় মই আৰু এটা কথা ক'ব

খুজিছো যে কিশোৰীসকল আজি অলপ দিনৰ পৰা অসমৰ বিভিন্ন প্ৰান্ত পৰা আমাৰ হাতত ৰেকৰ্ড থকা মতে **৩৭** গৰাকী কিশোৰী অসমৰ বিভিন্ন স্থানলৈ গৈছে । অসমৰ বিভিন্ন স্থানত তেওঁলোকে গৈছে, কি কাৰণে গৈছে কিয় গৈছে তাৰ কোনো ৰেকৰ্ড নাই । গতিকে women and children যিটো বিভাগ, তেখেতসকলে এনেকুৰা কৰিব নোৱাৰে নেকি যে অসমত কিমান কিশোৰী আছে কি পৰ্য্যায়ত আছে কেনেকৈ আছে অকণমান সজাগ কৰিব পাৰে Departmentৰ জৰিয়তে এই কামখিনি নিশ্চয় কৰিব পাৰে কিশোৰী সকলৰ মনোভাৱ কিয় এনেকুৰা হৈছে যে বাহিৰলৈ গুচি গৈছে তেওঁলোক এইখিনি কথা মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো , অধ্যক্ষ মহোদয়ে বাজেট ভাষণত দিয়া তথ্যত দেখিলো **২০২২, ২০২৩** আৰু **২০২৪** এই তিনিটা বছৰত প্ৰায় **৯৫** জনক বিভিন্ন শিতানত চাকৰি নিযুক্তি দিলে কিন্তু মহিলা আৰু শিশু উন্নয়ন বিভাগত মাত্ৰ ৪ জন অধ্যক্ষ মহোদয় মাত্ৰ ৪ জনক তিনিটা বছৰত নিযুক্তি দিলে ইয়াতো মহিলাসকল Deprive ,অৱশ্যে প্ৰতিশ্ৰুতি আছিল বিভিন্ন বিভাগত বছৰি **১** লাখ টকাৰ চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি আছিলে যি নহত্তক তাতো মহিলাক মাত্ৰ **৩ বছৰত** ৪ জনহে মহিলাৰ পৰা নিযুক্তি দিলে। অধ্যক্ষ মহোদয় অংগনাবাড়ী কৰ্মী আৰু অংগনাবাড়ী সকললৈ অৱসৰ কালীল লাভালাভ বা Benefit টো পাবৰ কাৰণে তেওঁ Office দুৱাৰে দুৱাৰে ঘুৰি ফুৰিবলগীয়া হৈছে এতিয়াও কিমান ফলপ্ৰসু হৈছে মই নাজানো এইটো মাননীয় মন্ত্ৰী মহোদয়ে ক'ব। শেষত মই সকলো চালি জাৰি চালো যে এই বিভাগটো যিমানখিনি আগবাঢ়িব লাগিছিলে সিমানখিনি আগবাঢ়িব পৰা নাই। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়, মই মহিলা আৰু শিশু উন্নয়ন বিভাগৰ মঞ্জুৰী দাবী কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,বিৰোধীয়ে যিটো মহিলা আৰু শিশু উন্নয়ণ বিভাগত কৰ্তন প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই সদনত দুআষাৰমান কথা ক'ব বিচাৰিছো আৰু আপুনি মোক সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে আমাৰ দেশখন এখন গণতান্ত্ৰিক দেশ আৰু এখন কল্যাণকামী ৰাষ্ট্ৰ। এই কল্যাণকামী চৰিত্ৰটোৰ বাবেই আমি বিশ্বৰ অন্যান্য সভ্যতাবিলাক বা অন্যান্য শাসন ব্যৱস্থা বিলাকৰ পৰা আমি কিছু সুকীয়া আৰু পৃথক হিচাপে ইতিমধ্যে আবহমান কালৰ পৰা আমি পৰিগণিত হৈ আহিছো আৰু ভৱিষ্যতেও হয়তো আমাৰ দেশৰ এই কল্যাণকামী চৰিত্ৰটো অটুট থাকিব। তদানুৰূপ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া নেতৃত্বাধীন এই চৰকাৰখনৰ যি কল্যাণকামী চৰিত্ৰটো অটুট থাকিব, সেইকাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াণীয়ে তেখেতৰ বাজেট প্ৰস্তুত কৰোতে মহিলা আৰু শিশু সকলৰ কল্যাণৰ দিশটো বিশেষভাৱে উল্লেখ কৰিছে আৰু মহিলাসকলক সমাজত শক্তিশালী কৰিবৰ কাৰণে, empowerment কৰিবৰ কাৰণে, শিশুসকলক সৰ্বাঙ্গীন বিকাশ আৰু উন্নতি কৰিবৰ কাৰণে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহন কৰিছে। কিছুমান আঁচনি মহিলা আৰু শিশু উন্নয়ণ বিভাগটোৰ লগত জড়িত আৰু কিছুমান মহিলা উন্নয়ণৰ আঁচনি বেলেগ বেলেগ বিভাগৰ লগত জড়িত। কিন্তু আজি যিহেতুকে ইয়াত মহিলা আৰু শিশু উন্নয়ণৰ কথা কোৱা হৈছে, এই প্ৰসঙ্গত কথা কওঁতে মই হয়তো অন্যান্য বিভাগৰ কথাও ক'বলগা হ'ব পাৰে।

উপাধ্যক্ষ মহোদয়, আমি এই গোটেই কামখিনি কৰি গৈ থাকোতে আমাৰ ৰাষ্ট্ৰখনৰ যি আদৰ্শ সেই আদৰ্শখিনিকো আমি প্ৰতিষ্ঠা কৰিব বিচাৰো। এই আদৰ্শবিলাক আমাৰ সনাতন ধৰ্মৰ

যি সভ্যতা, এই ভাৰতীয় যি সনাতন হিন্দু সভ্যতা এই সভ্যতাই আমাক যুগ যুগ ধৰি এইবিলাকৰ বাবে উৎসাহিত কৰি আহিছে আৰু আমি তাৰ পৰা গ্ৰহণ কৰি আহিছো। আমি যদি যীশুখ্ৰীষ্টৰ জন্মৰ ২০০ বছৰ আগৰ কথা ক'ব খোজো, 'মনুস্মৃতি' নামৰ এখন গ্ৰন্থত কোৱা হৈছিল যে 'ৰাষ্ট্ৰশ্য শ্ৰাব, নাৰী অস্তি, নাৰী ৰাষ্ট্ৰশ্যঃ অক্ষিঅস্তি' অৰ্থ্যাৎ মহিলা হ'ল আমাৰ দেশৰ ভৱিষ্যৎ বা জাতিৰ ভৱিষ্যৎ আৰু মহিলা সকল হ'ল আমাৰ জাতিৰ এক দৃষ্টি। অৰ্থ্যাৎ The eye of the nation বুলি কোৱা হৈছিল। গতিকে এই যিটো পটভূমি তাৰ পৰাই আমাৰ এই কল্যাণকামী চৰিত্ৰটো নিৰ্মাণ হৈছে। সেইকাৰণে আমি ইয়াৰ আধাৰত এই ৰাষ্ট্ৰখনত থকা প্ৰায় ৪৮.৪১ শতাংশ যি মহিলা তাৰে ৪৬ শতাংশ শিশু। এই ইমান শতাংশ মহিলা আৰু শিশু সকলৰ উন্নয়ণৰ বাবে আজি ৰাষ্ট্ৰখনে বিভিন্ন ধৰণে কাম কৰি গৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰেও মহিলা আৰু শিশু সকলৰ উন্নয়ণৰ বাবে বিভিন্ন ধৰণৰ আঁচনি লৈছে। মই ইতিমধ্যে কৈছো যে কিছুমান আঁচনি মহিলা আৰু শিশু সকলৰ উন্নয়ণ বিভাগৰ ভিতৰত নাই পৰা যদিও এই চৰকাৰখনে বাজেটত অন্তৰ্ভুক্ত কৰিছে। তাৰ ভিতৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ যিবিলাক আঁচনি আছে, সেইবিলাক আমি নিশ্চয় সকলোৱে জানো। আমি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ কথা ক'ব পাৰো। মুখ্যমন্ত্ৰীৰ মইনা আঁচনিৰ কথা ক'ব পাৰো। আজি যিবিলাক ছোৱালী স্কুলত পঢ়ি আছে, সিঁহতে এদিন গৈ মহিলা হ'বগৈ। আজি ১০ লাখ আমাৰ ৰাজ্যখনৰ ছোৱালীলৈ বা কন্যা শিশুলৈ এই আঁচনিখন আগবঢ়াইছে। ইয়াৰ যোগেদি আমাৰ ভৱিষ্যৎ মহিলা সমাজখনৰ উন্নয়ন সাধন হ'ব। সিহতবোৰ শিক্ষিত হ'ব আৰু ভাল মানুহ হৈ আমাৰ ৰাষ্ট্ৰখনৰ নিৰ্মাণৰ কামত সকলোৱে আগ ভাগ ল'ব পাৰিব। গতিকে এইবিলাক হৈছে আমাৰ আঁচনিৰ উদাহৰণ। তাৰোপৰি মহিলাৰ উন্নয়নৰ কাৰণে অৰুণোদয় আঁচনি ইয়াত গ্ৰহণ কৰা হৈছে। কাৰণ আৰ্থিক ভাৱে সবল নহলে এটা জাতি এটা পুৰষে হওক বা মহিলাই হওঁক কোনেও ইয়াত উন্নতি সাধন কৰাতো সম্ভৱ নহয়। সেই কাৰণে মহিলা সকলৰ উন্নয়ন সাধন কৰিবৰ কাৰণে আৰ্থিকভাৱে কেনেকৈ টনকীয়াল কৰিব পৰা যায় তাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেটত এই কথাখিনি উল্লেখ কৰিছে। যে ২৭ লাখ ৰ পৰা ৩০ লাখ মহিলাক অৰুণোদয় আঁচনি দিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। তেনেধৰণে জীৱিকা সখী বিলাক যি সকল মহিলাই গাৱে গাৱে ঘুৰি সংগঠন কৰি থাকে, মহিলা সমাজ খনক সংগঠিত কৰে মহিলা সমাজ খনক আগুৱাই নিবৰ কাৰণে ব্যৱস্থা কৰে সেই মহিলা সকলক খোজেৰে যাতে ঘুৰি ফুৰিব লগীয়া নহয়, কম সময়ত যাতে অধিক সেৱা আগবঢ়াব পাৰে তাৰ কাৰণে তেওঁলোকক জীৱিকা সখী এক্সপ্ৰেছ দিয়া হৈছে, স্কুতি প্ৰদান কৰা হৈছে, এই বিলাক মহিলা উন্নয়নৰ নমুনা। তাৰোপৰি আমাৰ মহিলা সকলক বিশেষকৈ আমাৰ গাঁও অঞ্চলত বাস কৰা মহিলা সকলে তেওঁলোকৰ পৰম্পৰা গত যিটো বিত্তি হস্ততাঁতৰ যিটো বিভাগ এই বিভাগৰ যোগেদিও মহিলা সকলক আৰ্থিক ভাৱে শক্তিশালী কৰিব খোজা হৈছে আৰু সেই কাৰণে এইবাৰ এহাজাৰ খন মাইনা খাল দিবৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা কৰিছে। গতিকে এই গোটেই আঁচনি বিলাক আমি যেতিয়া তৰান্নিত কৰি আগুৱাই লৈ যাম তেতিয়া নিশ্চিতভাৱে আমাৰ মহিলা বিলাক শক্তিশালি হ'ব, empowerment হ'ব আৰু এই মহিলা empowermentৰ ক্ষেত্ৰত মই ৰাষ্ট্ৰ সংঘৰ প্ৰাক্তন সচিব প্ৰধান কপিআন্নানৰ এটা বক্তব্য মই উল্লেখ কৰিব খুজিছো তেখেতে মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত কৈছিল there is no tool for development more effective than empowerment of women. অৰ্থাৎ মহিলা সকলক উন্নয়ন কৰাৰ বাহিৰে বেলেগ কোনো

এনেকুৰা উন্নয়নৰ উপাই নাই, যাক আমি ৰষ্ট্ৰখনৰ উন্নয়নৰ দিশত লৈ যাব পাৰো। গতিকে মহিলাক উন্নয়ন কৰাতো অতিকৈ প্ৰয়োজন আছে। সেই কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে আমি তেখেত লোকক ধন্যবাদ জনাইছো। আজি শিশু সকলৰ যদি কথা কোৱা যায় আজিৰ শিশু ভৱিষ্যতে দেশৰ নাগৰিক। এই শিশু সকলক যদি আমি সুন্দৰকৈ নিৰ্মাণ কৰো তেওঁলোকৰ স্বভাৱ চৰিত্ৰ যদি ভালকৈ নিৰ্মাণ কৰো ৰাষ্ট্ৰ ভক্তিৰে যেতিয়া আমি শিশু সকলৰ মন মগজু গঢ়ি তুলিব পাৰো তেতিয়াহলে সেই শিশু জন গৈ এদিন কেতিয়াও ৰাজপথত চিঞঁৰিব যাব নোৱাৰে। দেশৰ বিৰূদ্ধে কেতিয়াও আন্দোলন আৰু কেতিয়াও ধৰ্ণা দিবলৈ যাব নোৱাৰে, তেওঁলোকে কেৱল ৰাষ্ট্ৰ ভক্তিত নিমগ্ন হ'ব, ৰাষ্ট্ৰ ভক্তিৰ বাবে তেওঁলোকে কাম কৰিব। আজি আমি সেই কাৰণে এটা উদান্দ চৰিত্ৰৰ বিপৰীতে সহজ সৰল মানসিকতাৰ ৰাষ্ট্ৰভক্তি, পিতৃ-মাতৃৰ প্ৰতি শ্ৰদ্ধা ভক্তি থকা আধ্যত্মিক চেতনাৰে সম্ৰিদ্ধ আমাৰ শিশু সকলক আজি নিৰ্মাণ কৰিবৰ কাৰণে এই চৰকাৰ খনে বিভিন্ন ধৰণে ব্যৱস্থা লৈছে। তাৰ বাবে আজি অংগনবাড়ী কেন্দ্ৰ বিলাকক পুনৰ নতুনকৈ নিৰ্মাণৰ ব্যৱস্থা কৰিছে এই খন অসমত নতুনকৈ ১০ হাজাৰ মডেল অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ ব্যৱস্থা ললে আৰু যোৱা বছৰ বাইদেউৰ নেতৃত্বত আমি ৫ হাজাৰ অংগনবাড়ী নিৰ্মাণৰ কাম ইতিমধ্যে চলি আছে। মোৰ সমষ্টিত প্ৰায় ১৫ টা অংগনবাড়ী কেন্দ্ৰ নতুনকৈ নিৰ্মাণ কৰিলোঁ আৰু প্ৰায় ৩০ কেন্দ্ৰৰ নিৰ্মাণৰ কাম চলি আছে। অহা ২০২৪ বৰ্ষত আৰু হয়তো ৪০/৫০ টা মানকৈ পাম। গতিকে এনেধৰণে এই অংগনবাড়ী কেন্দ্ৰবোৰ নিৰ্মাণ বিলাক নিৰ্মাণ কৰা হৈছে। এই মডেল অংগনবাড়ী কেন্দ্ৰটো কোনেও ভৱা উচিত নহয় যে এইটো এটা কেৱল মাত্ৰ টিন পাতেৰে ঢাকনি দিয়া ঘৰ, এই বুলি কোনেও ভাবিব নালাগে। এই ঘৰটো এটা সম্পূৰ্ণ আধুনিক ব্যৱস্থা থকা ইয়াত টেবুল চকীৰ পৰা ল'ৰা-ছোৱালীৰ বাবে খুব আকৰ্ষনীয় যি খন টেবুলত কিতাপ পঢ়িব সেই টেবুল খনতে তেওঁলোকে খেলৰ সামগ্ৰী বিচাৰি পায়। তাতে খেলিবৰ কাৰণে প্ৰয়াস কৰে। মই নতুন যেতিয়া অংগনবাড়ী কেন্দ্ৰ বিলাক মুকলি কৰিবলৈ গৈছিলো তেতিয়া শিশু সকলৰ মনত, মুখত যি আনন্দ আৰু হাঁহি বিৰিঙি থকা দেখিছিলো মই নিজে আপ্লুত হৈছিলো। এনে ধৰণৰ ব্যৱস্থা বিলাকৰ যোগেদি শিশু সকলৰ পঢ়াৰ প্ৰতি ধাউতি বাঢ়িছে। সিহতে খোৱাৰ যি সামগ্ৰী, পুস্তিকৰ যি খিনি খাদ্য বিতৰণ কৰা হৈছে সেই খাদ্য বিলাক খাই সিহঁতৰ স্বাস্থ্য ভাল হ'বৰ কাৰণে সক্ষম হৈছে। চহৰীয়া অঞ্চলৰ মানুহে এই বিলাক কথা উপলব্ধি নকৰিব, গাঁও এৰিয়া বাগিছা অঞ্চলৰ দুখীয়া দৰিদ্ৰ কৃষক শ্ৰমিকৰ সন্তানৰ ওচৰলৈ যেতিয়া যোৱা যায় দেখিবলৈ পোৱা যায় যে সিহঁতৰ ঘৰত সপ্তাহত এটা কণি খাবলৈ হয়তো কেতিয়াবা অসুবিধা হৈছে। আজি সেই শিশু সকলক ভাল বুটৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ, কণি আৰু ফলমূল, গাখীৰ খুৱাই সিহঁতক কেনেকৈ স্বাস্থ্যৰ উন্নতি কৰিব পৰা যায় এই কথাখিনিৰ বাবে আমাৰ সমাজ কল্যাণ বিভাগৰ বাইদেউৱে এইখিনি ব্যৱস্থা কৰিছে আৰু তাৰ বাবে আমাৰ শিশু সকলৰ সৰ্বাংগীন বিকাশ আৰু উন্নয়ন হোৱাত সম্ভৱ হৈছে। এই অংগনবাড়ী কেন্দ্ৰ বোৰৰ লগত জড়িত হৈ থকা কৰ্মী আৰু সহায়িকা যি সকল আছে আজি এগৰাকী বিৰোধী দলৰ সদস্যই কৈছে যে অমৃত কালৰ এই শুভ মূহূৰ্তত তেওলোকে কেৱল হিতাধিকাৰীৰ কথা কোৱা বুলি কৈছে, আজি আমি হিতাধিকাৰীৰ হিতৰ যদি কোনোবা অধিকাৰী হয় আমি আনন্দিত হ'ব লাগে, বিৰোধী হলেও কোনোবাৰ হিতৰ অধিকাৰী হলে বেয়া পাব নালাগে। আপোনালোকে হিতৰ অধিকাৰী কৰিবলৈ যাওঁতে গণ্ডোগোল হৈছিল । আপোনালোকে অন্যায় কৰিছিল, যোগ্যজনক ভোগ কৰাৰ অধিকাৰ আপোনালোকে দিব পৰা নাছিল। কিন্তু এই খন চৰকাৰে যোগ্য জনক ভোগ কৰাৰ অধিকাৰ দিছে। দুখীয়া দৰিদ্ৰৰ

সুবিধা এই খন চৰকাৰে প্ৰদান কৰিছে। আমি কোনো ৰাজনীতিৰ আধাৰত দলমতৰ আধাৰত আমি কোনো সেৱা দিবৰ কাৰণে চেষ্টা কৰা নাই। সেই কাৰণে আমাৰ চৰকাৰ খনে এই যি সকল অংগনবাড়ী কৰ্মী আছে তেখেত লোকক যিমান পাৰি, আপোনালোকেও সেই চৰকাৰৰ দিনত কেইটামান দৰমহা বৃদ্ধি কৰি আজি কৰ্মী গৰাকীয়ে ৪৫০০ টকা পাবৰ কাৰণে সক্ষম হৈছে আৰু সহায়িকা গৰাকীয়ে ২২৫০ টকালৈ পাবলৈ সক্ষম হৈছে। ভৱিষ্যতে সেইখিনিক বৃদ্ধি কৰি আৰু অধিক উৎসাহিত কৰিবৰ কাৰণে নিশ্চয় ব্যৱস্থা কৰিব। আপোনালোকে জানে যে অংগনবাড়ীত কাম কৰা যিসকল ব্যক্তি এই বিলাক কোনো চাকৰি বুলি কোৱা নাযায়। এই বিলাকক সেৱা বুলি কোৱা হয়। এই বিলাক হৈছে service . সেৱা আৰু চাকৰিৰ মাজত পাৰ্থক্য আছে। গতিকে সেৱা মূলক যিবিলাক কাৰ্য্য ইয়াৰ বাবে incentive দিয়া হয়, remuneration দিয়া হয় আৰু সেই remunerationত আপোনালোকৰ চৰকাৰতকৈ এইখন চৰকাৰে বৃদ্ধি কৰি তেওলোকক উৎসাহিত কৰিছে যাতে আৰু কাম কৰিবলৈ তেখেত লোক আগবাঢ়ি যাব পাৰে। গতিকে এনে ধৰণৰ কথাৰে আমাৰ চৰকাৰ খনে আগুৱাই লৈ গৈছে আজি আমাৰ ৰাজ্যখনত থকা ৬১ হাজাৰ যি অংগনবাড়ী কেন্দ্ৰ আছে এই কেন্দ্ৰবিলাকৰ পৰা প্ৰায় ৩৭ লাখ শিশুই উপকৃত হৈছে। এই সুযোগত এটা কথা কবলৈ পাই আনন্দিত হৈছো যে এই খন চৰকাৰৰ দিনত যেতিয়া অংগবাড়ী কেন্দ্ৰ বিলাক rationalize কৰা হৈছে ইয়াৰ যোগেদি এই যিবিলাক দুৰ্নীতি হৈ আছিল পূৰ্বৰ চৰকাৰৰ দিনৰ পৰা সেই দূৰ্নীতি বিলাক লাহে লাহে নাইকিয়া হৈ গৈছে। আগতে নিয়ম আছিল যে ৫ জন শিশু থাকিলে ৫০ টা দেখুৱাই তাত বস্তু-পইচা সৰোকোৰাৰ নিয়ম আছিল। পৰম্পৰা আছিল এইবিলাক কংগ্ৰেছ চৰকাৰৰ। কিন্তু আজি আমি গৌৰৱেৰে কবলৈ পাই আনন্দিত হৈছো যে rationalize কৰাৰ পিছত একেখন গাৱত দুটা দুটা আছিল, এটা অংগনবাড়ী কেন্দ্ৰ আৰু তাৰ লগত আৰু এটা শাখা কৰি দিছিল, কিয় দিয়া হৈছিল যে সেই সময়ৰ শাসকীয় দলৰ নেতা জনৰ বোৱাৰী জনী খালী হৈ আছিল, তাইক চাকৰি এটা দিব লাগে কৰবাত ভৰাই দিব লাগে সেই কাৰণে তাত এটা নতুনকৈ খুলিব লগা হৈছিল। কিন্তু সেইবিলাক এতিয়া rationalize কৰি কৰোবাত ১০ টা আছিল কৰবাত ৫ টা আছিল গোটেই কেইটা লগ লগাই ১৫ টা শিশু লগ লগাই বা ২০ জন শিশু লগাই এটা স্কুলত সুন্দৰকৈ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু ফলমূল বা অন্যান্য পুস্তিকৰ খাদ্য খুৱোৱাৰ ব্যৱস্থা কৰা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** thank you, please conclude.

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** উপাধ্যক্ষ মহোদয়, আৰু এক মিনিট লম। কেৱল সেয়াই নহয় আমাৰ জল জীৱন মিছনৰ যোগেদি এই গোটেই অংগনবাড়ী কেন্দ্ৰ বিলাকত বিশুদ্ধ খোৱা পানী দিবৰ কাৰণে এক ডেৰ লাখ টকা খৰচ কৰি বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা এই খন চৰকাৰৰ দিনত কৰি দিয়া হল। আগৰ চৰকাৰৰ দিনত সেই পুতি থৈ যোৱা টিউবেল মাটিৰ তলত মাত্ৰ ১২ ফুতৰ পৰা ১৫ ফুত মাত্ৰ পাইপদাল পুতিছিল। আজি তাৰ ঠাইত আমি বিশুদ্ধ খোৱা পানী কেৱল ফিল্টাৰৰ পৰা অহা পানী তেওলোকক খোৱাৰ ব্যৱস্থা কৰি দিছো। গতিকে এই খন চৰকাৰৰ কাম-কাজত আপোনালোকে অসন্তুষ্ট প্ৰদৰ্শণ কৰি লাভ নাই। কাৰণ আপোনালোকৰ কাম কৰাৰ যি নৈতিকতা আছিল সেই নৈতিকতাই মানুহৰ ওচৰত দায়বদ্ধতা আপোনালোকে পদৰ্শন কৰিব পৰা নাছিল। এই খন চৰকাৰে সম্পূৰ্ণ সামাজিক আধ্যত্মিক আৰু সৰ্বদিশত মানবীয় চেতনাবোধ আগত ৰাখি কাম কৰি গৈছে। গতিকে আগন্তুক দিন বিলাকত আমাৰ এই চৰকাৰৰ খনৰ বাবে আৰু অধিক পুঁজি দিব লাগে বুলি মই আহ্বান জনাইছো কাৰণ ইতিমধ্যে ইয়াত বহুত পুঁজি হোৱা নাই, ৩৮৩৮.২৪

কোটি টকা কেৱল মাত্র ইয়াত ধাৰ্য্য কৰা হৈছে। গতিকে বিৰোধী সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে এই কৰ্তন প্ৰস্তাৱৰ মই ঘোৰ বিৰোধীতা কৰি বৰঞ্চ ইয়াত আৰু অধিক ধন প্ৰদান কৰিব লাগে বুলি মই আহ্বান জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**माननीय উপাধ্যক্ষ** ঃ ধন্যবাদ। পৰৱৰ্তী মাননীয় সদস্য নিজানুৰ ৰহমান।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ ছাৰ, clarification এটা লব পাৰিম নেকি? মাননীয় সদস্য বিলাকে কলে যে অংগনবাড়ী কৰ্মী বিলাকৰ দৰমহা ৪৪৫০ টকা।

**মাননীয় উপাধ্যক্ষ** ঃ উত্তৰ মন্ত্ৰীয়ে দিব তেতিয়া, আপোনাৰ সময়ত কব দিম তেতিয়াই কব, I will give you time.

**শ্ৰী নিজানুৰ ৰহমান , (গৌৰীপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়,আপোনাৰ জৰিয়তে কাটমোশ্যনত ক'ব দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। অংগনবাড়ী কৰ্ম্মী বিলাকৰ যি সমস্যা ইতিমধ্যে তেওঁলোকে বিভিন্ন ব্লকৰ সদৰ ঠাইত আন্দোলনকৰি আছে তেওঁলোকৰ মাননি ৬৫০০ টকাৰ ঠাইত বৃদ্ধি কৰিব লাগে। যিহেতু অন্যৰাজ্যত আমাৰ ৰাজ্যতকৈ অধিক মাননি বেছি। গতিকে আমাৰ ইয়াতো অন্য ৰাজ্যৰ দৰে মাননি বৃদ্ধি কৰিব লাগে। অংগনবাড়ী কৰ্ম্মী, সহায়কাৰীৰো মাননি বৃদ্ধি কৰিব লাগে, যিখিনি মিনি অংগনবাড়ী চেন্টাৰৰ ৪৭৫০ টকা আছে সেইটো বৃদ্ধি কৰিব লাগে। তেখেত সকলে বি এল অ হিচাবে আমাৰ নিৰ্বাচনত সহযোগ কৰি থাকে আৰু নিম্নস্তৰত যি কোনো কামত সহযোগ কৰি থাকে, তেওঁলোকে খাটনিৰ বাবে যিখিনি মজুৰী পাব লাগে সেইটো পোৱা নাই। গতিকে এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে গুৰুত্ব দিব লাগে, আৰু আমাৰ জিলা ধুবুৰী জিলাত বৰ্তমান গৌৰীপুৰ সমষ্টিত কোনো এটা প্ৰজেক্ট য়ে নাই। যিটো মোৰ বি টি চি অঞ্চল ভাগ হৈ যোৱাৰ পিছত আমাৰ অঞ্চলত মোৰ সমষ্টি গৌৰীপুৰৰ যিখিনি চেন্টাৰ বাহিৰখিনি ধুবুৰী সমষ্টি সদৰৰ ব্লকৰ লগত সংযোগ কৰি দিয়া হৈছে। এইটো হ'ব নালাগে। যি দুটা প্ৰজেক্ট আছিল তাৰ ভিতৰত এটা প্ৰজেক্ট গৌৰীপুৰ সমষ্টিত থাকিব লাগে, আৰু নতুনকৈ গঠিত হোৱা আমাৰ যিটো সমষ্টি ডি লিমিটেশ্যনৰ পিছত ২ লাখ ২৯ হাজাৰ ভোটাৰ সংলগ্ন হোৱা এটা সমষ্টি হৈছে। এই সমষ্টিত বৰ্তমান কোনো প্ৰজেক্ট নাই। মহামায়া অঞ্চলত যিটো আছে, সেইটোও বি টি চি অঞ্চলত গুছি গ'ল, দেবীতোলাটো গুছি গ'ল আৰু এটা অংশ গোলোকগঞ্জত গুছি গ'ল। গতিকে আমাৰ সমষ্টি বৰ্তমান কোনো প্ৰজেক্ট নাই। মন্ত্ৰী মহোদয়ে গুৰুত্ব সহকাৰে আগন্তুক দিনত এইটো গুৰুত্ব দিব আৰু ৪৭১ টা অংগনবাড়ী চেন্টাৰৰ বিপৰীতে ৬ টা প্ৰজেক্টত ভাগ কৰি দিয়া হৈছে, এই ৪৭১ টা অংগনবাড়ী চেন্টাৰৰ কোনো প্ৰজেক্ট নাই। ২৮৪ টা অংগনবাড়ী চেন্টাৰৰ বিপৰীতে ৩টা প্ৰজেক্ট হৈছে। যিহেতু কেন্দ্ৰীয় চৰকাৰৰ নতুনকৈ প্ৰজেক্ট দিয়াৰ কোনো সম্ভাৱনা নাই আগৰ existing projectৰ ভিতৰতে আমাৰ গৌৰীপুৰ সমষ্টিত টো প্ৰজেক্ট ৰাখি থব লাগে। এইখিনি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰি আৰু আমাৰ দুজন বক্তা আছে দীঘলীয়া নকৰো এইখিনিকে কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

( মাননীয় সভানেত্ৰী মহোদয়া অধ্যক্ষৰ আসনত বহে)

**মাননীয়া সভানেত্ৰী** ঃ এতিয়া পৃথ্বিৰাজ ৰাভা। আপোনাৰ দলে আপোনাক ১২ মিনিট সময় দিছে।

**শ্ৰী পৃথ্বিৰাজ ৰাভা, বিধায়ক (তেজপুৰ)** ঃ মাননীয় সভানেত্ৰী মহোদয়া, এই পবিত্ৰ সদনত বিৰোধী পক্ষই এইবাৰ ২০২৪-২৫ বৰ্ষৰ মহিলা আৰু শিশুবিকাশ বিভাগৰ বাজেট কৰ্ত্তনৰ যি প্ৰস্তাৱ আগবঢ়াইছে তাৰ বিৰোধিতা কৰি দুষাৰ বক্তব্য আগবঢ়াব খুজিছো। আমি যেতিয়া বুনিয়াদী বিদ্যালয় বা হাইস্কুলত পঢ়ি আছিলো, আমাৰ সমকক্ষ যি সকল বিধায়ক আছে, বা ইয়াত বিধান

সভাত উপস্থিত থকা বিষয়া বা অন্যান্ন দৰ্শক আছে তেখেতসকলে গম পাব যে ভাৰতবৰ্ষৰ সেইখিনি সময়ত মহিলা আৰু শিশুৰ অৱস্থা বৰ দুভাগ্যজনক আছিল। আমি য'ত পঢ়িছিলো কি পঢ়িছিলো আমি তাত যে ভাৰতৰ বুৰঞ্জীত পঢ়া সেইখিনি কথা মনত পৰিলে এতিয়াও দুখ লাগে যে সতিদাহ প্ৰথা আছিল। যেতিয়া গিৰিয়েক ঢুকাই চিতাত ঘৈণীয়েকো মৰিব লাগিব। কণ্যা সন্তানক নিমখ খুৱাই মাৰি পেলোৱা হৈছিল। বিধৱা সকল অত্যাচাৰৰ বলি হৈছিল যাৰ কাৰণে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ প্ৰমুখ্যে সেই খিনি সময়ৰ বিখ্যাত বিখ্যাত ব্যক্তিসকলে, এনেধৰণৰ কু প্ৰথাৰ পৰা অন্ধ বিশ্বাসৰ পৰা্ উদ্ধাৰ কৰি সেইখিনি সময়ৰ মহিলা সকলক , সেই খিনি সময়ৰ শিশু সকলক কেনেকৈ উন্নত কৰিব পাৰি , কেনেকৈ আগবঢ়াই নিব পাৰি সেইটো কথা চিন্তা কৰিছিল। লাহে লাহে চৰকাৰ হ'ল, চৰকাৰ হোৱাৰ পাছত যি সকলে শাসন কৰিলে, সেইখিনি সময়ত তেখেত সকলে কি কৰিলে, নকৰিলে মোৰ ক'বলগীয়া নাই। কিন্তু আজি ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰমোডী ডাঙৰীয়া আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমত এই মহিলা আৰু শিশু বিকাশৰ কাৰণে , মহিলা আৰু শিশু উন্নয়নৰ কাৰণে যিবোৰ আঁচনি গ্ৰহণ কৰা হৈছে, এই আঁচনিৰ দ্বাৰা দ্ৰুতভাৱে আজি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমটো মহিলা সকলে পুৰুষৰ লগত সমানে সমানে খোজ মিলাই আগবাঢ়ি যাবলৈ সক্ষম হৈছে। সভানেত্ৰী মহোদয়ানী মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ নেতৃত্বত অসমৰ শিশু আৰু মহিলা সকলৰ মংগলৰ বাবে এই প্ৰায় ৩ টা বছৰত যিখিনি আঁচনি গ্ৰহণ কৰি পুৰ্ণ ৰূপায়নৰ বাবে যি ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ আগতে ইমান গুৰুত্বসহকাৰে কোনোৱে লোৱাটো আমি দেখা পোৱা নাছিলো। মহিলাৰ সৱলিকৰণ শিশুৰ স্বাস্থ্য আৰু কল্যাণৰ চিন্তা কৰিবলৈ গৈ বহু আঁচনি এতিয়া গ্ৰহণ কৰা হৈছে। অংগনবাড়ী সেৱাৰ জৰিয়তে ৬ বছৰ বয়সলৈ এক মাত্ৰ গুৰুত্বপুৰ্ণ ৰাষ্ট্ৰীয় কাৰ্য্যসূচী যাৰ জৰিয়তে শিশুসকলক পৰিপুৰক পৰিপুষ্টি স্বাস্থ্যসেৱা, প্ৰাকবিদ্যালয় শিক্ষা, স্বাস্থ্য আৰু পুষ্টিহিনতা দূৰ কৰা শিক্ষা আদিৰ দৰে ব্যৱস্থা লোৱা হৈছে। এই কাৰ্য্যসূচীত গৰ্ভৱতী মহিলা আৰু শিশুক স্তনপান কৰোৱা মাতৃৰ সেৱাৰ বাবেও বিস্তাৰিত সম্পসাৰন ঘটোৱা হৈছে। এই আঁচনিৰ জৰিয়তে ৬১৮৪৫ টা অংগনবাড়ী কেন্দ্ৰই ৩৭৪০৫৪২ গৰাকীক হিতাধিকাৰীক সেৱা আগবঢ়াই আহিছে। এই অংগনবাড়ী কেন্দ্ৰ সমূহত ৰেম্প, শিশুৰ উপযোগী অনাময় ব্যৱস্থা ৰান্ধনি ঘৰত পৃথকৈ ষ্টৰেইজ ব্যৱস্থা, শিশুৰ উপযোগীকৈ আচবাব, যিখিনি আচবাবৰ কথা ইতিমধ্যে কেইবাগৰকী বিধায়কে কৈছে। যি আচবাবৰ দ্বাৰা আধুনিকীকৰণ কৰা হৈছে। সেই সুন্দৰ আচবাব বা সেই সুন্দৰ চকীত বহি আমাৰ কণ কণ শিশু সকলে যেতিয়া অংগনবাড়ী কেন্দ্ৰত অধ্যয়ন কৰি থাকে বা আনন্দ কৰি থাকে আমি দেখি আনন্দ পাইছো। আৰু দেখি আহিছো যে এই সকল শিশুৱে যি আন্তঃগাঠনিৰ মাজেৰে আগবাঢ়িব লাগিছিল আগতে, সেই আন্তঃগাঠনিৰে আগ নবঢ়াৰ কাৰণে হয়তু আজি আমি বোৰে যিমানজ্ঞান অৰ্জন কৰিব লাগিছিল, সেইখিনি জ্ঞান অৰ্জন কৰিব পৰা নাছিলো। এতিয়া যি সকল শিশুৱে এনেধৰণৰ অংগনবাড়ী কেন্দ্ৰত অধ্যয়ন কৰিছে বা তেওঁলোকে শিক্ষা গ্ৰহণ কৰিব গৈছে, বা আনন্দ কৰিব গৈছে, এইখিনি শিশুৱে ভৱিষ্যতে এজন এজন সুন্দৰ নাগৰিক হিচাপে সু নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিব। এই অংগনবাড়ী কেন্দ্ৰ সমূহত যি ৰেম্পৰ ব্যৱস্থা, অনাময়ৰ ব্যৱস্থা কৰা হৈছে, তাৰ লগতে সেই অংগনবাড়ী কেন্দ্ৰ সমূহত এটা সময়ত কাৰেন্ট নাছিল। খোৱা পানীৰ ব্যৱস্থা নাছিল। এতিয়া তাত বৈদ্যুতিকৰণ কৰা হৈছে খোৱা পানীৰ সুবিধা ৰখা হৈছে। এতিয়ালৈকে ৯৯৯ আদৰ্শ অংগনবাড়ী কেন্দ্ৰ স্থাপন আৰু ৩২২০ টা নিৰ্মাণৰ কাম চলি আছে। চৰকাৰে ২০২২ বৰ্ষৰ ১ এপ্ৰিলৰ পৰা ৬০ বছৰ বয়সৰ পিছত অৱসৰ লোৱা অংগনবাড়ী

কৰ্ম্মী সকলৰ বাবে গাই প্ৰতি ৪ লাখ টকাকৈ অংগনবাড়ী কৰ্ম্মী মিনি সকলৰ বাবে গাইপতি ৩ লাখ কৈ আৰু সহায়িকা সকলৰ বাবে ২ লাখ কৈ টকাৰ টাৰ্মিনেল লাভালাভৰ ব্যৱস্থাগ্ৰহণ কৰা হৈছে। ২০২৩ বৰ্ষটোত ১৬৮৮ গৰাকী অংগনবাড়ী কৰ্ম্মী আৰু ১৭০৩ গৰাকী অংগনবাড়ী সহায়িকাক টাৰ্মিনেল লাভা লাভৰ বাবে আমি আগবঢ়াই দিছো। ২০২৪-২৫ বাজেটত মহিলা আৰু শিশুৰ সৰ্বাংগীন উন্নয়নৰ বাবে মহিলা আৰু শিশু বিভাগে ৬১ ০০০ অংগনবাড়ী কেন্দ্ৰ পৰিচালনাৰে ৩৭ লাখ হিতাধিকাৰীলৈ সেৱা আগবঢ়াইছে. ৪ ০০০ কৈ অধিক নতুন আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ অনুমোদন জনাইছে। ৩০০০ টা নতুন অংগনবাড়ী কেন্দ্ৰৰ নিৰ্মাণৰ লক্ষৰে প্ৰায় ১০০০ টা অংগনবাড়ী কেন্দ্ৰ সফলতাৰে সম্পুৰ্ণ কৰা হৈছে। এই অংগনবাড়ী কৰ্ম্মী সলকৰ অৱসৰকালীন লাভালাভ অৰ্থাৎ টাৰমিনেল বেনিফিট প্ৰদানেৰে মহিলাৰ প্ৰতি থকা কল্যাণমুলক প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে। ৬০ বছৰ বয়সৰ সময়সীমাত ভৰি দিয়া অংগনবাড়ী কৰ্ম্মী আৰু সহায়িকা সকললৈ ৯ লাখ টকাত কৈ অধিক ধন প্ৰদান ব্যৱস্থাই ২০২৩ বৰ্ষত ৩৩৩১ গৰাকীতকৈও অধিক অংগনবাড়ী কৰ্ম্মী সহায়িকাক উপকৃত হ'ব। মাননীয় সভানেত্ৰী মহোদয়া মই ক'ব খুজিছো যে এখন দেশত যেতিয়া উন্নয়নমুলক কাম কৰা হয়, এই উন্নয়নমুলক কাম বিভাগ বিশেষে বেলেগ বেলেগ হয়। এই বিভাগ বিষেশে বেলেগ বেলেগ হয় কেনেকে যে গড়কাপ্তানি বিভাগত যেতিয়া পথ বনোৱা হয় তেতিয়া সাধাৰণ ৰাইজে দেখা পাই। সাধাৰণ ৰাইজে কয় যে গড়কাপ্তানি বিভাগে কাম কৰিছে। শিক্ষা বিভাগে যদি স্কুল বনাই সেই স্কুল বিলাক দেখিব, স্বাস্থ্য বিভাগে যেতিয়া হস্পিতাল বনাই সেই বিলাক দেখিব। কিন্তু ই এটা বিভাগ , মহিলা আৰু শিশু উন্নয়ন বিভাগ এনেকুৱা এটা বিভাগ যিটো বিভাগৰ কিছুমান কাৰ্য্য ৰাইজে নেদেখে। ৰাইজৰ চকুত নপৰে। কিন্তু ক'ব নোৱাৰাকৈ গোপনে গোপনে কেনেকৈ এই বিলাক বিভাগে সমাজৰ উন্নয়নৰ কাৰণে, সমাজৰ উন্নতিৰ কাৰণে শিশু সকলৰ উন্নতিৰ কাৰণে, মাতৃ সকলৰ উন্নতিৰ কাৰণে, মহিলা সকলৰ উন্নতিৰ কাৰণে, যি যি কাম কৰিছে সেয়া আমাৰ চকুত নপৰে আমি দেখা নাপাওঁ। কিন্তু আজি আমাৰ এই বিভাগৰ মন্ত্ৰী মহোদয়া মাননীয়া অজন্তা নেওঁগ বাইদেউয়ে যিধৰণে দিন-ৰাতি একাকাৰ কৰি সময় দি কাম-কাজ কৰিছে আমি বিধায়ক হিচাপে লক্ষ্য কৰিছো, আমি অনুভৱ কৰিছো যে আমাৰ ঠাই সমূহৰ অংগনবাড়ী কেন্দ্ৰকে আৰম্ভ কৰি বা বিভিন্ন শিশু আৰু মহিলা সকলৰ উন্নয়ণৰ বাবে যি যি কাম লৈছে এই কাম সমূহৰ কিধৰণে উন্নতিকৰণ হ'ব ধৰিছে। ইয়াৰ উপৰি মাতৃ সকলে শিশু জন্ম দিয়াৰ পৰা আৰম্ভ কৰি শিশুৰ যত্নৰ বাবে অলেখ ব্যৱস্থা কৰি চৰকাৰে শিশু আৰু মহিলা উন্নয়ণৰ দিশ দেখুৱাই দিছে। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে আগবঢ়োৱা আঁচনি সমূহ যিবোৰ আঁচনিয়ে মহিলা আৰু শিশু সৰলীকৰণৰ নিদৰ্শন দাঙি ধৰিছে। আপোনালোকে জানে যে যদিও এই বিভাগ মহিলা বা শিশু উন্নয়ণ বিভাগ তাৰ উপৰিও মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই বিভিন্ন বিভাগ আৰু আঁচনিৰ জৰিয়তে কেনেকৈ মহিলা সকলৰ সৰ্ব্বাংগীন উন্নতি কৰিব পাৰি, কেনেকৈ মহিলা সকলক দুখৰ পৰা আনন্দৰ মুখ দেখুৱাব পাৰি তাৰো প্ৰতিচ্ছবি দাঙি ধৰিবলৈ সক্ষম হৈছে। যেনে - আমাৰ উজ্জ্বলা গেছ, আয়ুস্মান ভাৰত প্ৰমুখ্যে আমি প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰ দিছো। এই সকলো আঁচনি সামৰি কেনেকৈ মহিলা সকলক বা আমাৰ শিশু সকলক ডাঙৰ দীঘল কৰিবৰ বাবে মহিলা সকলে কেনেকৈ সাহস পাব পাৰে তাৰ বাবে মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ লগতে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰখনে কাম কৰি গৈ আছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এইখন চতুৰ্থ বাজেট। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ বাণী 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা

প্ৰয়াস’ নীতিৰ  আধাৰত এইবাৰৰ বাজেটে অসম গঢ়াৰ লক্ষ্যৰে যাত্ৰা আৰম্ভ কৰিছে। মই আশা কৰিছো যে যি বাজেট এইবাৰ গ্ৰহণ কৰা হৈছে, মহিলা আৰু শিশু কল্যাণ বিভাগে যি বাজেট গ্ৰহণ কৰিছে , এই বাজেটত যি ধন দিয়া হৈছে এই ধনৰ দ্বাৰা কি কি কৰিবলৈ গৈ আছে আমি বাজটত পঢ়িবলৈ পাইছো। মোৰ মতে এই বাজেটত যিমান ধন দিয়া হৈছে তাতকৈ বেছি ধন আবন্টন দিব লাগিছিল। কিন্তু মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াই এইখিনি ধনেৰে কাম আৰম্ভ কৰিব খুজিছে। আগন্তুক বছৰটোত আমি আশা ৰাখিছো সুন্দৰকৈ কাম কৰিব পাৰিব। মাননীয়া সভাপতি মহোদয়া, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অষ্টাদশ মুকুতাৰ উন্নয়ণী মালাৰ ১৮ খন আঁচনিৰ গতিশীলতা আৰু নতুন উদ্ভাৱনী মূলক  অনেক আঁচনিত মহিলাক সামৰি লোৱা হৈছে। এই আঁচনিৰ যোগেদি আমি কেনেকৈ আমাৰ  মহিলা সকলৰ উন্নয়ণ কৰিব পাৰো সেই কথা কোৱা হৈছে। যদিও মহিলা আৰু শিশু কল্যাণৰ কথা কোৱা হৈছে, মহিলা সকলৰ উন্নতিৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আকৌ কৈছে যে মুখ্যমন্ত্ৰী নিযুত মইনা আঁচনিখন, যিখন আঁচনিৰ জৰিয়তে আমাৰ ১০ লাখ ছাত্ৰী অৰ্থাৎ ১ নিযুত ছাত্ৰীক উদগনি হিচাপে বিত্তীয় অনুদান আগবঢ়োৱাৰ আঁচনি লোৱা হৈছে। আমাৰ যুৱতী সকলৰ শিক্ষাৰ প্ৰতি ধাউতি বঢ়াবৰ বাবে এই আঁচনিত ব্যৱস্থা ল’ব। একাদশ শ্ৰেণীত নামভৰ্ত্তি কৰা ছাত্ৰীলৈ ১০ হাজাৰ টকা, স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষত নামভৰ্ত্তি কৰা ছাত্ৰীলৈ গাইপতি ১২,৫০০ টকা, স্নাতোকোত্তৰ প্ৰথম বৰ্ষত নামভৰ্ত্তি ৰ বাবে ১৫ হাজাৰ টকা উদগনি মূলক ধন প্ৰদান কৰা হ’ব। ইয়াৰ আগতে প্ৰদান কৰা সুবিধা যেনে- নামভৰ্ত্তি, স্কুটি এইবিলাক আছেই। তাৰ উপৰিও এইবিলাক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবে ২৪০ কোটি টকা ধাৰ্য্যৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযান, যি অভিযানৰ যোগেদি এই অমৃত কালত মহিলা উদ্যোগীকৰণৰ কাৰণে, আয় বৃদ্ধি কৰাৰ কাৰণে ব্যৱসায়িক দিশটোত তেওঁলোকে উন্নতি লাভ কৰিবৰ কাৰণে তেওঁলোকে যি ব্যৱস্থা গ্ৰহণ কৰিছে তাৰ বাবে  মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। গ্ৰামাঞ্চলৰ আত্ম সহায়ক গোটৰ কাৰণে ৩৯ লাখ ১৭ হাজাৰ ৭৪৩ গৰাকী মহিলালৈ গাইপতি ১০ হাজাৰ টকা উদ্যমিতা পুঁজি হিচাপে আগবঢ়োৱা হ’ব। তাৰ উপৰি বেংক ঋণ ২৫ হাজাৰ টকা সময়মতে পৰিশোধ কৰিলে মূলধনৰ ১২,৫০০ টকা হিতাধকাৰীলৈ ৰাজ সাহাৰ্য্য হিচাপে আগবঢ়োৱা হ’ব। মুঠতে প্ৰতি গৰাকী হিতাধিকাৰীলৈ অনুদান হিচাপে ৰাজ সাহাৰ্য্য আগবঢ়োৱা হ’ব। তাৰ নুন্যতম মূল্য হৈছে গোটেইখিনি মিলাই ৪৭,৫০০ টকা এগৰাকী মহিলাই লাভ কৰিব। মই দীঘলীয়া কৰিব খোজা নাই। কিন্তু বিৰোধী পক্ষই এই যি বাজেট কৰ্তনৰ প্ৰস্তাৱ আগবঢ়াইছে, এই বাজেট কৰ্তনৰ প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিছো আৰু মোৰ এই বক্তব্যখিনি সামান্য মাথোন। এই বাজেটখনৰ ওপৰত যদি মই ঘণ্টাৰ পিছত ঘণ্টা কৈ থাকো তেতিয়াও শেষ নহ’ব। গতিকে মই ক’ব খুজিছো যে এই বিভাগে যি কাম কৰে আমি চকুৰে দেখা নাপাওঁ, কিন্তু অনুভৱ হে কৰিব  পাৰো। আমাৰ শিশু সকলৰ কথা, মহিলা সকলৰ কথা আৰু যিসকল মহিলাই এসময়ত শাস্তি ভূগিছিল যেনে- সতীদাহ প্ৰথা আৰু সতী দাহ প্ৰথাৰ মতে চিতাত জাঁহ  যাবলগীয়া হৈছিল আৰু কন্যা সন্তান সকলক নিমখ খোৱাই মৃত্যুবৰণ কৰোৱা হৈছিল। বিধৱা বিবাহৰ কথা কৈছো। এই প্ৰথাৰ ক্ষেত্ৰত ৰাজা ৰাম মোহন ৰায়, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ আদি .ব্যক্তি সকলে নিজ দৰ্শন বা চিন্তা-চৰ্চাৰে ভাৰতীয় মহিলা সকলৰ উন্নতিৰ কাৰণে চিন্তা কৰিছিল। আজিৰ দিনত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা  ডাঙৰীয়া আৰু এই বিভাগৰ মাননীয়া মন্ত্ৰী শ্ৰীমতী অজন্তা নেওঁগ ডাঙৰীয়ানীক কৃতজ্ঞতা জ্ঞাপন কৰিছো। গতিকে এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ ইমানতে

সামৰনি মাৰিছো।

**মাননীয়া সভাপতি ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী নুৰুল হুদা। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয়া সভাপতি মহোদয়া আৰু সমাজ কল্যাণ বিভাগৰ এই কৰ্তন প্ৰস্তাৱত মোক ক'ব দিয়াৰ বাবে ধন্যবাদ জনাইছো। আমি সকেলাৱে জানো যে অংগনবাড়ী কৰ্মী সহায়িকা সকলে ৰাতিপুৱা ৮ বজাৰ পৰা ১২ঃ৩০ বজালৈ কেন্দ্ৰত কাম কৰে। তেওঁলোকে প্ৰসুতি মাতৃ, গৰ্ভৱতী মাতৃ, বিকলাংগ, পুষ্টিহীনতা আদিৰ চাৰ্জে কৰি তেওঁলোকক কেনেকৈ পুষ্টি দি বিকাশৰ গতিপথ আগবঢ়াব পাৰি তাৰ কাৰণে তেওঁলোকে কাম কৰে। ইয়াৰ উপৰিও তেওঁলোকে নিৰ্বাচনৰ কামো কৰে। কিন্তু ইমান কষ্ট কৰাৰ পিছতো তেওঁলোকে যিখিনি দৰমহা পায় সেইখিনি একেবাৰে নগন্য। আজি এগৰাকী অংগনবাড়ী কৰ্মীয়ে ৪৫০০ টকা দৰমহা পায় আৰু এগৰকী সহায়িকাই মাত্ৰ ২০০০ টকা পায়। বৰ্তমানৰ বস্তুবোৰৰ অত্যধিক মূল্য বৃদ্ধিৰ ফলত বজাৰত ২০০০ টকাত এটা পৰিয়ালে এদিন বা দুদিনৰ বেছি ঘৰ চলাব নোৱাৰে। গতিকে এই ক্ষেত্ৰত চৰকাৰ সচেতন হ'ব লাগে যে এই কৰ্মী সকলে বিভাগে দিয়া নিৰ্দিষ্ট দায়িত্ব পালন কৰাৰ উপৰিও নিৰ্বাচন আৰু DLA ৰ কামো কৰিব লাগে। গতিকে তেওঁলোকৰ ওপৰত এটা গধুৰ দায়িত্ব পৰে । য'ত আমাৰ শূন্যৰ পৰা ৬ বছৰ বয়সৰ শিশুৰ পুষ্টিৰ জৰিয়তে স্বাস্থ্যৰ উন্নতি কৰা, শিশুৰ শৈক্ষিক, মানসিক, শাৰীৰিক, বৌদ্ধিক আৰু সমাজিক বিকাশৰ ভেটি স্থাপন কৰা, মৃত্যুৰ হাৰ কমোৱা, ৰোগে যাতে আক্ৰান্ত কৰিব নোৱাৰে, পুষ্টিহীনতাত যাতে ভুগিব নোৱাৰে আৰু বিদ্যালয় যোৱাৰ অভ্যাস গঢ়ি তোলা এই গোটেইখিনি কাম অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলে কৰি আহিছে। গতিকে সেই সময়ত যদি তেওঁলোকক চলিবৰ কাৰণে আৰ্থিক ভাৱে সকাহ দিয়া নহয় তেতিয়াহ'লে এই বিভাগৰ মানৱ সম্পদ গঢ়াৰ যি উদেশ্যে, সেইটো সফল নহ'ব। সেই উদেশ্যে সফল হ'ব লগীয়া হলে তেওঁলোকক সুযোগ দিব লাগিব যাতে দুবেলা দুমুঠি ভালকৈ খায়, তেওঁলোকে নিজৰ দায়িত্ব কৰ্তব্য পালন কৰিব পাৰে। কিন্তু এটা অদ্ভুত যে ২ হাজাৰ টকাত এজন মানুহ কেনেকৈ চলিব পাৰে আৰু তেওঁলোকে ৰাতিপুৱা ৮ বজাৰ পৰা ১২.৩০ বজালৈ কাম কৰিব লাগে, তাৰ উপৰিও গাঁৱত কোন মহিলা গৰ্ভৱতী, কোন প্ৰসুতি, কোন শিশু পুষ্টিহীনতাত ভূগি আছে, তেওঁলোকক nutrition দিব লাগিব, NRC centre লৈ পঠিয়াব লাগিব, সেই বিভিন্ন কাম বিলাক তেওঁলোকে কৰে। গতিকে তেওঁলোকৰ প্ৰতি চৰকাৰে যিটো ন্যাৰ্য, দিব লগা প্ৰাপ্ত, সেই প্ৰাপ্তটোৰ পৰা তেওঁলোকক বঞ্চিত কৰি আহি আছে। এই বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ, কাৰণ মাতৃ গৰ্ভৰ পৰাই নৱ প্ৰজন্ম শিশুটোক বিকাশ, তাৰ মন মগজু ভাল হয়, স্বাস্থ্য যাতে ভাল হয়, শিশুটো যাতে নিৰোগী হয়, তাৰ কাৰণে চেষ্টা চলাই থকা হৈছে। সেই চেষ্টা অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকা সকলে কৰে।

অসমত ৬১,৮৪৫ অঙ্গনবাড়ী কেন্দ্ৰ আছে। তাৰে ৬০,৩৫৬ গৰাকী অঙ্গনবাড়ী কৰ্মী আছে আৰু ৫৪,৫৪৮ গৰাকী সহায়িকা আছে। কৰ্মীৰ ১৪৮৯ টা পদ খালী হৈ আছে আৰু সহায়িকাৰ ১৮৮৯ টা পদ খালী হৈ আছে। মুঠতে ৩৩৮৭ টা পদ খালী হৈ আছে। এই খালী হৈ থকা পদকেইটাৰ কেন্দ্ৰ সমূহ অচল হৈ আছে। তাৰ ফলত মাতৃ সকলৰ স্বাস্থ্যৰ বাবে মাতৃ সকলৰ স্বাস্থ্যৰ অৱনতিৰ লগতে শিশু বিকাশ স্তব্ধ হৈছে, গৰ্ভৱতী মহিলা সকলে যিখিনি সকাহ পাব লাগে, তাৰ পৰা তেওঁলোকে বঞ্চিত হৈ আছে। গতিকে এই বিভাগটোৰ কাৰণে বাজেটত টকা ধাৰ্য্য কৰিছে হয়, কিন্তু যদি এই প্ৰয়োজনীয় অভাৱখিনি পূৰণ কৰিব নোৱাৰে তেতিয়া হলে কল্যাণ আৰু বিকাশ কেনেকৈ হ'ব। কল্যাণ আৰু বিকাশ কৰিবৰ কাৰণে পৰ্য্যাপ্ত পৰিমানৰ সুবিধাখিনি দিব লাগিব। এই

যে ৩৩৮৭ টা পদ খালী থকাৰ কাৰণে মাতৃ, শিশু, গৰ্ভৱতী মহিলা বঞ্চিত হৈ আছে, ইয়াৰ কাৰণে মানৱ সম্পদ বিকাশত বাধাৰ সৃষ্টি হৈছে। গতিকে মানৱ সম্পদ বিকাশ তৰান্বিত কৰাৰ কাৰণে অনতি পলমে এই চৰকাৰে এই পদসমূহ পূৰণ কৰি শিশু, মাতৃসকলে পাব লগীয়া প্ৰাপ্ত, যিখিনি সেৱা সেই সেৱা খিনি প্ৰদান কৰিব লাগে।

আমাৰ ৰাজ্যত অঙ্গনবাড়ী কেন্দ্ৰৰ গৃহ যিবিলাক আছে, তাৰে শতকৰা ৬০ শতাংশ গৃহ জৰাজীৰ্ণ অৱস্থা। যদি গাঁও অঞ্চললৈ যায় আপোনালোকে চাই দেখা পাব ঘৰ বিলাক ভাঙি চিঙি নাইকিয়া হৈ গৈছে। ৰদৰ দিন ৰদ পৰে, বৰষুণৰ দিনত ভিতৰত পানী পৰে। তেনেকুৱা অৱস্থাত ৬০ শতাংশ অঙ্গনবাড়ী কেন্দ্ৰ চলি আছে।

আৰু নিজা মাটিত ৪২,৮৭৩ টা কেন্দ্ৰ আছে। এই যে নিজা মাটি বুলি যে চৰকাৰে কৈ আছে, এইটো চৰকাৰে যেতিয়া মডে'ল অঙ্গনবাড়ী কেন্দ্ৰ বনাবলৈ দিছে, তেতিয়া গৈ গম পোৱা গৈছে, যে তাত নিজা মাটি আছে কিন্তু ঘৰটো বনোৱাৰ কাৰণে ঠাই নাই, একেবাৰে ঠেক। বিদ্যালয়ৰ মাটিত আছে ৯১৮০, মাটি নথকা কেন্দ্ৰ আছে ৯৬৯২। এই কেন্দ্ৰ বিলাক ক'ত চলি আছে, নিশ্চয় ভাড়া ঘৰত চলি আছে। এই চৰকাৰী মাটিটো নাই। গতিকে এই ৯৬৯২ টা মাটি নথকা ঘৰ, এই কেন্দ্ৰ সমূহক অনতি পলমে মাটি দি তাৰ গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে।

ICDS office বিলাকত গাড়ী নাই, ড্ৰাইভাৰ আছে। CDPO আৰু BDO ৰ rank একেটাই। কিন্তু BDO হ'ল permanent post, CDPO temporary, temporary হোৱাৰ কাৰণে CDPO সকল চৰকাৰে লোণ নিদিয়ে। এই CDPO সকলক permanent কৰিব লাগে, যাতে তেওঁলোকে দৰমহা permanently পাই।

যিটো Hot cooked meal চুজি, হালুৱা, দাইল, খিচিৰি এই বিলাক উন্নতমানৰ নহয়। দেখা গৈছে যে কিছুমানে খাই ডায়েৰিয়া হৈছে। এইটো ভালকৈ চাই উন্নতমানৰ খাদ্যৰ যোগান দিব লাগে, যিটো খাই শিশুৱে পুষ্টি পায়। তাৰ কাৰণে চৰকাৰে পদক্ষেপ ল'ব বুলি মই আশা ৰাখি মোৰ বক্তব্য সামৰণি মাৰিছো।

**माननीय সভাপতি** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ)** ঃ মাননীয় সভাপতি মহোদয়া, আজি cut motion ৰ সম্পৰ্কত বিৰোধিতা কৰি আৰু দাবী মঞ্জুৰীৰ সপক্ষে কিছু কথা পবিত্ৰ সদনত ৰাখিব বিচাৰিছো।

মহিলা আৰু শিশু বিকাশ বিভাগে ২০২৪-২৫ বিত্তীয় বৰ্ষত আৱন্টন দিছে ৩৮৩৮.২১ কোটি টকা। আজিৰ শিশু কালিলৈ আমাৰ ৰাজ্য আৰু দেশৰ সম্পদ, সুস্থ মাতৃ সুস্থ সমাজ, বেটি বচাওঁ বেটি পঢ়াওঁ। ৬১ হাজাৰ অঙ্গনবাড়ী কেন্দ্ৰ ৰাজ্যখনত পৰিচালনা হৈ আছে। ৬৭ লাখ মহিলা আৰু শিশুক লৈ অতি অত্যাৱশকীয় সেৱা আগবঢ়োৱা হৈছে। ৪ হাজাৰকৈ অধিক অঙ্গনবাড়ী মডেল কেন্দ্ৰ উন্নতিকৰণৰ কৰা হৈছে। শিশু inclusive development, আন্তঃগাঁথনি উন্নতিকৰণৰ বৃহৎ পদক্ষেপ লৈছে। এই বৰ্ষত ১২৫০ কোটি ব্যয় সাপেক্ষে ৫ হাজাৰ অঙ্গনাবাড়ী কেন্দ্ৰ উন্নতিকৰণৰ ব্যৱস্থা হাতত লৈছে। কল্যাণকামী চৰকাৰৰ দায়িত্ব হিচাপে ৬০ বছৰৰ অঙ্গনবাড়ী কৰ্মী আৰু সহায়িকালৈ ৯ লাখকৈ অধিক ধন প্ৰাপ্তিৰ ব্যৱস্থা লৈছে। মহিলা সকলৰ সৰ্বাঙ্গীন বিকাশৰ বাবে one stop centre, উজ্জ্বলাৰ শ্ৰদ্ধা মহিলা শক্তি কেন্দ্ৰ আঁচনি লেখিয়া বিভিন্ন ৰূপায়ন কৰি থকা হৈছে। সখী বা কৰ্মৰত মহিলা আৰু প্ৰধানমন্ত্ৰী মাতৃ বন্ধন যোজনা এই বিলাক আঁচনিৰ জৰিয়তে মহিলা সকলক সন্তান জন্মৰ পিছত আৰ্থিক সাহাৰ্য্যক গুৰুত্ব প্ৰদান কৰা হৈছে। বিভাগটোৰ জৰিয়তে শিশুৰ স্বাস্থ্যক, গৰ্ভৱতী মহিলা আৰু সন্তানক দুগ্ধ পান কৰাই মহিলাক পুষ্টি যোগানৰ বাবে বিশেষ

ব্যৱস্থা গ্ৰহণ কৰিছে।

তাৰ উপৰিও মই আপোনালোকক ক'ব বিচাৰিছো যে ২০২২ ৰ যি census আছে, বিশেষকৈ NCERT, NCRB record অনুসৰি ৩৮ টা Anti human trafficking unit ৰ ব্যৱস্থা আছে। ইয়াৰ উপৰিও, আমাৰ ৰাজ্যখনত বহু কেইটা special Juvenile police unit গঠন কৰা হৈছে, UNICEF ৰ সহযোগত। শিশু মিত্ৰ rescue centre গঠন কৰা হৈছে। সামগ্ৰিক আই সকলৰ উন্নয়নৰ কাৰণে আমাৰ চৰকাৰখনে দিনে নিশাই চেষ্টা কৰিছে। আজি বিৰোধীয়ে বহুত কথা আমাৰ ওপৰত আৰোপ কৰিছে। মই দুটামান কথা আপোনালোকক কব বিচাৰিছো যে কংগ্ৰেছৰ বিধায়ক সকলে ইয়াত উত্থাপন কৰিছে যে বিশেষকৈ অঙ্গনবাড়ী কেন্দ্ৰ বিলাকৰ কৰ্মী আৰু সহায়িকা বিলাকক উচিত মানদণ্ড দিব লাগে। হয়, মানদণ্ড দিব লাগে, আমি বিচাৰিছো, কিন্তু তাৰ অৰ্থ এইটো নহয় যে হিতাধিকাৰী সকলক আপোনালোকে বঞ্চিত কৰিব বিচাৰিছে। সেই হিতাধিকাৰী সকলো আমাৰে আই মাতৃ। আজি অৰুনোদয় আঁচনিক আপোনালোকে অপমান কৰিছে। আজি আপোনালোকৰ সমষ্টিত অৰুণোদয় আঁচনিত ব্যৱস্থা আমাৰ চৰকাৰ খনে কৰা নাই নেকি? যদি মই শাসকীয় দলৰ বিধায়ক হিচাপে অৰুণোদয় আঁচনি মই পাইছো আপোনালোকৰো অঞ্চলত অৰুণোদয় আঁচনিৰ ব্যৱস্থা কৰিছে। কিয় আপোনালোকে এনেকুৱা ধৰণৰ কথা কয়। এটা সময়ত আপোনালোকে ১ কিলো সূতা, কেইখনমান লুঙীৰ ব্যৱস্থা কৰি আপোনালোকৰ কি এই ইতিহাস আমি পাহৰিছো নেকি? এনেকুৱা ধৰণৰ কথাই অসমখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত যথেষ্ট বাধা হ'ব আৰু যিসকল আই মহিলাই এই ইয়াৰ যোগেদি যি আপোনালোকে বক্তব্য ৰাখিছে এইবিলাকতো ৰাইজে দেখিছে, আইসকলে দেখিছে। তাৰমানে কি অসমত থকা দুখীয়া মহিলাক অসম চৰকাৰে যি ব্যৱস্থা কৰিছে সেইবিলাকৰ পৰা কি আমি বঞ্চিত কৰিব লাগে? এই ধৰণৰ কথা আপোনালোকে ক'ব নাপায়। আজি মই আপোনালোকক ক'ব বিচাৰিছো যে ভাৰতবৰ্ষ আপোনালোকে ৫০-৬০ বছৰে শাসন কৰিলে কিয় এখন আইন মহিলাৰ কাৰণে আপোনালোকে আনিব নোৱাৰিলে? একমাত্ৰ ভাৰতৰ এইজনেই প্ৰধান মন্ত্ৰী যিজনে ৫০ শতাংশ আইন আনি মহিলাক বিশেষ ব্যৱস্থা কৰা, বিশেষ আজি মৰ্য্যদা দিয়াৰ সুবিধা অৰ্জন কৰিছে সেইবিলাক কথা ভাৰতবৰ্ষৰ ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব। আপোনালোকৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধী ডাঙৰীয়ানীয়ে এটা সময়ত ২৫ ডিচেম্বৰ ১৯৭০ চন মোৰ চনটো ইফাল সিফাল হ'ব পাৰে, black day হিচাপে আপোনালোকে কৰিছিল। গোটেই ভাৰতবৰ্ষত আপোনালোকে গণতন্ত্ৰক হত্যা কৰিছিল আপোনালোকে পতা প্ৰধান মন্ত্ৰী। এইবিলাক ভাৰতবৰ্ষৰ ৰাইজে জানি থকা নাই নেকি? তাৰমানে আপোনালোকে মহিলাক সুবিধা দিয়াৰ বিপক্ষে কৈছে আৰু আপোনালোকৰ প্ৰধান মন্ত্ৰীয়ে এনেকুৱা দিন অতিবাহিত কৰিছে। এইবিলাক কেতিয়াওঁ ভাৰতবৰ্ষৰ ৰাইজে পাহৰি নাযায়। আজি মই আপোনালোকক কৈছো, আজি মহিলাৰ সপক্ষে কৈছে। আজিৰ দিনত প্ৰত্যক্ষভাৱে কৈছো আপোনালোকৰ বিধায়িকা আছে দুগৰাকী। আমাৰ চাৰিগৰাকী। AIDUF ৰ এজনো নাই। আপোনালোকে যদি মহিলাক ইমান ভাল পায় কিয় আপোনালোকে মহিলাক চিট দিয়া নাই। কথা ক'ব লাগে কাৰণে আপোনালোকে কথা কৈছে। আজি আমি গৌৰবেৰে কওঁ, আমাৰ কেন্দ্ৰত বিত্তমন্ত্ৰী গৰাকী মহিলা। আমাৰ ৰাজ্যত বিত্তমন্ত্ৰী গৰাকী মহিলা। আপোনালোকে শুনি ভাল পাব এইবিলাক কথা আপোনালোকে ক'ব নালাগে। আজি ক'ম আপোনালোকক। আপোনালোকৰ গা পিৰপিৰাব কাৰণ আচল কথা কৈছো যে। মাননীয় সদস্য শ্ৰীঅখিল গগৈৰ নায়েই। তেওঁ নিজে কেৱল মহিলা পুৰুষ সকলো ভাওঁ লয়। এই ধৰণৰ

কথা ক'লে শোভা নাপায়। অসমৰ ৰাইজে আমাৰ মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কি কি কাম কৰিছে ইতিমধ্যে গম পাইছে। আজি মই আপোনালোকক ক'ম যে আপোনালোকে বন্ধন বেংকৰ কথা কৈ থাকে এইজনেই মুখ্যমন্ত্রী যিজনে বন্ধন বেংকৰ টকা ইতিমধ্যে ২ হাজাৰ কোটি টকা ঘুৰাই দিছে কিন্তু আপোনালোকৰ এই বন্ধন বেংকত আজি ক'ব নাপায়, আজি মুছলমান সম্প্ৰদায়ৰ মহিলাক এই বন্ধন বেংকৰ পৰা relief পাইছে। এইবিলাক কি উন্নয়ণ নহয়? তাৰমানে আপোনালোকে ক'লে ভাল আৰু আমি ক'লে সেইটো বেয়া। আচল কথা কৈছো। মোৰ সমষ্টিত মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই নির্বাচনৰ সময়ত গৈছিল, মই বহি থাকোতে মোৰ সমষ্টিত নির্বাচনী প্রচাৰ শেষ। কোনোবা এগৰাকী মুছলমান সম্প্ৰদায়ৰ মহিলাক মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক এখন কাগজ লিখি দিলে যে বোপাই মই এগৰাকী মুছলমান সম্প্ৰদায়ৰ মহিলা যে মোক বন্ধন বেংকৰ পৰা মুক্ত কৰিব লাগে। মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই সেইদিনা তাৰপৰা ঘোষণা কৰিছিল যে আমি বন্ধন বেংকৰ টকা ঘুৰাই দিম। অ' এতিয়া মুছলমান সম্প্ৰদায়ৰ মহিলাৰ কথা কোৱাৰ কাৰণে আপোনোলোকে ভাল পায়। কালিও মই কৈছো যে আপোনালোকে সমবিকাশৰ কথা চিন্তা নকৰে। এইধৰণৰ কথাবিলাকে ভৱিষ্যতে যি আমাৰ অসমত গাঁথনি আছে....(সদনত গণ্ডগোল)

**শ্ৰী অখিল গগৈ, শিৱসাগৰঃ** সন্মানীয়া সভানেত্ৰী মহোদয়া, এনেকুৱা সাম্প্ৰদায়িক কথা য'তে ত'তে ক'লে বন্ধ কৰি দিব লাগে।

**শ্ৰীদিগন্ত কলিতা, কমলপুৰ ঃ** কাক কোনে বন্ধ কৰিব। মোক ইয়াত বন্ধ কৰিব, বাহিৰততো মোক বন্ধ কৰিব নোৱাৰে। শুনক, আপোনাৰ দিনত আপুনি গণহত্যা কৰিছে, এইবিলাক ৰেকৰ্ড আছে।

**শ্ৰীমতী শিৱা মনি বৰা, বটদ্ৰৱা (সভানেত্ৰী)ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰীদিগন্ত কলিতা, কমলপুৰ ঃ** আমাৰ ৰেকৰ্ড আছে। এই পাপ অখিল গগৈয়ে ল'ব লাগিব সময়ত। আপোনালোকৰ পাপ লাগিছে। কংগ্ৰেছৰ পাপ লাগিছে, এতিয়া আপোনাৰো পাপ লাগিব। নাপায়। অসমত আমাৰ বিত্তমন্ত্রী মহিলা। (সদনত গণ্ডগোল)

**শ্ৰীমতী শিৱা মনি বৰা, বটদ্ৰৱা (সভানেত্ৰী)ঃ** এতিয়া মাননীয় সদস্য শ্ৰী জিৰণ বসুমতাৰী। সাম্প্ৰদায়িক কথা বন্ধ কৰক।

(সদনত গণ্ডগোল)

**শ্ৰীদিগন্ত কলিতা, কমলপুৰ ঃ** এইখিনি কথা কৈ মোৰ বক্তব্য সামৰিছো।

**শ্ৰীমতী শিৱা মনি বৰা, বটদ্ৰৱা (সভানেত্ৰী) ঃ** ধন্যবাদ ।এতিয়া মাননীয় সদস্য, শ্ৰী জিৰণ বসুমতাৰী। আপোনাৰ ১০ মিনিট সময় আছে।

**শ্ৰী জিৰণ বসুমতাৰী, গোঁছাইগাওঁ ঃ** मानगोनां आफादगिरि बिथां बिरुदिआ लाबोनाय र्कटन प्रस्थाबनि हेंथायै आङो बुंनो नागिरदों। समाज कल्यान बिभागनि गेजेरजों गोबां खामानिआ दिनै आसामाव मावजादो आरो नोंथांमोना मिथिगौ दिनै जोंनि समाज कल्यान बिभागनि मानगोनां मन्थ्रि अजन्ता नेउग बिथांनि सभापति नेत्रित्त लोगोसेयै आसामनि मानगोनां मुख्य मन्थ्रि ड० हेमन्त बिश्व र्शमानि दैदेननायाव बे गासै हाबाफारिया मावजादों आरो जों मिथिगौ समाज कल्यान बिभागनि गेजेरजों दिनै मोनफ्रोमबो अगनबाड़ि सेन्ताराव भाग (3) बोसोरनिफ्राइ लानानै 6 (ड') बोसोर बैसोसिम जे खुदियाफोरनि जाहोनाय-लोंहोनाय, फोरोंनायजों लोगोसे बे हाबाफारिया जादों। बेखौ नायोब्ला जों बुंनो हायो थारैनो गथनि जे बिनि खालायो आरो लोगोसेयैनो लानायलनो जानायल' नङा, बिथांमोननि सायसथनि थाखाय गोबां बेवहाय Nutrition होनाय मुलि होनाय जायो आरो बेफोरजोंनो जोंनि गथफोरखौ जोङो मोनसे सुस्थ परिबेसआव लांनो हायो आरो लोगोसेयैनो नोंथांमोना निस्य मिथिगौ थांनाय

बाराव जोंनि मानगोनां सोद्रोमा बिथांमोना जि बाथ्राखौ बुंदों बे थारैनो नंगौ, थांनाय बाराव जोड़ो 5000 था मदेल अगनबाड़िखौ जों लुफुंनो हादों आरो बे मदेल अगनबाड़िफोरा बेखेव जानाय लोगो लोगो ओनसोलनि gurdian फोर, बे ओनसोलनि साफ्रोमबो बुध्दि जिबिफोर लोगोसेयै गथफोरा रंजानाय मोनदों थारैनो जों मोनसे up-grade जाबाय जे जों जि बायदि मदेल अगनबाड़िआव सोलोंनो आरो फरायनो खाबुखौ मोनबाय होननानै आरो लोगोसेयैनो फैबाय थानाय समाव आरोबाव देग्लायनि बे बाजेटनि गेजेरजों आरोबाव 5000 मदेल अगनबाड़िखौ लुफुंनो थाखाय थागथियारि खालामनानै दङ, इसे सिगां बिरुदिनि जाय बिधायक बिथांमोना बुंदों जे जायगा-जायगा बेफ्राव माने मदेल अगनबाड़ि लुनो हा गैया नाथाय बेफोरखौ लुफुंनो थाखाय दिनैनि सरखारा थियारि जादों आरो जोड़ो बिधायकफोरनि निजेनो जेराव मदेल अगनबाड़ि लुनो थाखाय हा गैया बेफ्रावहाय जोड़ो मावनानै होनो थाखाय निजेनो हाखौ नागिरनानै होनाय जादों आरो मदेल अगनबाड़िफ्रा बेफ्राव लुफुं जागासिनो दङ आरो मोनसे बाथ्राखौ होननो नागिरनानै होनाय जादों बे Social Welfare Department खौ आरो जौगा होनोब्ला जे हारै बेयाव बाजेट थिसननाय जादों बेनिफ्राय बांसिन बाजेटनि थाखाय जोंनो गोनांथि दङ दिनै बुंदोंङो दिनै कर्मि बिथांमोना जे बिथांमोननि Salary बारायनांगौ होनदों नाथाय बेराफारसे जोंनि बिरुदि दोलोफोरा जैरै बायदि बेयाव बाजेट हमनाय जादों बिथांमोना बेखौ हमथादों। बेखौ गासैबो खालामनांगौबा जोंनि बाजेटफ्रा बारायनांगोन आरो लोगोसेयैनो जोंनि महिलाफोरनि उन्नतिनि थाखाय दहाय बुंलांनाय बादियै जोड़ो मिथिगौ अरुनादय आसनिनि गेजेरजों जायफ्रा, महिलाफ्रा गोग्लैसोनानै थानाय बैफोर महिलाफोरनि थाखाय बेखौ Focusजनो थाखाय बिथांमोनखौ सायखनानै बे आसनिखौ होनाय जादों

গতিকে মই ভাবো বিৰোধীয়ে যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে মই এই কৰ্ত্তণ প্ৰস্তাৱটো নাকচ কৰিছো, কাৰণ সমাজকল্যাণ বিভাগত আমি যিখিনি বিচাৰিছো আৰু এই বিভাগৰ দ্বাৰা অঙ্গনবাদী চেন্টাৰেই হওক বা মহিলা বা শিশুয়েই হওক তেওঁলোকৰ উন্নয়ণৰ কাৰণে কাম কৰিব লাগে আৰু তেওঁলোকৰ বাবে কাম কৰিবলৈ হ'লে আমি বাজেটত যি পুঁজি আবন্টণ দিছো সেইটো আমি বৃদ্ধিহে কৰিব লাগে। তেতিয়াহে আমি এই বিভাগটো আৰু অধিক উন্নত কৰিব পাৰিম । নিশ্চয় আপোনালোক সকলোৰে মনত আছে যে কেইদিনমান আগতে বিকশিত ভাৰত সংকল্প যাত্ৰা হৈ গৈছে। এই যাত্ৰাত আমি সকলোৰে ভাগ লৈছিলো, তেতিয়া আমি প্ৰতিটো বিভাগত কি কি কাম চলি আছে, কিমানখিনি উন্নয়ণ হৈছে তাৰ আমি খতিয়ান লৈছিলো । তেতিয়া বেছিভাগতে মডেল অংগনবাড়ী চেন্টাৰত যিসকল কৰ্মৰত তেখেতসকলে কৈছিলে যে, চৰকাৰে এই বিভাগৰ ক্ষেত্ৰত যিবিলাক আঁচনি লৈছে সেইবিলাক আমাৰ চেন্টাৰৰ কাৰণে আৰু মহিলা শিশুৰ কাৰণে অধিক উন্নত হৈছে । গতিকে মই ভাবো যে বাজেটত যিখিনি পুঁজি আৱন্টণ দিছে তাত আৰু অধিক পুঁজি দিব লাগে । আমি দেখি আহিছো যে, শিশুসকল তিনিৰ পৰা ছয় বছৰলৈকে আমি অঙ্গনবাড়ী চেন্টাৰলৈ পঠিয়াই দিছো। যিহেতু বৰ্তমান প্ৰাথমিক শিক্ষাৰ কেন্দ্ৰস্থল অংগনবাড়ী কেন্দ্ৰসমূহো ক'ব লাগিব। আজিৰ দিনত সন্মানীয় বিধায়কসকলে কৈছে যে আংগণবাড়ী চেন্টাৰৰ বাবে মাটি নাই কিন্তু আমি নিজৰ সমষ্টিতো মাটি নাছিল কিন্তু আমি নিজে মাটিৰ ব্যৱস্থা কৰি অংগণবাড়ী চেন্টাৰৰ ব্যৱস্থা কৰিছো । আগতে যেতিয়া নিজৰ নিজৰ ঘৰতেই অংগনবাড়ী চেন্টাৰ কৰিছিলে এতিয়া মডেল অংগণবাড়ী চেন্টাৰ হোৱাৰ পিচত শিশুসকলক ভালদৰে খোৱাব পাৰিছে, যত্ন ল'ব পাৰিছে। গতিকে মই ভাবো এইটো আমাৰ অমৃত কালৰ অমৃত প্ৰকল্প । অমৃত বুলি ক'লে কিছুমানে ইয়াক বিষাক্ত বুলি ভাবে কিন্তু অমৃত কেতিয়াও বিষাক্ত হ'ব নোৱাৰে। যেনেদৰে অমৃত পান কৰিলে জীৱনটো চিৰ স্থায়ী হ'ব পাৰে বুলি আমি অনুভৱ কৰিব পাৰো ঠিক তেনেকৈ এই সমাজকল্যাণ বিভাগৰ আঁচনিসমূহো লৈছিলো। এনেকুৱা আঁচনি আগতে কেতিয়াও লোৱা হোৱা নাছিল । এইটো এটা অদ্ভুত ধৰণৰ

আঁচনি যিটোয়ে আমাক সকলোকে  চুই গৈছে। কেৰল এই বিভাগতে নহয় আমি যদি সকলো বিভাগতে চকু ফুৰাও ৰোড কানেক্টিভিটিয়েই হওঁক , ট্ৰেইন কানেক্টিভিটিয়েই হওঁক বা এয়াৰ কানেক্টেভিটিয়েই হওঁক আৰু সদ্যহতে যিটো ৰাটাৰ ৰেইজ কানেক্টিভিটি কৰিছে এইটো আমাৰ কাৰণে , আমাৰ অঞ্চলৰ কাৰণে , ৰাইজৰ কাৰণে এইটো বহুমূলীয়া কাম বুলি আমি ক'ব পাৰো । গতিকে মই ভাবো যিসকলে  এই কৰ্ত্তণ প্ৰস্তাৱৰ বিৰোধিতা আনিছে তেখেতসকলক মই অনুৰোধ কৰিব বিচাৰিছো যে আমি এই বিভাগটোক যাতে আৰু অধিক উন্নয়ণৰ ফালে আগবঢ়াই লৈ যাব পাৰো  তাৰ কাৰণে আমি সকলোৰে সহযোগ কৰিব লাগে। আমাৰ সমাজ কল্যাণ বিভাগে যি আঁচনি লৈছে এইবিলাক আহি থকা দিনত  গাওঁসমূহক যেতিয়া  সম্পূৰ্ণকৈ ছুই যাব তেতিয়া সকলোৰে ক'ব যে এই বাজেটখনক এখন  উন্নয়ণ মুখী বাজেট, ভাল বাজেট। গতিকে মই ভাবো সদনত আমি কাকো মিচলিড কৰিব নালাগে। আমাৰ সহজ সৰল ৰাইজক মিচলিড কৰিব নালাগে। যিটো সঁচা সেইটো মানি ল'ব লাগে আৰু বাস্তৱত উন্নয়ণৰ কাৰণে আমি সকলোৰে সহমতৰে কাম কৰিব লাগিব। আজি আমাৰ এই বাজেটখনে মহিলা উদ্যোগীকৰণত চুই গৈছে , আমাৰ শিশু সকলৰ উন্নয়ণৰ ক্ষেত্ৰত চুই গৈছে গতিকে এই বাজেটখনে উন্নয়ণত আমাক দুগুনে সাহস দিব বুলি আমি ভাবিছো ।অসম বাজেট ২০২৪-২৫ৰ যোগেদি আমাৰ মাননীয়া বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যেনেধৰণৰ বাজেট প্লেছ কৰিলে সকলো বিভাগতে উন্নয়ণৰ কাম হ'ব পৰাকৈ এই বাজেটত যিটো ব্যৱস্থা লৈছে তাৰ বাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত, নিৰ্দেশত আজি যিখন চৰকাৰ চলিছে তাত  সহযোগ কৰিবলৈ পাই আজি মই নিজকে ধন্য মানিছো।  সদৌ শেষত বিৰোধী দলে অনা এই কৰ্ত্তণ প্ৰস্তাৱৰ বিপক্ষে বক্তব্য আগবঢ়াই মোৰ ক'বলগীয়া ইমানতে সামৰণি মাৰিছো ধন্যবাদ।

**শ্ৰীমতী শিবামনি বৰা, বটদ্ৰবা (সভা নেত্ৰী) ঃ** ধন্যবাদ বিধায়ক ডাঙৰীয়া। এতিয়া মনোৰঞ্জন তালুকদাৰ। আপোনাৰ সময় তিনি মিনিট।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয়া সভানেত্ৰী মহোদয়া, এই বিষয়টোত আমি কৰ্ত্তণ প্ৰস্তাৱ দিছো কিন্তু গোটেই বিষয়টোত অন্যান্য মহিলাৰ বিষয়বিলাকত মই বক্তব্য নাৰাখো । কিন্তু চোচিয়েল ৱেলফেয়াৰৰ  শিশুৰ প্ৰশ্নটোত মই কিছু বক্তব্য তুলি ধৰিব বিচাৰিছো এই কাৰণে যে শিশুসকল  They cannot asked their own question, they cannot raised their own voices, they cannot be organized themselves, they cannot part of the policy decision effecting them. They are citizen and future product. তেওঁলোকে নিজৰ ভয়চ উঠাব নোৱাৰে, নিজকে সংগঠিত কৰিব নোৱাৰে, কিন্তু তেওঁলোকৰ সৰ্ব্বাঙ্গীন বিকাশৰ কাৰণে - চাইল্ড লেৱাৰৰ কোৰেশ্যন, চাইল্ড ট্ৰেফিকিঙৰ কোৰেশ্যন, চাইল্ড মিচিঙৰ বিষয়,  জুভেনাইল কনফ্লিক্টৰ বিষয়, চাইল্ড চেক্সৱেল এবিউচ, চাইল্ড প্ৰটেকশ্যন মেজাৰচ, এডুকেশ্যনৰ ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা হ'ব আৰু এই শিশুসকলৰ হেলথ্ কেয়াৰ কেনেকৈ উন্নত কৰিব পৰা যাব এই সকলো বিষয় নিশ্চিতভাৱে আমি অলপ খৰছি মাৰি আলোচনা কৰাৰ প্ৰয়োজনীয়তাটো মই অনুভৱ কৰিছো। আমি যিকোনো এখন দোকানত সোমালে চাইল্ড লেৱাৰ দেখা পাওঁ। কয়লা খনিত আমি চাইল্ড লেৱাৰ দেখা পাওঁ। বিভাগীয় ৰাস্তা- ঘাট বনাই থাকোতে গাওঁ অঞ্চলত চাইল্ড লেৱাৰ আমি দেখা পাওঁ। ডমেষ্টিক লেৱাৰ বিল যেতিয়া উত্থাপন কৰিছিল চীফ মিনিষ্টাৰ ডাঙৰীয়াই নিজে ঘোষণা কৰিছিল আৰু এই বিল গ্ৰহণো কৰা হ'ল। কিন্তু এইবিলখন

গ্ৰহণ কৰাৰ পিচত তাক কঠোৰভাৱে প্ৰয়োগ কৰাৰ ক্ষেত্ৰত মই ভাৱো বিভাগে সফলতা লাভ কৰা নাই। এতিয়াও চাইল্ড লেবাৰ আমাৰ ৰাজ্যখনত ব্যাপকভাৱে নিয়োজিত হৈ আছে। এই সম্পৰ্কত ইউনিচেফ ইত্যাদিক জড়িত কৰাৰ প্ৰয়োজন আছিল আৰু এটা এৱাৰনেচ আনিব লাগিছিল। এই এৱাৰনেচক যদি কোনোবাই ভায়োলেট কৰে তাক কঠোৰ দৃষ্টিৰে লৈ চাইল্ড লেবাৰ ৰোধ কৰা ব্যৱস্থাটো ল'ব লাগিছিল । চাইল্ড মেৰেজক লৈ আমি এটা সময়ত দেখিলো বহু ধৰা ধৰি হ'ল, বহুতে জেলত গ'ল কিন্তু পিচিএমএ আৰু পক্‌চো আইনৰ অধীনত কিছু কেচ ৰেজিষ্টাৰ হ'ল কিন্তু এইবিলাকৰ জৰিয়তে চাইল্ড মেৰিজটো আমি কনট্ৰ'ল কৰিব পাৰিছো বুলি মই নাভাবো । এই অপকৰ্মত যিসকলে লিপ্ত আছিল তেওঁলোকৰ বিৰুদ্ধে কেচ চলিছে পিচিএমএ বা পক্‌চো আইনৰ অধীনত। তেওঁলোকৰ ৰিহাব্লিটেশ্যনৰ কি প্ৰগ্ৰেম আমি লৈছো। ৰিহেব্লিটেশ্যনৰ কোনো ব্যৱস্থা হয়তো আমি গঢ়ি তুলিব পৰা নাই । চাইল্ড ট্ৰেফিকিঙৰ ওপৰত যথেষ্ট চিন্তা প্ৰকাশ কৰা হয়। এইটো আমাৰ বাবে খুৱ দুখজনক কথা, ২০২১ চনৰ পৰা ২০২৩ চনলৈ ৩৭৭৯ টা শিশু আমাৰ মিচিঙ হৈছে বা বিভিন্নধৰণে তেওঁলোকক আমি উদ্ধাৰ কৰিছো। উদ্ধাৰ কৰাৰ হাৰটো ভালেই। কিন্তু যিবোৰক একেবাৰেই বাহিৰলৈ লৈ যোৱা হৈছে যদিও আমি এই এন্টি হিউমেন ট্ৰেফিকিঙ ইউনিট আমি গঠন কৰিছো মই নাভাবো এইবিলাকে কাৰ্যকৰী হৈ আছে। এনেধৰণে আমি চাইল্ড ট্ৰেফিকিঙ বন্ধ কৰিব পাৰিছো বুলি আমি নাভাবো। এই এন্টি হিউমেন ট্ৰেফিকিঙ ইউনিট যিবিলাক গঠন কৰা হৈছে তাত সামাজিক সংগঠনবিলাকক যুক্ত কৰাটো নিতান্তই প্ৰয়োজন আছিলে। নহ'লে নিশ্চিতভাৱে এইক্ষেত্ৰত আমি সাফল্য লাভ কৰিব নোৱাৰিম। বহু দিব্যাংগক অৰুণোদয় আঁচনিলৈ নিয়াৰ কথা কোৱা হৈছিল। কিন্তু বহু দিব্যাংগই অৰুণোদয় আঁচনিৰ অধীনত যোৱা নাই। তেওঁলোকক বিচাৰি উলিয়াই অৰুণোদয় আঁচনিত অন্তৰ্ভূক্ত কৰাৰ যি Unit আছে, সেই ক্ষেত্ৰত যথেষ্ট লেহেমীয়া হৈ আছে। মই এটা কথা মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে যোৱাবাৰ এই সদনতে কৈছিল যে প্ৰত্যেকজন বিধায়কক তেওঁৰ সমষ্টিত ২০ টাকৈ মডেল অংগনৱাড়ী কেন্দ্ৰ দিব। কিন্তু মোৰ বাৰে বাৰে এই কথাটো ক'বলৈ বেয়া লাগিছে যে আমি ২০ টাকৈ মডেল অংগনৱাড়ী কেন্দ্ৰ পোৱা নাই। এতিয়া মই অন্য এটা বিষয়ৰ কথা কৈ সামৰিম। আমাৰ কৰ্মী-সহায়িকাৰ যি মজুৰীৰ কথা কোৱা হৈছে, আমাৰ ১,২১,০০০ কৰ্মী-সহায়িকা আছে। কিন্তু এই সকলৰ মাননি বৃদ্ধি কৰাৰ বাবে ডাইৰেক্টৰৰ পৰা কৰ্মীক ১০,০০০ আৰু সহায়িকাক ৫,০০০ টকা দিয়াৰ প্ৰস্তাৱ পঠিয়াইছে। কিন্তু এইটো যথেষ্ট নহয় বুলি মই ভাৱো। তথাপিও এই ক্ষেত্ৰত এটা পদক্ষেপ লৈ আমাৰ ৰাজ্যখনক অন্য ৰাজ্যৰ লগত সমভাগে যাবলৈ সুযোগ দিয়ক। তামিলনাডুৰে যদি ২০,৬০০ টকা, অন্ধ্ৰপ্ৰদেশে যদি ১১,৫০০ টকা কৰ্মীৰ ক্ষেত্ৰত দিব পাৰে আৰু সহায়িকাৰ ক্ষেত্ৰতো তেওঁলোকে বেছিকৈ দিয়ে। এইটো বঢ়াবৰ বাবে বাৰে বাৰে কৈ আছো আৰু মন্ত্ৰী মহোদয়ে যাতে তেওঁলোকৰ মাননি বৃদ্ধি কৰি কৰ্মীৰ ক্ষেত্ৰত ১০,০০০ আৰু সহায়িকাৰ ক্ষেত্ৰত ৫০০০ টকালৈ বৃদ্ধি কৰিবৰ বাবে অনুৰোধ কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ছামছুল হুদা ডাঙৰীয়াই কওঁক।

**শ্ৰী ছামছুল হুদা, (পূব বিলাসীপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক আজি কৰ্তন প্ৰস্তাৱৰ সপক্ষে দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। নাৰী আৰু শিশু কল্যাণ এটা গুৰুত্বপূৰ্ণ বিভাগ বুলি মই ধাৰণা কৰো আৰু এই বিভাগটো যদি আমি ভালভাৱে প্ৰতিপালন নকৰো তেনেহ'লে আমাৰ উঠি অহা প্ৰজন্ম অন্ধকাৰত ডুবি যাব। মই এই বিভাগটোৰ

ওপৰত বেছি গুৰুত্ব দিয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো। শিশু শিক্ষাৰ অধিকাৰ আইন ২০০৯ মতে সাৰ্বজনীন ভাৱে শিশু শিক্ষাৰ বাবে চেষ্টা কৰিব লাগিব। কিন্তু আজিলৈকে অসম ৰাজ্যত সেই আইন প্ৰযোজ্য হোৱা নাই। মহিলা আৰু শিশু উন্নয়ণ কল্যাণ বিভাগৰ অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সকলে পুৱা ৮ বজাৰ পৰা আৰম্ভ কৰি দুপৰীয়া ১২ বজালৈ কাম কৰে বুলি আমাৰ কিছু সতীৰ্থ বন্ধু সকলে কৈছে। কিন্তু মই যি দেখিবলৈ পাইছো যে তেওঁলোকে টোপনিৰ পৰা উঠিয়েই একেবাৰে ৰাতিলৈ অহৰহ কাম কৰি থাকে। তেওঁলোকে পুৱা উঠিয়েই ঘৰে ঘৰে গৈ গৃহ পৰিদৰ্শন কৰে আৰু গ-হ পৰিদৰ্শন কৰি আমাৰ শিশু সকল, গৰ্ভৰতী মাতৃ আৰু প্ৰসূতি মাতৃসকল কি অৱস্থাত আছে, সেইটো তেওঁলোকে তদাৰক কৰে আৰু সেইখিনি কৰি ৮ বজাৰ পৰা ৩ বছৰৰ পৰা ৬ বছৰলৈ শিশুসকলক বিভিন্ন অংগী-ভঙ্গীৰে শিক্ষা প্ৰদান কৰি থাকে। এই ক্ষেত্ৰত চৰকাৰে ইতিমধ্যে যদিও বিভিন্ন সা-সঁজুলি দিছে, কিন্তু বৰ্তমান সেইবোৰ যথেষ্ট নহয়। আমাৰ অংগনৱাড়ী কেন্দ্ৰত যি সমূহ সা-সঁজুলি দিয়া হৈছে, তাতকৈ আৰু বেছিকৈ দিবলৈ মাননীয়া মন্ত্ৰী মহোদয়াক অনুৰোধ জনাইছো। অংগনৱাড়ী কৰ্মী সকলে শিশুসকল পৰিষ্কাৰ হৈ থাকিবলৈ কাম কৰি থাকে, গৰ্ভৰতী মাতৃসকল যাতে সু-স্বাস্থ্যৱান হৈ থাকে তাৰ বাবে কাম কৰি থাকে, শিশু সকলৰ পুষ্টি সাধনৰ বাবে কাম কৰে, ওজন লয় আৰু সেইবোৰ তদাৰক কৰে। অংগনৱাড়ী কৰ্মী আৰু সহায়িকা সকলক ৬,৫০০ টকা আৰু ৩,০৫০ টকাকৈ মাননি দিয়া হয়। বেলেগ বেলেগ কৰ্মচাৰীতকৈ তেওঁলোকে বহুত বেছি কাম কৰে। গতিকে তেওঁলোকৰ কাৰণে এই মাননিখিনি যথেষ্ট নহয়। আমাৰ সতীৰ্থ বন্ধুসকলে কৈ গৈছে যে আমাৰ ৰাজ্যতকৈ তামিলনাডুত ২০,০০০ টকা, হাৰিয়ানাত ১১,০০০টকা, তেলেংগানাত ১০,৫০০ টকাকৈ বেছি মাননি দিয়া হয়। এইখিনি মাননি বৃদ্ধি কৰাৰ বাবে হয়তো লিখিছে। মই এই ক্ষেত্ৰত আমাৰ কৰ্মী আৰু সহায়িকা সকলক মাননি বেছিকৈ দি তেওঁলোকৰ মনটো আৰু বেছি আগ্ৰহী কৰি সমাজখনৰ যাতে বেছি উন্নয়ণ সাধন হয়, তাৰ বাবে অনুৰোধ কৰিলো। আমাৰ বিলাসীপাৰাত ১৪৬ টা অংগনৱাড়ী কেন্দ্ৰ আছে আৰু চাপৰত ২৩৫ টা অংগনৱাড়ী কেন্দ্ৰ আছে। ইয়াৰ ভিতৰত মাত্ৰ ১৮ টা মান মডেল অংগনৱাড়ী কেন্দ্ৰ দিয়া হৈছে। গতিকে মই মাননীয়া মন্ত্ৰী মহোদয়াক বিলাসী পাৰাৰ প্ৰতি লক্ষ্য ৰাখি তাত আৰু বেছি মডেল অংগনৱাড়ী কেন্দ্ৰ দিবৰ বাবে অনুৰোধ জনালো। আমাৰ চাপৰৰ ICDS কেন্দ্ৰৰ অফিচটো একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। তাৰ বিল্ডিংটো একেবাৰে বেয়া, শৌচাগাৰ, পানীযোগান, বিদ্যুতৰ ব্যৱস্থা নাই। বিলাসীপাৰাৰ ICDS কেন্দ্ৰটোৰ অৱস্থাটোও তেনেকুৱাই আৰু এইকেইটা ভাল কৰাৰ ব্যৱস্থা কৰিবৰ বাবে অনুৰোধ জনাই আজি এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছো আৰু বেছি পুঁজি ধৰি আমাৰ শিশু আৰু মাতৃসকলৰ উন্নয়ণৰ বাবে যাতে চেষ্টা কৰে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ড° আচিফ মঃ নজৰ ডাঙৰীয়াই কওঁক।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** উপাধ্যক্ষ মহোদয়, মহিলা আৰু শিশু উন্নয়ন বিভাগৰ যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থন কৰি মই দু-আষাৰ ক'ব বিচাৰো। সমাজৰ শিশু, মহিলা আৰু দিব্যাংগ ব্যক্তিসকলে স-সন্মান সহকাৰে আৰু উচিত মৰ্যাদাৰে যাতে আগবাঢ়ি যাব পাৰে তাৰ বাবে সহায়ৰ হাত আগবঢ়োৱাৰ বাবে এই বিভাগে কাম কৰে। কিন্তু, প্ৰকৃতাৰ্থত সেৱা জানো আজি হৈছে? আজি বহু শিশু শ্ৰমিক হিচাপে কাম কৰা পৰিলক্ষিত হৈছে। বহুত গৰ্ভৰতী মহিলা, প্ৰসূতি আৰু কিশোৰী পুষ্টিহীনতা আৰু ৰক্তহীনতাত ভোগা দেখা যায়। বাজেটত ৬১ হাজাৰ অংগনৱাড়ী কেন্দ্ৰৰ কথা কোৱা হৈছে কিন্তু আজিও বহুত অংগনৱাড়ী কেন্দ্ৰ জৰাজীৰ্ণ অৱস্থাত আছে। কিছুমানত বিদ্যুৎ, কিছুমানত খোৱাপানীৰ ব্যৱস্থা এতিয়াও নাই। গতিকে, যিবোৰ নতুন মডেল অংগনৱাড়ী

কেন্দ্ৰ মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেটত ধৰিছে তাৰ লগত জৰাজীৰ্ণ অৱস্থাত থকা অংগনৱাড়ী কেন্দ্ৰৰ মেৰামতিৰ বাবেও যাতে কিছু বাজেট ধৰাৰ ব্যৱস্থা কৰে। এই অংগনৱাড়ী কেন্দ্ৰবোৰত পুষ্টিকৰ খাদ্য দিব লাগে, কিন্তু দেখা যায় তাত যি চুজি, চাটু দিয়া হয় সেইবোৰ অতি নিম্নমানৰ। যি পেকেট খিচাৰি দিয়া হয় সেই খিচাৰিয়ে পেটত গেছ কৰাৰ বাবে কণ কণ ল'ৰা-ছোৱালীয়ে খাব নোৱাৰে। ফলত, বহুতৰ ডায়েৰিয়া হোৱা পৰিলক্ষিত হৈছে । পৰিপূৰক পুষ্টিৰ কাৰ্য্যক্ৰমত ৬ মাহৰ পৰা ৬ বছৰৰ অন্তৰ্গত শিশুসকল, গৰ্ভৱতী, প্ৰসূতি আৰু কিশোৰীসকলৰ পুষ্টিহীনতা আৰু ৰক্তহীনতা দূৰ কৰিবলৈ পুৱাৰ খাদ্য দিয়াৰ ব্যৱস্থা আছে কিন্তু বিগত কিছু বছৰ ধৰি এই পুৱাৰ খাদ্য কোনো অংগনৱাড়ী কেন্দ্ৰত দিয়া হোৱা নাই। প্ৰতিজন হিতাধিকাৰীৰ প্ৰতিদিনে ২ টকা মূল্য ধৰা হৈছে, কিন্তু বহু বছৰ ধৰি এই পুৱাৰ খাদ্য কাকো দিয়া হোৱা নাই। এইটো বছৰত কোনো অংগনৱাড়ী কেন্দ্ৰতে ঘৰলৈ লৈ যোৱা যি খাদ্য, সেইটো লৈ যাব পৰা নাই। এই শিশুসকলৰ মানসিক, শাৰীৰিক আৰু বৌদ্ধিক বিকাশৰ বাবে খেল-ধেমালিৰ যি সামগ্ৰী দিব লাগে, এইবোৰ বহুত কেন্দ্ৰত এতিয়ালৈকে দিয়া হোৱা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, এইখন চৰকাৰে সব্কা সাথ সব্কা বিকাশৰ কথা কয়, কিন্তু মোৰ সমষ্টিত প্ৰথম পৰ্যায়ত মাত্ৰ দুটা মডেল অংগনৱাড়ী কেন্দ্ৰ পাইছিলো। তাৰ ভিতৰত বৰচলা মডেল অংগনৱাড়ী কেন্দ্ৰত টাইল্‌চ আৰু গ্ৰীলৰ কাম এতিয়ালৈকে হোৱা নাই। এই অংগনৱাড়ী কেন্দ্ৰসমূহত যিসকল কৰ্মী আছে, তেওঁলোকে মুঠ দৰমহা ৬৫০০ টকা আৰু সহায়িকা সকলে ৩২৫০ টকা পায়। কিন্তু, আজিৰ যুগত যি সময়ত এক কেজি নহৰুৰ দাম ৪০০ টকাৰ ওপৰ হৈ গৈছে, সেই সময়ত ৩২৫০ টকাৰে এটা পৰিয়াল কেনেকৈ চলিব? এইটো সম্ভৱ হয় নে? ইমান মূল্য বৃদ্ধি হৈছে। এই কালচোৱাত ইমান কম দৰমহাৰে পৰিয়াল কেনেকৈ চলিব? গতিকে, আপোনাৰ জৰিয়তে, মাননীয় মন্ত্ৰী মহোদয়াক মই অনুৰোধ জনাইছো যে কৰ্মী আৰু সহায়িকাসকলৰ দৰমহা যাতে অলপ বঢ়াই দিয়ে।

মোৰ সমষ্টিত যি শিশু বিকাশ প্ৰকল্প আছে, সেই প্ৰকল্পটো চৰকাৰী মাটিত যুগ যুগ ধৰি চলি আছিল। এই প্ৰকল্পৰ ওচৰতে লাহৰীঘাট উন্নয়ন খণ্ড, লাহৰীঘাট আদৰ্শ চিকিৎসালয় আৰু লাহৰীঘাট থানা আছিল। কিন্তু প্ৰায় এবছৰ আগতে তাৰ CDPO গৰাকীয়ে মইমতালি কৰি কাকো নজনোৱাকৈ CDPO ৰ Officeটো মোৰ সমষ্টিৰ এটা চুকত কুশতলী পঞ্চায়তলৈ লৈ যায়। সেই ঠাইত যাতায়তৰ অসুবিধা হয় বুলি কৰ্মচাৰী আৰু সহকৰ্মীয়ে ধৰ্ণা কৰি উপায়ুক্ত আৰু সমাজ কল্যাণ বিভাগৰ সঞ্চালকক memorandum দিছিল। কিন্তু তাৰ পিছতো তেখেতৰ ওপৰত কোনো ব্যৱস্থা লোৱা হোৱা নাছিল। এই কথা মই মন্ত্ৰী ডাঙৰীয়ানীকো অৱগত কৰিছিলো। কিন্তু, আজিলৈকে তেওঁৰ ওপৰত কোনো তদন্ত নহ'ল। এই তদন্ত নোহোৱাৰ ফলত এতিয়া সেই CDPO ডাঙৰীয়ানীয়ে দম্ভালি মাৰি সকলোকে কৈ ফুৰে যে মোক একো কৰিব নোৱাৰে। যাৰ ফলত যিসকল কৰ্মী, সহ-কৰ্মী আৰু সহায়িকাই আন্দোলন কৰিছিল, ধৰ্ণা দিছিল, তেওঁলোকৰ দৰমহা বন্ধ কৰি দিয়া হয়। তেওঁলোকৰ লগত বহুত অশ্লীলভাৱে ব্যৱহাৰ কৰা হয়। তেওঁলোকক বিভিন্ন বেয়া ভাষাৰে গালি দিয়া হয়। কিন্তু, ইয়াৰ ওপৰত এতিয়ালৈকে বিভাগে কোনো পদক্ষেপ লোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰো, মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে যাতে মোৰ সমষ্টিত এবাৰ আহি সেই পৰিস্থিতি এবাৰ চায়। ইয়াৰোপৰি, দিব্যাংগৰ পূৰ্ণ সংস্থাপনৰ যি আঁচনি আছে, এই আঁচনিত কোৱা হৈছে যে যিসকলে উচ্চ মাধ্যমিক উত্তীৰ্ণ হোৱাৰ লগতে কৌশলী বিদ্যাৰ প্ৰশিক্ষণ লাভ কৰে তেওঁলোকক এককালীন ২০ হাজাৰ টকা দিয়া হয়। কিন্তু, বিগত ৪-৫ বছৰ ধৰি এই টকা কোনেও পোৱা নাই। তাৰ কাৰণ যদি সোধা হয়, তেতিয়া তেওঁলোকে কয় যে

কাগজ-পত্ৰৰ বিসংগতি আছে। ইয়াৰোপৰি, নতুন হিতাধিকাৰীসকলক বিগত ৪-৫ বছৰ ধৰি এই আঁচনিৰ অধীনত কিয় টকা দিয়া হোৱা নাই। যি দীন-দয়াল দিব্যাংগ পেঞ্চন আছে, তাক অৰুণোদয় আঁচনিৰ লগত অন্তৰ্ভুক্ত কৰা হৈছে। মোৰ সমষ্টিত......Interruptions..

**মাননীয় উপাধ্যক্ষঃ** আপোনাৰ দলৰ আৰু তিনিগৰাকী সদস্য আছে। ১১ মিনিট বাকী আছে। চমুৱাই কওঁক।

**ড° আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট)ঃ** বহুতে, অৰুণোদয় পোৱা নাই। গতিকে, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীক অনুৰোধ কৰিম যে এই বস্তুবোৰ যাতে শুধৰণি কৰে আৰু যিবোৰ অংগনৱাড়ী কেন্দ্ৰ জৰ্জৰিত অৱস্থাত আছে সেইবোৰৰ আন্তঃগাঁথনিৰ বাবে কিছু পৰিমাণৰ টকা যাতে আৱন্টন কৰে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** ধন্যবাদ। পৰৱৰ্তী বক্তা মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন। আপোনাৰ পিছত আপোনালোকৰ দলৰ আৰু এগৰাকী বক্তা আছে, কিন্তু ৯ মিনিট সময় বাকী আছে। গতিকে আপুনি ৯ মিনিট ক'ব নাইবা পৰৱৰ্তীজনৰ বাবে সময় ৰাখি দিব।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত আমি কেইটামান গুৰুত্বপূৰ্ণ বিষয় এই সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। এই বিভাগৰ কামৰ পৰিসৰ যথেষ্ট বহল আৰু সেই অনুপাতে এই বিভাগত কাৰ্য্যক্ষেত্ৰত ভালে সংখ্যকেই কৰ্তা অৰ্থাৎ কাম কৰিব পৰা মানুহ আছে। কিন্তু, ৰিজাল্টত আমি দেখি আছো এই বিভাগে বৰ বেছি ভাল ফলাফল এই বিভাগে দেখুৱাব পৰা নাই। মই কিছুমান ক্ষেত্ৰত confused হৈ আছো যে আচলতে কি হ'বলৈ গৈ আছে? যেতিয়া ৰাজ্যত NEP কৰা হৈছিল, তেতিয়া প্ৰাক্-প্ৰাথমিক শিক্ষাটো NEP ৰ আওতাত অনা হৈছে। কিন্তু আমাৰ ৰাজ্যত এই প্ৰাক্-প্ৰাথমিক শিক্ষাটো মহিলা আৰু শিশু কল্যাণ বিভাগে চায়। গতিকে, ভৱিষ্যতৰ বাবে কেনেকুৱা ধৰণৰ root map তৈয়াৰ কৰা হৈছে যে প্ৰাক্-প্ৰাথমিক শিক্ষাটো এই বিভাগতে থাকিব নে শিক্ষা বিভাগৰ লগত যাব? এই বিষয়টোত মই confused হৈ আছো, মই আশা কৰিম মন্ত্ৰী মহোদয়াই স্পষ্টীকৰণ দিব।

দ্বিতীয়তে, ৰাজ্যত মডেল অংগনৱাড়ী কেন্দ্ৰ বনাই অংগনৱাড়ী কেন্দ্ৰ সমূহ ভাল কৰিব বিচৰা হৈছে, গুণগত মান সম্পন্ন কৰিব বিচৰা হৈছে। ৰাজ্যখনত এতিয়ালৈকে প্ৰায় ৪ হাজাৰৰ ওচৰা-ওচৰি মডেল অংগনৱাড়ী কেন্দ্ৰ বনাবলৈ পদক্ষেপ লোৱা হৈছে। ইতিমধ্যে ১ হাজাৰ মান কেন্দ্ৰ সম্পূৰ্ণ হৈছে আৰু সম্ভৱত ১০ হাজাৰ মান কেন্দ্ৰ বনোৱা হ'ব। যি সময়ত ৰাজ্যত প্ৰায় ৬২ হাজাৰ অংগনৱাড়ী কেন্দ্ৰ ইতিমধ্যে আছে, এটা বিত্তীয় বৰ্ষত সম্পূৰ্ণ কৰিছো মাত্ৰ ১ হাজাৰ, গতিকে এনেদৰে ১০ হাজাৰ বনাবলৈ আমাৰ ১৫-২০ বছৰতো শেষ নহ'ব। আনহাতে, প্ৰায় ৪২ হাজাৰ অংগনৱাড়ী কেন্দ্ৰ নিজা মাটিত আছে বুলি সদনত তথ্য দিয়া হৈছে। এই যে ৪২ হাজাৰ অংগনৱাড়ী কেন্দ্ৰ নিজা মাটিত থকা বুলি কৈছে, সেইটো নিজা নহয় অৰ্থাৎ চৰকাৰী মাটি নহয়। কোনোবাই চাকৰিৰ কাৰণে এটা সময়ত ১ কঠাতকৈও কম মাটি দিছিল । মানে কেন্দ্ৰটোৰ বাবে যিমান প্ৰয়োজন সিমানখিনি। সেইখিনি মাটি এতিয়ালৈ কেন্দ্ৰটোৰ নামত উঠা নাই। দখলত কিন্তু আজি ১৫-২০ বছৰৰ পৰা আছে। কেন্দ্ৰটো স্থাপনৰ পৰাই আছে। কাৰোবাৰ ম্যাদী মাটিত আছে। আজি যেতিয়া তাত মডেল অংগনৱাড়ী **কেন্দ্ৰ বনাব যাব, তেতিয়া তাত তেৰ কঠা মাটি লাগিব এই মাটি তেওঁলোকে নিদিয়ে । অৰ্থাৎ model অংগনবাড়ী কেন্দ্ৰ ৬৫ হাজাৰ কেন্দ্ৰটো বনোৱাটো কোনো পধ্যেই সম্ভৱ নহয় দুই নম্বৰ কথাটো হৈছে এতিয়া গৃহ বিলাক অত্যন্ত জৰাজীৰ্ণ । জৰাজীৰ্ণ গৃহত ৰ'দ পৰে বৰষুণৰ পৰে আৰু এই জৰাজীৰ্ণ গৃহসমূহ যদি মেৰামতি নহয় পুণৰ নিৰ্মাণৰ**

যদি ব্যৱস্থা কৰা নহয় নতুবা একেটা ঠাইত আকৌ নতুন ভৱন সৰুকৈ যদি নির্মাণ কৰা নহয়, তেনেহ'লে সেই কেন্দ্রসমূহত আৰু পঢ়াব পৰা পৰিৱেশ নাই। মই কথাটো সদনৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো আৰু বাইদেউকো মই convince কৰিব বিচাৰো যে যে কেৱল মডেল অংগনবাড়ী কেন্দ্রৰ জৰিয়তে আমাৰ এই preprimry education বা শিশুৰ শিক্ষা আৰু স্বাস্থ্যৰ বিষয়টো আমি সমাধান কৰিব নোৱাৰিম যদিহে কেন্দ্রসমূহক আমি ভাল নকৰো যিসমূহ জৰাজীর্ণ আৰু মাটি নোহোৱাকৈ আছে বা কম মাটিত আছে এটা ICDS প্রজেক্টৰ পৰা চলি আছে প্রজেক্ট সমূহৰ চাৰি-পাঁচখনত যদি Building আছে, মই নাজানো বাকী সকলো ভাড়াঘৰত চলি আছে। মই ভাৱো যে এই বিভাগে এইবাৰ অন্তত ৫০ -১০০ খন কেন্দ্রত যদি বনাবলৈ যদি তেওঁলোকে বিনিয়োগ কৰিলেহেতেন বা যদি বাজেটত পইচা ৰাখিলেহেতেন অত্যন্ত ভাল আছিল ।আৰু আশা কৰিম যে অনাগত সময়ত এই ICDS প্রজেক্টসমূহৰ ভৱন নির্মাণ কৰা হওক, অফিচ নির্মাণ হওক আৰু অফিচ ভাল নাথাকিলে তাত বহি ভাল নালাগিলে কাম কৰা পৰিৱেশ নাথাকে।

মহোদয় আৰু অলপ গুৰুত্বপূর্ণ কথাটো হ,ল যে অংগনবাড়ী কেন্দ্রসমূহত এতিয়াও যথেষ্ট vacancy আছে। যি সমূহ পদ খালী হৈছে সেইসমূহ পূৰণ কৰা হোৱা নাই। অংগনবাড়ী Worker ৰ প্ৰায় ১৫০০ আৰু Helper ৰ প্ৰায় ১৯০০ পদ এতিয়াও Vacancant হৈ আছে । আশা কৰিম যে এইখিনি ১৯০০ পদ এতিয়াত্ত Vacancant হৈ আছে । আশা কৰিম যে এইখিনি পদ খুব সোনকালে পূৰণ কৰিব লাগে । CDPO office সমূহত দেখা গৈছে যে ৫১ জন CDPO নাই। ২৩০ জন total CDPO ভিতৰত যদি ৫১ জন নাথাকে তেতিয়া এই বিভাগটো ভালকৈ চলাৰ কোনো যুক্তি নাথাকে। Supervisor ৰ ক্ষেত্ৰত দেখা গৈছে যে ৩৬৫ পদ খালী হৈ আছে। গতিকে মহোদয়, এই বিষয়ৰ ওপৰত মন্ত্রী মহোদয়ে গুৰুত্ব আৰোপ কৰিব লাগে আৰু অতি শীঘ্রে এই সমস্যা সমূহৰ সমাধান কৰিব লাগে। এতিয়া মডেল অঙ্গনবাড়ী কেন্দ্ৰৰ কথা মই কৈ আছিলো। মডেল অঙ্গনবাড়ী কেন্দ্র নির্মাণ কৰোতে যিসমূহ আওহতীয়া ঠাই, কোনো school campus নাই, সেইসমূহ কেন্দ্ৰত কিন্তু boundary wall ৰ ব্যৱস্থা নকৰিলে কেন্দ্রসমূহ ধুনীয়া নহয় আৰু সেইসমূহত গৰু ছাগলী বা অন্যান্য প্রকাৰে ক্ষতিগ্রস্ত হোৱাৰ সম্ভাৱনা থাকে আৰু হৈয়ো আছে। গতিকে মই আশা কৰিম যে অনাগত সময়ত যাতে এই মডেল অঙ্গনবাড়ী কেন্দ্র যিসমূহ অকনমান আওহতীয়া ঠাইত আছে সেইসমূহত যাতে boundary wall ৰ ব্যৱস্থা কৰে।

এই বিভাগৰ অধীনত আৰু এটা মুখ্য দায়িত্বৰ ভিতৰত আছিল,working women hostel তেওঁলোকে বনাব লাগে। যিটো নতুনকৈ কোৱা হৈছে যে পালনা। পালনা বনোৱাৰ কাম কাজ এই বিভাগে হাতত লৈছে নে নাই মই মন্ত্রী মহোদয়াৰ পৰা স্পষ্টীকৰণ আৰু তথ্য বিচাৰিম। কাৰণ পালনা এইকাৰণে প্রয়োজন যে এতিয়া আমাৰ যিসমূহ অঞ্চল আছে, মোৰ সমষ্টিৰ বহু মহিলাই বিভিন্ন স্কুল বা বিভিন্ন ঠাইত কাম কৰিবলৈ গৈছে। তেওঁলোকে নিৰাপদ আৰু কম মূল্যত পাব পৰা আশ্রয়স্থল সদায় বিচাৰে। আশা কৰিম যে এই পালনাত সেই সমূহ সমস্যাৰ সমাধান কৰা হ'ব।

মহোদয়, ৰাজ্যত আন এটি গুৰুত্বপূর্ণ সমস্যাৰ ভিতৰত হৈছে child trafficking আৰু Women trafficking. Child trafficking ত দেখা গৈছে যে চৰকাৰী তথ্যমতে ২০২১ চনত ১২৬ জন আৰু ২০২২ চনত ১৪০ জন শিশু এতিয়ালৈকে নিৰুদ্দেশ হৈ আছে।

মহিলা trafficking ৰ ক্ষেত্ৰতো একে। আমাৰ ৰাজ্যৰ পৰা ৰাজস্থান, হাৰিয়ানা, পাঞ্জাৱ, দিল্লী ইত্যাদি ঠাই সমূহলৈ মহিলাসকলক স ৰবৰাহ কৰি তাত তেওঁলোকক বিক্ৰী কৰি দিয়া হয় আৰু বিক্ৰী কৰাৰ পাছত তেওঁলোকক যৌন দাসী হিচাপে ব্যৱহাৰ কৰা হয়। ৰাজ্যৰ এনেধৰণৰ ঘটনা সঘনাই বাতৰিকাকতত আহি আছে আৰু চৰকাৰৰ ওচৰতো তথ্য আছে। বিভিন্ন থানাত বিভিন্ন সময়ত এই সম্পৰ্কত ৰিপোৰ্ট দাখিল কৰাৰ পাছতো আজিৰ সময়লৈকে বহু মহিলা এতিয়লৈকে নিৰুদ্দেশ হৈ আছে। যেতিয়া পৰিয়ালৰ তৰফৰ পৰা ৰিপোৰ্ট দাখিল কৰাৰ পাছতো, কোন ঠাইত মহিলা গৰাকী আছে তাৰ location দিয়াৰ পাছতো থানাৰ লগতে এই বিভাগৰো যিখিনি দায়িত্ব থাকে সেইখিনি পালন কৰা আমি দেখা নাই। আজিও মোৰ সমষ্টিত দুগৰাকী মহিলা এতিয়াও ৰাজস্থানত যৌন দাসী হিচাপে কৰ্মৰত হৈ আছে মই দুই এদিন আগত তথ্য পাইছো। আমি আশা কৰিম যে এই বিভাগে হওক বা home department য়ে হওক এই বিষয়টো খুৱ স্পৰ্শকাতৰ বিষয় হিচাপে ধৰি লৈ quick action ল'ব লাগে।

মহোদয়, SDG target 4.2 ত আমি কৈছিলো যে ভাৰতো যিহেতু ইয়াৰ signatory, all girls and boys have accessed to quality early chilhood development care and pre primary education so that they are ready for primary education.

২০২১-২২ চনৰ data যদি আমি চাওঁ ৫৭ শতাংশ শিশুহে pre primary education টো পাৰ হৈ আহি class (i) ত নামভৰ্ত্তি কৰে আৰু ৰাজ্যৰ ১৮ শতাংশ বিদ্যালয়ত এতিয়াও pre primary education টো পাৰ হোৱাৰ সুবিধা নাই। মহোদয়, যি সময়ত ৰাজ্যত অনেক অঙ্গনবাড়ী কেন্দ্ৰ এতিয়া বন্ধ কৰি দিয়া হৈছে, এইবিলাক কি ধৰণে বা কি কাৰণে বন্ধ হয় সেইবিষয়ে আমি গমকে নাপাওঁ। যিসময়ত এটা এটা অঙ্গনবাড়ী কেন্দ্ৰ গঢ়োতে আৰু সেই কেন্দ্ৰটোত infrastructure দিওঁতে বিধায়কসকলক জ্ঞাত কৰা হৈছিল, বিধায়কসকলে যথেষ্ট কষ্ট কৰিছিল কিন্তু আজিৰ সময়ত কেবল অফিচাৰে নিজৰ exercise ৰ ভিতৰতে সামৰি, অফিচৰ ভিতৰতে থাকি সেই অঙ্গনবাড়ী কেন্দ্ৰ সমূহ বন্ধ কৰি দিয়ে আৰু তাৰ পাছত যেতিয়া আমি সেইবিলাক খুলিবলৈ প্ৰয়াস কৰো, তেতিয়া কয় যে নহয়, এইটো কেবিনেট সিদ্ধান্তৰ পৰা হৈ গ'ল। সেই সমষ্টিৰ এজন বিধায়ক আছে আৰু তেওঁ ঘুনাক্ষৰেও নাজানিব যে এই কেন্দ্ৰটো কি কাৰণত বন্ধ কৰা হৈছে। মহোদয়, মই আশা কৰিম ৰাজ্যত যিসময়ত অঙ্গনবাড়ী কেন্দ্ৰ বন্ধ কৰি দিয়া হৈছে, এই ক্ষেত্ৰত যদি বন্ধ কৰিবই লাগে তেনেহ'লে এবাৰো কিয় Block level বা CDPO level ৰ meeting পাতি বিধায়কজনক জ্ঞাত কৰা নহয়? কিয় তেওঁক তাতে সদস্য কৰা নহয়? ৰাইজৰ হকে যদি তেওঁ কথা ক'ব নোৱাৰে, তেওঁক যদি নজনোৱাকৈ এইখিনি কাম কাম কৰা হয়, তেনেহ'লে সৰ্বনাশ হ'ব। এতিয়া মোৰ সমষ্টিত কেইবাটাও কেন্দ্ৰ বন্ধ কৰিছে। যিসময়ত আমাৰ সমষ্টিত কেন্দ্ৰৰ প্ৰয়োজনীয়তা আছে আৰু মই ইতিপূৰ্বেও এই সদনক জ্ঞাত কৰিছো যে চেঙা সমষ্টিতো এনেকুৱা ঠাই আছে,যিসমূহ ঠাইত যেতিয়া অঙ্গনবাড়ী কেন্দ্ৰ প্ৰতিষ্ঠা কৰিব লাগিছিল, তেতিয়াৰ পৰা এতিয়ালৈকে বহু গাওঁ nil হৈ আছে। কিন্তু তাতে আপুনি দেখা পাব যে যি census হৈছে, সেইমতে সেই ঠাইত অঙ্গনবাড়ী কেন্দ্ৰ নাই। সেই সমূহ ঠাইত অঙ্গনবাড়ী কেন্দ্ৰ বন্ধ কৰা বাদ দি অন্তত সেইসমূহ rationalize কৰি বা অন্য প্ৰকাৰে হ'লেও আমি যাতে প্ৰতিষ্ঠা কৰিব পাৰো এই ক্ষেত্ৰত এই বিভাগে চিন্তা-চৰ্চা কৰিব বুলি আমি আশা কৰিছো।

মহোদয়, এই বিভাগৰ আন কিছুমান দায়িত্বৰ ভিতৰত মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বা বাল্য বিবাহ ৰোধৰ ক্ষেত্ৰত যেনেদৰে পদক্ষেপ ল'ব লাগিছিল, সেই পদক্ষেপ লোৱাৰ ক্ষেত্ৰত আমি দেখিছো যে কৰবাত যেন ত্ৰুটি হৈছে। যোৱা বাজেটত ২০২৩-২৪ চনত ২০০ কোটি টকা ধাৰ্য্য কৰা হৈছিল যে বাল্য বিবাহ প্ৰতিৰোধৰ ক্ষেত্ৰত এইখিনি টকাৰ কাম কৰা হ'ব। এই ২০০ কোটি টকাৰ সৎ ব্যৱহাৰ কেনেকৈ হ'ল বা কি ধৰণে হ'ল তাৰ কোনো স্পষ্ট নজিৰ নাই। ২০০ কোটি টকা কম নহয়। যদি অন্ততঃ মহিলা আৰু শিশু কল্যাণ বিভাগক এই ২০০ কোটি টকা ব্যৱহাৰ কৰিব দিলেহেঁতেন অন্তত তেওঁলোকৰ আন্তঃগাথনি বা সজাগতামূলক কাৰ্য্যসূচী সমূহত এই টকাখিনি ব্যৱহাৰ কৰিব পাৰিলেহেতেন। গতিকে আমি আশা কৰিছো যে এই বিভাগে আৰু পুঁজি লৈ যাওঁক। আমাৰ আপত্তি নাই। কিন্তু এই কামসমূহ যাতে তেওঁলোকে কৰে। তাৰ এটা আহ্বান আমি ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা। আপুনি ৫ মিনিটত শেষ কৰিব। সময়টো কম।

**শ্ৰী তেৰছ গোৱালা, (ডুলিয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহিলা আৰু শিশু উন্নয়ণ বিভাগৰ যি কৰ্তন প্ৰস্তাৱ গ্ৰান্ট নং-৩৯ ত বিৰোধীয়ে আনিছে, তাৰ বিৰুদ্ধে মই কেইটামান কথা ক'ব বিচাৰিছো। আমাৰ যি দাবী মঞ্জুৰী আছে, তাত বিষয় তিনিটা দিছে। এটা হ'ল- Interrogated child development scheme আঁচনিৰ কেন্দ্ৰীয় অংশ আৰু ৰাজ্যিক অংশৰ বিপৰীতে ১০৫৩.৪২ লাখ টকা, দ্বিতীয়টো হ'ল- Supplementary Nutrition programme আঁচনিৰ ৰাজ্যিক অংশৰ বিপৰীতে ২৮৫৮.৭ লাখ টকা আৰু তিনি নং টো আছিল RIDF ৰ অধীনত Model Anganbadi নিৰ্মাণৰ কাৰণে ৩৬৮৫ লাখ টকা। এই বিভাগটো এটা খুব গুৰুত্বপূৰ্ণ বিভাগ। সমাজৰ আটাইতকৈ অৱহেলিত, দুখীয়া দৰিদ্ৰ লোকৰ চিন্তা কৰা এটা বিভাগ আৰু এই বিভাগটোত যে পইচা লাগে এই কথাটো আমি সকলোৱে স্বীকাৰ কৰিছো। আমাৰ বিৰোধী বিধায়কসকল মানসিকভাৱে যথেষ্ট হতাশ হৈছে যেন আমাৰ অনুভৱ হৈছে। কিন্তু তথাপিও মই তেখেত সকলক ধন্যবাদ জনাইছো যে সদনত এই বিষয়টো আলোচনা কৰিবলৈ সুবিধা কৰি দিয়াৰ কাৰণে। আমি গোটেই ডাটাখিনি ইতিমধ্যে পাইছো। ইয়াৰ ভিতৰতে আমি জানো যে সমাজত এতিয়াও শ্ৰেণী বৈষম্য আছে। আমি যিটো সমাজৰ পৰা আহিছো, সম্ভ্ৰান্ত পৰিয়ালৰ যি ল'ৰা-ছোৱালী আছে, তেওঁলোকে এনেকুৱা ধৰণৰ স্কুল কলেজৰ কথা পাতে যে ল'ৰা ছোৱালী ছমাহ বা এবছৰ হৈ যোৱাৰ পাছতো তেওঁলোকেক ক'ত পঢ়াব, কেনেকৈ যাব কি পিন্ধিব এই গোটেই বিলাক ব্যৱস্থা তাত আছে। তেওঁলোকে প্ৰথমে Kites Trust Play School, Tiny Thoughts Dollynama School, Saint Ford এইবিলাক সাধাৰণ দুখীয়া মানুহে বুজি নাপায়। কিন্তু যেতিয়া এই দুখীয়া মাক বাপেকে চাহাবৰ ঘৰত কাম কৰে, সৰু লৰা-ছোৱালী বিলাকক যেতিয়া ধুনীয়াকৈ play school লৈ যায়, তেতিয়া তেওঁলোকে অনুভৱ কৰে যে মোৰো লৰা-ছোৱালীক মই পঠিয়াৰ পাৰো নেকি। পঠিয়াম বুলি ভাৱিলে তো নহ'ব, টকা পইচাৰ প্ৰয়োজন আছে। সেইকাৰণে মই ভাৱো খুব ভাল চিন্তা কৰি অঙ্গনবাড়ী কেন্দ্ৰ সমূহৰ চিন্তা আনিলে অঙ্গনবাড়ী কেন্দ্ৰ সমূহৰ জৰিয়তে দুখীয়া লৰা ছোৱালীবিলাকক বিশেষকৈ শিশু সকলক আগবঢ়াই নিবৰ কাৰণে যথেষ্ঠ সমূহ আঁচনি গ্ৰহন কৰিছে। মই দেখিছো যে অঙ্গনবাড়ী কেন্দ্ৰবিলাকত কৰ্মী আৰু সহায়িকা সকলে এগৰাকী জীয়ৰী যেতিয়া বোৱাৰী হৈ মাতৃ হয় তাক কেনেকৈ কেয়াৰ লব লাগে, এগৰাকী ভাল শক্তিশালী মাতৃ কেনেকৈ কৰিব লাগে শক্তিশালী মাতৃ হবৰ কাৰণে

তেওঁৰ কি কি অভাৱ হৈছে কি কি ধৰণে খাদ্য খুৱাব লাগে গোটেইখিনি তেওঁলোকে পোষণ মাহৰ জৰিয়তে খুব ধুনীয়াকৈ exhibition কৰে আৰু গোটেই শাকপাচলি আমাৰ ইয়াত ভাতে হওঁক বা ৰুটিয়ে হওঁক, কণী, মাংস, ক'ত কি vitamin আছে এই বিলাক presentation কৰে। যাৰ কাৰণে মই ভাৱো এইক্ষেত্ৰত যথেষ্ট সজাগতা হয়। কোনোবা বিৰোধী দলৰ সদস্যই কৈছে যে এইবিলাকত সজাগতা নাই। কিন্তু আমাক বহুত সময়ত মাতে আমি অংগনবাড়ী কেন্দ্ৰবোৰত যেতিয়া যাওঁ তেতিয়া সেইবিলাক আমি দেখিবলৈ পাওঁ। এতিয়া এই অংগনবাড়ী কেন্দ্ৰ হয় ইমান শিশু জড়িত থকা এইটোৱে চাগে অনুষ্ঠান যে ইয়াত প্ৰায় ২৮৭২৭৫৫ গৰাকী শিশু অংগনবাড়ীত আছে। এইটো সম্পূৰ্ণ দুখীয়া ঘৰৰ। দুখীয়া ঘৰৰ ল'ৰা-ছোৱালী মানে এনেকুৱা নহয় আলোচনা কথা নহয় সিদ্ধি বাটত থাকে কণা বিধি, এনেকুৱা এটা প্ৰবচন আছে আৰু সেই কাৰণে ভাৱিলেও নহয় কিন্তু তথাপিও অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে আমি দেখিছো যে ২৮৭২৭৫৫ গৰাকী শিশু আজি অংগনবাড়ী কেন্দ্ৰত ধুনীয়াকৈ পঢ়িছে। কোনোবা বিৰোধী সদস্যই কৈ আছে যে New Education Policy মতে তাত কি কি ব্যৱস্থা আছে তেওঁ নাজানে। কিন্তু আমি যেতিয়া যাও আমি দেখো যে শিশু বিলাকক ইমান ধুনীয়াকৈ তেওঁলোকক preparation কৰি দিয়া হৈছে তেওঁলোকে কেনেকৈ কাপোৰ পিন্ধিব লাগে কেনেকৈ চাফচিকুনকৈ থাকিব লাগে কেনেকৈ পোষণ আহাৰ খাব লাগে তেওঁলোকক এ বি চি ডি কেনেকৈ শিকাব লাগে একেবাৰে গীতে-মাতে নিত্যই সম্পূৰ্ণৰূপে Kindergarden Education System ৰ নিচিনা তেওঁলোকক আগবঢ়াই লৈ যোৱা হৈছে। অসমতো দেখিছো যে মুঠ ৬১৮৪৫ টা অংগনবাড়ী কেন্দ্ৰৰ বিপৰীতে আমাৰ কৰ্মী প্ৰায় ৬০৩৫৬ গৰাকী আৰু সহায়িকা আছে ৫৪৫২৮ গৰাকী। বৰ্তমান এতিয়াও খালী হৈ আছে, খালী পদ আছে কৰ্মীৰ ১৪৮৯ টা আৰু সহায়িকৰ পদ ১৮৯৮ টা। মই ভাৱো ইতিমধ্যে বিভাগে ব্যৱস্থা লৈছে আমি জানিব পাৰিছো যে ইয়াৰ কিছু দিন আগতে ইয়াৰ সাক্ষাতকাৰ বিলাক হৈছে মই ভাৱো সোনকালে ইয়াৰ appointmentৰ ব্যৱস্থাটো কৰে তাৰ কাৰণে নিৰ্দেশনা দিয়ে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীয়ে তাৰ কাৰণে মই এইটো অনুৰোধ জনাম। স্থায়ী কেন্দ্ৰ বিলাকৰ মাটি আছে কিন্তু বহুতৰে মাটি নাই। মই ভাৱো যে এই কেন্দ্ৰৰ জৰিয়তে খুৱ ধুনীয়াকৈ কেতিয়া কি খাব ইয়াত packet lunch টো হয় এতিয়া আহিছে অলপ মোৰো সন্দেহ আছে পেকেট লাঞ্চৰ পৰিবৰ্তে আগৰ দৰে পুষ্টিকৰ খাদ্য আকৌ কেনেকৈ আমি তাতে ৰান্ধি খুৱাব পাৰো তেনেকৈ খোৱাৰ ব্যৱস্থা কৰি দিলে ভাল হয়। কাৰণ সোমবাৰৰ পৰা শনিবাৰলৈকে কোন দিনা কি খুৱাব কেনেকুৱা ধৰণৰ খানা হ'ব লাগিব কি কি থাকিব গোটেই বস্তুটো ধুনীয়াকৈ দিছে। সোমবাৰে দালখিচৰী, সেউজীয়া শাকপাচলিৰ লগতে সিজোৱা কণী এটা fortified চাউল দাইল চয়াবিন তেল নিমখ, মচলা ইত্যাদি। ঠিক বাকী বাৰত কি খুৱাব খুৱ ধুনীয়া এটা chart আছে। ময়ো বিধায়ক হোৱাৰ পিছত বা আগত যেতিয়া কেন্দ্ৰ বিলাকত গৈছিলো তাত খুব ধুনীয়াকৈ এইবিলাক কৰি আছিল। মই ভাৱো এই কেন্দ্ৰৰ জৰিয়তে আমি নিশ্চয় model যিটো concept আহিছে খুব ধুনীয়া কৰিছে। এতিয়া মডেল অংগনবাড়ী কোৱাৰ লগে লগে আমি বিধান সভাত যেনেকৈ বহিছো তাৰ তুলনাত তাত কোনো কম নহয়। খুৱ ধুনীয়া টাইলচ্ লগোৱা। খুৱ ধুনীয়া আন্তঃগাঁথনি থকা আমি এটা অংগনবাড়ী কেন্দ্ৰ পাইছো। আগত মই নাজানো আগৰ চৰকাৰে যেতিয়া অংগনবাড়ী কেন্দ্ৰ বনালে নাজানো সেইবিলাক কেনেকৈ estimate কৰিলে কেনেকৈ বনালে এইবোৰ ১০ বছৰত ভাঙি শেষ হৈ গ'ল। আজি তেওঁলোকে নিঃসংকোচে কৈ আছে যে আজি পানী পৰে টিন বিলাক ফটা

বেয়া, কিন্তু মই এটা উদাহৰণ দিছো comparatively ব্ৰিটিছ সকলে চাহ বাগিছা বোৰত যেতিয়া ঘৰ বনাইছিল এতিয়াও পানী পৰা নাই বহুতত। আজি ৭০/৭২ বছৰ হৈ গ'ল। সেই কাৰণে মই ভাৱো কৰবাত কিবা ব্যক্তিগত মুনাফা লবৰ কাৰণে হয়তো সেই সময়ত scheme লৈ গৃহ বিলাক বনোৱা হ'ল। কিন্তু আজি যিবিলাক গৃহ বনাইছে ইয়াত সামাজিক জাতীয় দায়িত্ব জড়িত আছে আৰু সমৰ্পিত মনোভাৱেৰে কৰা কাৰণে আজি model অংগনবাড়ী কেন্দ্ৰ দেখাৰ লগে লগে সকলোৰে অংগনবাড়ীত কেন্দ্ৰত পঠিয়াব বিচাৰিছে।

**মাননীয় উপাধ্যক্ষ ঃ** thank you, please conclude.

**শ্ৰীতেৰছ গোৱালা ঃ** মই ধন্যবাদ জনাইছো মন্ত্ৰী ডাঙৰীয়ানীক, আমাৰ অজন্তা বাইদেউৰে মাতি নি আমাক অংগনবাড়ীবোৰ দিছে আৰু এতিয়া ১০ হাজাৰ প্ৰজেক্ট কৰিছে আৰু সেইকাৰণে মই ভাৱো তিনিটা শিতানত যাতে আৰু পইচা দিব পৰা যায় তাৰ কাৰণে বিৰোধী সকলে এই কৰ্তন প্ৰস্তাৱ withdraw কৰিব লাগে, আৰু এই বিভাগত আৰু পইচা দিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্তী মাননীয় সদস্য দুৰ্গা দাস বড়ো, আপোনাৰ সময় ৫ মিনিট।

**শ্ৰীদুৰ্গাদাস বড়ো ঃ** উপাধ্যক্ষ মহোদয়, মোক ৫ মিনিটো নালাগে তিনি মিনিট মান লাগিব। পক্ষ আৰু বিপক্ষ সকলোৰে প্ৰায়বিলাক পৰামৰ্শ আগবঢ়াইছে, কৰ্তন প্ৰস্তাৱৰ সুবিধা গ্ৰহণ কৰি। মই কৰ্তন প্ৰস্তাৱৰ বিপৰীতে গৈ মাত্ৰ তিনিটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। অলপ আগতে পৃথ্বীৰাজ ৰাভাই দুটামান কথা কৈছে যে এসময়ত গিৰিয়েকৰ চিতাত ঘৈনীয়েকক তুলি দি মাৰা হৈছিল, তাৰ মানে অন্ধ বিশ্বাস আগতে আছিল। মোৰ এতিয়াও মনত আছে, মই যেতিয়া ক্লাছ চিক্সত এম ভি স্কুলত পঢ়িছিলো তেতিয়া মোৰ লগত আমাৰ ২৪ জন ল'ৰা আছিল আৰু ২ গৰাকী মাত্ৰ ছোৱালী আছিল ratio টো সেইটো আছিল। এতিয়া তেওঁলোকৰ নামবোৰ মনত আছে আমি মেট্ৰিক দিছিলো ২৮ টা ল'ৰাই ছোৱালী আছিল এজনী। গতিকে সেই সময়ত আমাৰ দিনতে আমি দেখিছো যে আমাৰ ratio টো মহিলা শিশুক কি দৰে বঞ্চিত কৰা হৈছে আৰু আজিৰ যিটো পৰিস্থিতি পাইছে সেইটো একে দিনতে নাইপোৱা। ক্ৰমগত ভাৱে পাইছে। এতিয়া যি সকলে অংগনবাড়ী নতুন কেন্দ্ৰ গৃহৰ কথা কৈছে অংগনাবাড়ী কেন্দ্ৰ বুলি কলে সাধাৰণ মানুহৰ কনচেপ্তটো হৈছে ৰঙা টিনৰ এখন চালি আৰু কিছু দিন পিছত উৰলি গৈ তাত গৰু-ছাগলীয়ে বসবাস কৰে শেষত গৈ স্কুলৰ বাৰাণ্ডাত, ব্যক্তিগত মানুহৰ ঘৰৰ বাৰণ্ডাত সেই অংগনবাড়ী কেন্দ্ৰবিলাক চলিছিল। মন্ত্ৰী ডাঙৰীয়ানীক মই এটা বস্তু লক্ষ্য কৰিবলৈ অনুৰোধ কৰিছো ৬১০০০ অংগনবাড়ী কেন্দ্ৰত more than 61,000 এই ৬১ হাজাৰ কেন্দ্ৰ ২৬ হাজাৰ গাঁও, ২৬ হাজাৰ গাঁৱত ৬১ হাজাৰ প্ৰায় দাবোল, তাৰমানে অলাগতিয়াল ভাৱে কিছু অংগনবাড়ী কেন্দ্ৰ বিলাক হৈছিল নেকি? যি বিলাক অংগনবাড়ী কেন্দ্ৰত ছাত্ৰ-ছাত্ৰী থাকক বা নাথাকক কেইবাজনো সদস্যই উল্লেখ কৰিছে উদ্দেশ্য প্ৰণোদিত ভাৱে সেই বিলাক বনাইছিল নেকি? আৰু যদি উদ্দেশ্য প্ৰণোদিত নহয় তেতিয়াহলে আজিৰ এই ২০২৩-২৪ চনৰ মন্ত্ৰী গৰাকীয়ে ৩/৪ খন অংগনাবাড়ী কেন্দ্ৰ লগ লগাই এখন কৰিব লগীয়া হৈছে এই কাৰণে যে ৪/৫ টা শিশু আছে এখনত, তিনিখন লগ লগালে ১৫/১৪/২০ টা শিশু হয়। সেই অৱস্থা আহি পাইছে গতিকে এইটো প্ৰমাণ হৈছে যে পূৰ্বতে প্ৰয়োজনতকৈ অধিক অংগনবাড়ী কেন্দ্ৰ কাৰোবাৰ স্বাৰ্থত বনোৱা হৈছিল। এতিয়া আৰু এটা বিষয়, এই সুবিধাতে মাননীয়া মন্ত্ৰী গৰাকীক পৰামৰ্শ আগবঢ়াব বিচাৰিছো আমি সকলোৰে জানো যে শিশু সকলক exploit কৰিবলৈ সহজ আৰু মহিলাকো বহুত বছৰ যুগ যুগ ধৰি exploit কৰি

আহিছে, এই শিশু সকলক ফাকি দি যোৱা দীঘলীয়া দিন তেওঁলোকৰ খাদ্য কোনোবাই খালে। আমি জানো অংগনাবাড়ী কেন্দ্রত কাম কৰা সকলে তেওঁলোকৰ ঘৰত বিনাপইচাত তেওঁলোকে একো নিকিনাকৈ খায়। গতিকে এইটো restrict হৈছে। হোৱাৰ লগে লগে তাত কাম কৰা সকলে তেওঁলোকে অতিৰিক্ত পইচা পাবৰ কাৰণে আজি সংগ্ৰাম কৰিছে অৱশ্যে পোৱাতো ময়ো বিচাৰো। কিন্তু তাৰ মানে এইটো নহয় যে যিধৰণে চলি আছিল অংগনবাড়ী কেন্দ্ৰ বিলাক তাতকৈ উন্নত হ'ব নালাগে। মই শেষত এটা কথা কব বিচাৰিছো যে আজি আমাৰ যিখিনি অংগনবাড়ী কেন্দ্ৰ আছে সেই কেন্দ্ৰ বিলাকত concentrate যিহেতু অংগনাবাড়ী কেন্দ্ৰত প্ৰায় বিলাকে বক্তব্য ৰাখিছে ইমান অত্যাধুনিক হৈছে অংগনবাড়ী কেন্দ্ৰ সমূহ, যে সেইখন গাঁৱত তাতকৈ ধুনীয়া আৰু ঘৰ নাই। সেই খন গাঁৱত সকলো সুবিধা থকা ঘৰ নাই। মোৰ গাৱৰ ঘৰতো নহয়। গতিকে বনাই উঠি ফিটা কটাৰ সময়ত মোৰ নিজৰে দুই ৰাতি মান থাকিবলৈ মন যায়। ইমান ধুনীয়া ঘৰটো। গতিকে তেনেকুৱা এটা ঘৰত শিক্ষাটো ঠিক তেনেকুৱা ধৰণৰ হ'ব বুলি মই আশা ৰাখিছো। যি সকলক ইতিমধ্যে ট্ৰেইন কৰা নাই, তেওঁলোকক ট্ৰেইন কৰাৰ কাৰণে অগ্ৰাধিকাৰ দিব লাগে আৰু বহুত বয়োজ্যেষ্ঠ অংগনবাড়ী কেন্দ্ৰৰ তেওঁলোকে যদি ট্ৰেইনিং নলয় মই ভাৱো যে তেওঁলোকক খেদি দিয়া বা তেওঁলোকক আতৰাই দিয়া মই তাৰ পক্ষত নাই। কিন্তু তেওঁলোকে যদি উইলিংলি কিবা কাৰণত তেওঁলোকে তাৰ পৰা যাব বিচাৰে কোনোবা ট্ৰেইন যি সকল আছে তেওঁলোকক লৈ আহিব লাগে আৰু আমাৰ যিটো নিউ এডুকেচন পলিচিৰ ক্ষেত্ৰত চেলেঞ্জ আহিছে এই চেলেঞ্জটো আমাৰ প্ৰি প্ৰাইমাৰীৰ ক্ষেত্ৰত সুন্দৰভাবে অংগনাবাড়ীকেন্দ্ৰ ব্যৱহাৰ কৰিব পাৰিব। যদিহে তাত থকা কৰ্ম্মী সহায়িকা সকলক ট্ৰেইনিং দি লয়। শিশু সকলক সুশিক্ষিত কৰি আগুৱাই নিয়াৰ আমাৰ যি লক্ষ্য আৰু উদ্দেশ্য, মহিলা সৱলীকৰণৰ যি লক্ষ্য আৰু উদ্দেশ্য, সেই উদ্দেশ্যত আমি সফল হ'ব নোৱাৰিম। মই এইখিনিকে কৈ মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ এতিয়া মাননীয় সদস্য অখিল গগৈ।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিটো নাৰী আৰু শিশু কল্যাণ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আলোচনা কৰিছো, সেইটো বিভাগ যিটো বিভাগত গোটেই ভাৰতবৰ্ষৰ ভিতৰত maternal mortality rate অৰ্থাৎ সন্তান জন্ম দিওঁতে প্ৰসুতিৰ মৃত্যুহোৱাৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰতেই অসমত আটাইতকৈ বেছি প্ৰসুতিৰ মৃত্যু হয়। আজিৰ দিনটোত ১ লাখ মহিলাই সন্তান জন্ম দিওঁতে ১৯৫ গৰাকী মহিলাৰ অসমত মৃত্যু হয়। সৰ্বভাৰতীয় গড় ৯৭ আৰু কেৰেলাত সৰ্বনিম্ন মৃত্যু হয় ১৯ গৰাকী আৰু অসমত হয় ১৯৫ গৰাকী। আজি আমি সেই বিভাগৰ বিষয়ে আলোচনা কৰি আছো। আমাৰ মুখ্যমন্ত্ৰী গৰাকীয়ে অসমক শ্ৰেষ্ঠ ৰাজ্য বা ১ নং ৰাজ্য কৰিম বুলি কয়। অকল এইটোত অসম ১ নং ৰাজ্য হৈ আছে maternal mortality rate ত। ২ নংতে হৈছে, infant mortality rate ৰ ক্ষেত্ৰত গোটেই ভাৰতবৰ্ষৰ ভিতৰতে আমি ৪ নংত। অৰ্থাৎ আমাৰ ১০০০ শিশুৰ ভিতৰত ৩৬ টা শিশুৱেই মৃত্যুবৰণ কৰে, আৰু সেই বিভাগটোৰ বিষয়ে আমি আজি আলোচনা কৰি আছো। মই গোটেই বিষয়টো পঢ়ি দেখিলো যে আজিৰ দিনটোত গৰ্ভৱতী মহিলা, lectic mother শিশু প্ৰাক বিদ্যালয়ৰ শিশুকে ধৰি হিতাধিকাৰীৰ সংখ্যা ৩৭ লাখ ৪০ হাজাৰ ৫ শ ৪২ গৰাকী। ইমান খিনি মানুহক আমি যত্ন লওঁ। গৰ্ভৱতী মহিলাই ঠিক মতে পুষ্টি পাবৰ বাবে আমি এটি খাদ্য দিওঁ যিটোৰ নাম হৈছে, instant dal khisiri আৰু এটা হ'ল multigrain suji halwa আৰু এইটো অকল ঠিকাদাৰক পইচা দিবৰ বাবে কৰা হৈছে। এইটো এতিয়া মানুহে নাখায়। এই বিভাগটোৱে কেৱল

ঠিকাদাৰক কাম দিয়ে। ঠিকাদাৰক পইচা দিয়াৰ কাৰনেহে এই বিভাগটো। এই বিভাগটোৱে এনেকুৱা ধৰণৰ খিচিৰি খুৱাইছে, এনেকুৱা ধৰনৰ multigrain suji halwa দিছে, যিটো কোনো পধ্যে মহিলা আৰু শিশু সকলে নাখায় গতিকে এই গোটেই ঘটনাটোৰ ওপৰত উপাধ্যক্ষ ডাঙৰীয়া তদন্ত হ'ব লাগে। আপুনি যদি অনুমতি দিয়ে এই খাদ্যৰ টোপোলা বিলাক লৈ আহিছিলো, বাহিৰত আছে, যদি আপুনি অনুমতি দিয়ে মই মন্ত্ৰী ডাঙৰীয়াক এই বিলাক দেখুৱাই দিব পাৰিম। ২য়তে আমাৰ যিবিলাক অংগনবাড়ী চেন্টাৰ এই চেন্টাৰবোৰৰ অৱস্থা গৰুৰ গোহালীতকৈও বেয়া। ৬১৭৩৬ টা আমাৰ তেনেকুৱা বেয়া অৱস্থাৰ অংগনবাড়ী চেন্টাৰ আছে। তাৰে ৪২১৯ টা মডেল অংগনবাড়ী কেন্দ্ৰ বনাইছে। মডেল অংগনবাড়ী কেন্দ্ৰ এটা এটা বিধান সভা সমষ্টিত পাব লাগে ৩৩.৪৮ কৈ কিন্তু মোৰ সমষ্টি এতিয়ালৈকে মই ১৯ টা পাইছো। এইটো কেনেকুৱা ধৰণৰ অন্যায় যদি শিশু আৰু মহিলা কল্যাণ বিভাগে এনেকুৱা কৰে এটা সমষ্টিৰ ক্ষেত্ৰত তেন্তে মহিলা আৰু শিশুৰ প্ৰতি মৰম থকা বিভাগ হয় নে নহয়, তাতে প্ৰমান হৈ যায়। মই আশা কৰো এনেকুৱা অন্যায় যাতে ভৱিষ্যতে নহয়। তাত যিবিলাক কৰ্ম্মী আৰু সহায়িকা আছে, তেওঁলোকৰ অংগনবাড়ী কৰ্ম্মীজনক দৰমহা দিয়ে ৬৫০০ টকা আৰু সহায়িকা গৰাকীক দিয়ে ৩২৫০ টকা। ইয়াতে প্ৰমান হয় যে চৰকাৰে শিশু আৰু গৰ্ভৱতী মহিলাক যত্ন ল'বৰ বাবে ভাল মানুহ দিব বিছ্ৰা নাই অৰ্থাৎ ভালকৈ চাৰ্ভিচ বা মনোযোগ দিব বিচৰা মানুহক নিযুক্তি দিব বিচৰা নাই। এনেকুৱা ধৰণৰ mentality লোৱাৰ কাৰণে আজিৰ দিনটোত maternal mortality ৰ ক্ষেত্ৰত গোটেই দেশৰ ভিতৰতেই আটাইতকৈ বেয়া অৱস্থা। সেয়ে মই দাবী উত্থাপন কৰিব বিচাৰিছো অংগনবাড়ী কৰ্ম্মী বিলাকক দৰমহা ৬৫০০ ৰ পৰিবৰ্তে অতি কমেও ১৫০০০ হ'ব লাগে আৰু কৰ্ম্মীৰ দৰমহা ৩২৫০ ৰ পৰিবৰ্তে অতি কমেও ১০০০০ হ'ব লাগে, যাতে তেওঁলোকে মনোযোগেৰে শিশু আৰু গৰ্ভৱতী মহিলা সকলৰ যত্ন ল'ব পাৰে। মই আপোনালোকক জনাব বিচাৰো যে বেলেগ বেলেগ ৰাজ্যত কৰ্ম্মী আৰু সহায়িকাৰ দৰমহা বেছি হৈছে, কিন্তু অসমত এনেকুৱা হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক। ICDS প্ৰকল্প বিলাকৰ অফিচ বিলাক এতিয়াও ভাড়াঘৰত আছে অৰ্থাৎ এই বিভাগে এতিয়াও শিশু আৰু মহিলাৰ ভালকৈ কল্যাণ কৰিম বুলি ভবা নাই। যিটো কাৰণত তেওঁলোকে পইচা খৰচ কৰিব নিবিচাৰে। যিটো কাৰণত এই কাৰবাৰটো হৈ আছে। গতিকে মই ভাবো এই গোটেই পৰিস্থিতি বিলাক লৈ আমি এই বিভাগটোৰ বিষয়ে চিৰিয়াচলি ভাবিব লাগে আৰু কাম কৰিব লাগে। এই বিভাগৰ ভিতৰত নপৰিলেও মই কথা এটা কৈ যাওঁ যে দিব্যাংগ সকলক অৰুনোদয় দিয়াৰ কথা দিছে। কিন্তু মোৰ সমষ্টিত দিব্যাংগৰ সংখ্যা আছিল ১১৩৯ গৰাকী। কিন্তু অৰুনোদয় পাইছে মাত্ৰ ৮৭৩ গৰাকীয়ে বাকী ২৬৬ গৰাকীয়ে এতিয়াও অৰুনোদয় পোৱা নাই। এফালে তেওঁলোকৰ দিব্যাংগ পেঞ্চনটোও বন্ধ হৈ গ'ল আৰু আনফালে অৰুনোদয়ও পোৱা নাই । গতিকে এইটো এটা ভয়ানক ঘটনা। গতিকে মই এই বিষয়টো চাবৰ বাবে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। শিৱসাগৰ জিলাত অংগনবাড়ী কৰ্ম্মী আৰু সহায়িকাৰ পদ খালী হৈ আছে, কৰ্ম্মীৰ ৫ টা পদ আৰু সহায়িকাৰ ক্ষেত্ৰত ৭ টা পদ খালী হৈ আছে। গতিকে গোটেই অসমত য'ত এনেকুৱা কৰ্ম্মী আৰু সহায়িকাৰ পদ খালী হৈ আছে, তাত অনতি পলমে নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে বুলি মই দাবী উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ এতিয়া মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ৩ মিনিট।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আচলতে দৃষ্টি নহয় দৃষ্টিকোণৰ পৰিবৰ্তন কৰিব লাগে। যদি চৰকাৰৰ কিবা চাজেশ্যন আছে দিয়ক। বা যদি কিবা

ভাল কাম কৰিব আছে, কৰক কিন্তু চৰকাৰে যিবিলাক ভাল কাম কৰি আছে, সেই বিলাক আমাৰ বন্ধু সকলৰ চকুত নপৰে। এই কথাটো বেয়া কথা। মোৰ সমষ্টিত অংগনবাড়ী কৰ্ম্মী সহায়িকা সকল আহি কলে যে আমাৰ অংগনবাড়ী চেন্টাৰৰ অৱস্থা বেয়া হৈছে, আপুনি কিবা এটা কৰক। মই গৈ দেখিলো যে তাত সৰু ল'ৰা ছোৱালী থকাটো দূৰৰে কথা তাত গৰু ছাগলীও থাকিব নোৱাৰা অৱস্থা। এনেকুৱা অৱস্থাত মুখ্যমন্ত্ৰী ডাঙৰীয়াক অসমৰ দায়িত্ব দিয়া হৈছিল আৰু তাৰ পিছত মুখ্যমন্ত্ৰী ডাঙৰীয়া গৈ ১০,০০০ অংগনবাড়ী চেন্টাৰ কৰাৰ বাবে সংকল্প হাতত ললে।

এগুলো কি ভালো কাজ নয়? উপাধ্যক্ষ মহোদয়। আজ লজ্জা হয়না এই অঙ্গনওয়াড়ি সেন্টার যাদের সময় বানানো হয়েছিল কাদের সময় এই সেন্টার বানানো হয়েছিল কখন বানানো হয়েছিল সেই অঙ্গনওয়াড়ি সেন্টার? আজ আপনারা ধন্যবাদ দিতে পারছেন না। আজ ৫০০০ অঙ্গনওয়াড়ি সেন্টার করা হচ্ছে এবং যে সুন্দর পরিবেশ এবং সুন্দর মডেলের মধ্যে করা হচ্ছে আজকে ধন্যবাদ দিচ্ছেনা আমার বন্ধুরা সেটাই আমার দুঃখ। এই ব্যাপারে ধন্যবাদ দিতে হয় যে হেল্পার, ওয়ার্কর নিয়ে আপনারা কনসার্ন ওদের কি হবে। দুঃখের সাথে বলতে হচ্ছে আজ এক বছর নয় দুবছর নয় প্রায় ৩০- ৪০ বছর কংগ্রেসের সরকার ছিল সেই সময় অঙ্গনওয়াড়ি হেল্পার,ওয়ার্কারের রিটায়ারমেন্ট বেনিফিটের কথা চিন্তা করা হয়নি। সেই সময় অঙ্গনওয়াড়ি ওয়ার্কার বলতে বুঝতাম সরকারি এমপ্লয়ি আমরা তাদেরকে কোন সাহায্য করতে পারিনা। আজ সেই সরকারি এমপ্লয়িদের মেডিক্যাল ফেসিলিটি, প্রধান মন্ত্রী আবাস গৃহ অর্থাৎ প্রত্যেকটি সরকারি স্কিমের সঙে এই অঙ্গনওয়াড়ি হেল্পার ওয়ার্কারদের জড়িত করা হয়েছে। আজ আমার এক বন্ধু এখানে বললেন যে ৯৪০০ সেন্টার যেগুলো সেন্টারের জায়গা নেই সেই সেন্টারগুলো করা হচ্ছে এবং সেগুলোর কাজ চলছে। কার সময় সেই সেন্টারগুলো করা হয়েছিল? কে এই সেন্টারগুলো বানিয়েছিল? যদি আপনারা সেই সময় বানিয়েছিলেন তাহলে জায়গা দেখে কেন বানাননি। আজ বড় বড় কথা বলছেন। উপাধ্যক্ষ মহোদয়, আজ একটি কল্যাণকামী রাষ্ট্র হিসাবে আমাদের মুখ্য উদ্দেশ্য হচ্ছে মানুষের কাজ করা। আজ এমন অবস্থা হয়েছে এমন পরিবেশ হয়েছে যে সরকারের সমালোচনা, মুখ্যমন্ত্রীর সমালোচনা করতে করতে বাইদেওর সমালোচনা করতে করতে তারা মহিলাদের সমালোচনা করছেন। যেগুলো ভালো কাজ করেছে সেগুলো বলুন। যেগুলো ভালো কাজ করতে লাগবে সেগুলো বলুন যে এই কাজগুলো করলে ভালো হবে। সবসময় বিরোধিতার নামে বিরোধিতা করে লাভ নেই। আমি দেখেছি বিরোধিতা করে। আলটিমেটলি সরকার যে ভালো কাজ করেছে আমাদের সেগুলো এপ্রিসিয়েট করতে হবে। আমার বন্ধুরা 'আইএমআর', 'এমএমআর' এর কথা বলেছেন এই ক্ষেত্রে আমাদের কাজ করতে হবে। কেন করতে হবে, কিভাবে করতে হবে সে ব্যাপারে আমাদের অধ্যয়ন করতে হবে। উপাধ্যক্ষ মহোদয় সরকার মুখ্যমন্ত্রীর যে মানসিকতা যে চিন্তাধারা প্রতিটি বিভাগে যেভাবে ইতিবাচক দৃষ্টিভঙি নিয়ে এগিয়ে যাচ্ছেন সত্যি তা প্রসংশনীয়। আমি আপনাদেরকে একটা কথাই বলব যে সরকারের সমালোচনা করুন মুখ্যমন্ত্রীর সমালোচনা করুন আপনারা মহিলার সমালোচনা করবেন না। নারীর সমালোচনা করবেন না। আজ এই সরকার যেভাবে নারীর উন্নয়নকল্পে, অঙ্গনওয়াড়ি হেল্পার ওয়ার্কারের উন্নয়নকল্পে এই বিভাগের উন্নতির জন্য যে প্রচেষ্টা হাতে নিয়েছে সত্যি সেটা প্রসংশনীয়। আমি আবারও বিধায়ক হিসাবে ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী হেমাঙ্গ ঠাকুৰীয়া। আপুনি তিনি মিনিট মানৰ

ভিতৰত আপোনাৰ বক্তব্যখিনি ৰাখিব। কংগ্ৰেছ দলৰ আৰু ১০ মিনিট সময় আছে।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ Woman and Child Development Department টো অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ। কিয়নো আমাৰ যি জন্মদাত্ৰী মাতৃ তেওঁ নিজে মহিলা হয় আৰু মহিলা সকলে নিজৰ শিশুক সুনাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত যথেষ্ঠ অৱদান থাকে। সেইকাৰণে এই বিভাগটো অত্যন্ত গুৰুত্বপূৰ্ণ বিভাগ আৰু এটা অতি প্ৰয়োজনীয় বিভাগ হয়। আমাৰ ১২৬ টা সমষ্টিৰ বিধায়কে নিশ্চয় অনুধাৱন কৰিব পাৰে বা অসমৰ ৰাইজে দেখিছে যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ দূৰদৰ্শিতা, বিচক্ষণতা আৰু সৰল নেতৃত্বত আৰু লগতে আমাৰ মাননীয়া বিভাগীয় মন্ত্ৰী মহোদয়াৰ যি সঠিক ভূমিকা আজি Woman and Child Development Department টো আজি যথেষ্ঠ সৰল স্থিতিত  বৰ্তমান আছে। কিয়নো পূৰ্ব্বৰ চৰকাৰৰ সময়ত সমাজ কল্যাণ বিভাগ এটা যে আছে সেইটো ৰাইজে গমেই পোৱা নাছিল। ইতিমধ্যে আমাৰ বক্তা সকলে কৈছে যে এটা সময়ত অংগনবাড়ী চেণ্টাৰ বুলি কোৱাৰ লগে লগে আমাৰ গোহালি সদৃশ সৰু সৰু ঘৰৰ কথা মনলৈ আহিছিল। অভিভাৱক সকলে নিজৰ শিশুক তাত পঠাবলৈ অস্বীকাৰ কৰা পৰিবেশ এটা তাত আছিল। বৰ্তমান  আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দূৰদৰ্শিতা আৰু মাননীয়া বিভাগীয় মন্ত্ৰী মহোদয়াৰ পৃষ্ঠপোষকতাত অসমত আজি ১০ হাজাৰ মডেল অংগনবাড়ী কেন্দ্ৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰা হৈছে, সেইটো এটা অত্যন্ত প্ৰসংশনীয় পদক্ষেপ আৰু অকল সেয়াই নহয় এই অংগনবাড়ী কেন্দ্ৰ সমূহত আমি দেখিছো যে সকলো বিলাক সা-সুবিধা আছে। আমাৰ মাননীয় বিৰোধী পক্ষৰ বিধায়ক সকলে কৈছে যে তেওঁলোকে দেখা নাই। আমাৰ বিধায়ক সকলৰ দায়িত্ব থাকে যে আমাৰ নিজৰ সমষ্টিত য'ত যি কাম চলে সেই কাম সমূহৰ নিজে তদাৰক কৰাতো অত্যন্ত প্ৰয়োজনীয়। আমি দেখিছো যে যিবিলাক অংগনবাড়ী কেন্দ্ৰ হৈ গ'ল তাত শিশু সকলক যিবিলাক সা-সুবিধা দিয়া হৈছে খুব ধুনীয়া এটা পৰিবেশ। আমাৰ শিশু সকল আমাৰ ৰাজ্যখনৰ বা আমাৰ দেশৰ ভৱিষ্যত। তেওঁলোকক এটা সুস্থিৰ পৰিবেশ দি তেওঁলোকক আগুৱাই লৈ যোৱাটো আমাৰ চৰকাৰখনৰ কৰ্তব্য আৰু এই কৰ্তব্য আমাৰ চৰকাৰখনে পালন কৰিছে। ইতিমধ্যে কেৱল আমাৰ অসমতে নহয় মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই মহিলা আৰু শিশু সকলক যথেষ্ট গুৰুত্ব দিছে। আমি সকলোৱে জানো যে তেওঁ বেটী বচাও, বেটী পঢ়াও এই আঁচনি তেওঁ ২০১৫ চনৰ ২২ জানুৱাৰীত ইম্পলিমেণ্ট কৰিছিল। বৰ্তমান মহিলা সকলক উৎসাহিত কৰাৰ কাৰণে তেওঁলোকক স্বাৱলম্বী কৰাৰ বাবে লাখপতি দিদি স্কীমৰ জৰিয়তে ৩ কোটি মহিলাক সামৰি লোৱা হৈছে। ইয়াৰ উপৰিও মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই  'সবকা সাথ, সবকা বিকাশ' এইটো প্ৰদৰ্শন কৰিছে। কিয়নো আমাৰ মাইন'ৰিটী মহিলা সকলক সুৰক্ষিত কৰাৰ কাৰণে কিছুমান ব্যক্তি অৰ্থাৎ স্বামী সকলে যথেষ্ঠ উৎপীড়ন কৰিছিল। তিনি তালাক যি ব্যৱস্থা আছিল সেই ব্যৱস্থাক মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এতিয়া নাইকিয়া কৰিছে। এই ক্ষেত্ৰত ভাৰতীয় মাইন'ৰিটি মহিলা সকলে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাইছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই নাৰী বন্দনাৰ জৰিয়তে আমাৰ ৩৩ শতাংশ আসন লোক সভা আৰু বিধান সভাত সংৰক্ষণ কৰিছে। কিন্তু পূৰ্ব্বৰ চৰকাৰবোৰে এইবোৰ নকৰিলে। তেওঁলোকে কেৱল মুখতে ভাষণবাজী কৰি থাকিল। অসমৰ ক্ষেত্ৰত মহিলা সৱলীকৰণৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে অৰুণোদয় আঁচনি দিছে আৰু

ইয়াৰ জৰিয়তে ৪৬ লাখ মহিলা উপকৃত হ'বলৈ সক্ষম হৈছে। আমাৰ বিৰোধী পক্ষৰ ফালৰ পৰা উল্লেখ কৰি আছে যে অংগনবাড়ী কৰ্মী সকলৰ বাবে একো ব্যৱস্থা গ্ৰহণ কৰা নাই। কিন্তু মই উল্লেখ কৰিব বিচাৰিছো যে এটা সময়ত তেওঁলোকৰ দিনতো ১০০০-১৫০০ টকা দিয়া হৈছিল। ২০১৩-১৪ বৰ্ষত মাত্ৰ ২২৫০ টকা দিয়া হৈছিল। কিন্তু আজি সেই পৰিমাণ বৃদ্ধি কৰি ৬৫০০ টকা দিয়াৰ ব্যৱস্থা কৰা হ'ল। কিন্তু এই বিষয়ে বিৰোধী পক্ষৰ ফালৰ পৰা কোনেও নকলে। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই মেটাৰনিটি ডেথৰ কথা উল্লেখ কৰিছে। কিন্তু আজি মেটাৰনিটি ডেথ কিয় হৈছে, সেইটো জানিব লাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাল্য বিবাহৰ বিৰুদ্ধে যি ব্যৱস্থা গ্ৰহণ কৰিছে তেতিয়া কিন্তু বিৰোধী পক্ষৰ লোক সকলে চিঞৰ-বাখৰ কৰি আছিল। আজি মেটাৰনিটি ডেথ কিয় হৈছে যিসকল মহিলাই এটা সময়ত পঢ়া-শুনা কৰিব লাগিছিল, সেই সময়ত তেওঁলোক মৃত্যুমুখত পৰিব লগীয়া হৈছে। কিয়নো সেই সময়ত তেওঁলোকৰ ওপৰত মাতৃত্বৰ বোজা জাপি দিয়া হৈছিল। সেই কাৰণে মেটাৰনিটি ডেথ হৈছে, সেইটো হয়তো মাননীয় বিধায়ক গৰাকীয়ে নাজানে। এইখিনি কৈ বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মাননীয় উপাধ্যক্ষ মহোদয় এইখিনি কোৱাৰ সুযোগ দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী এ.কে. ৰছিদ আলম। আপোনালোকৰ ১০ মিনিট সময় আছে। আৰু এগৰাকী সদস্য আছে।

**শ্ৰী আব্দুল কালাম ৰছিদ আলম, (পূৰ গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত এই বিভাগৰ কিছু কথা মই অৱগত কৰিম। সমাজ কল্যাণ বিভাগৰ জৰিয়তে মহিলা কল্যাণ, শিশু কল্যাণ হৈছে। এই বিভাগটো কল্যাণ শব্দৰে নামকৰণ কৰা হৈছে। অথচ দেখা যায় যে এই বিভাগতে যিমান কেলেংকাৰীৰ ভাৰ হয়, এই বিভাগতে আছে। মই এতিয়াৰ কথা কোৱা নাই, পূৰ্বৰ পৰাই, অসম গণ পৰিষদৰ চৰকাৰ ১৯৮৬ চনৰ পৰা ২০০০ চনলৈকে, সেই সময়ৰ মন্ত্ৰী এই সদনত আছে। সেই সময়ত CDP ৰ চীল চহী supplier ৰ ঘৰত পোৱা গৈছিল। ঠিক তাৰ পিছতে ২০০১-২০১৬ চনলৈকে ১৫ বছৰ যি চৰকাৰ থাকিল, ৩ জন সমাজ কল্যাণ বিভাগৰ মন্ত্ৰীক যোৱাৰ চৰকাৰৰ দিনত CID য়ে জেৰা কৰিছিল। তাৰ মাজৰ পৰা এজনে নিজকে পৰিস্কাৰ কৰাৰ কাৰণে বিজেপিলৈ গুছি গ'ল, পৰিস্কাৰ হ'ল আৰু এতিয়া আমাৰ মন্ত্ৰী বাইদেউকো CID য়ে জেৰা কৰিছিল। ময়ো সেই সময়ত বিধায়ক, সেই সময়ত মন্ত্ৰী বাইদেউৰ পক্ষে তেওঁ যে clean, মই উদাহৰণ হিচাপ কৈছিলো এই সদনত। এই বিভাগত সেই পৰম্পৰাটো এতিয়াও চলি আছে। মোৰ ICDI project ত কেইদিনমান আগতে নিযুক্তি হৈছে। আকৌ advertise হৈছে, কালি interview হৈছে। সেই সময়ত জিলা সমাজ কল্যাণ বিষয়া charge ত আছিল, merit list কৰিলে, সকলো ঠিকে আছে, তাৰ পিছত ঘৰে ঘৰে মানুহ পঠাই দি ১ লাখ, ২ লাখ, ৩ লাখকৈ টকা লোৱা হয়। মই Director ক complain কৰাৰ পিছত enquiry কৰিম বুলি আশ্বাস দিছে। এই সময়ৰ জিলা আয়ুক্তই আশ্বাস দিছে যে enquiry কৰিম, কিন্তু তাৰ result এতিয়ালৈ গম নাপালো। আকৌ interview হৈছে, মই আশা কৰিম এইবাৰ পইচা পাতি লোৱা নহয় আৰু কেলেংকাৰী নকৰে।

আমাৰ শাসকীয় বিধায়ক এজনে কৈ গৈছে যে মহিলা reservation মাননীয় প্ৰধানমন্ত্ৰী মোডী ডাঙৰীয়াই আনিছে, ভূল তথ্য। ৩৩ শতাংশ কোনে আনিছিল, তাৰ পৰা ৫০ শতাংশ কোনে আনিছিল, চাওঁক ভালকৈ record। গতিকে এইবিলাক চাব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, মডে'ল অঙ্গনবাড়ী কেন্দ্ৰ শাসকীয় দলৰ বিধায়কে ২৫ টা

সম্পূৰ্ণ কৰা বুলি কৈছে, আৰু ৩০ পাইছে। কিন্তু আমি সিমান পোৱা নাই। এই যে কল্যাণ বিষয়টো কিয় আৰু এইটো যেতিয়া নিৰ্মাণ কৰিবলৈ যোৱা হয়, আমাৰ কিছু construction committee ৰ recommendation আমাৰ পৰাও লয়। কিন্তু guardian মন্ত্ৰী ডাঙৰীয়া যিটো construction committee কৰি দিছে, তেওঁলোকে তাৰে স্থানীয় মানুহ নহয়। বেলেগ সমষ্টিৰ পৰা অনাৰ কাৰণে সেইবিলাক construction ব্যাঘাত জন্মিছে । গতিকে মই অনুৰোধ কৰিম যে GAD য়ে construction committee ৰ সভাপতি জনক যাতে সেই এৰিয়াৰ ভিতৰত দিয়ে, এইটো মোৰ অনুৰোধ থাকিব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই অঙ্গনবাড়ী কেন্দ্ৰৰ কাৰণে যিটো estimate বনাইছে, আগৰ যিটো estimate বনাইছিল তাতকৈ টকাটো ঠিকে আছে, ঘৰটো কিন্তু বহুত ডাঙৰ কৰিছে। Construction Committee য়ে technical problem টো বুজি আছে। এইটো আপোনালোকে চাওঁক আৰু কি কৰিছে দুটা part ত দুটা ঘৰ। যিটো earth filling দিয়া আছে, এটা ভেটিৰ earth filling দিয়া আছে। শাসক দলৰ estimate বেলেগ যদি নাজানো আৰু আমাৰ estimate বেলেগ আমি নাজানো। সেই earth filling ত দিয়া আছে, মাত্ৰ ১২ হাজাৰ টকা। অথচ ৭০,৮০ হাজাৰ টকা earth filling ত যায়। এই earth filling কৰিবলৈ যাওঁতে যিখিনি মাটি আনিব, তাতো forest ৰ জামেলা। Forester ক পইচা নিদিলে মাটি আনিব নিদিয়ে। গতিকে এইখিনি অলপ চাব।

মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত যি মাননী দিয়াৰ কথা কৈছে, মই অনুৰোধ কৰিম যে অন্তত এওঁলোকক দৰমহা দিয়াৰ ব্যৱস্থা কৰে। যিহেতু আমি ৰাজ্যখন ৫ম স্থানলৈ লৈ যাম, কেৰেলাৰ উদাহৰণ দিয়া হৈছে, বিভিন্ন ৰাজ্যৰ উদাহৰণ দিয়া হৈছে, মাননী বঢ়োৱা হৈছে। মই মাননী কথা নকওঁ, অন্তত মাননী উঠাই দি এওঁলোকৰ দৰমহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মিহিৰ কান্তি সোম।

**শ্ৰী মিহিৰ কান্তি সোম, (উদাৰবন্দ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিরোধী আনা কর্তন প্রস্তাবের গ্রান্ট নং **৩৯** এর উপর সমাজ কল্যাণ বিভাগের “ওয়েলফেয়ার এবং চাইল্ড ডেভেলপমেন্ট”এই বিষয়ে যে প্রস্তাব এনেছে তার সম্পূর্ণ বিরোধীতা করে আমার বক্তব্য তুলে ধরছি। প্রথমত, শিশু জন্মের আগে মা এর গর্ভে থাকে আর সেই সন্তান জন্ম হওয়ার পর এই বিভাগের গুরুত্বপূর্ণ ভূমিকা থাকে। আজ যিনি আমাদের বিত্ত মন্ত্রী উনি একজন মা। মা হয়ে এই বিভাগের প্রতি অত্যন্ত গুরুত্ব সহকারে উনি সেই বাজেটে উনার বাজেট রেখেছেন। তা আরো বেশি করে দেওয়া আমরা আশা রাখি। কারণ, এই বিভাগ শিশুদের কল্যাণ এবং মাতৃদের কল্যাণের জন্য কাজ করে থাকে। এবং বিগত দিনেও আমরা দেখেছি যে এই বিভাগকে অত্যন্ত দুর্বলভাবে রাখা হয়েছিল। অঙ্গনওয়াড়ি সেন্টরগুলো অত্যন্ত নিম্নমানের বানিয়েছিল বিগত দিনের কংগ্রেস সরকার। আজকের দিনে সেগুলো অনেকটা এগিয়ে রয়েছে। কখন ছাত্রদের উপর সেই সন্তান শিশুদের উপর দেওয়াল পরে যাবে সেটা নিয়েও আমাদের চিন্তা রয়েছে। এবং এই ধরনের অনেক ঘটনা রয়েছে। **১০** হাজার অঙ্গনওয়াড়ি সেন্টার মডেল প্রায় পাঁচ হাজারের মত কমপ্লিট হয়েছে আর পাঁচ হাজারের কাজ নুতন ভাবে হাতে নেওয়া হয়েছে। **২৫** লক্ষ টাকা মূল্যের এই অঙ্গনওয়াড়ি সেন্টারগুলো অত্যন্ত সুন্দর এবং প্রতিটি এলাকায় সুন্দর্য্য বৃদ্ধি করেছে। ছাত্রদের স্কুলে আগমন বৃদ্ধি হয়েছে। অত্যন্ত পুষ্টিকর খাওয়া

এখানে পাওয়া যাচ্ছে । যে খাদ্যগুলো দেওয়া হচ্ছে তা অত্যন্ত আয়রণযুক্ত পুষ্টিকরযুক্ত খাদ্য। তার মধ্যে শুধু স্বাদ একটু কম আছে। সেই স্বাদটাকে অল্প বাড়াতে হবে। অনেক শিশুরা খেতে চাইছে না স্বাদের জন্য। তাই এই পুষ্টিকর খাদ্যগুলো আরেকটু সুস্বাদু করতে হবে। দ্বিতীয় কথা হচ্ছে সেই সংখ্যা অনেক বৃদ্ধি পেয়েছে এবং আগামী দিনে যে সংখ্যা দশ হাজার বলছি যেহেতু সাত হাজারের এর অধিক সংখ্যা রয়েছে তাতে যদি আরো বৃদ্ধি করা যায় অন্যান্য বাজেটে। অনেক জায়গায় কাজ করতে গিয়ে দেখা গিয়েছে যে জায়গার অভাব রয়েছে। তাই একটু ছোট করে যদি বানানো যায় যেখানে **২৫** লক্ষ টাকার জায়গায় যদি **১০** লক্ষ টাকা দিয়ে আমরা করতে পারি তাহলে অনেক বেশি এলাকা আমরা কভার করতে পারব। এবং যে শিশুরা আজকের দিনে ভালো ঘর পাচ্ছে না তখন সেই অঙ্গনওয়াড়ি সেন্টার পাবে। এটা আমি আশা রাখি। আমাদের এই ক্ষেত্রে শিশু এবং মাতৃদের যে পুষ্টিহীনতার কথা আমরা দেখেছি প্রায় এলাকাতে দেখা গিয়েছে ঘরে ডেলিভারি হচ্ছে। অনেক আশাকর্মী সঠিকভাবে মাতৃদের রিপোর্টিং না করার দরুন হয়তো হচ্ছে বা অনেক ক্ষেত্রে ঘরে ডেলিভারি হওয়ার কারণে অনেক মাতৃর মৃত্যু হচ্ছে। তাই এই সচেতনতা বৃদ্ধির জন্য সরকার যাতে আরো ব্যবস্থা নেয় এবং তাতে মৃত্যুর হার কমে আসবে। তার পর আমরা যদি এই বিভাগকে বলতে চাই বিগত দিনের কংগ্রেস সরকার দেশকে চালিয়েছিল সত্যিকার অর্থে কোন কাজ করেনি দেশে করদাতা কম ছিল। আমরা যদি সত্যিকারে সেই হিসাব বের করে দেখি আমরা বিগত দিনে দেশে **২০১৩-১৪** থেকে **৩.৮** কোটি ডাইরেক্ট টেক্স পেয়ার ছিলেন। আর আমরা যদি **২০২৩** এর হিসাব করি তাহলে **৭.৭৮** ডাইরেক্ট টেক্স পেয়ার বেড়েছে। মানে **১০৪.৯১** শতাংশ বেড়েছে। ভারতীয় জনতা পার্টি সরকার আসার পর টেক্স পেয়ীর সংখ্যা বৃদ্ধি হওয়ার মাত্রা বেড়েছে। মানে টেক্স চুরি বন্ধ হচ্ছে , মানুষ টেক্স দিচ্ছে এটা দেশের জন্য সুখবর। আমাদের আসামের দিকে যদি দেখি আসামে আমরা অনেক রেভিনিউ বৃদ্ধি করতে পেরেছি। আমরা যদি দেখি **২০১৫-১৬** তে আমরা পেয়েছি **৮৫০০৪.৫৭** কোটি টাকা এবং **২০২২-২৩** এ সেটা হচ্ছে **১৯৫৬৩.৪১** কোটি টাকা। এই যে ল্যান্ড রেভিনিউ থেকে টাকা আসছে এক্সাইস ডিপার্টমেন্ট, ফরেস্ট ডিপার্য়মেন্ট থেকে আসছে, কয়লা থেকে টেক্স আসছে এই আমাদের রাজ্যের যে ইনকাম **২০২৩-২৪** এ **৩৩৭১.৭** কোটি টাকা আর নভেম্বরে যদি দেখি তাহলে **১৬,৪৩০** কোটি টাকা, মানে বৃদ্ধি হচ্ছে **১৪** শতাংশ। এটা অনেক বড় আমাদের আশা। এই সরকার আসার পর আগে আমাদের কোয়ারিগুলোতে ডাইরেক্ট টোকা চলত। সর্বানন্দ সনোয়াল যখন মুখ্যমন্ত্রী হলেন তখন এই টোকা বন্ধ হয়েছে তারপর চালান শুরু হয়েছে । আজ রেভিনিউ কালেকশন বৃদ্ধি হচ্ছে। এটার মূল কারণ হচ্ছে সচ্ছতা এসছে দুর্নীতি বন্ধ হয়েছে। বিগত কংগ্রেস সরকার দেশকে বিক্রি করে গিয়েছে। আজ আমরা চাই যে এই ধরনের অপটিক্যাল ফাইভার ফেসিলিটি যখন **১০০** শতাংশ হয়ে যাবে দেশ আরও এগিয়ে যাবে আর ন্যায় ভারত মাননীয় প্রধানমন্ত্রীর যে সংকল্প নিয়েছেন তা লক্ষ্যে পৌছতে আর বেশি দিন নেই আর এই অমৃত মহোৎসব নিয়ে যে কটাক্ষ করা হয়েছে তাদেরকে বলছি সেটাই অমৃত মহোৎসবের ফল। এবং এই আশা রেখে বিধায়ক হিসাবে আমাকে যে সুযোগ দিয়েছেন এই কর্তন প্রস্তাবে তার জন্য আপনাকে ধন্যবাদ জানাচ্ছি।

**শ্ৰীমিহিৰ কান্তি সোম** ঃ .....ক্রমশ.. বেংগলী)

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰী আব্দুছ চুহান আলী সৰকাৰ। আপোনাৰ ৪ মিনিট সময় আছে। ৪ মিনিটৰ পিছত আপোনাৰ কথাৰ একো ৰেকৰ্ড নহ'ব।

**শ্ৰী আব্দুছ চোৱাহন আলি সৰকাৰ, (গোলকগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মহিলা আৰু

শিশু উন্নয়ন বিভাগত কৰ্তন প্ৰস্তাৱৰ ওপৰত মোক যি কোৱাৰ কাৰণে সুযোগ দিছে মই ধন্যবাদ জনাইছো। মোৰেই দুৰ্ভাগ্য ক'ব লাগিব মই ৰাজ্যপাল মহোদয়ৰ কথাৰ ওপৰত শেষত মোক ৩ মিনিট সময় দিয়া হৈছিল। এতিয়া ৪ মিনিট সময় দিয়া হৈছে মই নাজানো, মোৰ কথা কোৱাৰ সময়টো কিয় কমি থাকে। মই এইখিনি কথা ক'ব বিচাৰিছো মোৰ colleague বন্ধু সকলে দুটা ফালৰ পৰা বহুতে কথা কৈছিল কিন্তু মই এটা কথা ক'ব বিচাৰো যে আমাৰ ইয়াত এইবাৰ দেখুৱা হৈছে ৩ হাজাৰ ৮ শ ৩৮.২১ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ দিয়া হৈছে তাৰে মুলধন ৬৫৫.৭৬ কোটি টকা পুষ্টিৰ বাবে ৮৭১.২১ কোটি টকা আৰু সামাজিক সুৰক্ষা আৰু কল্যাণ বিভাগত ২ হাজাৰ ৩১১.২৩ কোটি টকা। এই যিখিনি আমি তথ্য পাইছো এইখিনিত কথা এটা ক'ব বিচাৰিছো আমাৰ এই বিভাগত বহুত কৰিবলগীয়া আছে। বিশেষকৈ অসমৰ পশ্চিম প্ৰান্তৰ ধুবুৰী জিলাত মই যদি ক'বলৈ যাওঁ এইক্ষেত্ৰত বহুত উন্নয়ন কৰিবলগীয়া আছে। আমি এটা কথা ক'ব লাগিব আমাৰ এই শিশু সকলৰ কাৰণে আমি অৰ্থ বৃদ্ধি কৰিছো তেওঁলোকৰ ভৱিষ্যতৰ কাৰণে আমি কাম কৰিছো। এইখিনি যদি আমি তেওঁলোকক properly grow কৰিব নোৱাৰো, তেতিয়াহ'লে আমি যিখিনি টকা ধাৰ্য্য কৰিছো সেইখিনি পৰ্য্যাপ্ত নহয় বুলি মই ভাবো। মই এইখিনিতে আশা কৰিছো আমাৰ মডেল অঙ্গনবাড়ীৰ কথা বহুতে কৈ গৈছে আমাৰ বিধায়ক সকলে। তাৰ উপৰি প্ৰতিখন অঙ্গনবাড়ী চেণ্টাৰক আমি মডেল অঙ্গনবাড়ী চেণ্টাৰ বনাব নোৱাৰো। সেয়েহে যিবিলাক আমি মডেল অঙ্গনবাড়ী চেণ্টাৰ বনাব নোৱাৰো, সেইবিলাকক অন্ততঃ নুন্যতম সা-সুবিধা থকা এটা গৃহ বনাবৰ কাৰণে এনেকুৱা এখন আঁচনি ৰখাৰ প্ৰয়োজন আছে যাতে প্ৰতিটো শিশুৱে ইয়াত এটা সুযোগ পায় নিজে আগুৱাই যোৱাৰ কাৰণে। কাৰণ ভাল যদি accomodation নহয়, তেতিয়াহ'লে ল'ৰা-ছোৱালীবিলাকৰো মন ভাঙি যায়। মই এটা কথা ক'ম বিশেষকৈ আমাৰ অঙ্গনবাড়ী কৰ্মী বিলাক আৰু সহায়িকাসকল, তেওঁলোকক যি মাননী দিয়া হয়, ৬ হাজাৰ ৫ শ টকা আৰু ৩ হাজাৰ ২শ ৫০ টকা, এইটো প্ৰৰ্য্যাপ্ত নহয়। এইক্ষেত্ৰত নিশ্চিতভাৱে চাব লাগে। আমি যি মূলধন বনাই আনিব খুজিছো, যি মেটেল আমি আমাৰ সমাজলৈ আনিব খুজিছো, সেই মেটেল বনোৱা কাৰিকৰ সকলক যদি আমি সন্তুষ্ট ৰাখিব নোৱাৰো, তেওঁলোকক যদি আমি সুবিধা দিব নোৱাৰো, তেনেহ'লে আমি কেনেকৈ এই মেটেলবিলাক, কেনেকৈ এই ডায়মণ্ড বিলাক আমি সমাজলৈ আনিব পাৰিম। এইক্ষেত্ৰত বিশেষকৈ মন্ত্ৰী মহোদয়ৰ লগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে বিশেষ এটা ব্যৱস্থা লয়। মই ইয়াত এটা কথা ক'ব বিচাৰিছো মই যদি ধুবুৰী জিলাৰ কথা ক'বলৈ যাওঁ, ধুবুৰী জিলাৰ প্ৰতিখন ICDS Office আজিৰ দিনত কোনো স্থায়ী ঘৰ নাই, ভাড়া ঘৰতে চলি আছে। ধুবুৰী জিলাৰ প্ৰতিটো ICDS Office ভাড়াঘৰত কিয় চলিব ? এই কথাটো মই শুনা পাইছো গোটেই অসমত একেই অৱস্থা। এই বিভাগৰ ICDS Office বিলাকৰ নিজৰ ঘৰ থাকিব লাগে। আজি আমি বহুততে মাটি দিছো। আমি জনসাধাৰণক মাটি দিছো কিন্তু আমাৰ মাটিত আমি ICDS Office বনাব পৰা নাই। এইক্ষেত্ৰত নিৰ্দিষ্ট ভাৱে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো মন্ত্ৰী মহোদয়ে অহা দিনত যাতে ইয়াত নিশ্চিতভাৱে কিবা ব্যৱস্থা গ্ৰহণ কৰে। আমি ইয়াত এটা কথা দেখিছো তাত দূৰ-দূৰণিৰ পৰা অহা কাৰ্য্যালয়বিলাকত মহিলা সকলৰ কাৰণে কোনো ধৰণৰ শৌচালয়ৰ ব্যৱস্থা নাই। তাত কোনো মানুহ আহিবহিবৰ কাৰণে field নাই এনেকুৱা এটা অৱস্থা, এইবিলাকতো আছেই। বিশেষকৈ TLM যিসকল আহে, তেওঁলোকক ৰখাৰ কাৰণে সুব্যৱস্থা নাই। যদি আমি ক'বলৈ যাওঁ ৰান্ধনী ঘৰবিলাক বিশেষকৈ অঙ্গনবাড়ী চেণ্টাৰৰ লগত পৃথক হলে ভাল। এইটোৰ ওপৰত

নিশ্চিতভাৱে চিন্তা কৰিব বুলি মই আশা ৰাখিলো আৰু যদি আমি ক'বলৈ যাওঁ, আমাৰ এই অঙ্গনবাড়ী কৰ্মী বিলাকে DLA, NRC বহুতো বিভাগত কাম কৰে। সেইক্ষেত্ৰত তেওঁলোকক নিশ্চিতভাৱে অলপ সকাহ দিয়া কাৰণে আমি মাননি বৃদ্ধি কৰি দিও, তেতিয়াহ'লে তেওঁলোকে নিশ্চিতভাৱে কাম কৰাৰ কাৰণে অনুপ্ৰেৰণা পাব আৰু যদি কবলৈ যাওঁ মিলেটযুক্ত আহাৰৰ ব্যৱস্থা কৰিব লাগে। আমি আহাৰৰ ক্ষেত্ৰত দেখিছো যে দাইল খিচিৰী বহুত খালে শিশুসকলে, দাইল খিচিৰী খোৱা হৈ গ'ল তেওঁলোকৰ। মই আজিৰ দিনত ক'ব বিচাৰিছো তেওঁলোকৰ কাৰণে মিলেটযুক্ত খাদ্য খোৱাৰ প্ৰয়োজন আছে আৰু ৮ টকাৰ ক্ষেত্ৰত এজন এজন শিশুৰ কাৰণে ৮ টকাটো বঢ়াই দিয়া হয়। After delimitation এজন বিধায়ক হিচাপে গৌৰীপুৰ সমষ্টিৰ পৰা আহিছে। আজি গৌৰীপুৰ সমষ্টিত আজিৰ দিনত এটাও ICDS Center নাই। গোটেইবিলাক বেলেগ বেলেগ সমষ্টিত গুচি গৈছে। গৌৰীপুৰ সমষ্টিৰ তাৰ কৰ্মকৰ্তা সকল ক'ত যাব? ৪০-৫০ কিলোমিটাৰ দুৰত যাব নেকি, ধৰ্মশালাত যাব নেকি? গৌৰীপুৰ সমষ্টিত ICDS Office বনাব লাগে এইটো আমাৰ demand থাকিল। মোৰ সতীৰ্থ বিধায়ক মাননীয় শ্ৰীনিজানুৰ ৰহমান.....

**মাননীয় উপাধ্যক্ষ ঃ** Thank you. Please conclude. Nothing will go on record.

**শ্ৰী আব্দুছ চোৱাহন আলী সৰকাৰ, (গোলকগঞ্জ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইখিনি কথা ক বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।২-৩ মিনিট সময়ত শেষ কৰিব। আমি reply লব লাগিব।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰী) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে যি মহিলা আৰু শিশু কল্যাণ বিভাগৰ যি কৰ্তনৰ প্ৰস্তাৱ আনিছে, তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই দুআষাৰ ক'ব বিচাৰিছো। যিটো সমাজ কল্যাণ বিভাগ অসম চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগত আমাৰ মহিলা আৰু শিশু সকলৰ সৰ্বাংগীন উন্নয়নৰ দিশসমূহ জড়িত হৈ আছে যিহেতু বিশেষকৈ শিশু আৰু মহিলা সকলৰ পুষ্টিকৰ খাদ্যকে ধৰি সমাজ কল্যাণ বিভাগৰ জৰিয়তে কৰা হয় আৰু এই সমাজ কল্যাণ বিভাগত আমাৰ কেইবাখনো আঁচনি জড়িত হৈ আছে. যিবিলাক আঁচনিৰ জৰিয়তে মহিলা আৰু শিশু সকলৰ সৰ্বাংগীন উন্নয়নৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। যিবিলাক আঁচনিৰ জৰিয়তে অন্ততঃ একক অৱস্থান কেন্দ্ৰ অৰ্থাৎ যিসকল মহিলা নিৰ্যাতিত, মানসিকভাৱে উৎপীড়ণ হয়, সেই সকল মহিলাক এই একক অৱস্থান কেন্দ্ৰত আনি তেওঁলোকক অন্তত ৫ টা দিন ৰাখি ঘৰলৈ ঘুৰি যোৱা এটা পৰিৱেশ গঢ়িব বিচাৰে। কিন্তু যদি ৫ টা দিনত সেই পৰিৱেশ ঘুৰাই নাপায় তেতিয়া ৩ টা বছৰ তেওঁলোকক এটা শক্তি সদন নামৰ আঁচনিৰ জৰিয়তে এটা কেন্দ্ৰত ৰখা হয় যিহেতু সেই কেন্দ্ৰত সেই মহিলা সকলক সম্পূৰ্ণ এটা প্ৰশিক্ষণ দি তেখেতসকলক স্বাৱলম্বী হোৱাৰ এটা ৰাষ্টা দিয়াৰ এটা ব্যৱস্থা আমাৰ সমাজ কল্যাণ বিভাগৰ জৰিয়তে কৰা হয়। তাৰোপৰি আমাৰ যিটো শোষণ আঁচনিৰ জৰিয়তে যিসকল গৰ্ভৱতী মহিলা সকলক, যিসকল পুষ্টিহীনতাত ভোগে তেখেত সকলক পুষ্টিকৰ খাদ্য যোগান ধৰা। লগতে পুষ্টিহীনতাত ভুগি থকা শিশুসকলকো পুষ্টিকৰ খাদ্য যোগান ধৰি থকা হৈছে । এই কেন্দ্ৰ সমূহ আগতে যি অৱস্থাত আছিল সেই অৱস্থাৰ পৰা বৰ্তমানে চৰকাৰৰ প্ৰচেষ্টাত চাৰি হাজাৰৰো অধিক অঙ্গনবাড়ী কেন্দ্ৰ মডেল অঙ্গনবাড়ী কেন্দ্ৰলৈ উন্নীত কৰণৰ ব্যৱস্থা কৰিছে । তাৰ ভিতৰত বৰ্তমান এক হাজাৰৰো অধিক কেন্দ্ৰ উন্নীত কৰা হৈছে । গতিকে আমাৰ এই মডেল অঙ্গনবাদী কেন্দ্ৰসমূহ দেখিলে গম পাওঁ যে শিশুসকলে সৰ্ব্বাঙ্গীন উন্নয়ণৰ ক্ষেত্ৰত যিখিনি পাব লাগে সেইখিনি পাবলৈ সক্ষম হৈছে । আজি মহিলা আৰু শিশুসকলক দেশৰ

এগৰাকী সু নাগৰিক হিচাপে গঢ়ি তুলিবলৈ যিখিনি কৰিব লাগে সেই সকলোখিনি সমাজ কল্যাণ বিভাগে কৰিবলৈ চেষ্টা কৰিছে। আমাৰ প্ৰধান মন্ত্ৰী মহোদয়ৰ যিটো আঁচনি বেটী বচাও, বেটী পঢ়াও এই আঁচনিৰ অধীনত আমি সফল হৈছো বুলি ভাবিছো গতিকে বিৰোধীয়ে যি আমাৰ পুঁজি কৰ্ত্তণৰ প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰমি মাৰিছো ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ এতিয়া শ্বেৰমান আলী আহমেদ। মাত্ৰ দুই মিনিট ।

**শ্ৰীশ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষৰ বিধায়ক হোৱা স্বত্বেও মাননীয় মন্ত্ৰী মহোদয়াই মোৰ সমষ্টিত ১৫ টা মডেল অঙ্গনবাড়ী চেন্টাৰ দিয়াৰ বাবে মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনৰ জ্ঞাতাৰ্থে জনাব খোজো যে, দল বল নিৰ্বিশেষে বাইদেউৰ প্ৰতি মোৰ অশেষ শ্ৰদ্ধা আৰু ভক্তি আছে । বাইদেউয়ে মোক নিজৰ ভাইটিৰ দৰে মৰম কৰে বুলি মোৰ গভীৰ বিশ্বাস । এই বিশ্বাসটো থকাৰ কাৰণে ৰুলিং পাৰ্টি কোনোবাই ৪০ টা বিৰোধী পক্ষৰ কোনোবাই ২০ টা কোনোবাই ২৫ টা পাইছে, তাৰ বিপৰীতে মই ১৫ টাহে পাইছো । কিন্তু মই অন্তৰত অকণো বিষ অনুভৱ কৰা নাই । মাননীয় উপাধ্যক্ষ মহোদয়, ১৫ টা চেন্টাৰৰ ভিতৰত মাত্ৰ ৭ টাহে হৈছে। ৮ টা এতিয়াও হ'বলৈ বাকী আছে । মই ভাবিলো যে কোনোবা বিজেপি কৰ্মীক দিছে সেই কাৰণে মোক দিয়া নাই । গতিকে মন্ত্ৰী মহোদয়াৰ জ্ঞাতাৰ্থে জনাও যে ডিষ্ট্ৰিক্ট কনষ্ট্ৰাকশ্যন কমিটিৰ চেয়াৰমেন বিলাকৰ চাৰি জন মানৰ নাম মই কৈ দিছো । হাফিজুল ইছলাম, কয়েদ আলি, কাজিমুদ্দিন , আৰু ইমান আলি । এইবোৰ মানুহ কেতিয়াৰ পৰা বিজেপিৰ কৰ্মী বা নেতা হ'ল মই নাজানো । এইবোৰৰ কোনো দলেই নাই । যেতিয়াই যিটো দল আহে, তাৰ দালালি কৰে । মাননীয় উপাধ্যক্ষ মহোদয়, কথাটো হ'ল যে যদি মোৰ সমষ্টিৰ পৰা বিজেপি দলৰ বিধায়ক হয় তেতিয়া হ'লে মন্ত্ৰী মহোদয়াই নিজৰ মতেই কাম কৰক । মোক এটাও দিব নালাগে । যদিহে আপোনালোকৰ বিধায়ক নাহে তেন্তে এইবোৰ কৰি একো নহ'ব । মাজতে কিবা এটা আদান প্ৰদান কৰি কোনোবাই যদি কিবা পায় সেই কথা মই নকওঁ । উপাধ্যক্ষ মহোদয়, মই কৈছো যে বাঘবৰৰ পৰাও বিজেপি আহিব কিন্তু কেইটামান কাম কৰিব লাগিব। মই মুখ্যমন্ত্ৰী মহোদয়ক জনাইছো । আৰু আজি মই বাইদেউকো জনালো যে নেলী, চাউলখোৱা, বাঁশবাৰী, নাৰসিংবাৰী এই ঠাইবিলাকত কংগ্ৰেছে অন্যায় কৰিলে । শ শ নিৰিহ মানুহক হত্যা কৰিলে গতিকে এতিয়া আপোনালোকে ন্যায় কৰক । গড়াখহনীয়া নিয়ন্ত্ৰণ কৰক, চৰৰ মাটিত পট্টা দিয়ক, ২০ টা ৱাকফ সম্পত্তি উদ্ধাৰ কৰক । নিশ্চয় বাঘবৰৰ পৰাও বিজেপি বিধায়ক জিকি আহিব । ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ --- অনাৰেবল মিনিষ্টাৰ ।

**শ্ৰীমতী অজন্তা নেওঁগ , (সমাজ কল্যাণ বিভাগ) ঃ** উপাধ্যক্ষ মহোদয়, আজি মহিলা আৰু শিশু উন্নয়ণ বিভাগৰ যিটো কৰ্ত্তন প্ৰস্তাৱ সেই কৰ্ত্তন প্ৰস্তাৱত যথেষ্ট মাননীয় সদস্যই অংশ গ্ৰহণ কৰিছে। মই নামসমূহ কব খোজা নাই । ইয়াত অংশ গ্ৰহণ কৰা সদস্যক মই ধন্যবাদ জ্ঞাপন কৰিছো । কাৰণ কৰ্ত্তন প্ৰস্তাৱ মাধ্যমেৰে এই বিভাগৰ ওপৰত বিধায়কসকলে তেওঁলোকৰ জানিবলগীয়া কথাখিনি বা তেওঁলোকৰ নিজা সমষ্টিৰ বাবে দিবলগীয়া পৰামৰ্শখিনি আগবঢ়ায়, সেইটো এটা পৰম্পৰা । কৰ্তন প্ৰস্তাৱ অনাৰ কাৰণে মই কোনো বেয়া পোৱা নাই । এটা বিভাগৰ ওপৰত সমালোচনা কৰিলে পজিটিভ হওক বা নিগেটিভ হওঁক তেতিয়া মন্ত্ৰীজনৰ জনৰো সুবিধা হয় যে হয়তো মই কিবা এটা দেখা নাছিলো। আপোনালোকে দেখুৱাই দিছে । মোৰ উদ্দেশ্য হ'ল এটা পজিটিভ দিশেৰে মহিলা আৰু শিশু কল্যাণ বিভাগটো কেনেকৈ আগুৱাই লৈ যাব পাৰো । উপাধ্যক্ষ মহোদয়,

আমাৰ ৰাজ্যখনত প্ৰায় ৪৯ শতাংশ মহিলা আৰু বহু সংখ্যক শিশু আছে আমি যদি এই সকল লোকক কল্যাণ কৰিব নোৱাৰো তেওঁলোকৰ বিকাশ কৰিব নোৱাৰো তেনেহ'লে ৰাজ্যখন বিকশিত হৈছে বুলি আমি সচা অৰ্থত ক'ব নোৱাৰো। এইটো অপ্ৰিয় হ'লেও সত্য। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া এই বিভাগৰ দায়িত্ব দিছিলে, তেতিয়া কৈছিলে যে, এই বিভাগটোত এটা নতুনত্ব আনিব লাগিব। আজি বিধায়কসকলে বিভিন্ন কথা কৈছে কিন্তু মই পজিটিভ দিশতহে কথাখিনি কওঁ । আমি প্ৰথম দিনাৰ সভাখনতেই কিছু সিদ্ধান্ত লৈছিলো। এইটো বিভাগত কেৱল অঙ্গণবাড়ী কেন্দ্ৰ বা আই চিডিএচ এইটোৱে নহয় এইখন এখন বিশাল ক্ষেত্ৰ । আমাৰ বিধায়কসকলে উনুকিয়াই দিছে যে, মহিলা আৰু শিশুৰ শাৰিৰীক আৰু মানসিক বিকাশ লগতে দিব্যাঙ্গসকল আছে, বৃদ্ধসকল আছে । গতিকে গৰ্ভ অৱস্থাৰ পৰা একেবাৰে বৃদ্ধ অৱস্থালৈকে এইখন বৃহৎ ক্ষেত্ৰ । আৰু ইয়াৰ লগত সমাজখনো জড়িত হৈ আছে । ইয়াৰ যিবিলাক আঁচনি আছে তাত এন জিওবিলাককো দায়িত্ব দিয়া হৈছে । সামাজিক ভাৱে সকলোৱে ইয়াত দায়বদ্ধ হৈ আছে। প্ৰত্যেকখন আঁচনিতে , আই চিডিএচ প্ৰজেক্ট আছে তাত বিধায়কসকলক মনিটৰিঙ কমিটিৰ চেয়াৰমেন হিচাপে দায়িত্ব দিয়া হৈছে । এই কাৰণে মই সোঁৰৰাব খুজিছো যে এই বিশাল সমাজখনক আমি আগুৱাই লৈ যাব লাগে । অখিল গগৈ ডাঙৰীয়া, মানুহক আমি মটিভেশ্যন কৰিব লাগিব। এনেকুৱা নহয় যে এগৰাকী মহিলা বা শিশুক পুষ্টিকৰ খাদ্য কেৱল চৰকাৰীভাৱেই দিব লাগে । তেওঁৰ খাদ্যৰ অভ্যাসটো কেনেদৰে গঢ়ি তুলিব পাৰো সেইটো এটা জৰুৰী কথা। চাহ বাগানত আপোনালোকে নিশ্চয় দেখিছে, চাহ শ্ৰমিকসকলে নিমখ চাহ খায়, ভাতৰ লগত নিমখৰ লগতে মাছ বা মাংস অলপ খায় সেইটোৱে পৰিপুষ্টিৰ শেষ নহয়। মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটীত যেতিয়া ৰিভিউ মিটিং হৈছিল, মই বাৰে বাৰে কৈছিলো আৰু মই এই বিষয়ে গৌৰীপুৰৰ মাননীয় বিধায়ক ডাঙৰীয়াকো কৈছিলো। মই তেওঁলোকক কৈছিলো আৰু লিখিও দিছিলো যে আপোনালোকে গৈ মাননীয় বিধায়ক সকলক সুধিব। কাৰণ মই নিজেও এগৰাকী বিধায়ক আৰু মই নিজেও জানো যে মোৰ সমষ্টিৰ কোনটো অংগনৱাড়ী কেন্দ্ৰত কি কৰিব লাগিব? এতিয়াও আপোনালোকক কৈছো যে ডি-লিমিটেশ্যনৰ ক্ষেত্ৰত যদি ব্লক সমূহত আপোনালোকৰ কিবা পৰামৰ্শ থাকে, মোক অহা পোন্ধৰ দিনৰ ভিতৰত দিব। কেবিনেটত ডি-লিমিটেশ্যনৰ ক্ষেত্ৰত আপোনালোকৰ সংশোধনী আৰু পৰামৰ্শখিনি সংযোজন কৰিবলৈ চেষ্টা কৰিম। দ্বিতীয়তে, মই আঁচনিৰ ক্ষেত্ৰত আহিছো। আমাৰ বিভাগত কেইবাখনো ডাঙৰ আঁচনি আছে। সেই আঁচনিৰ ভিতৰত বৃহৎ আঁচনিখন হৈছে, ICDS Project. সংহত শিশু বিকাশ সেৱা আঁচনি। সেই আঁচনিৰ আজি মোক যিখিনি পুঁজি দিব, তাৰ এক বৃহৎ অংশ ICDS আঁচনিৰ অংগনৱাড়ীৰ কৰ্মী আৰু সহায়িকাসকলৰ কাৰণে দিয়া হ'ব। কাৰণ সকলোৱে মুখত মই এইটোৱেই শুনিছো। সংহত শিশু বিকাশ সেৱা আঁচনি কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা এটা পুঁজি দিয়ে আৰু আমাৰ ৰাজ্যচৰকাৰেও এটা শ্বেয়াৰ দিম। অংগনৱাড়ীৰ কৰ্মী আৰু সহায়িকাসকলে স্বেচ্ছাভাৱে সেৱা আগবঢ়ায় আৰু তেওঁলোকৰ মাননি হিচাবে বছৰি ৬,৮৮.৯৮ কোটি টকা ব্যয় কৰি আহিছো। মুঠ বাজেটৰ ৬৭৯ কোটি টকা ব্যয় কৰি আছো আৰু ইয়াত ৰাজ্য চৰকাৰৰ অংশ হৈছে, ১১.১৪ কোটি টকা। আমি তেওঁলোকক সন্মান সহকাৰে যিমানখিনি দিব পাৰো দি আছো। মই আগৰ সময়ছোৱাত দুই বছৰৰ কাৰণে এই বিভাগৰ মন্ত্ৰী আছিলো। সেই দুবছৰত অংগনৱাড়ীৰ কৰ্মী মাননি আছিল, ১০০০ টকা আৰু সহায়িকাসকলৰ মাননি আছিল ৫০০ টকা। মই যেতিয়া প্ৰথমে বিভাগৰ দায়িত্ব ল'লো মই নিজে জানি আচৰিত হ'লো যে অংগনৱাড়ীৰ কৰ্মী আৰু সহায়িকাসকলৰ মাননি তেওঁলোকৰ হাতত দিয়া হয়। ডিষ্ট্ৰিক অফিচাৰ বা চি ডি পিঅ' সকলে

হাতে হাতে টকাবোৰ বিলায়। এইদৰে কিমান ধন হৰলুকী হৈছিল আপোনালোকে হয়তো নাজানে। সেই অৱস্থাত মই এই বিভাগটো দেখিছো। মই নিজে আচৰিত হ'লো এনেকৈ এটা বিভাগ চলিব নোৱাৰে। কোনোবাই যদি ১০০০ টকা পাইছে, নিবলৈ আহোতে তাতেও ২০০ টকা নোহোৱা হৈ যায়। মই তাৰ পিচত সিদ্ধান্ত ল'লো যে তেওঁলোক সকলোকে এটা বেংক একাউণ্ট খুলিবলৈ ক'লো। সহায়িকা আৰু কৰ্মীসকলে বেংক একাউণ্ট নোখোলে বুলি মোক ক'লে। কাৰণ বেংক একাউণ্ট খুলিবলৈ ৫০০ টকা লাগে। তাৰ পিছত মই তেওঁলোকক বিনয়ভাৱে অনুৰোধ জনালো যে আপোনালোকৰ যিখিনিয়েই পইচা পাইছে, সেইখিনি ল'বৰ বাবে বেংক একাউণ্ট খুলিবই লাগিব। ১০০০টকা ৫০০ টকাই পাওঁক, স্বচ্ছ ভাৱে বেংকৰ জৰিয়তে মই পইচখিনি দিম, নহ'লে মই পইচাই দিব নোৱাৰিম। এনেকৈ কঠোৰ স্থিতি গ্ৰহণ কৰাৰ পিছত তেওঁলোকে বেংক একাউণ্ট খুলিলে আৰু মাননি পোৱা আৰম্ভ কৰিলে। মই কেইটামান কথাই কম। যিহেতু সময় কম আছে। অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকলক আমি তেওঁলোকক স্বেচ্ছামূলক সেৱা আগবঢ়াবলৈ যি দিছো, এটা সময়ত এনেকুৱা আছিল যে মই দিয়াৰ বাবে সদনত বহুখিনি অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। কৰ্তন প্ৰস্তাৱত মই আগতেও আহিছিলো। সেইখিনি সময়ত সম্পূৰ্ণভাৱে এই অংগনৱাড়ীৰ কৰ্মী আৰু সহায়িকাসকলকসম্পূৰ্ণধৰণে নিযুক্তি দিয়া হোৱা নাছিল। সেইবোৰ আৰু বেছি খুচৰিবলৈ নাযাওঁ। মই সেইখিনি সময়ত নিজে গাইড লাইন বনালো আৰু কোনোধৰণৰ যাতে নিযুক্তিৰ ক্ষেত্ৰত খেলিমেলি নাথাকে। তাৰ পৰা আৰম্ভণি হ'ল আৰু এতিয়া গৈ গৈ এই তিনিবছৰে কোনো বিধায়কে কোনো অংগনৱাড়ী কৰ্মী বা সহায়িকাক নিজৰ মতে দিবৰ বাবে এখনো শ্লিপ দিয়া নাই। কিন্তু অখিল গগৈ ডাঙৰীয়াই মোক এখন শ্লিপ দিছে।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দিছো। নহ'লে আপোনালোকৰ বি জে পি দলে দিয়ে।.......Interruption...........

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক উত্তৰ দিবলৈ দিয়ক। পিছত আপোনাৰ কিবা ক'বলগীয়া থাকিলে ক'ব। .......Interruption...........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু কথাটো উলিয়াইছে, তাত যিমান নিযুক্তি দিয়ে, সকলোখিনি বি জে পিয়ে দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী ডাঙৰীয়ানীক উত্তৰ দিবলৈ দিয়ক। পিছত আপোনাৰ কিবা ক'বলগীয়া থাকিলে ক'ব। .......Interruption...........

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পিছতনো ক'ত উত্তৰ দিবলৈ দিব? তাত যিমান নিযুক্তি সকলোখিনি বি জে পিয়ে দিয়ে।

**শ্ৰী অজন্তা নেওগ, (মন্ত্ৰী, বিত্ত, সমাজ কল্যাণ ইত্যাদি বিভাগ) ঃ**.......Interruption........... মাননীয় অধ্যক্ষ মহোদয়, মই দায়িত্ব সহকাৰে কৈছো যে কোনো বি জে পিয়ে দিব নোৱাৰে। স্বচ্ছভাৱে এই নিযুক্তি হৈছে আৰু এই নিযুক্তিৰ বাবে আজিলৈকে ক'তো একো ওলোৱা নাই। তিনিটা বছৰে এই সদনত মইয়ে আছো। তেখেতে এই ক্ষেত্ৰত এটা প্ৰশ্ন আনিব পাৰিলেহেঁতেন। কিন্তু যোৱা তিনিটা বছৰে নিযুক্তিৰ ক্ষেত্ৰত কোনো অনিয়ম হোৱা নাই। সম্পূৰ্ণ নীতি নিয়ম মতে নিযুক্তি হৈছে। .......Interruption...........

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এশ শতাংশ হৈছে। গাওঁবুঢ়া আৰু .......Interruption...........

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰে ইয়াত কি কৰিব? অখিল গগৈ ডাঙৰীয়া আপুনি বহক।

**শ্ৰী অজন্তা নেওঁগ,(মন্ত্ৰী, বিত্ত, সমাজ কল্যাণ ইত্যাদি বিভাগ) ঃ**.......Interruption...........
মাননীয় অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়ক। মই দায়িত্বসহকাৰে কৈছো যে সম্পূৰ্ণ স্বচ্ছভাৱে যোৱা তিনি বছৰে মোৰ নিযুক্তিখিনি হৈছে। মই কেনেদৰে স্বচ্ছভাৱে কামখিনি কৰিছো, সেই প্ৰক্ৰিয়াটোহে কৈছো আৰু যিখিনি বাকী আছে, সেইখিনিও আমি সম্পূৰ্ণ নিকাভাৱে কৰিম। মাননীয় সদস্য শ্বেৰমান আলী ডাঙৰীয়াৰ পৰা আদি কৰি সকলো মাননীয় সদস্য অংগনৱাড়ী কেন্দ্ৰসমূহ নিৰ্মাণৰ কথা কৈছে। আমি গোটেই প্ৰক্ৰিয়াটো নিকা কৰিবলৈ কেনেকুৱা ধৰণৰ এটা চেলেঞ্জ লৈছো। আঢ়ৈ হাজাৰ কোটি টকাৰ কামৰ দায়িত্ব আমাৰ বিধান সভাৰ বিধায়কসকলক দিয়া হৈছে। মাননীয় অধ্যক্ষ মহোদয় এইটো বলিষ্ঠ পদক্ষেপ নহয় নে? কোনোবাই বিশ-ত্ৰিশ টা পাইছে। মই প্ৰথম ৫০০০ যেতিয়া দিছিলো, তেতিয়া কৈছিলো যে ইয়াৰ পিছত আৰু ৫০০০ হ'ব আৰু এই ৫০০০ ৰ বাবে আপোনালোকৰ পৰা মই নিজে খুজি লিষ্ট লৈছিলো। আজি চেংচন হোৱাত যে দেৰী হৈছে তাৰ কাৰণটোৱেই হৈছে বহু মাননীয় সদস্যই আমাক লিষ্ট দিয়া নাছিল আৰু চাৰি-পাঁচশ মান পাবলৈ বাকী আছে। তথাপিও মই বেংক নাবাৰ্ডলৈ পঠিয়াই দিছিলো।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আমাক পঁচিশটাৰ তালিকা .......Interruption...........

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া আপুনি বহক। .......Interruption...........

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সদনত উপস্থিত আছো। আমাৰ সকলো সদস্যক কৈছে, মই এটাও দিয়া নাই আৰু মোক এটাও দিবলৈ কোৱা নাই। মই ৰেকৰ্ডত ৰাখিছো। পিছত এইবিলাক অংক হৈ থাকিব। মোক এটাও দিয়া নাই।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী মহোদয়াই কওঁক।

**শ্ৰী অজন্তা নেওঁগ,(মন্ত্ৰী, বিত্ত, সমাজ কল্যাণ ইত্যাদি বিভাগ) ঃ.** মাননীয় অধ্যক্ষ মহোদয়, মই দায়িত্বসহকাৰে কৈছো যে যিসকল মাননীয় বিধায়কে মোক লিষ্ট দিছে, সেইখিনি মই নাবাৰ্ডলৈ পঠিয়াই দিছো আৰু অতি শীঘ্ৰে আপোনালোকে যেনেকৈ দিছে, সেই ধৰণে অনুমোদন হৈ আহিব আৰু আপোনালোকে তালিকা পাবই। কিন্তু সিদ্ধান্তটো কি? সিদ্ধান্তটো এইটো যে অসমত আঢ়ৈ কোটি টকাৰ মডেল আংগনৱাড়ী কেন্দ্ৰ বিধায়কসকলে কৰি আছে। এইটো ৰেকৰ্ড নহয় নেকি?

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰেকৰ্ডত কৈছো যে এইটো একেবাৰে অসত্য কথা। মোক এটাও দিয়া নাই।.......Interruption........... কওঁতে বহুত ধুনীয়াকৈ কৈছে। কিন্তু এই কথাটো সত্য নহয়। আমাৰ মতে এটাও দিয়া নাই আৰু ক'তো এটা নিৰ্মাণো কৰা নাই। .......Interruption...........

**শ্ৰী ভৰত নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰেকৰ্ডত কৈছো যে মোৰ তাত এটাও দিয়া নাই।

**শ্ৰী অখিল গগৈ,(শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে গাৰ্জেন মিনিষ্টাৰক দিছে, পঁচিশটা বিচাৰিলে দুটা দিছে।

**শ্ৰী অজন্তা নেওঁগ,(মন্ত্ৰী, বিত্ত, সমাজ কল্যাণ ইত্যাদি বিভাগ) ঃ.** মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগৰ মন্ত্ৰী হিচাবে এইটোৱেই চাম যে সমষ্টিবিলাকত অংগনৱাড়ী কেন্দ্ৰ পাইছে নে নাই আৰু তাত কাম হৈছে নে নাই? .......Interruption...........

**মাননীয় অধ্যক্ষ ঃ** সকলোৱে মনে মনে থাকক।

**শ্ৰী অজন্ত নেওঁগ, (মন্ত্ৰী, বিত্ত, সমাজ কল্যাণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,

স্বাধীনতাৰ অমৃত কালত মই দৃঢ়তাৰে কৈছো যে অসমত আঢ়ৈ হাজাৰ কোটি টকাৰে মডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰাৰ বাবে অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্তত ভাৰতবৰ্ষৰ অন্য ৰাজ্যই আমাক শলাগিছে। আমি যেতিয়া বাহিৰত গৈ ইয়াৰ বিষয়ে কৈছো, তেতিয়া তেওঁলোকে কৈছে ১০ হাজাৰ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা সহজ কথা নহয়। অধ্যক্ষ মহোদয়, আমাৰ সদস্য কালাম ডাঙৰীয়া ইয়াত আছে, তেওঁক মই এটা কথা ক'ম। দুবছৰৰ বাবে মই যেতিয়া মন্ত্ৰী আছিলো, তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ পৰা ২ লাখ টকীয়া অংগনৱাড়ী কেন্দ্ৰ আহিছিল আৰু তেতিয়া মই তাত কোনো ধৰণৰ allotment দিয়া নাছিলো। গড়কাপ্তানি বিভাগক সেইখিনি কাম কৰাৰ বাবে দিছিলো, আমি চোৱাও নাছিলো। কালাম ডাঙৰীয়াই তেতিয়া ডাঙৰ ঠিকা পাইছিল আৰু ঠিকাটো পাই মোক কৈছিল যে বাইদেউ এই ঠিকাৰ allotment letter মোৰ mail ত আহিছে। কালাম ডাঙৰীয়া, আপুনি এনেকৈ কৈছিল নে নাই ?মোৰ কিন্তু মনত আছে ...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপুনি এইবোৰ কি blackmail কৰি আছে?....inetrruptions...

**মাননীয় অধ্যক্ষঃ** অখিল ডাঙৰীয়া, তেওঁ কৈছে যিহেতু .....inetrruptions....

(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)

বহক আপোনালোক। সন্মানীয় মন্ত্ৰীয়ে উত্তৰ দি আছে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** মন্ত্ৰী মহোদয়াই অখিল গগৈক কিবা কৈছে নেকি.....inetrruptions....

**মাননীয় অধ্যক্ষঃ** সকলো বহক ...inetrruptions....

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী, মহিলা আৰু শিশু কল্যাণ, ইত্যাদিঃ**অধ্যক্ষ মহোদয়, মই এইখিনি কথা এইকাৰণেই ক'লো কাৰণ মাননীয় বিধায়কজনে এইখিনি কথা উত্থাপন কৰিছে। মই যদি clarify কৰি নিদিওঁ, তেন্তে সদনৰ পৰা বেয়া মেছেজ যাব নে নাই ? মোৰ কোৱাৰ কোনো প্ৰয়োজন নাছিল। কালাম ডাঙৰীয়াই সুধিছে কাৰণে মই এইখিনি স্পষ্ট কৰিছো। অখিল গগৈ ডাঙৰীয়াই সুধিছে কাৰণে আপোনাৰ কথাখিনি স্পষ্ট কৰিছো। মন্ত্ৰী হিচাপে মই সদনত আগতেও আছো, এতিয়াও আছো। মই সদায় বিচাৰো যে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটো সবল হ'ব লাগে আৰু বিভাগৰ কাম কাজবোৰত আমাৰ বিধায়কসকলে অংশগ্ৰহণ কৰিব লাগে। মহিলাসকল সমাজৰ গুৰিয়াল, তেওঁলোকৰ উন্নয়নৰ বাবে কাম কৰিবলৈ গৈ আছো। গতিকে মই সকলোকে পুনৰবাৰ অনুৰোধ জনাইছো অংগনৱাড়ী কেন্দ্ৰ..........inetrruptions....

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** চাৰ, মোৰ দু-আষাৰ কথা আছিল। বাইদেউৰ উত্তৰ এটা লাগে ....inetrruptions....

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী, মহিলা আৰু শিশু কল্যাণ, ইত্যাদিঃ** মোৰ উত্তৰখিনি কৈ দিওঁ, তাৰ পিছত আপোনালোকে ক'ব......inetrruptions....

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** চাৰ, মোৰ কথাখিনি নক'লে উত্তৰটো অসম্পূৰ্ণ হ'ব । একেবাৰে হৈ যাব......inetrruptions....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** চাৰ, এইটো debate হয় নেকি কওঁকচোন ......inetrruptions....

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ cut motion ৰ শেষত মই যেতিয়া আপোনালোকক সুধিম তেতিয়া specific প্ৰশ্নটো আপোনালোকে কৰিব আৰু মন্ত্ৰীয়ে উত্তৰ

দিব.......inetrruptions....

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মন্ত্ৰী মহোদয়াক বিধায়কসকলে দুটা মূল প্ৰশ্ন উত্থাপন কৰিছে কিন্তু মন্ত্ৰী মহোদয়াই উত্তৰ দিয়া নাই। প্ৰথমটো হ'ল- নিম্ন মানৰ খাদ্য যোগান দিয়াৰ সম্পৰ্কত তদন্ত হ'ব নে নহয়...inetrruptions......

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয়াৰ উত্তৰ দি শেষ হোৱাই নাই, আলোচনা হৈ থাকিলে শেষেই নহ'ব .....inetrruptions....

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলপতিঃ** মই এষাৰ ক'ম, উত্তৰটো দি দিব ...inetrruptions....

**মাননীয় অধ্যক্ষঃ** মই কৈছো যে আপোনালোকে ইতিমধ্যে cut motion move কৰিছে, মন্ত্ৰী ডাঙৰীয়ানীৰ উত্তৰ শেষ হোৱাৰ পিছত আপোনালোকক মই সুধিমেই। সেইটো সময়ত আপোনালোকৰ যিখিনি কথা উত্তৰত থাকি গৈছে সেইটো মন্ত্ৰী মহোদয়াৰ পৰা আপোনালোকে স্পষ্টীকৰণ বিচাৰিলে তেওঁ উত্তৰটো দি দিব .....inetrruptions...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** চাৰ মোৰ কথাকেইটাৰ একো উত্তৰ দিয়া নাই ....inetrruptions.

**মাননীয় অধ্যক্ষঃ** আপুনি cut motion move কৰিছে, গতিকে পিছত সুধিব। এতিয়া কেৱল মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীমতী অজন্তা নেওঁগ, মন্ত্ৰী, মহিলা আৰু শিশু কল্যাণ, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অতি আন্তৰিকতাৰে এই গোটেই কেইখন আঁচনিৰ কাম সুকলমে কৰাৰ বাবে চেষ্টা কৰিছো। এই আঁচনিবোৰৰ প্ৰধান লক্ষ্যই হৈছে ৬ টা সেৱা আগবঢ়োৱা। সেইকেইটা হ'ল- পৰিপূৰক পুষ্টি দিয়া, স্বাস্থ্য পৰীক্ষা, প্ৰতিষেধক প্ৰদান, প্ৰাক্-প্ৰাথমিক অনানুষ্ঠানিক শিক্ষা, প্ৰেৰিত সেৱা আৰু স্বাস্থ্য আৰু পুষ্টি সেৱা। যিবোৰ অংগনৱাড়ী কেন্দ্ৰ এটা সময়ত অতি জৰাজীৰ্ণ অৱস্থাত আছিল, তাৰ প্ৰায় ১০ হাজাৰ কেন্দ্ৰ নতুনকৈ নিৰ্মাণ কৰাৰ বাবে চেষ্টা কৰিছো। সদনত সদস্যসকলক মই জনাব বিচাৰিছো যে বাকী যিবোৰ কেন্দ্ৰ থাকি যাব, সেইবোৰ মেৰামতি কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে আমাৰ পৰা এটা প্ৰস্তাৱ বিচাৰিছিল আৰু শেহতীয়াভাৱে তেওঁলোকৰ লগত Annual grant ৰ ওপৰত কথা হওঁতে, তেওঁলোকে অসমৰ বাবে প্ৰায় ৩০ হাজাৰ অংগনৱাড়ী কেন্দ্ৰৰ মেৰামতিৰ কাৰণে পুঁজি আগবঢ়াব বুলি জনাইছে। আমি অৱগত যে এহাতে আমি নতুনকৈ কেন্দ্ৰ নিৰ্মাণ কৰিছো আৰু আনহাতে যিবোৰ কেন্দ্ৰৰ মেৰামতিৰ প্ৰয়োজন আছে সেইখিনিৰ কিছু কাম নিশ্চিতভাৱে এই বিত্তীয় বৰ্ষতে হাতত ল'ম । আমি নতুনকৈ মেৰামতি কৰি সেই কেন্দ্ৰবোৰো সুন্দৰভাৱে গঢ়ি তুলি শিশুসকলৰ স্বাস্থ্য আৰু অন্যান্য সেৱা আমি প্ৰদান কৰিব পাৰিম। অধ্যক্ষ মহোদয়, অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মীসকলৰ কথা মই কৈছোৱেই। অংগনৱাড়ী কৰ্মীসকলক ৬৫০০ টকা, ক্ষুদ্ৰ অংগনৱাড়ী কৰ্মীসকলক ৪৭৫০ টকা আৰু সহায়িকাসকলক ৩২৫০ টকাকৈ মাহেকীয়াভাৱে এক কালীন মাননি দিয়া হয়। আপোনাক জনাব পাই ভাল পাইছো যে অসমেই হৈছে প্ৰথম ৰাজ্য, যিয়ে অসমৰ অংগনৱাড়ী কৰ্মী, সহায়িকাসকলক স্বীকৃতি জনাই অৱসৰৰ পিছত এককালীন ভাৱে আমি ক্ৰমে ৪ লাখ, ৩ লাখ আৰু ২ লাখ টকা যোৱা দুটা বছৰৰ পৰা দি আছো। যোৱা দুটা বছৰত প্ৰায় ১৮৫৬ গৰাকী অংগনৱাড়ী কৰ্মী আৰু ১৮৬৭ গৰাকী অংগনৱাড়ী সহায়িকাক ইতিমধ্যে ১১২ কোটি টকা প্ৰদান কৰা হৈছে আৰু এই প্ৰক্ৰিয়া অব্যাহত থাকিব। ভাৰতবৰ্ষৰ ভিতৰত অসমেই প্ৰথম। দ্বিতীয়তে, তেওঁলোকৰ এটা দাবী আছিল যে অংগনবাড়ী কৰ্মীৰ পৰা মুখ্য সেৱিকাৰ পদ পোৱাৰ ক্ষেত্ৰত ২৫% সংৰক্ষণ লাগে। এই ক্ষেত্ৰত আমি ২৫% মুখ্য সেৱিকাৰ পদ অংগনৱাড়ী কৰ্মীৰ বাবে সংৰক্ষণ কৰি পদোন্নতিৰ বাবেব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধে কেন্দ্ৰীয়

বাজেটত আপোনালোক সকলোৱে দেখিছে যে অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলক আয়ুষ্মান ভাৰতৰ অধীনত ৫ লাখ টকালৈ স্বাস্থ্য সেৱাৰ সুবিধা ভৱিষ্যতে প্ৰদান কৰা হ'ব। গতিকে, অংগনবাড়ী কৰ্মী আৰু সহায়িকাই আগবঢ়োৱা সেৱাক আমি সদায় স্বীকৃতি জনাই আহিছো আৰু তেওঁলোকৰ যি অসুবিধা আছে সেইখিনি আমাক অৱগত কৰিবলৈ কৈছো। মই সদায় তেখেতসকলৰ লগত আছোৱেই। আমি ভৱিষ্যতে তেওঁলোকক কেনেকৈ আগুৱাই লৈ যাব পাৰো তাৰ বাবে সম্পূৰ্ণ লক্ষ্য ৰাখিম আৰু এই ক্ষেত্ৰত আমি সকলো প্ৰচেষ্টা অব্যাহত ৰাখিম।

অধ্যক্ষ মহোদয়, দিব্যাংগসকলৰ বাবে আগতে এখন আঁচনি আছিল। সেই আঁচনিত তেওঁলোকে ৮০০ টকা পাইছিল। কিন্তু আমি যেতিয়া অৰুণোদয় আঁচনি আনিলো তেতিয়া আমি সেই দিব্যাংগৰ আঁচনিখন অৰুণোদয় আঁচনিত subsume কৰিলো। সেইখিনি সময়ত আমি এটা পৰ্টেলৰ জৰিয়তে গোটেই দিব্যাংগ আঁচনিখন চালি-জাৰি চালো। চালি-জাৰি চোৱাৰ পিছত সেইখিনি সময়ত যিমানখিনি দিব্যাংগ পেঞ্চনাৰ আছিল, তেওঁলোকক আমি অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত কৰিছো। কোনোবাই কৈছে যে অৰুণোদয় আঁচনিত অন্তৰ্ভুক্ত হোৱা নাই। এইটো কথা সত্য নহয়। কাৰণ মই নিজে বাৰম্বাৰ check কৰিছো। যিমানজনে দিব্যাংগ পেঞ্চন পাই আছিল, সকলোকে অৰুণোদয় আঁচনিত subsume কৰা হৈছে, তেওঁলোকৰ ২০০ টকা বাঢ়িছেহে। আমাৰ গাইডলাইনতো আছে যে যদি কোনোবা দিব্যাংগ নোপোৱাকৈ থাকি গৈছে, তেওঁলোক priority ত থাকিব। মাননীয় সদস্য সকলক কৈছো যে এইবছৰ আমি অৰুণোদয় আঁচনি আকৌ expansion কৰি ২.৫ লাখৰ কাৰণে আনিছো। গতিকে কোনোবা দিব্যাংগ যদি থাকি গৈছে, তেওঁক এইবাৰ অন্তৰ্ভুক্ত কৰিব পাৰিব।

ইয়াৰোপৰি মাননীয় সদস্যসকলে খাদ্য সম্পৰ্কত বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপন কৰিছে। মই আপোনালোকক এইটোৱেই কৈছো যে ভাৰত চৰকাৰৰ যিবোৰ গাইডলাইন আছে সেই গাইডলাইন মতে আমি nutrients বিলাক দি আছো। আগতে, কিছুমান NGO বিলাকক খাদ্য সামগ্ৰী দিছিল। কিন্তু ভাৰত চৰকাৰৰ একেবাৰে সু-স্পষ্ট নীতি আছে যে তেওঁলোকে micro nutrients দিব লাগে অখিল গগৈ ডাঙৰীয়া, মই আপোনাক খুব স্পষ্টকৈ কৈছো ---interruption---

**শ্ৰী ভৰত নৰহ, (নাওবৈচা) ঃ** বাইদেউ, এইবিলাক CDPO office ত জমা আছে। কোনো অঙ্গনবাড়ী কৰ্মীয়ে লৈ নাযায়।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এইবিলাক কোনো নাখায়। এইবিলাক আপুনি ঠিকাদাৰৰ কাৰণে কৰিলে নেকি?

**মাননীয় অধ্যক্ষ ঃ** Please আপোনালোক বহক, মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক। আপোনালোকক যদি clarification লাগে, আপোনালোকে নোট কৰক।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মোক ক'বলৈ দিয়ক। যেতিয়া Govt.of India ৰ guidelines follow বস্তুখিনি দিছো, মই নিজে supervisor অঙ্গনবাড়ী সকলকো শুধিছো তেখেতসকলে কৈছে যে আগতে যেনেকৈ আমি দিছিলো তেনেকুৱা এটা অংশ

আমাকো দিব লাগে। মই লগে লগে কেবিনেট memorendum ready কৰিছো আৰু চৰকাৰক মই জনাইছিলো যে কিছুমান অঙ্গনবাড়ী কেন্দ্ৰত তেওঁলোকে সেই খাদ্যটো নাখায়। গতিকে কেবিনেটতো মই এই কথাটো জনাইছো। আমি আশা কৰিছো, তেওঁলোকক কৈছো যে কিমানখিনি তেওঁলোকক খাদ্য লাগে তেনেকুৱা ধৰণে খাব পাৰে। Mid-Day আছে, আমি তেওঁলোকৰ পৰামৰ্শ গ্ৰহন কৰিছো আৰু সেই পৰামৰ্শমতে আমি ভৰিষ্যতে কাম কৰি যাম। ইয়াত কোনো ধৰণৰ অন্য কথা নাই। আমি Govt.of India ৰ guideline মতে বস্তুখিনি দিছো। আমি যিটো পাইছো সেইটোও জনাইছো। যদি ভৰিষ্যতে আমি দেখো যে আগৰ system ত convert কৰিব লাগে, তেতিয়া আমি guideline সলনি কৰিবৰ কাৰণে চৰকাৰক জনাম। কিন্তু এতিয়া আমি Govt.of India ৰ guideline মতে কাম কৰিব লাগিব । কাৰণ এই গোটেই আঁচনিখন Govt.of India ৰ আঁচনি। সেইকাৰণে কৈছো অধ্যক্ষ মহোদয়, যে ইয়াত সম্পূৰ্ণ স্বচ্ছভাৱে আমি আঁচনিখনৰ কাম কৰিবলৈ চেষ্টা কৰিছো।

আপোনালোকে জানি ভাল পাব যে আমাৰ ৰাজ্যখনত বহুতো চাহ বাগিছা আছে। যোৱা সময়ছোৱাত মই মাননীয় বিধায়ক সকলক অনুৰোধ কৰিছিলো অঙ্গনবাড়ী কেন্দ্ৰসমূহত চাহ বাগিছা অঞ্চলত নিৰ্মাণ কৰিবৰ কাৰণে আৰু তেওঁলোকে নিৰ্মাণ কৰিছে। এই বাৰো মই কথা দিছো যে আহিবলগীয়া সময়ছোৱাত যদি পাৰো অঙ্গনবাড়ী কেন্দ্ৰ সমূহ চাহ বাগিছা অঞ্চলত বেছিকৈ দিম। এইটো মই প্ৰতিশ্ৰুতি দিছো। ইয়াৰ লগতে চৰ অঞ্চল। যোৱা সময়ছোৱাত মোক বহুতো বিধায়কে সঙ্গ দিছিল। আমি চাহ বাগিছা সমূহত সুন্দৰকৈ awarness programme পাতিছিলো। তাতো হাজাৰ হাজাৰ মহিলা, শিশু, গৰ্ভৱতী মাতৃয়ে অংশগ্ৰহন কৰিছিল। আমি Health মেলা পাতিছিলো। এইবাৰ মই কথা দিছো যে চাহ বাগিছা সমূহত আমি যেনেদৰে কৰিছিলো তেনেদৰে চৰ অঞ্চলসমূহতো Health মেলা কৰিম।

অধ্যক্ষ মহোদয়, আজি যিমানবিলাক আঁচনি আছে, তাৰে ভিতৰত এটা হৈছে বেটি বাচাও বেটি পঢ়াও। মই মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাইছো যে এই আঁচনিখনৰ পুঁজিবিলাক আমি জিলা আয়ুক্ত সকলক দি দিওঁ। গতিকে মই জিলা আয়ুক্ত সকলক অনুৰোধ জনাওঁ যাতে তেওঁলোকে আপোনালোককো লগ ত ৰাখি কেনেধৰণে এই পুঁজিখিনি ব্যয় কৰে, সেইটোৰ যাতে এটা ব্যৱস্থা গ্ৰহন কৰে। আজি সদনতে মই এইখিনি কথা কৈছো। ইয়াৰ উপৰিও আমাৰ বহুতখিনি আঁচনি আছে। আপোনালোকে নিজে নিজে যদি vigilence and monitoring committee ত উপস্থিত থাকি এই আলোচনাবিলাক কৰে, শিৰামণি বাইদেউ ইয়াত থাকিলে মই ভাল পালোহেঁতেন।----interruption-----

**শ্ৰীমতী শিৰামণি বৰা, (বটদ্ৰবা) ঃ** বাইদেউ, মই আছো।

**শ্ৰীমতী অজন্তা নেওগ, (বিত্তমন্ত্ৰী) ঃ** হয়, আপুনি কৈছে যে বহু আঁচনিৰ বিষয়ে আপুনি নাজানে। নজনাৰ কাৰণ হৈছে নিশ্চয় আপুনি vigilence and monitoring committee ৰ সভাসমূহ আপুনি অনুষ্ঠিত কৰা নাই। এইক্ষেত্ৰত আপোনাৰো দায়িত্ব আছে। আপুনি ৰাইজক জনাব লাগিব। গতিকে vigilence and monitoring committee সমূহত এই কথাবিলাক আলোচনা কৰিলে লগতে আপোনালোকৰ কেন্দ্ৰবিলাক যদি visit কৰে, এইটো ভাল কথা হ'ব। কাৰণ আমাক মুখ্যমন্ত্ৰী ডাঙৰীয়াই direction দিছে যে সভাসমূহলৈ যাওঁতে অঙ্গনবাড়ী কেন্দ্ৰসমূহ

আমি চাই যাব লাগে।

ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনাৰ জৰিয়তে প্ৰথমবাৰৰ বাবে গৰ্ভৱতী হোৱা মহিলা আৰু প্ৰসূতি মাতৃ সকলক কৰ্মক্ষতিৰ বাবদ আৰ্থিক ক্ষতিপূৰণৰ বাবে ৫,০০০ টকাকৈ সাহাৰ্য্য প্ৰদান কৰা হয়। যদিহে মাতৃ গৰাকীৰ দ্বিতীয় সন্তানটি কন্যা হয়, তেতিয়া কন্যা সন্তান জন্মাৰ পাছত প্ৰথম প্ৰতিষেধক সম্পূৰ্ণ হোৱাৰ পাছত ৬,০০০ টকাৰ আৰ্থিক সাহাৰ্য্যপ্ৰদান কৰা হয় আৰু আপোনালোকে জানি ভাল পাব যে এইবাৰ ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত অসমো এখন আছে যি কেইখন আঁচনিত তেওঁলোকে ভালদৰে ৰূপায়ণ কৰিব পাৰিছে। যেতিয়া বিকাশ যাত্ৰাত প্ৰত্যেক জিলাত আমি গৈছিলো তেতিয়া চৰ অঞ্চলৰ মহিলা বা চাহ বাগানৰ মহিলাই বা গাম্যাঞ্চলৰ মহিলা সকলে আহি সুন্দৰ ভাৱে ব্যক্ত কৰিছিল যে তেওঁলোকে এই যোজনাৰ জৰিয়তে কেনেদৰে লাভান্বিত হৈছে।

ইয়াৰ পাছত আহিল পালনা আঁচনি। পালনা মানে working women hostel নহয়। পালনা মানে হৈছে crech.এইবাৰ কেন্দ্ৰীয় চৰকাৰে day care ত মানে যিবিলাক লোকে দিন হাজিৰা কৰে বা ঘৰত শিশু সকলৰ ভালদৰে যত্ন ল'ব নোৱাৰে তেনেকুৱা ধৰণৰ অঞ্চলবিলাকত crech দিয়াৰ কথা কৈছে। এইবাৰ আমি তাৰবাবে বাজেটত প্ৰায় ৭ কোটি টকা ৰাখিছো। দুৰ্গম অঞ্চলবিলাকত crech স্থাপন কৰি তাত শিশু সকলৰ লালন পালন পৰিচৰ্যা স্থানীয়ভাৱে পাব পাৰে।

Working women hostel ৰ বাবেও মই বাজেটত কিছু পুঁজি ধাৰ্য্য কৰিছো। বিধায়কসকলে তেওঁলোকৰ District Head Quarter বা অন্যান্য অঞ্চলত যিসমূহ কৰ্মৰত মহিলা থাকে তাতো crech ৰ সুবিধা কৰবলৈ আমি কিছু পুঁজি ৰাখিছো।

বাল্য বিবাহ প্ৰতিৰোধী অভিযানখন মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসমত অতি সবলভাৱে চলি আছে। তাৰ preventive action আপোনালোকে দেখিছে। কিন্তু লগতে আমি reformative কৰিবৰ কাৰণেও যিসকল বাল্য বিবাহৰ বলি হৈছে তেওঁলোকক সুৰক্ষা দিবৰ কাৰণে কিছু পুঁজি আমি বাজেটত ৰাখিছো। আমি যাতে ভালদৰে সেইখিনি implement কৰিব পাৰো তাৰবাবে চেষ্টা চলাম। এইবাৰ আমি ছোৱালীবিলাকৰ কাৰণে বাল্য বিবাহ প্ৰতিৰোধী নিজুত মইনা আঁচনি আনিছো। গতিকে অধ্যক্ষ মহোদয়, মই বহুত বেছি দিঘলীয়া কৰিব খোজা নাই। মই এইটোৱে ক'ব বিচাৰিছো যে বিভাগটোক আমি সক্ৰিয় কৰিবৰ কাৰণে, আঁচনিবিলাক স্বচ্ছ কৰিবৰ কাৰণে আমি সম্পূৰ্ণভাৱে যিমান পাৰো আন্তৰিকতাৰে চেষ্টা কৰি আছো। আপোনালোকৰ সহযোগীতা কামনা কৰিছো। যিবিলাক অঙ্গনবাড়ী কৰ্মী, সহায়িকা আছে, তেওঁলোকে কাম কৰি আছে। তেওঁলোকৰ সেৱাৰ আমি প্ৰতিদান স্বৰূপে যিমান পাৰো দিবলৈ চেষ্টা কৰিছো আৰু শেহতীয়াভাৱে অসম চৰকাৰে অসম গৌৰৱ বঁটা তিনিচুকীয়া জিলাৰ সাপজান সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনত ৰংচোৱাল বাগিছাৰ ডিপু লাইনৰ অঙ্গনবাড়ী কেন্দ্ৰৰ কৰ্মী শ্ৰীমতী মেৰী হাজদাক অঙ্গনবাড়ী কেন্দ্ৰৰ সেৱাসমূহৰ জৰিয়তে শিশুৰ সৰ্বাঙ্গীন বিকাশ আৰু গৰ্ভৱতী মহিলাৰ যত্ন লোৱাৰ বাবে ২০২৩ চনৰ অসম গৌৰৱ বঁটাৰে সন্মনিত কৰিছে। গতিকে আমাৰ কৰ্মী সকলৰ যথেষ্ঠখিনি ত্যাগ আছে আৰু আমি আশা কৰিছো যে বিভিন্ন ধৰণৰ আঁচনিবিলাকৰ সফল প্ৰয়োগ ৰাইজৰ সহযোগীতাৰেহে আমাৰ লক্ষ্যত উপনীত হ'ব পাৰিম। গতিকে মই পুনৰবাৰ সকলোকে ইয়াত অংশ লোৱাৰ বাবে মই কৃতজ্ঞতা জনাইছো। আপোনালোকক মই এইখিনি কথা অৱগত কৰিলো আৰু কৰ্তন প্ৰস্তাৱটো উঠা'ই ল'বৰ কাৰণে মই পুনৰবাৰ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰণজিৎ দাস, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাইদেৱে যেতিয়া ৰচিদ আলমৰ কথা কৈছিল তেতিয়া অখিল গগৈ ডাঙৰীয়াই কৈছিল যে এইটো আপুনি black mailing করি আছে। সেইটো proceeding ৰ পৰা drop কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটো proceeding ৰ পৰা expunge কৰিব। এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাইদেৱে যি উত্তৰ দিলে তাত দুটা কথা নাই। এটা হ'ল মাননি বঢ়োৱাৰ কথাটো। ইতিমধ্যে proposal for enhencement of state incentive for AWW, AWS and AWW mini.এইটো যোৱা সময়ছোৱাত directorate য়ে চৰকাৰলৈ পঠিয়াইছিল। এতিয়া অঙ্গনবাড়ী কৰ্মীৰ ক্ষেত্ৰত যিটো state ৰ exiting ২০০০ টকা সেইটো enhence কৰি ৫৫০০ টকা কৰিব লাগে, অঙ্গনবাড়ী সহায়িকাৰ ক্ষেত্ৰত ১০০০ ৰ পৰীৱৰ্তে ২৭০০ টকা আৰু অঙ্গনবাড়ী কৰ্মী মিনিৰ ক্ষেত্ৰত ১২৫০ ৰ পৰিৱৰ্তে ৩৪৫০। এইটো proposal যোৱা ডিচেম্বৰ মাহত পঠোৱা হ'ল। কিন্তু সেইটো এতিয়াও কিয় গৃহীত কৰি মাননি বৃদ্ধি কৰা নাই, বাইদেৱে সেইকিনি কথা মক'ব লাগে। দ্বিতীয়তে, যিটো নিম্ন মানৰ খাদ্যৰ কথা আমি কৈ আছো,সেইটো আজি কেইদিনমান পূৰ্বে মই যেতিয়া অঙ্গনবাড়ী কৰ্মী সকলৰ ধৰ্ণা হৈ আছিল, তেওঁলোকে মোক লিখিছিল যে অঙ্গনবাড়ী কেন্দ্ৰত শিশু আৰু গৰ্ভৱতী প্ৰসূতি মাতৃ সকলক যোগান ধৰা খাদ্যৰ দাইল, খিচিৰি আৰু চুজি, হালোৱাৰ পেকেট যিবোৰ যোগান ধৰিছে, সেইবোৰ খাদ্য শিশু আৰু মাতৃসকলে নাখায়। আনকি পশু পক্ষীও খাব নিবিচাৰে আৰু কোনেও লৈ নাযায়। তেওঁলোকে ৮ টকা পাই আছিল এতিয়া ২.৩৭ টকা দিছে। এইক্ষেত্ৰত বাইদেৱে অলপমান উত্তৰ দিলে যে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। কিন্তু কেন্দ্ৰীয় চৰকাৰে এনেকুৱা নোখোৱা বস্তু দি কিয় পইচা অপব্যয় কৰিব লাগে? সেইগতিকে মহোদয়,মই ভাৱো সদনৰ ফালৰ পৰা এখন সদন সমিতি কৰি SNP food টো কেনেকুৱা হৈ আছে সেইখিনি আপোনাৰ নেতৃত্বতে হওক বা উপাধ্যক্ষৰ নেতৃত্বত কৰিব লাগে আৰু কেন্দ্ৰীয় চৰকাৰক এনেকুৱা আঁচনি বাতিল কৰি ৰাইজে গ্ৰহন কৰা, শিশু মাতৃয়ে গ্ৰহন কৰিব পৰা খাদ্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই পাৰিশ্ৰমিক আৰু এই কথা দুটা আপোনাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ দুটা কথা উল্লেখ কৰিব বিচাৰিছো। মাননীয়া মন্ত্ৰী ডাঙৰীয়াণীয়ে অঙ্গনবাড়ী কেন্দ্ৰৰ কথা যিটো কৈছিল মই লিখিতভাৱে মোৰ সমষ্টিত হোৱা irregularity ৰ বিষয়ে অভিযোগ কৰিছিলো আৰু তেখেতৰ অফিচৰ পৰা এজন PA য়ে ফোন কৰে আৰু মই তেখেতৰ তাত whatsup ও কৰিছিলো। মই কোনো

controversy করিব বিচৰা নাই। সেইটো দৃষ্টিগোচৰহে কৰিছিলো। Specefic দিছিলো যে কেনেধৰণৰ irregularity হৈছে কিন্তু কোনো ধৰণৰ enquiry হোৱা নাই যদি পাৰে এটা কৰিব আৰু এটা কৈছিল যে কোনো ধৰণৰ নিযুক্তিত কোনো কেলেংকাৰী হোৱা নাই, আমাৰ তাত অফিচাৰ লেভেলত কৰি থকা অৱস্থাত ইয়াৰ পৰা ডাৰেক্টৰ লেভেলৰ পৰা তাত দুদিন আগত ষ্টে কৰি দিছিল যাৰ ফলত গোটেই দুখিয়া মানুহখিনি দিপ্ৰাইভ হৈছে এনেধৰণৰ অনিয়ম হৈছে সেই কথাকে আপোনাৰ যোগেদি মন্ত্ৰী ডাঙৰীয়ানীক অৱগত কৰিছো। আৰু মোৰ ওচৰত তেখেতৰ নম্বৰটো নাই কাৰণে মই তেখেতৰ যিজনে ফোন কৰে তেখেতক এই অভিযোগ দিয়া হৈছিল তেওঁ পোৱা নাই বুলি কৈছে, এই চিঠি খন তেওঁলৈ ৰাটচাফ যোগেদি পঠিয়াই দিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া হাফিচ বচিৰ আহমেদ ডাঙৰীয়া। একেবাৰতে উঠাই লব আৰু কিবা যদি পইন্ট আছে কব।

**হাফিছ বছিৰ আহমেদ, (পশ্চিম বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহাশয়, যি কাঠমোচন আমি উত্থাপন কৰিছিলো সেই ক্ষেত্ৰত কব লগীয়া আমাৰ দুটা কথা আছে এটা হ'ল মডেল আদৰ্শ অংগনবাড়ী চেন্টাৰ যি অসমৰ বিভিন্ন জিলাত দিয়া হৈছে সমষ্টিত, ধুবুৰী জিলাৰ মোৰ সমষ্টিত মাত্ৰ ১০/১২ টা মান পাইছো। সম বিকাশ বা সম বিতৰণ যাতে হয় তাৰ প্ৰতি মই মন্ত্ৰী মহাশয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো। দুই নম্বৰ হ'ল আদৰ্শ অংগনবাড়ী চেন্টাৰ বিলাক ইমপ্লিমেন্ট কৰিবলৈ যাওঁতে এটা অসুবিধা হৈছে, আগতে অলপ মাটিতে অংগনবাড়ী চেন্টাৰ বিলাক চেনচন দিয়া হৈছিল, তাত প্ৰতিষ্ঠা কৰা হৈছিল। এতিয়া আদৰ্শ মডেল অংগনবাড়ী চেন্টাৰ বনোৱাৰ ক্ষেত্ৰত স্বৰ্ত আৰোপ কৰা হৈছে যে মিনিমাম এক বিঘা/ দুই বিঘা মাটি কৰা হৈছে। গতিকে প্ৰায় বেছিভাগ অংগনবাদী কেন্দ্ৰ ইমান প্ৰয়োজনীয় চৰকাৰে বান্ধি দিয়া নিয়ম মতে মাতি নাই। সেই কাৰণে এই ক্ষেত্ৰত অলপ বিবেচনা কৰাৰ বা পুনৰ দৃষ্টি ইয়াত দিয়াৰ কাৰণে মই অনুৰোধ জনালো। এই খিনি কৈ আমাৰ যি কৰ্তন প্ৰস্তাৱ আছিল মই withdraw কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া শ্ৰীমনোৰঞ্জণ তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱ নিশ্চিতভাৱে withdraw কৰিম কিন্তু এটা কথাত আমি প্ৰায় ৩ বছৰ ধৰি আলোচনা কৰিলো যে অংগনবাড়ী কৰ্মী সহায়িকাৰ মাননী বৃদ্ধিৰ বিষয়টোত। মাত্ৰ ২ হাজাৰ টকা ৰাজ্য চৰকাৰে দিয়ে কৰ্মীক, ১ হাজাৰ টকা দিয়ে সহায়িকাক। এই পৰিমাণটো যথেষ্ট কম। গোটেই ভাৰতৰ ৰাজ্য বিলাকৰ তালিকা প্ৰৰ্যান্ত দাখিল কৰিলো তাৰ পিছতো মন্ত্ৰীমহোদয়া কঠোৰ হৈ আছে, কোনো কাৰণতে বৃদ্ধি নকৰিলে। এতিয়া আমাক কিন্তু গৰ্বিত কৰা নাই ভাৰত বৰ্ষৰ গোটেই ৰাজ্য বিলাকৰ ভিতৰত আটাইতকৈ কম মাননী দি আছো আমাৰ ৰাজ্য চৰকাৰে। এইটো কি কাৰণত তেখেতে কঠোৰ stand লৈছে আমাৰ বুজা অসুবিধা হৈছে। ডিৰেক্টৰৰ পৰা প্ৰস্তাৱ এটা আহিছিল ১০ হাজাৰ আৰু ৫ হাজাৰ যাতে হয়, অলপ বঢ়াৰ লাগে, ইমান মানুহক দিব পাৰিছো মাত্ৰ ১ লক্ষ ২১ হাজাৰ কৰ্মী সহায়িকাৰ মাননী বৃদ্ধি কৰিব নোৱাৰাত আৰু তেখেতে যোৱা বছৰো এনেকৈ এৰাই গৈছে এইবাৰো কঠোৰ ষ্টেন্দতে আছে। যদি আমি অংগনবাড়ী কেন্দ্ৰ বিলাক সচল কৰিব লাগে একত্ৰিত কৰিব লাগে তেতিয়া কৰ্মী-সহায়িকাক যদি এই ধৰণৰ অৱস্থাত ৰাখি থোৱা যায় তেতিয়া হলে নিশ্চিত ভাৱে এইটো শোভনীয় কথা নহ'ব, আমাৰ কাৰণে আদৰণিয় কথা নহ'ব। মই এইটো পুনৰ অনুৰোধ ৰাখিছো তেখেতে যাতে এইটো বিবেচনা কৰে বা চৰকাৰে এই ক্ষেত্ৰত এটা পদক্ষেপ গ্ৰহণ কৰে। মই এই খিনি কথা কলো, খাদ্যৰ প্ৰশ্নটো আজি নতুনকৈ আকৌ বিচাৰ কৰিব লাগিব যি খাদ্য নাখাই কাৰণ দি থাকিলে

আমাৰ লাভ নাই এটা তাৎক্ষণিক ভাৱে ৰাজ্য চৰকাৰে বিভাগৰ ফালৰ পৰা ব্যৱস্থা গ্ৰহণ কৰক। খাদ্যটো যাতে উন্নত হয়, কাৰণ শিশুৰ স্বাস্থ্যত আমি তাত কম্প্ৰমাইজ কৰি শিশুৰ উন্নয়ন আমি কৰিব নোৱাৰো। শিশুৰ স্বাস্থ্যটো আমাৰ কাৰণে গুৰুত্বপূৰ্ণ। এইখিনি কথা কৈ মই অনুৰোধ কৰি কৰ্তন প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া অখিল গগৈ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ ডাঙৰীয়া, আমি ভাষণৰ সময়তে কৈছিলো যে আমাৰ গোটেই দেশ খনৰ ভিতৰত আটাইতকৈ বেছি Maternal Mortality Rate. প্ৰসুতি মৃত্যুৰ হাৰ আটাইতকৈ বেছি আমাৰ অসমত। গতিকে প্ৰসূতি মৃত্যু আৰু Infant Mortality Rate, দেশৰ ভিতৰত চতুৰ্থ। এই দুয়োটাৰ এটা প্ৰধান কাৰণ হ'ল অপুষ্টিকৰ অৱস্থা। এতিয়া যিটো খাদ্যৰ কথাটো উঠিছে মই আগতে আচলতে উপাধ্যক্ষ ডাঙৰীয়া আছিল তেখেতৰ হাতত খাদ্যৰ পেকেটখিনি জমা দিছিলো। কাৰণ সেই যিটো খাদ্য দিছিল সেই খাদ্যটো কোনেও নাখায়। আনকি গৰুৱেও নাখায়। গতিকে একদম দম দম হৈ পৰি আছে। আৰু এই খাদ্যটোৰ কাৰণে পইচা খৰচ কৰাৰ পৰিমাণটো কিন্তু কম নহয়। মই চাইছিলো তাত দেখুৱাইছে যে এই খাদ্যৰ কাৰণে পইচা খৰচ কৰা পৰিমাণ টো ৮৮৭ কোটি টকা এবছৰত।

**মাননীয় অধ্যক্ষ** ঃ আপুনি clarification কিবা বিচাৰিব খোজে সেইটো কওক।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ হয়, এইটো মানে ঠিকাদাৰ বিলাকে এতিয়া চাপ্লাই দিবলৈ পাই বৰ ফুৰ্টি পাইছে। আগতে দাস নামৰ এজনে Social welfare Departmentটো চলাইছিল এতিয়া চাহীকে ধৰি কেইজন মানে গোটেই বিভাগটো এতিয়া চলাবলৈ লৈছে। গতিকে এই গোটেই বস্তুটোক লৈ এটা enquiry হ'ব লাগে, আৰু এনকুৱাৰী হৈ যাতে এই যিটো পেকেট খাদ্য এইটো বন্ধ কৰাৰ ব্যৱস্থা হ'ব লাগে। দ্বিতীয়তে, অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলৰ কামটো নিয়মীয়া কৰিবৰ কাৰণে ২০১৫ চনতে তেতিয়া কংগ্ৰেছ চৰকাৰ আছিল, তেতিয়াৰ ডাইৰেক্টৰ কলিতা ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰলৈ এটা বিশেষ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল আৰু তেতিয়াই অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাৰ দৰমহা বৃদ্ধিৰ প্ৰশ্নটো উত্থাপন হৈছিল। গতিকে আজিৰ দিনটোত য'ত আমাৰ অসমৰ মই কলোৱে Maternal Mortality Rate ক্ষেত্ৰত। গতিকে আমাৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকা সকলক দৰমহা মিনিমাম ১৫ হাজাৰ আৰু ১০ হাজাৰ কৰি তেওঁলোকক কাম কৰিবৰ কাৰণে সুস্থ পৰিৱেশ এটা দিবৰ কাৰণে যদি ব্যৱস্থা লয় তেতিয়াহলে নিশ্চয় মই প্ৰস্তাৱটো উঠাই লম।

**মাননীয় অধ্যক্ষ** ঃ Condition নেকি?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ)** ঃ হয়, হয়, সেইকেইটাক লৈ যদি চেটিচফেক্টৰি দিয়ে, লাষ্ট এটা কথা আছে।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, মোৰ সময় নাই, মই মোচন দিম এতিয়া। হৈছে ইতিমেধ্য মন্ত্ৰী ডাঙৰীয়ানীয়ে উত্তৰ দিছে, যদি কিবা ক্লিয়াৰিফিকেচন লাগে সেইটোহে মই কৈছো। ইতিমধ্যে উত্তৰ দিলে, আৰু নালাগে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, (হাজো)** ঃ অধ্যক্ষ মহোদয়, মই পইন্ট এটা কব বিচাৰিছো আমাৰ সন্মানীয় বিধায়ক অখিল গগৈয়ে এটা ভুল তথ্য দিছে যিটো Maternal Mortality Rateৰ কথা কৈছে সেইটো ৰিপোৰ্টটো ২০২২ লৈকে আছিল।

**মাননীয় অধ্যক্ষ** ঃ গতিকে উঠাই লব? মন্ত্ৰী ডাঙৰীয়ানীয়ে অলপ কব নেকি যিখিনি তেওঁলোকে

পইন্ট আউত কৰিছে।

**শ্ৰীমতী অজন্তা নেওগ, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, অখিল গগৈ ডাঙৰীয়াই যিখিনি কথা কৈছে খোৱা খাদ্যৰ বিষয়ত মই ক্লিয়াৰ কৰি দিছো কাৰণ টকাৰ ক্ষেত্ৰত গোটেইখিনি অসত্য তথ্য দিছে, গোটেইখিনিত তাত কিছুমান পাৰ্ট আছে, কিছুমান তেওঁলোকক আমি কেন্দ্ৰ বিলাকলৈ আমি ধন মোকোলাই দিও চাপোৰ্ট দিও তেনেকৈ মিলি এটা portionহে দিয়া হৈছে এই খাদ্যৰ। তাকো আমি experimently প্ৰথমবাৰৰ কাৰণে দিছো। আগতে আমি কেতিয়াও দিয়া নাছিলো। এইবাৰ experimently দিব দিয়াৰ কাৰণে গাইড লাইনচত দিছো। তথাপি মই সদনত কৈছো গোটেই খিনি আমি some work প্ৰস্তাৱ লৈ আছো। যাতে ইয়াৰ পৰা এটা অসত্য মেচেজ নাযায়। বাকী খিনি আমি কিমান খিনি অংগনবাড়ীৰ কৰ্মী-সহায়িকা খিনিক যিমান খিনি পাৰো আমি তেওলোকক সহায় কৰি যাবলৈ সদায় প্ৰস্তুত থাকিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। ধন্যবাদ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ ছাৰ, আমি এইটোত satisfy নহয়, আমি উত্তৰ পোৱা নাই আমি work out কৰিছো। (সকলো বিৰোধী দলৰ সদস্যই সদন ত্যাগ কৰে)

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, work out কৰিলে। মই এতিয়া মঞ্জুৰী প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো, মঞ্জুৰী প্ৰস্তাৱটো হ'ল ২০২৫ চনত ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৪৫ নাৰী আৰু শিশু কল্যাণৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ৩৮২১২৪০০০ টকা মঞ্জুৰ কৰিব লাগে।

যি সকল প্ৰস্তাৱটোৰ সপক্ষে আছে তেওঁলোকে কওঁক হয়, যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়, মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে হয়ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল দাবী মঞ্জুৰী নং ৪৫ টো পাৰিত কৰা হ'ল।

এতিয়া আমাৰ সময় আৰু নাই সেইটোৰ কাৰণে মই বাকী থকা সকলো দাবী মঞ্জুৰী সদনত ভোট দানৰ বাবে দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল দাবী মঞ্জুৰী নং ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৪, ২৫, ২৬, ২৭, ২৮, ২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৬, ৪৭, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬১, ৬২, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, ৭৯, ৮০, সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো।

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়
যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,
মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে
২০২৪-২৫ বৰ্ষৰ দাবী মঞ্জুৰী গৃহীত কৰা হ'ল
আৰু দাবী মঞ্জুৰী পাৰিত হ'ল।

এতিয়া মই The Assam Appropriation(No-2) Bill, 2024 লৈ আহিছো। বিধেয়কখন উত্থাপন আৰু বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনোৱাৰ পূৰ্বে সদনক জনাওঁ যে সন্মানীয় ৰাজ্যপাল মহোদয়ে ১৯-০২-২০২৪ তাৰিখৰ বাণী যোগে সংবিধানৰ অনুচ্ছেদ ২০০৭

ৰ দফা নং ১ আৰু ৩ ৰ অধীনত The Assam Appropriation(No-2) Bill, 2024 খন অসম বিধান সভাত উত্থাপন আৰু বিবেচনাৰ বাবে পৰামৰ্শ আগবঢ়াইছে। মাননীয় মন্ত্ৰী।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই The Assam Appropriation(No-2) Bill, 2024 সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল বিধেয়েকখন উত্থাপন কৰাৰ ক্ষেত্ৰত সদনৰ সন্মতি আছে নে

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়

যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

মাননীয় মন্ত্ৰী

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই The Assam Appropriation(No-2) Bill, 2024 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া The Assam Appropriation(No-2) Bill, 2024 বিবেচনাৰ বাবে উত্থাপন কৰিব। মাননীয় মন্ত্ৰী

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই The Assam Appropriation(No-2) Bill, 2024 সদনত বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত দাঙি ধৰিলো প্ৰস্তাৱটো হ'লThe Assam Appropriation(No-2) Bill, 2024 বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়

যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফা দফা বিবেচনাৰ বাবে লোৱা হ'ব। বিধেয়কখনৰ দফা ২,৩ আৰু অনুসূচীখন সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা ২,৩ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়

যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা ২, ৩ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া বিধেয়কখনৰ দফা ১ নাম পৰিসৰ আৰু আৰম্ভণ সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰশ্নটো হ'ল দফা নং ১ নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়

যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

দফা ১ নাম পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় বিত্ত মন্ত্ৰী-

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই The Assam

Appropriation(No-2) Bill, 2024 সদনত পাৰিত কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো, প্ৰস্তাৱটো হ'ল-

The Assam Appropriation(No-2) Bill, 2024 পাৰিত কৰা হওঁক।

যি সকল সপক্ষে আছে, তেওঁলোকে কওঁক হয়

যি সকল বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া আইটেম নং ৭, ৰুল ৫০ ৰ অধীনত আলোচনা আছে ,শ্ৰী ভাস্কৰজ্যোতি বৰুৱাই চমুকৈ ক'ব।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, (তিতাবৰ) ঃ** Hon'ble Speaker Sir, Under Rule 50 of Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I beg to raise the following matter of urgent public importance and want to draw the attention of the Minister in-charge of Science, Technology & Climate Change. Explanatory Note ত আছে Assam is facing, lot of environmental hazards over the decades. Gradual deforestation, illegal mining, felling of trees to use as timbers illegally have changed our environment. The Ecological balance of nature is widening day by day. Especially, the increase of Carbon by virtue of illegal mining and deforestation of Hills has added fuel towards Carbon credit. Govt. of India has aimed at making India Carbon neutral like many countries of the world. Coal India limited's permit for mining has expired in 2003. The renewal is pending. The present mining going on is totaly illegal and due to open cast mining the whole Patkai Hills scenario has changed. Surface Carbon deposit has increased. So, we need to have a serious discussion on this topic and find ways towards achieving Carbon neutral goal even before 2050. অধ্যক্ষ মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰি কাৰ্বনৰ ওপৰত মই এটা কথা ক'ব খুজিছো যে কাৰ্বন আমাৰ ভূ-পৃষ্ঠত আমি ৪ টা প্ৰকাৰত পাওঁ। সেই কেইটা হৈছে- Black Carbon, Brown Carbon, Blue Carbon and Green Carbon এতিয়া যেতিয়া আমি Black Carbon বুলি কওঁ, Black Carbon টো normally আমি যেতিয়া কয়লা জ্বলাওঁ, গাড়ী চলাওঁ তাৰ ফলত আমাৰ এই কাৰ্বন সৃষ্টি হয়। ২য়তে আমাৰ যিটো Brown Carbon আমাৰ উদ্ভিদ জাতীয় যিবিলাক গছ-গছনি, খেৰ, নৰা আছে, সেইবোৰ জ্বলালে তাত Brown Carbon টো হয়। এইখিনিয়ে আমাৰ কাৰ্বনটো বঢ়ায় অন্যহাতেদি আমি সাগৰৰ পৰা পানী যত জলীয় উদ্ভিদ থাকে সেই বিলাকৰ পৰা আমি Blue Carbon টো পাওঁ, যিটো আমাক লাগে ঠিক তেনেকৈ গছৰ পৰা , উদ্ভিদৰ পৰা, আমি Green Carbon টো পাওঁ, যিখিনি আমাক লাগে। এতিয়া গোটেই কথাটো হৈছে Carbon neutral মানে কি? আমাৰ সমস্যাটো হৈছে যে আমি অক্সিজেনটো লৈছো গছৰ পৰা। গছে কাৰ্বন লৈছে আৰু অক্সিজেনটো

আমাক দিছে। এই তাৰতম্যটোত যে খেলিমেলি হৈছে । আমাৰ দেশখনক বিজ্ঞানে আগুৱাই লৈ গৈছে, নতুন নতুন মেচিন আহিছে, বিভিন্ন ধৰণৰ deforestation হৈছে। এই বিলাকৰ ফলত কাৰ্বনটো বাঢ়ি গৈছে। কাৰ্বনটো বাঢ়ি যোৱাৰ কাৰণে মানুহৰ জীয়াই থাকিবৰ কাৰণে অসুবিধা হৈছে। সেই কাৰণে আমি যদি গ্ৰীণ আৰু ব্লু কাৰ্বনটো বঢ়াই দিওঁ আৰু fossil fuel আমি জ্বলোৱাৰ পৰা আৰম্ভ কৰি ডিজেল বা পেট্ৰোল, খৰি ইত্যাদি জ্বলোৱাটো কমাই দিব পাৰো, তেতিয়া আমাৰ দুয়োটা সমতুল্য হৈ যাব। তেতিয়া আমাৰ কাৰ্বনৰ সমস্যাটো সমাধান হৈ যাব। ইয়াৰ লগতে মই আৰু কেইটামান কথা কৈ গৈছো, এতিয়া আমাৰ পাটকাই হিলচত কি হৈছে, ইতিমধ্যে মই উল্লেখ কৰিছো যে ২০০৩ চনত আমাৰ ক'ল ইণ্ডিয়াৰ মাইনিংটো শেষ। কিন্তু আপোনালোকে দেখিছে যে ৰাতি ৰাতি কিমান ডাঙৰ এটা কয়লাৰ অপাৰেশ্যন হৈ আছে। এতিয়া পাটকাই হিলচত open cast mining হৈ আছে, আৰু যেতিয়া মেঘালয়লৈ যাব, চেৰাপুঞ্জিলৈ যাব, কয়লা ৰাস্তাৰ ওপৰত কয়লা হৈ আছে। গতিকে সেই বিলাকৰ পৰা কি হৈছে আমাৰ মাইনিংটো চলিছে, সেই মাইনিংটো অতি সোনকালে বন্ধ হ'ব লাগে, আৰু যদি আইনসন্মত মাইনিং হয় তেতিয়া টানেল কৰি প্ৰপাৰ mining way ৰ জৰিয়তে যদি আমি তেনেকৈ কৰো তেতিয়া পানী মিহলি হৈ বস্তুবোৰ আমাৰ মাজলৈ নাহে। আজি কেইদিন মান আগতে মোৰ দুজন IIT ৰ বন্ধু তেওঁলোকক এতিয়া USA ত থাকে এই সংস্থাটো পানীৰ লগত লাগি থাকে। তেতিয়া মই তেখেত সকলক সুধিলো যে আমি বটলৰ পানী খাওঁ, এই বেমাৰবোৰ বাঢ়িছে এই বটলৰ পানীত তাৰ এটা কাৰণ য'ত সাংঘাটিক ধৰণৰ contamination আছে। তেতিয়া মোক কলে যে বিচলেৰীৰ পানীটো অলপ ভাল। তেতিয়া মই কলো যে ব্ৰহ্মপুত্ৰ পৰা যদি আমি পানী লৈ বটলিং প্লান্ট খোলো তেতিয়া কি হ'ব ? তেতিয়া কৈছে ব্ৰহ্মপুত্ৰৰ পানীটো আৰু dangerous. ব্ৰহ্মপুত্ৰত এতিয়া যথেষ্ট পানীৰ contamination হৈছে। আমাৰ যিবিলাক আৱৰ্জনা আছে সেইসমূহ ব্ৰহ্মপুত্ৰত পৰে। মই বিধান সভাত সদায় কৈ আছো, যে আমাৰ খেতি ভাল হ'ব লাগে, প্ৰাকৃতিক উৎসৰ পৰা জলসিঞ্চন হ'ব লাগে। আমাক গছ-গছনিটো লাগিব, গছ গছনি লাগিবলৈ হলে, আমি গোটেই পথাৰখন আমি ভাবিছো যে ১২ মাহে সেউজীয়া কৰি ৰাখো। ১২ মাহে সেউজীয়া কৰি ৰাখিবলৈ হলে আমাক জলসিঞ্চন লাগিব। কিন্তু জলসিঞ্চনটো এনেকুৱা যে আমি ভূ গৰ্ভৰ পৰা যিমানেই পানী উঠাও বহুত ঠাইত আৰ্চেনিক নাই। কিন্তু বহুত ঠাইত আৰ্চেনিক আছে। সেই আৰ্চেনিক থকা পানীবিলাক নিগৰি নিগৰি গৈ ব্ৰহ্মপুত্ৰত পৰিছে বা অন্যান্য নদী আৰু উপনৈ বিলাকত পৰিছে। আৰু সেই পানীখিনি ব্ৰহ্মপুত্ৰত পৰা কাৰণে ব্ৰহ্মপুত্ৰৰ পানী বিলাক আৰ্চেনিকেৰে ভৰ্ত্তি হৈ পৰিছে। ঠিক তেনেকৈ আমি এতিয়া জলসিঞ্চনৰ কথা কৈছো। এতিয়া আমাৰ পথাৰ বিলাকত যেতিয়া খেতি হয়, অনবৰতে গ্ৰীণ হৈ থাকিব। তাৰ পৰা আমি গ্ৰীণ কাৰ্বনটো পাম। সেইটো কৰিবলৈ হ'লে আমাৰ চৰকাৰে ব্যৱস্থা ল'ব লাগে। নদীৰ পানী আজি আমি ফিল্টাৰ কৰি খাইছো। টকাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিব। টকাটো আছেই। গতিকে আমাৰ মানুহখিনি জীয়াই থাকিবৰ কাৰণে নদীৰ পানীৰে irrigation খিনি যদি আমি কৰো তেতিয়া আমাৰ যদি ১২ মাহেই খেতি হয়, তেতিয়া আমাৰ সমস্যাটো কি হ'ব ইয়াৰ লগত এটা ডাঙৰ কথা মই আপোনালোকক ক'বলৈ গৈ আছো। আজি যে আমাৰ বাহিৰৰ পৰা চাউলবোৰ আহিছে, চাউল বিলাক যেতিয়া সিজাই দিয়ে, আমি খাই দিওঁ তাৰ পৰা ৫০ শতাংশ কাৰ্বন আমাৰ আহি যায়। আমি যদি ১ লাখ টন বা যদি ১০ লাখ টন চাউল বাহিৰৰ পৰা আনিছো, আমি যদি ঘেঁহু আনিছো এনেকুৱা খাদ্য সামগ্ৰী বনাই দিয়াৰ পিছত ৫০ শতাংশ কাৰ্বন আমাৰ ষ্টেট খনত ডিপোজিত হৈ যায়। ঘেঁহু আমাৰ ইয়াত নহয়। ঘেঁহু

হ'লেও মইশ্চাৰৰ কাৰণে ঘেঁহুটো ৰাখিব নোৱাৰি। মই নিজে তিনি-চাৰিবাৰ ঘেঁহুৰ খেতি কৰি ৰাখিব নোৱাৰিলো। বৰষুণ আহি যায় আৰু বৰষুণ আহি যোৱাৰ লগে লগে ঘেঁহুখিনি তিতি গ'লে বেয়া হৈ যায়। গতিকে চাউল যদি আমি বাহিৰৰ পৰা ননাকৈ self sufficient হ'ব পাৰো, যিখিনি চাউল আনো তাৰ লগত যিখিনি ৫০ শতাংশ কাৰ্বন যিটো আমাৰ ইয়াত produce হয় সেই কাৰ্বনটো আমি নাইকিয়া কৰিব পাৰিম। আমাৰ পৰিবেশৰ লগত আমি কিছুমান কথা ক'ব লাগিব। আমাৰ পৰিবেশৰ, জীৱ জন্তু বিলাকৰ লগত আমাৰ এটা সম্পৰ্ক আছে। মাজতে ইয়াত মইও চৰকাৰক হাতী খেদাৰ ব্যৱস্থা কৰিবৰ বাবে পদক্ষেপ লোৱাৰ কথা কৈছো। আজি এই বক্তব্য ৰখাৰ আগতে মই তিনি-চাৰিদিন পঢ়া-শুনা কৰিছো আৰু বিভিন্ন মানুহৰ লগত কথা পাতিছো। হাতীয়ে আমাৰবহুত ধান খায়। এজন বৈজ্ঞানিকে মোক ক'লে যে আমাৰ এবিধ সৰগ ফুলা বুলি ধান আছে। এই সৰগ ফুলা ধানত নোম খুব বেছি হয়। আৰু এবিধ জাউলী জঁহা ধান আছে। এই জাউলী জঁহা ধান আৰু সৰগ ফুলা ধান হাতীয়ে নাখায়। কাৰণ এই ধানবোৰত বেছি শুং থকাৰ কাৰণে হাতীয়ে খাওঁতে মুখত যেতিয়া বিন্ধে তেতিয়া পেলাই দিয়ে। গতিকে আমি সেই ধানৰ plantation কৰিব পাৰো নেকি? সেই ধানৰ প্ৰডাকশ্যন কিন্তু কম। যদি আমাৰ চৰকাৰে সহায় কৰে, আমি কৰিব পাৰিম আৰু মইও এই কথা গম পাই কৃষি বিশ্ব বিদ্যালয়ৰ বৈজ্ঞানিকৰ লগত কথা পাতিলো। তাত আমাৰ যিটো মিউজিয়াম আছে, য'ত সংৰক্ষণ কৰি ৰাখে তাৰ পৰা মই এইবাৰ এই সৰগ ফুলা ধান আৰু এই জঁহা ধানৰ বীজ আনি খেতি কৰি চাম। মই যদি সফল হওঁ মই আপোনালোকক জনাম। পৰৱৰ্ত্তী সময়ত আমাৰ হাতীয়ে যিবোৰ নাখাই, সেই ধানৰ যদি আমি খেতি কৰো তেতিয়া আমাৰ বহুতখিনি সুবিধা হ'ব। আৰু লগতে এই ধান বিলাকৰ মাজত বচ বুলি এবিধ উদ্ভিদ আছে। সেই উদ্ভিদ বিধ এবিধ কাইটীয়া উদ্ভিদ। এই কাইটীয়া উদ্ভিদ বিধ যদি আমি লগত দি দিওঁ তেতিয়া হাতীৰ ভৰিত এই উদ্ভিদে যেতিয়া গজালৰ নিচিনাকৈ বিন্ধিব তেতিয়া হাতী নাহিব। সেই উদ্ভিদ বিধৰ পৰা এবিধ তেল abstract কৰিব পাৰি। আজি আমি অগৰু গছৰ কথা পাতি আছো। অগৰু গছো আমি লগাব পাৰো। অগৰু তেল অতি volatile. অৰ্থাৎ ই অতি সোনকালে শুকাই যায়। অগৰু তেলৰ লগত যদি আমি এই বচ উদ্ভিদৰ তেল মিক্স কৰি দিব পাৰো তেতিয়া সি সোনকালে উৰি নাযায় বা শুকাই নাযায়। এইটো এটা আমাৰ হাতত ৰাস্তা আছে। অগৰুৰ যিটো ট্ৰেড চেণ্টাৰ আমাৰ গোলাঘাটত খুলিলে, এইটো খুব ভালকৈ চলি থকা নাই। মই নিজেই মাজতে হোজাই লৈ গৈছিলো। এই অগৰুৰ ব্যৱসায় কৰি আমাৰ ল'ৰা বিলাকক সংস্থাপন দিয়াৰ কথা চিন্তা কৰিব পাৰি। আমাৰ ইয়াত আগৰুৰ ১ কেজি তেলৰ দাম চাৰে তিনিলাখ টকা। আৰৱত এই তেলৰ দাম ২৫ ৰ পৰা ৪০ লাখ টকা। আমাৰ ইয়াত ল'ৰা বিলাকে পেটত ভোক লৈ কোনে পৰিবেশৰ কথা চিন্তা কৰিব। আমাৰ যেনেকৈ চাহৰ নিলাম হয়, অগৰু নিলাম কৰিব পৰা যাব। চাহৰ উদ্যোগটো দিনে দিনে তললৈ গৈছে। গতিকে আমি এই অগৰুৰ তেলৰ যদি এটা marketing chain কৰিব পাৰো তেতিয়া চাৰে তিনি লাখ টকীয়া এই যিটো অগৰুৰ তেল এই তেলটো আমি ১০ ৰ পৰা ১২ লাখ টকা লাভ কৰিব পাৰো। আমাৰ কৃষি মন্ত্ৰী যিহেতু আছে মই তেওঁক জনাব খুজিছো যে আমাৰ তাত খুব ভাল অগৰু হয়। আজি চৰকাৰক মই এটা পৰামৰ্শ দিব বিচাৰো যে গোলাঘাটত যদি আমি অগৰু তেলৰ এটা ইন্টাৰনেশ্যনেল মাৰ্কেটিং লিংক আপ কৰিব পাৰো তেতিয়া আমাৰ যিবিলাক থলুৱা যুৱক আছে সেইসকল যুৱকে অগৰুৰ খেতি কৰি আমাক এটা প্ৰফিটেবিলিটি আনি দিব পাৰে। দ্বিতীয়তে, মই যিটো green carbon ৰ কথা কৈছো, আমাৰ আঁচল উদ্দেশ্য হৈছে যিমান পৰা যায় গছ ৰোপণ কৰিব লাগে। তেতিয়াহে আমি .বহুত

আগুৱাই যাব পাৰিম। চাহ বাগানবোৰত কিছুমান সমস্যা থাকে। কাৰণ তাত যথেষ্ট পৰিমাণে প্ৰেচটিচাইড ব্যৱহাৰ কৰা হয়। গছজোপাত পলুৰে যিটো ফুটা কৰে তাৰ পৰা ওলোৱা গোন্ধ টোৱে পলুবোৰ তাৰ পৰা ওলাই যাবলৈ বাধ্য কৰায়। এনেকুৱা ধৰণৰ সমস্যাবোৰ আমাৰ চাহ বাগানবোৰত দেখা যায়। চৰ অঞ্চলৰ কিছুমান ঠাই আছে য'ত মানুহ নাই তাত যদি আমি গছ ৰোপণ কৰো তেতিয়াহ'লে ভাল হয়। আজি গুৱাহাটী মহানগৰ খনত ডাঙৰ ডাঙৰ জলাশয় আছে, বা দ্বীপৰ বিলৰ কথাকে যদি কওঁ তেতিয়াহ'লে চৰকাৰখনে সেইবোৰ সংৰক্ষণৰ কাৰণে ইতিমধ্যে বাজেটত ৫০ কোটি টকা ধাৰ্য্য কৰাৰ কথা উল্লেখ কৰিছে। গতিকে আমি যদি একোটা ব্লকত গছ ৰোপণ কৰিব পাৰো তেতিয়া আমাৰ যথেষ্ট ভাল হ'ব। আপোনালোকে মন কৰিব যেতিয়া আমি খানাপাৰাৰ পৰা আহো তেতিয়া তাত ইমানেই ধূলি আহে যে গোটেই গুৱাহাটী চহৰখনেই ধূলিময় হৈ পৰে। ইয়াৰ প্ৰধান কাৰণটো হ'ল আমাৰ ৰাস্তাবোৰ ভাঙি-চিঙি যায় আৰু সেই একেই অৱস্থা আমাৰ উজনি অসমতো দেখা যায়। আমাৰ যিবোৰ ৰাস্তা National Highway Authority of India ই বনাই আছে তাৰো বহুত ইঞ্জিনিয়াৰিং ডিফেক্ট আছে। ৰাস্তাবোৰৰ মাজত ডিভাইদাৰ বোৰ দিছে। কিন্তু ডিভাইদাৰ টো দিওঁতে দেখিব মাজত ৰাস্তাটো ওখ আৰু ডিভাইদাৰৰ ফালে পৰি যোৱা। সেইকাৰণে ডিভাইদাৰটোৰ কাষত একেবাৰে যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ য'ত য'ত ৰাস্তাবোৰ অলপ ভাল হ'ল তাত বাৰিষা সময়ত পানী জমা হৈ থাকে। তেতিয়া গাড়ী যাওঁতে wind screen ত পানীবোৰ আহি যায়। ফলত নেদেখা হৈ পৰে যাৰ কাৰণে মাজে মাজে দূৰ্ঘটনা হোৱা দেখা যায়। আৰু সেই ৰাস্তাবোৰ সোনকালে ভাঙি যায়। ৰাস্তাবোৰ ভাঙি যোৱাৰ ফলত ধূলি-বালিৰ পৰা আৰম্ভ কৰি তাৰ পৰা সৃষ্টি হোৱা কাৰ্বন আদিৰ ফলত সেইবোৰ পানীৰ লগত মিহলি হৈ নদীত পৰে, আমাৰ পথাৰত পৰে। এনেদৰে যদি pollution control ৰ বাবে মই যি বনানিকৰণৰ কথা কৈছো সেই কথাখিনি যদি আমি খুব ভালদৰে কৰো তেতিয়াহ'লে মই ভাবো আমাৰ পৰিবেশ প্ৰদূষণ কমিব যিটো কথা মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই পেৰিছ চুক্তিত যিটো কৰিছিল, তাত COP(conference of parties)-26 মানে ২৬ খন দেশ আৰু ইয়াৰ পিছত হ'ল COP-27 মানে ২৭ খন দেশৰ যিখন কনফাৰেন্স। সেই পেৰিছ চুক্তি মতে ভাৰত চৰকাৰে ২০৫০ চনত আমাৰ দেশখন কাৰ্বন নিউট্ৰেল কৰিব বিচাৰিছে। কিন্তু এই টাৰ্গেটটো ২০৩০ তেই achieve কৰিব পাৰিম যদি আমি সকলোৱে গোটেই ভাৰত বৰ্ষতেই পৰিবেশটো ভালকৈ ৰাখিব পাৰো। আমাৰ পাহাৰবোৰ ইতেমধ্যে খালী হৈ পৰিছে। গতিকে আমাৰ চৰকাৰে আমাৰ পাহাৰবোৰত পুনৰ গছ ৰোপণ কৰিব পাৰে। আজি যিমান কোটি গছ লগোৱা হ'ল সেইটো ঠিকে আছে। কিন্তু সেই গছখিনি যাতে আমি বচাব পাৰো তাৰ ব্যৱস্থা কৰিব লাগে। আমি যদি আমাৰ ৰাজ্যখন গছেৰে পৰিপূৰ্ণ কৰিব পাৰো তেতিয়াহ'লে মই ভাবো আজি যিটো পৰিবেশ পৰিবৰ্তনৰ কথা মই আনিছো সেইটো সম্পূৰ্ণৰূপে সফল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দিগন্ত বৰ্মন।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মই বিষয়টোৰ ওপৰত আলোচনা কৰিব খোজা নাছিলো। কিন্তু ৬ তাৰিখে ৰুল ৫৪ ত এটা নলবাৰীত উদ্বেগজনক ভাৱে বৃদ্ধি বায়ু প্ৰদুষণৰ মাত্ৰা। এইটো বাতৰি কাকত "নিয়মীয়া বাৰ্তা"ত ওলাইছিল। সেইদিনাখন মাননীয় অধ্যক্ষ মহোদয় House adjourn কৰাৰ কাৰণে মই সুযোগটো নাপালো।

"নিয়মীয়া বাৰ্তা"ত যিটো বাতৰি পাইছিলো যে যোৱা ৭ জানুৱাৰীৰ পৰা ১০ জানুৱাৰীৰ ভিতৰত নলবাৰীত গোটেই ভাৰতবৰ্ষৰ ভিতৰত কেন্দ্ৰীয় প্ৰদুষণ বোৰ্ডৰ যি নিয়মীয়া বুলেটিন

Air quality indexত প্ৰকাশ যে ৭ জানুৱাৰীত ৩৩৩ very poor বুলি দেখুৱাইছিল, ৮ জানুৱাৰীত ৩৮৪ একেবাৰে highest, ৯ জানুৱাৰীত ২৭০, ২২৪, মানে গোটেই ভাৰতবৰ্ষৰ ভিতৰত আটাইতকৈ polluted area নলবাৰী বুলি কলে। নলবাৰীৰ মানুহ আচৰিত এই কাৰণে হ'ল যে নলবাৰীত কোনো ধৰণৰ বৃহৎ উদ্যোগ নাই। কিন্তু আমি এটা ধাৰণা কৰিছো যে পাগলদিয়া নদীত যথেষ্টখিনি ডাম্পাৰ গাড়ী আদিৰে মাটি কঢ়িয়ায়। কাৰণ বিভিন্ন construction হৈ আছে, fly over হৈছে বা অন্যান্য drain ৰ কাম চলি আছে, ব্যক্তিগত মানুহে ঘৰ বান্ধিছে, land fillup কৰি আছে। গতিকে সেইটো এটা হ'ব পাৰে। কিন্তু কথাটো হৈছে কি যে যিটো স্তৰ, চতুৰ্থ স্থান পাৰ কৰি পঞ্চমত পৰিছে। তাৰমানে highest বেয়াৰ ফালে গুছি গৈছে।

লগতে সন্মানীয় সদস্য বৰুৱা ডাঙৰীয়াই যিখিনি কথা কৈছে যে হয় আমাৰ pollution হ'লে কি হয়? বায়ু প্ৰদুষনে আমাৰ আটাইতকৈ বেছি কি কৰে respiratory illness like asthama cronic obstructive pulmonary diseases আদি বেছি হয়। তাৰ উপৰিও চকুৰ অসুখ, খজুৰতি এইবিলাক আছে আৰু তাতকৈ ডাঙৰ কথা lungs ত কেন্সাৰৰ এটা ডাঙৰ কাৰণ। তাৰ পিছত cardio vascular diseases like heart attack, stroke, allergies, bronchitis, alzheimer এই গোটেই বিলাক বায়ু প্ৰদুষণৰ কাৰণে হয়।

মই মাননীয় Science & Technology বিভাগৰ মন্ত্ৰী ডাঙৰীয়া ইয়াত আছে, এই ক্ষেত্ৰত প্ৰতিৰোধৰ কিবা এটা ব্যৱস্থা কৰিব নেকি? আমাৰ অসমতো Pollution Control Board আছে, আমি দেখিছো তেওঁলোকে বিভিন্ন Industry বা ইটা ভাটাৰ ওপৰত পদক্ষেপ লয়, কিন্তু এতিয়া আজি নলবাৰীত যিটো ঘটনা ঘটি আছে, ইয়াৰ কাৰণে, যিটো ঠাইৰ পৰা মানুহে দাতা খিনি লৈছিল, সঁচাকৈ সেই ঠাইখিনিয়ে বেয়া আছিল নে অন্য কিবা কাৰণত ইমান বেছিকৈ দেখুৱাই দিলে all India ratio ত সেইটো আচৰিত কথা।

গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে বিশেষকৈ ডাম্পাৰ বিলাকে যেতিয়া গাড়ীৰে মাটি কাঢ়িয়াই আনে তাৰ ওপৰত কোনো ঢাকনি নিদিয়ে। আপুনি দেখিব যে আগীয়াঠুৰিৰ পৰা আহিলে যে ডাম্পাৰ বিলাক যিমান বেগত গুছি যায়, দুৰ্ঘটনাও বহুত হয় ডাম্পাৰৰ কাৰণে, তাত অন্তত ঢাকনিখন দিব পাৰি নেকি? কাৰণ construction কৰিব লাগিব, আমি সেইটো বন্ধ কৰিব নোৱাৰো। সেইটো মই পৰামৰ্শও নিদিওঁ, কাৰণ উন্নয়নৰ কাৰণে land filling কৰিব লাগিব, ঘৰ বান্ধিব লাগিব, ইত্যাদি। এই ক্ষেত্ৰত কিবা এটা ব্যৱস্থা কৰিব পাৰি নেকি, যাতে যিটো ঠাইত মাটি কটা হয়, তাত এটা pollution control board ৰ পৰা মানুহ থাকিব লাগে, সেইটো চাব লাগে। যেনেকৈ MVI, Enforcement Inspector বিলাকে চেক কৰে যে তেওঁলোকৰ license আছে নে নাই, এনেকুৱা এটা random checking হলে নিশ্চিত ভাৱে এইটো কমিব।

তাৰ ওপৰিও অন্যান্য ক্ষেত্ৰটো চাব আপোনালোকে যে Global warming আটাইতকৈ ডাঙৰ কথাটো হৈছে glacier ত বৰফ বিলাক গলি যায়, গোটেই পৃথিৱীখনে যদি warm হৈ যায়, পানীও গৰম হৈ যাব পৃথিৱীও গৰম হৈ যাব। কাৰণ ইয়াৰ ফলতে এই গোটেই ঘটনা বিলাক ঘটি আছে।

আমাৰ বৰুৱা ডাঙৰীয়াই কৈছে ইতিমধ্যে যে control কৰাৰ একমাত্ৰ উপায় হৈছে বৃক্ষ ৰোপন। বৃক্ষ ৰোপনত চৰকাৰে গুৰুত্ব দিবলৈ, আমাৰ মাননীয় বন বিভাগৰ মন্ত্ৰীক অনুৰোধ জনাইছো। মই ভাৱো আমাৰ নলবাৰী বাসী ৰাইজৰ যিটো এটা উদ্বেগজনক খবৰ, এই খবৰটোৰ

পৰা যাতে আমি আসস্থ হ'ব পাৰো, তাৰ বাবে কিবা এটা ব্যৱস্থা ল'ব লাগে বুলি মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই, মোৰ এই দুষাৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এটা খুব গুৰুত্বপূৰ্ণ বিষয় আমাৰ সন্মানীয় সদস্য শ্ৰী ভাস্কৰজ্যোতি ডাঙৰীয়াই ইয়াত আনিছে আৰু মাননীয় অধ্যক্ষ মহোদয়ে ৰুল 250 ত ইয়াত এডমিট কৰাৰ কাৰনে মই ধন্যবাদ জনাইছো আৰু ইয়াৰ আনজন বক্তা শ্ৰী দিগন্ত বৰ্মন ডাঙৰীয়াৰ এই বিষয়টো ৰুল ৫৪ ত আহিছিল। সিদিনা সদন স্থগিত হোৱাৰ কাৰণে নহ'ল তেখেতেওঁ বিষয়টো উল্লেখ কৰিছে। মই দুয়োজনকে ধন্যবাদ জনাইছো।

মোৰ এই বিষয়ত ক'বলগীয়া যথেষ্ট আছে। এতিয়া মই জলবায়ুৰ ক্ষেত্ৰত কয়লাৰ কথালৈ আহিম আৰু নলবাৰীৰ বিষয়টোলৈ  আহিম। সমগ্ৰ বিশ্বত আজি একবিংশ শতিকাত সমস্যাৰ সন্মুখীন হৈছে। এই দ্ৰুত সমস্যাটো হৈছে জলবায়ু পৰিৱৰ্তন আৰু এই জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশ্বজুৰি এটা ব্যাপক পৰিৱৰ্তন হৈছে।  আমি যদি চাওঁ যে এই পৰিৱৰ্তনটো কেতিয়াৰ পৰা হৈছে, পৰিবৰ্তনটো আচলতে মানৱ সভ্যতা যেতিয়াৰ পৰা আৰম্ভ হৈছে, য'ত প্ৰকৃতিক এৰাই কৃত্ৰিমৰ ফালে আমি আহিছো, তেতিয়াৰ পৰা লাহে লাহে ইয়াৰ সমস্যা বাঢ়িছে। কিন্তু সেই সমস্যাটো আমাক effect কৰিব পৰাকৈ বা ক্ষতি কৰিব পৰাকৈ এটা সময়লৈকে হোৱা নাছিল। তাত প্ৰকৃতিৰ লগত এটা ভাৰসাম্য আছিল। এতিয়া প্ৰকৃতিৰ লগত ভাৰসাম্য থাকিব লগা যিটো পৰিমান তাতকৈ বহুত বেছি ধৰণে হ'ল আৰু বেছি ধৰণে হোৱাৰ ক্ষেত্ৰত, এই বিষয়টো এনেকুৱা নহয় যে আমি কিবা ৰাজ্যখনে বা দেশখনে control কৰিলে কমাব পাৰিম, কিন্তু নাইকিয়া কৰিব নোৱাৰিম। কিয় ইয়াৰ মূল আৰম্ভণি হৈছিল যেতিয়া পশ্চিমীয়া দেশত industrial revolution হৈছিল, ১৭৬০ খৃষ্টাব্দ মানৰ পৰা তাৰ পিছত ১৮৪০ মানলৈকে যিটো প্ৰায় ১০০ বছৰ, সেই সময়ত industrial revolution হ'ল, সেই সময়তে আমি দেখা পালো যে প্ৰদুষণ বৃদ্ধি পাবলৈ আৰম্ভ কৰিলে আৰু যি প্ৰদুষণ বৃদ্ধি পাবলৈ আৰম্ভ হ'ল, এই সমস্যাটো ২ শ বছৰ বায়ু মণ্ডলত কাৰ্বনডাই অক্সাইডৰ পৰিমান ৫০ শতাংশ বাঢ়ি গ'ল। এই গোটেই যিটো সমস্যাটো দেখিলো, এই সমস্যাটোৰ সমাধানৰ পথত যদি ২ শ বছৰৰ কথা যেনেধৰণে কৈছো, ইয়াত আমাৰ চকুত ধৰাকৈ কি কৰিব লাগিব বা নালাগিব। এই বিষয় বিলাকৰ কথা আলোচনা-বিলোচনা বা বৈজ্ঞানিক যিখিনি চিন্তা চৰ্চা, এই চিন্তা চৰ্চাখিনি লাহে লাহে আহিবলৈ আৰম্ভ কৰিলে। সেইটো আৰম্ভ কৰিছে প্ৰায় ১৮৯৬ চন মানত Green House gas ৰ বিষয়টো চৰ্চালৈ আহিছিল। তেতিয়া চুইদেনৰ বিজ্ঞানী আৰহেনিয়াচ এই বিষয়টো আনিছিল। তাৰপিছত আকৌ আহি গ'ল অ'জন স্তৰৰ আবিষ্কাৰ। অ'জন স্তৰৰ বিষয়ে ১৯৩৫ চনত আহিছিল। ঠিক তেনেকৈ ১৯৩৮ চনৰ পৰা ১৯৫৮ চনলৈকে ওজন গেছৰ বিষয়ে বিস্তৃত এটা বৈজ্ঞানিকে অধ্যয়ণ কৰিছিল আৰু এই গোটেইবিলাক হোৱাৰ পিছত প্ৰথম বাৰৰ কাৰণে ১৯৭৬ চনত বৈজ্ঞানিক সকলৰ অধ্যয়ণৰ গৱেষণা গোটেইখিনি এটা সংগঠিতভাৱে পোহৰলৈ আহিছে আৰু সেই সময়ৰ পৰাই আমাৰ এই গোটেই বিষয়টোত মনোনিবেশ কৰিবলৈ আৰম্ভ কৰিলে আৰু এই মনোনিবেশ কৰিবলৈ যেতিয়া আৰম্ভ কৰিলে তেতিয়া প্ৰথম ১৯৮৮ চনত আমেৰিকাৰ কংগ্ৰেছত এই বিষয়টো আলোচনা কৰিছিল। আলোচনা কৰাৰ পিছত এই জলবায়ুৰ পৰিবৰ্তনৰ গোটেই বিষয়টো সমগ্ৰ বিশ্বৰ আকৰ্ষণলৈ সেই সময়ৰ পৰাই আহিছে আৰু ৰাষ্ট্ৰ সংঘই ইয়াৰ লগত ১৯৭২ চনৰ পৰাই জৰিত হৈছিল যিখন stockholm ত ৰাষ্ট্ৰসংঘৰ যিটো মানৱ পৰিৱেশ সন্মীলন হৈছিল, Human Environmental Confer-

ence. Human Environmental Conference ত বিশ্ব সম্প্ৰদায়ে প্ৰথমবাৰৰ কাৰণে এই বিষয়টো আলোচনালৈ আনিছিল আৰু এইটোত ৰাষ্ট্ৰসংঘৰ পৰিৱেশ কাৰ্য্যক্ষম Wrold Metrological Organisation সেই সংস্থাটোৱে ৰাষ্ট্ৰসংঘৰ হৈ সেই সময়ত এই কামৰ আৰম্ভ কৰিছিল আৰু তেতিয়াই আমাৰ Inter Governmental Panel on Climate Change. আপুনি ভাষণত কৈ গৈছে Inter Governmental Panel on Climate Change 1988 ত এইটো কথা আৰম্ভ হ'ল। তাৰপাছত ব্ৰাজিলৰ কেনেৰিঅ' ত প্ৰথম যিখন Earth Summit হৈছিল সেই Earth Summit ত তেতিয়া ৰাষ্ট্ৰসংঘৰ উদ্যোগত এইটো সেইবাৰ ১৭৯ দেশে অংশগ্ৰহণ কৰিছিল আৰু এই সন্মিলনত ১৯৭২চনত এইটো ব্ৰাজিলত হৈছিল ১৯৯২ চনত আৰু সেইটো 1972 stockholm শীৰ্ষক যিখন সন্মিলন হৈছিল সেই সন্মিলন খনত জলবায়ুৰ পৰিৱৰ্তনৰ বিষয়টো এইটো পুনৰ ইয়ালৈ আহিল আৰু Inter Governmental Panel on Climate Change তেতিয়া প্ৰতিষ্ঠা হৈছিল আমাৰ ব্ৰাজিলৰ Rio de Janerio ত আৰু এই বিজ্ঞান সন্মতভাৱে জলবায়ু পৰিৱৰ্তন সম্বন্ধীয় বিষয়বোৰ বিশ্বৰ নেতৃত্বৰ সন্মুখত স্থাপন হ'ল তাৰ পাছত মই চমুকৈ কৈ আহিছো। তাৰপাছত ইয়াৰ বিজ্ঞানী সকলে যেতিয়া এই বিষয়খিনি নিৰীক্ষণ কৰিলে এইখিনি নিৰীক্ষণ কৰাৰ পাছত আমি দেখিলো যে Earth Summit ত এই কথাটো আহিল আমি যে কৈ আছো Sustainable Development, এই Sustainable Development ৰ সমান্তৰালকৈ আমি পৰিৱেশ সুৰক্ষাত গুৰুত্ব দিয়া বিষয়টো সেই সময়ৰ পৰাই আৰম্ভ হ'ল আৰু সেই প্ৰথম বিশ্ব সন্মিলনখনৰ আৰু এটা নাম ৰখা হৈছিল Un Conference On Environment and Development ।তাৰপাছত আমি United Nation Framework On Convention on Climate Change যেতিয়া প্ৰতিষ্ঠা কৰা হয় তেতিয়া জলবায়ুৰ প্ৰণালী বা Climate system ৰ ওপৰত মানুহৰ যিখিনি হস্তক্ষেপ সেইখিনিৰ ক্ষেত্ৰত সেইসময়ত আলোচনাত ঠাই পাইছিল আৰু ইয়াত সেইবাৰ যিখন Earth Summit হৈছিল তেতিয়া বিশ্বৰ ১৫৪ খন দেশে ইয়াত স্বক্ষৰ কৰিছিল আৰু বৰ্তমান ১৯৮ খন দেশে এই গোটেই কথাখিনি জৰিত হৈ আছে। এই পৰিৱেশৰ ওপৰত মানৱ সৃষ্ট যিটো ভাবুকি প্ৰতিৰোধৰ লগতে বায়ুমণ্ডলৰ green house gas ৰ ঘণীভূত বা বৃদ্ধি ৰোধ কৰাৰ দিশত কিছু কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল। ইয়াৰ পিছতে আজি যিটো আপুনি কৈ আছে COP 26, COP 27 এই কথাবিলাক প্ৰথম আহিছিল প্ৰথমখন On conference of the parties বাৰ্ণিলত অনুষ্ঠিত হৈছিল আৰু ইতিমধ্যে জলবায়ু পৰিৱৰ্তনৰ বিষয়টো লৈ বিশ্ব সন্মিলনে লোৱা যিখিনি ব্যৱস্থা এইখিনি আলোচনা আৰম্ভ হ'ল আৰু এতিয়া গোটেই অংশগ্ৰহণকাৰীৰ দেশ সমূহে নিজ নিজ দেশত বায়ুমণ্ডলত green house ৰ যিটো ঘনত্ব, এই ঘনত্বটো স্থিৰ কৰা আৰু জলবায়ুৰ ওপৰত ঘণীভূত বিপদৰ কেনেকৈ আমি হ্ৰাস কৰিব পাৰিম এইখিনিৰ গৱেষণা তাৰপিছত এই ১৯৮ খন দেশৰ কথা কৈছো প্ৰত্যেক দেশে এইটো কৰিবলৈ ললে। আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এই যিখন COP 3 খন ১৯৯৭ ত হৈছিল জাপানৰ Kyoto ত। Kyoto ত এইখনেই একেবাৰে প্ৰথম ইয়াৰ ওপৰত বেছিকৈ গুৰুত্ব দিয়া conference তাতে United Nation Framework On Convention on Climate Change কাৰ্য্যকৰী কৰিবলৈ বিষয়টো protocol হিচাপে তাত যিখিনি সিদ্ধান্ত হৈছিল, সেই সিদ্ধান্তখিনি Kyoto Protocol বুলি আমাৰ মাজত জনাজাত আৰু আমি সেই সময়ত সেই ধৰণে এইখিনিৰ ওপৰত আমি আগবাঢ়িছো। এতিয়া আমি দেখিছো COP 18 ত বিশেষকৈ গুৰুত্ব দিছিল ১৮ শতাংশ কেনেকৈ আমি green house gas নিৰ্গমনত

বাধা দিম। ঠিক তেনেকৈ 1995 পৰা 2022 লৈকে প্ৰতি বছৰে অনুষ্ঠিত হৈছে COP সন্মিলন। এতিয়া ভাৰতবৰ্ষতো ২০০২ চনত COP ইয়াত অনুষ্ঠিত হৈছিল কিন্তু মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যেতিয়া ভাৰতৰ প্ৰধান মন্ত্ৰী হিচাপে দায়িত্ব ল'লে আৰু দায়িত্ব লৈ তেখেতে যেতিয়া COP 26, COP 27 এইকেইখনত অংশগ্ৰহণ কৰিলে আৰু অংশ গ্ৰহণ কৰাৰ পাছত তেখেতে বিশ্ববাসীৰ ওচৰত যিখিনি প্ৰস্তাৱ দাঙি ধৰিলে, সেই প্ৰস্তাৱটো বিশ্ববাসীয়ে গ্ৰহণো কৰিলে আৰু এতিয়া মোদী ডাঙৰীয়াৰ যিখিনি এইক্ষেত্ৰত ভাৰতে আগবঢ়োৱা প্ৰস্তাৱ, সেই ভাৰতে আগবঢ়োৱা প্ৰস্তাৱখিনিত আমি আগবাঢ়ি গৈ আছো। মই আগৰখিনি চমুকৈ কৈছো। কিন্তু এতিয়া কথা হ'ল যে ভাৰতবৰ্ষই যিখিনি কথা আগবঢ়ালে এইখিনি ভাৰতবৰ্ষই আগবঢ়োৱা কথাখিনিৰ ক্ষেত্ৰত আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই Inter Governmental Panel on Climate Change. যিখন চতুৰ্থ প্ৰতিবেদনৰ পাছতে ২০০৮ চনত হয়তো ভাৰতত হৈছিল আৰু তাৰপাছত ২০২১ চনত লাষ্টত হৈছিল আৰু conference on parties প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ নেতৃত্বত ভাৰতে বিশ্বত জলবায়ু পৰিবৰ্তনৰ বিষয়টোক লৈ একেবাৰে অগ্ৰণী ভূমিকা Leadership. India ই leadership দিছিল মোদী ডাঙৰীয়াৰ নেতৃত্বত। তেখেতে এটা formula আগবঢ়াইছে panchamrit. এই formula টো আছিল যে প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই যিখন Glasgow COP ত যিখিনি কথা আগবঢ়াইছিল তাতে বিশেষকৈ যি ৫ টা কথা আগবঢ়াইছিল, সেই ৫ টা কথাৰ ভিতৰত মূল কথা আছিলে যে ভাৰবৰ্ষই ২০৩০ চনৰ ভিতৰত অজীৱাস্ময়ী ইন্ধনৰ পৰা আহৰিত শক্তি সামৰ্থ 501 gigawatt লৈ বৃদ্ধি কৰিব। যাৰ কাৰণে এতিয়া আমি চৰকাৰৰ বিভিন্ন আঁচনি বিভিন্ন বাজেটত আমি পাই আছো । ফচিল ফুয়েলটো আমি এতিয়া ক'মাই দিব বিচাৰিছো। দুই নম্বৰটো হ'ল, ২০৩০ চনৰ ভিতৰত ভাৰতে প্ৰয়োজনীয় শক্তিৰ চাহিদাৰ বাবে পঞ্চাশ শতাংশ শক্তি নবীকৰণযোগ্য ৰেনিউৰেবল এনাৰ্জীৰ উৎস পূৰণ কৰিব । তিনি নম্বৰ হ'ল, ২০৩০ চনৰ ভিতৰত ভাৰতে যিটো কাৰ্বণবেচ ইক'নোমিৰ ক্ষেত্ৰত কাৰ্বণৰ নিৰ্ভশীলতা ৪৫ শতাংশ আমি হ্ৰাস কৰিম ।আৰু ২০৩০ চনৰ ভিতৰত ভাৰতে কাৰ্বণ নিৰ্গমণৰ ক্ষেত্ৰত ১ বিলিয়ন টন মানে ১০০ কোটি টনলৈ হ্ৰাস কৰিব । তাৰ পিচত আছে শূন্য কাৰ্বণ নিৰ্গমণ তাৰ মানে ২০৭০ চনত আমি এনেকৈ গৈ থাকিলে নেট জিৰো হ'ব। গতিকে এই ধৰণৰ প্ৰস্তাৱ মোদী ডাঙৰীয়াই আগবঢ়ালে। তাৰ পিচত চিকাগো সন্মিলনত আগবঢ়াইছিল যিটো জলবায়ু পৰিৱৰ্ত্তণৰ প্ৰত্যাহ্বান ইয়াক মোকামিলা কৰিবৰ বাবে বিশ্ববাসীৰ সন্মূখত পৰিবেশৰ বাবে জীৱনশৈলী । এইটো দাঙি ধৰিলে আৰু দাঙি ধৰাৰ পিচত ক'লে যে এটা গণ আন্দোলন হ'ব লাগিব। লাইফ ষ্টাইল ফৰ এনভায়ৰণমেন্ট । গতিকে পঞ্চামৃতৰ যিকেইটা লক্ষ্য এইকেইটা সামৰাৰ লগতে তেখেতে আৰম্ভ কৰিলে মিশ্যন লাইফ । এই মিশ্যন লাইফৰ ক্ষেত্ৰত পৰিবেশ অনুকূল জীৱন শৈলীৰ অভিযান ২০২২ চনত ২০ অক্টোৱৰত আমাৰ ভাৰতবৰ্ষত ষ্টেচু অৱ ইউনিটি তাত আমি তাত প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৰাষ্ট্ৰসংঘৰ চেক্ৰেটেৰী জেনেৰেলৰ সন্মূখত এই মিশ্যন লাইফটো উদ্বোধন কৰিলে । এইটো উদ্বোধন কৰি তাত তেখেতে ৭ টা কথা ক'লে । এই কেইটা হ'ল - পানী সংৰক্ষণৰ বাবে অভিযান , শক্তি সংৰক্ষণৰ বাবে অভিযান, এবাৰ গ্ৰহণযোগ্য প্লাষ্টিকৰ প্ৰচলন হ্ৰাস কৰাৰ বাবে অভিযান, বহনক্ষম খাদ্য প্ৰণালী গ্ৰহণৰ বাবে অভিযান আৱৰ্জনা হ্ৰাস স্বচ্ছতা কাৰ্য্য কৰাৰ বাবে অভিযান, ইলেকট্ৰিক আবৰ্জ্জনা সীমিতকৰণৰ বাবে অভিযান , আৰু সুস্বাস্থ্যৰ বাবে অনুকৰণীয় জীৱনশৈলী প্ৰচাৰ কৰাৰ বাবে অভিযান। এই সাতটা থীম প্ৰধান মন্ত্ৰী ডাঙৰীয়াই দিছে । ৰিঅ'ডিজেনেৰিওত ১৯৯২ ত এটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছিল ঠিক তেনেকৈ আমাৰ ইউনিটি অৱ

ষ্টেচু যিটো আমাৰ গুজৰাটত আছে তাৰ সন্মূখত গ্ৰহণ কৰা হৈছিল- এই দুটা আমাৰ চকুত ভাঁহে গতিকে এনেকৈ মোদী ডাঙৰীয়াই সাতটা লক্ষ্য দিলে আৰু আমাৰ স্বাধীনতাৰ অমৃত কালত ৭৫ বছৰৰ উপলক্ষ্যত ৭৫ টা উপায় দিলে। গতিকে আপোনালোকে যদি কয় এইখিনি মোদী ডাঙৰীয়াই কৰিলে কিন্তু আপোনালোকে কি কৰিলে? আমি মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ৰাজ্যিক স্তৰত আমি এই মিশ্যন লাইফ কাৰ্য্যসূচীৰ শুভউদ্বোধন কৰিলো। এই সাতটা লক্ষ্য লৈ আৰু যি ৭৫ টা উপায় দিছে, আমাৰ দৈনন্দিন যি আমাৰ জীৱন প্ৰণালী আছে তাত মিশ্যন লাইফৰ যিটো অভিযান যিটো আমাক গ্ৰহণ কৰিবলৈ কোৱা হৈছে, সেইক্ষেত্ৰত আমি গোটেই ৰাজ্য জুৰি প্ৰতিখন জিলাত ৭ টা দিনত আমি গোটেই মিশ্যন লাইফৰ কাৰ্য্যসূচী পালন কৰিলো। যিটো শুভ উদ্বোধন আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰিলে । গতিকে এইদৰে যিটো প্ৰধানমন্ত্ৰী ডাঙৰীয়াই আমাক দিলে সেইটো অসম চৰকাৰে গুৰুত্বসহকাৰে লৈ পালন কৰিলে আৰু আজিও আমাৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগে এই কাৰ্যসূচী সন্মূখত ৰাখি আমি আজি কাম কৰি আছো । ইয়াৰ ওপৰিও আমাৰ বন বিভাগে এক কোটি গছ ৰুলে আপোনালোকে জানে। ঠিক সেইদৰে অহা বাজেটতো চৰকাৰে বা বন বিভাগে সেইধৰণৰ ব্যৱস্থা ল'ব । আমি বাজেটত এইধৰণৰ কাৰ্য্যসূচী ৰাখিছো। মই দুই এটা কথা ভাবিছো আমাৰ যিটো ওজন লেয়াৰ -এইটোৱে গোটেই পৃথিবীখন আমাৰ আৱৰি আছে। এই ওজন লেয়াৰটোৰ বাবে আমি লগতে জীৱকুল প্ৰটেকটেড। সূৰ্য্যৰ পৰা যিটো বেঙুনীয়া ৰশ্মি আহে সেই ৰশ্মিটো ওজন লেয়াৰটোৱে আমাক বাধা দিয়ে। তাৰ বাবে ৰশ্মিৰ এফেক্টটো আমাৰ গালৈ নাহে । কিন্তু এতিয়া দেখিছো এইটো প্ৰায় ৩৫ বা ৪০ কি.মি ওখলৈকে গ্ৰীণ হাউচ এৰিয়া য'ত কাৰ্বণ ডাই অক্সাইড ৭৪.২৬ পাৰ্চেন্ট পাইছো। এই কাৰ্বণ ডাই অক্সাইড কয়লা, তেল, গেছ আৰু বন ধ্বংস হোৱাৰ বাবে উৎপন্ন হৈছে । এতিয়া আমি মিথেন গেছটো ১৭.২৬ শতাংশ আহৰণ কৰিছো । পথাৰত আবৰ্জ্জণা জ্বলোৱা, গছ গছনি জ্বলোৱা, প্ৰাকৃতিক জলাশয়বিলাক ডেমেজ কৰাৰ ফলত এই মিথেন গেছটো পাইছো । ক্ল'ৰ'ফাইড কাৰ্বণ ২.১৯ পাৰ্চেন্ট এইটো আমি এচি, ফ্ৰিজ, বডিস্প্ৰে, আৰু ঘৰত ৰং দিয়া কেমিকেলৰ পৰা পাইছো । আমি যদি নাইট্ৰাইচ অক্সাইডটো চাওআমি জীৱাস্ম ইন্ধণ, বায়'মাচ বাৰ্নিং আৰু ৰাসায়নিক সাৰ ইত্যাদিৰ পৰা পাইছো । এই আটাইকেইটাৰ পৰা গ্ৰীণ হাউচ এৰিয়াটোত আমাৰ নেট জিৰো এমিশ্যন হ'লে এই ক্ষেত্ৰখন আমি কেনেকৈ কনট্ৰ'ল কৰিম তাৰ বাবে পদক্ষেপ ল'ব লাগিব। আপোনালোকে সকলোৱে দেখিছিলে যে লগ ডাউনৰ সময়ত আমি যেতিয়া উশাহ নিশাহ লৈছিলো তেতিয়া এটা আমি ভাল অনুভৱ কৰিছিলো কাৰণ তেতিয়া এই কাৰকবিলাক সম্পূৰ্ণ বন্ধ হৈ আছিল। পক্ষীকুল হওঁক বা জীৱ-জন্তুৱেই হওঁক ৰাস্তাৰ কাষলৈ ঘৰৰ ওচৰলৈ সকলো আহিছিল। গছ-গছনিসমূহ যেন আগতকৈ ভাল হৈ উঠিছে। এনেকুৱা এটা প্ৰাকৃতিক পৰিৱেশ আমি লকডাউনৰ সময়ত পাইছিলো। আমাৰ যি সভ্যতা তাত উদ্যোগৰ পৰা আদি কৰি সকলোখিনি আহিলে আৰু ৫০-৬০ বছৰ আগৰ সময়খিনি আমি লকডাউনত পালো। এতিয়া আমি যদি চাওঁ, উদ্যোগীকৰণ ব্যাপক হাৰত বনাঞ্চল সংকোচন, অত্যাধুনিক জীৱন প্ৰণালী এই সকলোখিনি বৃদ্ধি পাইছে। যদিও পশ্চিমীয়া দেশে উদ্যোগীকৰণ আৰম্ভ কৰিলে আৰু বৰ্তমান এটা কথা দেখিবলৈ পাইছো যে বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড হ্ৰাস কৰাটো এটা গুৰুত্বপূৰ্ণ বিষয় হিচাপে উত্থাপিত হৈছে। আমি যিবিলাক উন্নত দেশ বুলি কওঁ, সেইবোৰে জীৱাশ্ম ইন্ধনবোৰ কয়লা, তেল বা অন্যৰ পৰাই হওঁক আজিৰ পৰা দুশ-আঢ়ৈ শ বছৰ আগতে উলিয়াই উন্নত দেশ হৈ গ'ল। কিন্তু এতিয়া

তেওঁলোকে কৈ আছে যে সকলোৱে জীৱাশ্ম বন্ধ কৰিব লাগে। তেওঁলোকে আমাক প্ৰদূষিত কৰি দিলে আৰু প্ৰদূষিত কৰাৰ পিছত তেওঁলোকে আমাক বন্ধ কৰিবলৈ কৈ আছে। এতিয়া কয়লাৰ কথা কোৱা হৈছে ধৰক আজি যিবিলাক অনুন্নত ৰাষ্ট্ৰ যাৰ জীৱাশ্ম জমা হৈ আছে, সেই জমা হৈ থকা ইন্ধন বা শক্তিখিনি কেনেকৈ ব্যৱহাৰ কৰিব? আজি আপুনি কয়লাৰ বিষয়টো আনিছে। মই এই তথ্যখিনি খনি আৰু খনিজাত বিভাগৰ পৰা আনিছো আৰু ইয়াৰ লগত আমাৰ বিভাগ পোনপটীয়াকৈ জড়িত নহয়। চৰকাৰৰ যি কয়লা মন্ত্ৰালয় আছে, তেওঁলোকে ২০৩০ চনলৈ আমাৰ কিছুমান লাইচেঞ্চ ৰিনিউ কৰিছে। লিডু, বৰগোলাই মাইনিং লীজ, ২০৩০ চনলৈ ৰিনিউ কৰা আছে। তাত চাৰি বৰ্গ মাইল অঞ্চল, টিৰাপ ক'ল মাইনিং লীজ, লেখাপানী, টিংৰাই পানী মাইনিংলীজ যাৰ ৪.৪ বৰ্গ মাইল অঞ্চল আছে, এই গোটেইখিনিৰ ভাৰতচৰকাৰে ৰিনিউ কৰিছে ২০৩০ চনলৈকে। তাৰ ভিতৰত আমাৰ যিখন নামদাং ক'ল গ্ৰ্যাণ্ট আছে, সেইখন ফৰেষ্টৰ কাৰণে বন্ধ হৈ আছে। কাৰণ সেইখিনি বনাঞ্চল। তাৰ বাহিৰে বাকীখিনি লীজত দিয়া আছে। গোটেই বিষয়টো হ'ল যে যিখিনি ক'ল ব্লক আছে, তাৰ বাবে ভাৰত চৰকাৰৰ পৰিৱেশ বন, জলবায়ু মন্ত্ৰালয়ৰ পৰাও পৰিৱেশ ক্লিয়াৰেঞ্চ লাগে। কয়লাৰ বিষয়টো এনেধৰণে চলি আছে আৰু নিশ্চয় এই ক্ষেত্ৰত চৰকাৰে এটা সিদ্ধান্ত ল'ব। এই ক্ষেত্ৰত চৰকাৰে কিছুমান বিকল্প ব্যৱস্থা লৈছে। কয়লা খিনি লৈ গৈ কৰোবাত যেতিয়া ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়, তেতিয়াওঁ কিছুমান এফেক্ট হয়। কয়লা জমা কৰি থলেও তাত বৰষুণৰ পানী পৰি সেই পানী যেতিয়া নদলৈ বৈ যায়, তেতিয়ও এফেক্ট কৰে। তাত চালফাৰ আছে আৰু এচিড প্ৰস্তুত হয়। গতিকে এইখিনি যিখিনি কথা আমাৰ সকলোৱে চকুৰ আগত আহিছে আৰু সেয়েহে চৰকাৰে কিছু সিদ্ধান্ত লৈছে আৰু ভৱিষ্যতেও ল'ব লগা আছে। ইয়াত অসমৰ কথা যদি ক'বলৈ যাওঁ তেতিয়া অসমত বৃটিছ অহাৰ আগলৈকে একোৱেই নাছিল আৰু বৃটিছ অহাৰ পিছত গোটেই পশ্চিমীয়া কথাবোৰ অগ্ৰাসন হ'ল। ভাৰতবৰ্ষত ১৮৫৬ চনত বৃচিছে যি উপনিৱেশ স্থাপন কৰিছিল, সেই সময়তে কল-কাৰখানা, যান-বাহন সকলো আনিলে। ১৮৫৩ চনত ৰেলগাড়ী আহিল আৰু ৰেলগাড়ী চলিল কয়লাৰ পৰা। অসমত যি উদ্যোগীকৰণ সেইয়া আৰম্ভ হৈছিল ১৮২৩ চনত। আজি আমি চাহৰ ২০০ বছৰ পালন কৰিছো। ২০০ বছৰীয়া চাহৰ লগতে কয়লাই চলোৱা কলঘৰটোও আহিল। বৃটিছে কয়লা খান্দি তাত কলঘৰটো বনালে আৰু কলঘৰত প্ৰদূষণ আৰম্ভ হ'ল। ১৯০১ চনত ডিগবৈে শোধানাগাৰ নিৰ্মাণ হ'ল। কিন্তু তেল তাৰ আগতেই ওলাইছিল। এই সামগ্ৰীবোৰ লৈ যাবৰ বাবে ডিগবৈ, লিডুৰ পৰা ষ্টীম ইঞ্জিনৰ ৰেল লাইন আৰম্ভ হ'ল। গতিকে সেই সময়ৰ পৰাই অসমত জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ আৰু বায়ু-প্ৰদূষণ আৰম্ভ হৈছে। পিছত যেতিয়া শোধানাগাৰ, গাড়ী আদি হ'ল তেতিয়া আৰু বেছি হ'ল। অসমত ইমান সুন্দৰ প্ৰাকৃতিক ব্যৱস্থাৰ পিছতো আমি আজি এইখিনিৰ মুখামুখী হ'বলগীয়া হৈছে। মাননীয় সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই যি কেইটা বেমাৰৰ কথা কৈছে, মই সেইকেইটা পুনৰ নকওঁ। কেঞ্চাৰ বেছিকৈ হোৱাৰ কাৰণ, উশাহ-নিশাহ আদি প্ৰায়খিনি বেমাৰৰ ক্ষেত্ৰত এই প্ৰদূষণৰ ডাঙৰ বৰঙণি আছে। কৃষিৰ ক্ষেত্ৰ, জীৱকুল আদিত ইয়াৰ প্ৰভাৱ পৰিছে। বৰ্তমান সময়ত গ্লোবেল ৱাৰ্মিংৰ বাবে যিখিনি গ্লেছিয়াৰ আছে, সেইখিনিৰ বৰফ গলা আৰম্ভ হৈছে। আমি হিমালয়ৰ পাদদেশত দেখিছো যে যাঠি ফুটতকৈ তলত হিমপ্ৰৱাহ হৈ নামি আহিছে। সৰু সৰু দ্বীপসমূহ পানীৰে ডুব গৈছে। আজি বাংলাদেশতো এইখিনি কথা আৰম্ভ হৈছে। তাৰ কাৰণে মানুহৰ সেইসমূহ ঠাইৰ পৰা প্ৰব্ৰজন হৈছে আৰু ইয়াৰ প্ৰভাৱ যথেষ্ট ঠাইত দেখিবলৈ পাইছো। কিন্তু আজিৰ দিনটোত এই প্ৰত্যাহ্বানৰ মুখামুখী হ'বৰ

বাবে অসম চৰকাৰ আৰু কেন্দ্ৰীয়চৰকাৰৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই বিশ্ব প্ৰক্ষাপটত লৈছে। আজি বিশ্ব প্ৰেক্ষাপটত COP-26, COP-27 ধৰি Climate Change ৰ ওপৰত যি Leadership সেই Leadership মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই লৈছে। তাৰ বিষয়কেইটা মই আপোনালোকক কৈ গৈছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি ব্যৱস্থা লৈছে, তাৰ ভিতৰত আমি দেখিছো যে ২০২২-২৩ বৰ্ষৰ যোৱা বাজেটত আমি গ্ৰীণ বাজেটৰ ব্যৱস্থাৰ কথা কৈছো। আমাৰ অসম চৰকাৰে প্ৰথম বাৰৰ বাবে গ্ৰীণ বাজেটৰ ব্যৱস্থা লৈছে। তাৰ পিছত মুখ্যমন্ত্ৰীৰ জলবায়ু সহনশীল গাওঁৰ ফেল'শ্বীপ আঁচনি এটা লৈছো। আমি পৰিৱেশ বিজ্ঞান বা তেনেকুৱা ধৰণৰ পঢ়ি থকা স্নাতকোত্তৰ সকলক স্ক'লাৰশ্বীপ দি এশ খন গাওঁলৈ পঠিয়াইছো আৰু তিয়াল্লিশ খন গাওঁৰ ৰিপোৰ্ট ইতিমধ্যে আহিছে। তাৰ ভিতৰত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই এইবাৰ বাজেটত দিছে যে আমি এইবাৰ দহখন গাওঁ মডেল হিচাপে লম। কেইদিনমান আগতে আমি মুখ্যমন্ত্ৰীৰ প্ৰতিষ্ঠানিক বৃক্ষৰূপণ দিছিলো। যাৰ জৰিয়তে কাৰ্য্যালয়ত চৰকাৰী বিষয়াই বৃক্ষৰূপণ কৰিছিল। তাৰ পিছত আমি প্ৰকৃতি সংৰক্ষণ, সেউজ আৱৰণ বৃদ্ধিৰে জলবায়ু পৰিৱৰ্তনৰ প্ৰতিৰোধৰ বিকল্পতাৰ বিষয়ে জনসজাগতা হৈ আছে। আমাৰ বন বিভাগৰ ফালৰ পৰা মোকাবিলাৰ প্ৰচেষ্টা অব্যাহত আছে। অমৃত বৃক্ষৰূপণ আৰম্ভ হৈছে। যোৱাবাৰ সোতৰ চেপ্তেম্বৰত এক কোটি গছ পুলি ৰুইছে। ঠিক তেনেদৰে কাৰ্বন কেনেদৰে হ্ৰাস কৰিব লাগে তাৰ বাবে চেষ্টা কৰিছো। এনেধৰণৰ বহু কাৰ্য্যসূচী লোৱা হৈছে। আজি পৰিবহণ বিভাগে বৈদ্যুতিক বাছ আৰু চি এন জি বাছ লৈছে, ঠিক তেনেদৰে শক্তি বিভাগে ব্যৱস্থা গ্ৰহণ কৰিছে- যেনে সৌৰশক্তি চালিত লাইট। এইবাৰ বাজেটত কোৱা হৈছে যে যিমান নতুন ঘৰ নিৰ্মাণ কৰা হ'ব তাত চ'লাৰ লগোৱাটো বাধ্যতামূলক কৰা হৈছে।

**মাননীয় অধ্যক্ষঃ** আমাৰ বিধান সভাতো বেটাৰী গাড়ী চলি আছে।

**শ্ৰী কেশৱ মহন্ত, ( মন্ত্ৰী, বিজ্ঞান আৰু প্ৰযুক্তি ইত্যাদি)ঃ** হয়, Archaeological site ত প্ৰদূষণ নহ'বলৈ, যেনে আগ্ৰাৰ তাজমহলত দেখিছো যে বেটাৰী গাড়ীত যাব লাগে, তেনেকৈ বিধান সভাৰ ভিতৰতো মাননীয় অধ্যক্ষ মহোদয়ে প্ৰদূষণ ৰোধ কৰাৰ বাবে বেটাৰী গাড়ীৰ আৰম্ভ কৰিছে। তাৰ বাবে তেওঁক ধন্যবাদ জনাইছো। এনেধৰণে আমি কিছু ব্যৱস্থা লৈ আছো। ভৱিষ্যতৰ দিনত এইখিনি আৰু বাঢ়ি যাব। অলপ আগত হিম প্ৰবাহৰ কথা কৈছো, গোলকীয় উত্তাপৰ বাবে ই কমি গৈছে আৰু ইয়াৰ বাবেই গোটেই সলনি হৈছে। ক'ৰবাত পানী বাঢ়িছে, ক'ৰবাত পানী শুকাই গৈছে, ক'ৰবাত বৰষুণ বেছি হৈছে, ক'ৰবাত কম হৈছে, এনেধৰণৰ সলনিবোৰ ইটোৰ পিছত সিটো আহি আছে। ২০০৫ ৰ পৰা ২০২১ বৰ্ষৰ India State of Forest Report ত আমাৰ সেউজীয়া এলেকা কম আহিছিল। কিন্তু, শেহতীয়া ৰিপ'ৰ্টত আমি পাইছো যে ২০১১ ৰ পৰা এই সময়চোৱাত বিগত বছৰতকৈ আমাৰ সেউজীয়া এলেকা ৬৩৮ বৰ্গ কিঃমিঃ বৃদ্ধি হৈছে। গতিকে, আমি দূৰদৰ্শী চিন্তাৰে মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত আগবাঢ়িবলৈ সক্ষম হৈছো। কাৰ্বন সংৰক্ষণৰ ক্ষেত্ৰতো আমাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ গছ-গছনি, Wetland য়ে ইয়াক absorb কৰে। এটা সময়ত জলসম্পদ বিভাগে বানপানী নিয়ন্ত্ৰণ আৰু মথাউৰি নিৰ্মাণ কৰে বুলিহে মানুহে জানিছিল। কিন্তু, এইবাৰ বাজেটত আহিছে যে wetland বোৰ খান্দি জলাশয় সৃষ্টি কৰিব আৰু নদীৰ excess পানী তাত সংৰক্ষণ কৰিব। ইয়াৰ দ্বাৰাও আমি যথেষ্টখিনি absorb কৰিব পাৰিম। আগতে জলসিঞ্চনৰ ক্ষেত্ৰত ডিজেল পাম্পেৰে পানী উঠাইছিল। কিন্তু এতিয়া solar point ৰে পানী উঠোৱা হয়। এই গোটেই কথাবোৰ ইটোৰ পিছত সিটো আমি যিকোনো প্ৰকাৰে আগবঢ়াই নিবলৈ সক্ষম হৈছো।

আমাৰ বায়ুমণ্ডলৰ ozone layer পোৱাৰ আগৰ ৫ টা স্তৰৰ ভিতৰত troposphere and stratosphere ত green house effect কিদৰে কমাব পাৰি, সূৰ্য্যৰ অতি বেঙুনীয়া ৰশ্মিয়ে ozone layerত যাতে কোনো ধৰণৰ ক্ষতি কৰিব নোৱাৰে তাৰ বাবে বিজ্ঞানসন্মত ভাৱে এটাৰ পিছত এটা, এইবোৰৰ ওপৰত অধ্যয়ন কৰি আমাৰ কামখিনি আগবাঢ়িছে। আমি আশা কৰিছো যে আহিবলগীয়া দিনত এই ক্ষেত্ৰত সকলোৰে সচেতন হোৱাৰ দিশত আমি আগবাঢ়িম। আমি যি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছো সেইটো মোকাবিলা কৰিব পাৰিম।

আমাৰ সদস্য দিগন্ত বৰ্মন ডাঙৰীয়াই নলবাৰীৰ বিষয় এটা উল্লেখ কৰিছে। আচলতে নলবাৰী বুলিয়েই নহয়, অসমৰ পাঁচখন জিলা ক্ৰমে গুৱাহাটী, নলবাৰী, নগাওঁ, শিৱসাগৰ আৰু শিলচৰ বিভিন্ন কাৰণত জিলা প্ৰদূষিত হৈ আছে। নলবাৰী জিলাত ২০২৩ ৰ জানুৱাৰীত air quality index আছিল ২০৮ আৰু এতিয়া ২০২৪ ৰ জানুৱাৰীত air quality index হৈছে ২৮০। মাজতে আগষ্ট মাহত কম পাইছিলো। একেবাৰে কম পাইছিলো জুলাই মাহত। হয়তো সেই সময়ত বৰষুণ আছিল বা এনেধৰণৰ প্ৰদূষণ হোৱা নাছিল। Air quality indexটো ০-৫০ থাকিলে ভাল, ৫১-১০০ থাকিলে satisfactory আৰু ১০১-২০০ থাকিলে moderate বুলি আমি ভাৱো। কিন্তু ২০০ তকৈ বেছি হোৱাটো poor quality বুলি কোৱা হয়। গতিকে ইয়াৰ দ্বাৰা আমি ইয়াৰ effect টো গম পাওঁ। এই গোটেই ক্ষেত্ৰখন এনেধৰণে অধ্যয়ন কৰা হৈছে। আমি ১০০খন গাঁৱত সেইকাৰণে এই অভিযানটো লৈছিলো। এই ১০০ খন গাঁৱৰ ক্ষেত্ৰত আমি যিসকলক কাম কৰিবলৈ দিছো তেওঁলোক M.Sc ৰ student. First year ৰো হ'ব পাৰে বা final year ৰো হ'ব পাৰে। তাত Environmental Science ৰ students ও আছে। তেওঁলোকৰ পৰা আমি আবেদন বিচাৰি তেওঁলোকক পৰীক্ষা কৰি গাঁৱলৈ পঠিয়াইছিলো। সেই অনুসৰি আমাৰ ওচৰত ৪৩ টা ৰিপৰ্ট আহিছে। Climate Resilience Village হিচাপে গঢ়ি তুলিবলৈ সেই গাওঁখনত কি কি কথা কম আছে বা কি কি কথা তাত জড়িত আছে, কি কি আমি reform কৰিব লাগিব ইয়াৰ দ্বাৰা সকলোবোৰ জানিব পাৰিম। গতিকে এই অভিযানবিলাক আমি কৰি আছো। ভৱিষ্যতত এইবোৰ আন কথাৰ বাবে মডেল হিচাপে আহিব। আমি ১০০ খন গাওঁ পৰীক্ষা কৰিলে নিশ্চয় গম পাম যে বাকীবিলাকৰ ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। এইখিনি কথা মই আপোনালোকৰ ওচৰত উত্থাপন কৰিলো।

আমাৰ বৰুৱা ডাঙৰীয়াই Green Carbon ৰ কথা কৈছিল। এই Green Carbonটো হৈছে স্থল ভাগৰ উদ্ভিদ আৰু অৰণ্যত যিটো কাৰ্বন সংৰক্ষিত হয়, যিটো আমি অমৃত বৃক্ষৰ দ্বাৰা কৰিবলৈ গৈ আছো। Carbon stock বৃদ্ধি কৰাত সহায় কৰিবলৈ তেখেতে আমাক যিকেইটা পৰামৰ্শ দিছে সেইখিনি আমাৰ দৃষ্টিগোচৰ হৈছে। তেনেবিলাক কথাই ইটোৰ পিছত সিটো, চৰকাৰে কাৰ্য্যসূচী গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাজেটত সম্পূৰ্ণ reflect হৈছে। এই ক্ষেত্ৰখনত বাজেটত সম্পূৰ্ণ reflect হৈছে। আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আমাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই interiom budget বাজেটটোত বহু হাজাৰ কোটি টকা দিয়া দেখা গৈছে আৰু নিশ্চয়কৈ জুন মাহত হোৱা বাজেটত এই ক্ষেত্ৰত আৰু বহুত ল'ব। আমি সকলোৰে সুখী যে আমি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই climate change ৰ ক্ষেত্ৰত যিটো leadership দিছে, তাত বিশ্বৰ ১৯৮ খন দেশে তাক আদৰণি জনাইছে আৰু এইটো আমাৰ কাৰণে অতি গৌৰৱৰ কথা। যেতিয়া G20 দিল্লীত হৈছিল এই বিষয়টো তাত সম্পূৰ্ণ স্থান পাইছিল লগতে এই ক্ষেত্ৰত ভাৰতবৰ্ষই আগুৱাই যাব লাগিব আৰু মোদী ডাঙৰীয়াই যি ৭ টা theme আৰু ৭৫

টা কাৰ্য্যকলাপ দিছে, তাৰ মূল কথাটোৱে হৈছে জীৱনশৈলী, অৰ্থ্যাৎ lifestyle আৰু এই lifestyle টো change হ'ব লাগিব আৰু lifestyle change হ'লে আমি এই challenge বিলাকৰ মুখামুখী হ'ব পাৰিম। মই এইখিনি সময় ইয়াৰ বাবে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**শ্ৰী ভৰত নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আমাক গোটেই কথাখিনি ক'লে। কিন্তু পেৰিচ চুক্তিৰ বিষয়ে নক'লে। পেৰিচ চুক্তিৰ প্ৰতি ভাৰতৰ দায়বদ্ধতা কি বা চৰকাৰে ইয়াৰ ওপৰত কি কৰিছে?

**মাননীয় অধ্যক্ষ ঃ** তালুকদাৰ ডাঙৰীয়া, আপোনাৰ কি আছিল সেইটো একেলগে কৈ দিয়ক। আপোনাৰ বিষয়টো পেৰিচ চুক্তিৰ ওপৰতে নেকি?

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (স ৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ পেৰিচ চুক্তিৰ ওপৰত নহয়। মই ক'ব বিচাৰিছো যে মন্ত্ৰী মহোদয়ে যথেষ্ঠ জ্ঞানপুষ্ঠভাৱে প্ৰায় ৪৭ মিনিট উত্তৰ দিছে। মই তেওঁৰ গোটেই ব্যাখ্যাৰ পৰা উপকৃত হৈছো আৰু তেওঁৰ প্ৰশংসা কৰিছো। মোৰ কথাটো হৈছে মন্ত্ৰী মহোদয়ে আমাৰ ৰাজ্য অসমত ৫ খন জিলাৰ কথা উল্লেখ কৰিছে। কিন্তু এক প্ৰতিবেদনমতে ১৭ খন জিলা badly affected এই কথাটো তেওঁ জানে আৰু তাক লৈ পেলাই আমাৰ চৰকাৰে বতৰ পৰিৱৰ্তনৰ ৰাজ্যিক কৰ্ম আঁচনি action plan এখন গ্ৰহন কৰিছে। ২০২১ চনৰ পৰা ২০৩০ লৈ। এই action plan খনে এতিয়া কেন্দ্ৰীয় অনুমোদন পাইছেনে নাই ২০২৪ চনৰ জানুৱাৰী লৈকে? ইতিমধ্যে তিনিটা বছৰ পাৰ হৈ গ'ল। ২০২১,২০২২, ২০২৩ এই তিনিটা বছৰত এই action plan যদি গৃহীত হোৱা নাই তেতিয়াহ'লে আমি কেনেধৰণে কাম কাজ কৰিছো আৰু action plan খন গৃহীত কৰাই লৈ পেলাই যিহেতু ৰাজ্যখনৰ ১৭ খন জিলা badly affected জলবায়ুৰ ক্ষেত্ৰত, গতিকে এই ক্ষেত্ৰত যতি তৎপৰভাৱে ব্যৱস্থা নলয় আৰু action plan খনে গ্ৰহন নহয় তেন্তে এই ১৭ খন জিলা প্ৰদুষণ মুক্ত কৰাৰ বাবে উদ্যোগ কি ল'ব? এই action plan খনৰ জৰিয়তে অন্য কাম হৈছে বুলি ইতিমধ্যে মন্ত্ৰী মহোদয় জনাইছে। গতিকে এই action plan ৰ পৰিকল্পিতভাৱে মোকাবিলা কৰিবৰ বাবে ব্যৱস্থাটো কি ধৰণে ল'ব, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পেৰিচ চুক্তিখন খুৱ important আছিল, তেতিয়া, যেতিয়া climate change ৰ ক্ষেত্ৰত পেৰিচত যিখন summit হৈছিল। সেই পেৰিচ summit খনে আমাৰ মাজত বহুতো কথা আনিছিল। কিন্তু সেই সময়ত আজিৰ সময়ৰ নিচিনাকৈ যিখিনি উন্নত দেশ আৰু Under Develop Country বিলাকৰ মাজত যথেষ্ঠখিনি conflict আছিল আৰু অসমত হোৱাৰ ক্ষেত্ৰত গ্লাচগোত যিখন conference hall সেইখনৰ পৰা আমি যথেষ্ঠখিনি উপকৃত হৈছো আৰু সকলোৱে সহমত কৰিছো। শেহতীয়াভাৱে ডুবাইত যিখন conference হ'ল COP27, সেইখনৰ পৰা আমি যথেষ্ঠখিনি আগবাঢ়ি গৈছো। য'ৰ পৰা আমাৰ এটা গতি আৰম্ভ হৈছে। আমাৰ শ্ৰদ্ধাৰ তালুকদাৰ মহোদয়ে অতি প্ৰদূষিত জিলা আৰু কম প্ৰদূষিত জিলা উল্লেখ কৰাৰ লগতে অতি প্ৰদূষিত জিলাখিনিৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কি কি ব্যৱস্থা ল'ব এই কথাটো জানিব বিচাৰিছে। অলপ আগতে মই এটা কথা উল্লেখ কৰি গৈছিলো যে ইয়াৰ ওপৰত research ৰ প্ৰয়োজন। সেই হিচাপে আমি এটা কথাই আগবঢ়াইছো সেইটো হৈছে আমি প্ৰথমতে এটা survey কৰিব বিচাৰিছো। যেতিয়া আমি এখন দুখন গাৱঁৰ পৰা গোটেই

তথ্যখিনি আনিম তাৰপিছত সেই জিলা বা অঞ্চলটোৰ ক্ষেত্ৰত কি কি ব্যৱস্থা হাতত ল'ব পাৰো। কৰবাত industry ৰ কাৰণে affect হৈছে, কৰবাত অন্যান্য কাৰক বিলাকে affect কৰিছে. গতিকে এই কাৰক বিলাক আমি উদ্ভাৱন কৰি অঞ্চলভিত্তিক বিশেষ বিশেষ ব্যৱস্থা গ্ৰহন কৰাটোৱে হ'ব ইয়াৰ পিছত step আৰু এই গোটেইখিনি কৰাৰ ক্ষেত্ৰত চৰকাৰ জ্ঞাত।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (স ৰভোগ) ঃ** প্ৰদূষণ প্ৰতিৰোধৰ বাবে ২০২১ ৰ পৰা ২০৩০ চনলৈকে যিখন ৰাজ্যিক action plan লৈছিলে সেইখনৰ অনুমোদন নহ'ল নেকি?

**শ্ৰী কেশৱ মহন্ত,(মন্ত্ৰী) ঃ** Environment and Forest Department ত থকাৰ সময়ত এই action plan খনৰ এটা vision report আছিল। এই বিষয়টো Science and Technology বিভাগলৈ অহাৰ আগত Environment and Forest Department য়ে চাই আছিল। তেতিয়া Environment and Forest Department য়ে আংশিকভাৱে vision report এটা লৈছিল আৰু সেইখন এতিয়াও process ত আছে অৰ্থাৎ অনুমোদন কৰি আগবাঢ়ি যোৱা নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (স ৰভোগ) ঃ** Action plan খন অনুমোদেন নহ'লে আমি কেনেদৰে আগবাঢ়িম? আমি এইক্ষেত্ৰত পৃথক পৃথককৈ কিবাকিবি উদ্যোগ হাতত লৈছো। এই action plan খনত সামগ্ৰীকভাৱে ৰাজ্যখনৰ ১৭ খন জিলাক প্ৰদূষণমুক্ত কৰাৰ বাবে ব্যৱস্থা ল'লে ভাল হয় কাৰণ action plan খন ল'লে পুঁজিটোও আহিব আৰু action plan মতে গলে scientifically আগবঢ়া হ'ব।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Action plan খনত যিকেইটা suggestion আহিছিল তাৰে বহু কেইটা দফা বাজেটত refelect হৈছে। গতিকে মই Action plan ৰ ক্ষেত্ৰত এইখিনি কথাই ক'লো আৰু পেৰিচৰ ক্ষেত্ৰত বিশেষকৈ image in economy ৰ ওপৰতে গোটেই বিষয়টো আলোচনা হৈছিল আৰু আমাৰ দেশখনে সম্পূৰ্ণৰূপে লক্ষ্য সাধনৰ ক্ষেত্ৰত সহযোগ কৰিছিল।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ কেইটামান সংযোজন থাকি গ'ল। আমাৰ অসম, অৰুণাচল এ ৰাজ্যবিলাক হৈছে orchid হোৱা ৰাজ্য। পৰিৱেশ control ৰ বাবে আজি আমি green carbon ৰ কথা কৈছো। আমাৰ ঘৰত ১৯৮২-৮৩ চনতে লগোৱা orchid জোপাই প্ৰত্যেক বহাগৰ বিহুতেই ৭ ৰ পৰা ৮ পাহ কপৌফুল দিয়ে। গতিকে আমি বিবাহ বাহৰ, হোটেল, ধাবা, মানুহৰ ঘৰ আদি সকলোতেই যদি orchid mission কৰো তেতিয়া আমাৰ অসমখন দেখিবলৈ সুন্দৰ হ'ব। দ্বিতীয়তে, পৰিৱেশ প্ৰদূষণ, বেমাৰ ইত্যাদিৰ লগতে মাছত ফৰ্মেলিন প্ৰয়োগৰ বিষয়টো বন্ধ কৰিব লাগে আৰু অত্যাধিক কীটনাশক দৰৱৰ ব্যৱহাৰ যাৰফলত ৰাতিৰ ভিতৰতে আমি শাক -পাঁচলি পাইছো, কাৰ্বাইড দি কল পকোৱা ইত্যাদি বিষয়ৰ ক্ষেত্ৰত আমি খুব কঠোৰ পদক্ষেপ ল'ব লাগে আৰু যদি আমি পাৰো প্লাষ্টিকটো যেনেকৈ ছিকিমত যদি যায় তাত প্লাষ্টিক আপুনি বিচাৰি নাপায়। আমাৰ কাষৰীয়া যদি চিকিমে পাৰে আমি অসমত ক্ৰমান্বয়ে এখন দুখন জিলাকৈ এনেকুৱা যদি এটা Pilot Project কৰিব পাৰো নেকি, এইখিনিকে কৈ মই সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্লাষ্টিকৰ ক্ষেত্ৰত যিটো কথা কৈছে এতিয়া

দেখিছে ক্ৰমান্বয়ে একেদিনাই আদায় কৰিবলৈ বিচৰা নাই, সেইটো এতিয়া ২০০ এম এম প্লাষ্টিক বটল one time use প্লাষ্টিক এইবিলাকৰ ক্ষেত্ৰত ব্যৱস্থা লৈছে। আৰু সেইবিলাক industry ক মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই alternative কথাত যাবলৈ দিছে। গতিকে তেনে ধৰণৰ এটা প্ৰক্ৰিয়া আমাৰ মাজত আৰম্ভ হৈছে। বাকী অৰ্কিডৰ বিষয়টো, নিশ্চয় আমাৰ বন বিভাগ আছে তেখেত সকলে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। The House is adjourned till 9.00 A.M of 23rd February, 2024.